


ডিগবৈ মহাবিদ্যালয়

# আলোচনী

সোণালী জয়ন্তী বৰ্ষ

৩৫ তম্ সংখ্যা, ২০১৩-১৪ বৰ্ষ

তত্বাবধায়ক ঃ জয়ন্ত সন্দিকৈ

সম্পাদক ঃ ৰিদিপ বৰুৱা

# সোঁৱৰণীৰ এখিলা পাত...




A fund collection campaign for Digboi College














Digboi College "The Inter-college Football Champion" 1967-68



The then Teaching Fraternity of Digboi College







ডিগবৈ মহাবিদ্যালয়

# আলোচনী

৩৫ তম্ সংখ্যা, ২০১৩-১৪ বৰ্ষ




সম্পাদক ঃ ৰিদিপ বৰুৱা









ডিগবৈ মহাবিদ্যালয় আলোচনী (৩৫ তম্ সংখ্যা, ২০১৩-১৪ বৰ্ষ) ঃ ডিগবৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ দ্বাৰা প্ৰকাশিত, ৰিদিপ বৰুৱাৰ দ্বাৰা সম্পাদিত আৰু দি অসম কম্পিউটাৰচ্ তিনিচুকীয়াত মুদ্ৰিত

**সম্পাদনা সমিতি**

| | | |
|---|---|---|
| সভাপতি | ঃ | ড° দীপ শইকীয়া |
| উপ-সভাপতি | ঃ | শ্ৰীযুত কেদাৰনাথ টিমচিনা |
| মুখ্য উপদেষ্টা | ঃ | ড° জয়ন্ত সন্দিকৈ |
| উপদেষ্টা | ঃ | পবিত্ৰ ভৰালী |
| | | অপৰাজিতা গগৈ |
| | | সীমান্ত বৰদলৈ |
| | | দেৱৰ্ষি গগৈ |
| সম্পাদক | ঃ | ৰিদিপ বৰুৱা |
| সদস্য / সদস্যা | ঃ | ৰাতুল শৰ্মা |
| | | দুশ্যন্ত বৰা |
| | | অমৰজ্যোতি গগৈ |
| | | ৰিম্পি সোনোৱাল |
| | | মিৰান্দা ৰাজকুমাৰী |
| বেটুপাত | ঃ | দেৱৰ্ষি গগৈ |
| অলংকৰণ | ঃ | দিলীপ চন্দ্ৰ বৰা, দেৱৰ্ষি গগৈ |
| অংগসজ্জা | ঃ | মানৱ বিশ্বাস, লুইত চেতিয়া |
| ডি.টি.পি | ঃ | হিমাদ্ৰী, অংশুমালা |
| মুদ্ৰণ | ঃ | দি অসম কম্পিউটাৰচ্ |
| | | ইণ্ডাষ্ট্ৰিয়েল ইষ্টেট, বৰগুৰি |
| | | তিনিচুকীয়া - ৭৮৬১২৬, অসম |
| | | দূৰভাষ - ২৩৩০৪২৪ |

শ্ৰদ্ধাৰে সুঁৱৰিছো
সেইসকল কৃতি শিক্ষাগুৰুক
যি সকলৰ মহান অৱদানে
ডিগবৈ মহাবিদ্যালয় কৰিলে মহীয়ান



বিমল গগৈ
ইংৰাজী বিভাগ

লক্ষীপ্ৰভা বুঢ়াগোহাঁই
ৰাজনীতি বিজ্ঞান বিভাগ

তৰুণ চন্দ্ৰ হাজৰিকা
অসমীয়া বিভাগ

লংকেশ্বৰ দেৱ শৰ্মা
সংস্কৃত বিভাগ



স্বৰ্ণলতা গগৈ
দৰ্শন বিভাগ, অধ্যক্ষা

শিশুপাল ডেকা
দৰ্শন বিভাগ

ৰথিন্দ্ৰ চৰকাৰ
বাংলা বিভাগ

ৰজনী কুমাৰ বৰুৱা
বুৰঞ্জী বিভাগ



উপেন্দ্ৰ নাথ কোঁৱৰ
প্ৰাণী বিজ্ঞান বিভাগ

পাপৰি কলিতা
উদ্ভিদ বিজ্ঞান বিভাগ

বিপুল গোস্বামী
বাণিজ্য বিভাগ

# শ্ৰদ্ধাঞ্জলি

**আমাৰ অশ্ৰুসিক্ত শ্ৰদ্ধাঞ্জলি যাঁচিছো এই সকললৈ -**

- ডিগবৈ মহাবিদ্যালয়ৰ চতুৰ্থ বৰ্গৰ প্ৰাক্তন কৰ্মচাৰী চূড়ামণি সোনাৰ।
- ডিগবৈ মহাবিদ্যালয়ৰ বুৰঞ্জীবিদ স্বৰ্ণলতা বৰুৱা।
- কৰুণা কান্ত কলিতা, শংকৰ সংঘ, প্ৰাক্তন সভাপতি।
- দীনেশ প্ৰসাদ গোৱালা, কেন্দ্ৰীয় মন্ত্ৰী, অসম।
- ভূপেন বৰগোহাঁই, সাংবাদিক।
- প্ৰৱিণ বৰা, চলচিত্ৰ পৰিচালক।
- চুমন মহন্ত, গায়ক।
- চুচেন্দ্ৰ নাথ ভূঞা, প্ৰাক্তন মহাধিবক্তা।
- শংকৰ বৰুৱা, প্ৰাক্তন আৰক্ষী সঞ্চালক প্ৰধান।
- পুলিন দাস, খেলুৱৈ।
- নিত্যানন্দ গোস্বামী, আৰক্ষী অধীক্ষক।
- গোলজাৰ হুচেইন, সহঃ আৰক্ষী অধীক্ষক।
- মিনা আগৰৱালা, সমাজকৰ্মী
- বিশ্বৰ বিভিন্ন প্ৰাক্তন প্ৰাকৃতিক দুৰ্যোগ তথা বিভিন্ন অনাকাংশিত দুৰ্যোগ-দুৰ্ঘটনা-সংঘৰ্ষত প্ৰাণ হেৰুৱা জ্ঞাত-অজ্ঞাত সকলো ব্যক্তি।

– সম্পাদনা সমিতি



## ।। কীৰ্ত্তিযস্য চ জীৱতি ।।

মা আমি শদিয়ালে যামেই
মা আমি সটফুল খামেই
........................

কেঁচা পাতত লোণবান্ধি শদিয়ালৈ যোৱাৰ
প্ৰয়াস কৰা
শদিয়াত সটফুল খাবলৈ আৰু খোৱাবলৈ প্ৰতিশ্ৰুত
হোৱা
প্ৰচলিত অমূলক নিয়মৰ গতিধাৰাক প্ৰতিহত
কৰিবলৈ বুকুত সাহস বান্ধা
অসমীয়াৰ ঘৰে ঘৰে
শতৰূপা আৰু শতদল বাসিনীক
হৃদয় মনাকাশত
প্ৰতিভাত কৰোৱা
অবিস্মৰণীয় কণ্ঠৰ প্ৰতিভাধৰ কণ্ঠশিল্পী
গীতিকাৰ সুৰকাৰ
খগেন মহন্তদেৱৰ সশ্ৰদ্ধ সোঁৱৰণত



**মহাবিদ্যালয়ৰ এই সংখ্যাৰ (৩৫ তম্)**
**আলোচনীখনি সাদৰেৰে সেৱা সহিত উৎসৰ্গিত।**
**ওম্ শান্তি**

**।। শৰীৰং ক্ষণ বিধ্বংসী কল্পান্তো স্থায়ীনু গুণাঃ ।।**



# মহাবিদ্যালয় সংগীত

রচনা ঃ ড° কান্তেশ্বৰ ডেকা / বিমল গগৈ
সুৰ ঃ ড° কান্তেশ্বৰ ডেকা / বৰুণ দেৱ

এয়া অসম দেশৰে প্ৰান্ত,
য'ত পনীয়া সোণেৰে প্ৰাণৱন্ত
আছে এক কামনা অনন্ত,
মানৱ হৃদয় প্ৰাণৱন্ত ।।
এখন ছবি এয়া বহুতো ৰঙৰ,
বহুত জনৰ আৰু বহুতো প্ৰাণৰ ;
তথাপিও এই ছবি প্ৰাণেৰে জীৱন্ত,
মানৱ হৃদয় প্ৰাণৱন্ত ।।
সূৰুজমুখী আমাৰ এ মন
উৰ্দ্ধমুখী আমাৰ এ মন,
আমি যাওঁ – শান্তিৰ পোহৰ বিচাৰি যাওঁ,
আমি যাওঁ – শান্তিৰ জোনাক বিচাৰি যাওঁ ।।
মহাপ্ৰলয়ৰ মহাভাৰতৰ
ইতিহাসত আমি পাওঁ
মহান মহান কত শ্ৰেষ্ঠ তুলিকা
মানৱক আমিয়ে বিলাওঁ ।।
ডিগবৈ কলেজৰ কৃতিত্বৰে
দেশ–মাতৃৰ মুখ উজলাওঁ
আমি যাওঁ – জ্ঞানৰ পোহৰ বিচাৰি যাওঁ,
আমি যাওঁ – শান্তিৰ জোনাক বিচাৰি যাওঁ ।।



# মহাবিদ্যালয়ৰ মূলমন্ত্ৰ

মহাবিদ্যালয়ৰ মূলমন্ত্ৰ ''বিদ্যা দদাতি বিনয়''য়ে বিনয় প্ৰদায়ক জ্ঞানৰ তাৎপৰ্য বহন কৰিছে। জ্ঞান প্ৰদত্ত বিনয়ীভাৱৰ সৈতে নম্ৰতা, নিয়মানুৱৰ্তিতা আৰু সাংস্কৃতিক আচৰণবোধ একাত্ম। বিনয়ে এটা সমৃদ্ধময় জীৱনৰ বাটকাটিবলৈ যোগ্যতা নিশ্চিত কৰি ব্যক্তিৰ আত্মসন্তুষ্টি আৰু অন্তৰাত্মাৰ আনন্দক চিৰস্থায়ী কৰে।

এই বিধিবাক্য সাৰোগত কৰি এই মহাবিদ্যালয়ে প্ৰচেষ্টা কৰে ছাত্ৰ সমাজৰ চেতনাত বিনয়, নিয়মানুৱৰ্তিতা আৰু সাংস্কৃতিক আচৰণবোধ জাগ্ৰত কৰিবলৈ যাতে তেওঁলোকে সু লক্ষ্য স্থিৰ কৰাৰ লগতে সাৰ্বিক সমাজৰ হিতৈষী কাৰ্যত অৰিহণা যোগাব পাৰে।■

# মহাবিদ্যালয়ৰ দৃষ্টিভঙ্গী

মহাবিদ্যালয়খনৰ সৰ্বদা দৃষ্টি উৎকৃষ্ট শিক্ষা প্ৰদানৰ। উৎকৃষ্ট শিক্ষাই ছাত্ৰ সমাজক ভাৰতীয় সংস্কৃতি, ঐতিহ্য তথা মূল্যবোধৰ বিষয়ে উপদেশ প্ৰদান কৰাৰ লগতে আধুনিক কাৰিকৰী কৌশলসমৃদ্ধ আৰু গোলকীকৃত সমাজখনৰ চাহিদাসমূহ পূৰণৰ পথ নিৰ্দেশনা দিব। ■

# আমাৰ সংকল্প

আমাৰ মহাবিদ্যালয়ে সংকল্প কৰে —

(ক) শিকাৰুক এনে শিক্ষা প্ৰদান কৰাৰ — যিয়ে তেওঁলোকক দায়বদ্ধ আৰু নৈতিক গুণসম্পন্ন নাগৰিক হিচাপে গঢ় দিয়াৰ লগতে সৃষ্টিশীল তথা যুক্তিবাদী সমালোচক কৰিব আৰু তেওঁলোকক ফলপ্ৰসূভাৱে ভাৱ প্ৰকাশৰ কৌশল শিকাব;

(খ) শিকাৰুৱে সৎ, দৃঢ় প্ৰতিজ্ঞ আৰু সৌম্যভাবেৰে শিক্ষা আৰ্জিব পাৰে সেই উদ্দেশ্যে তেওঁলোকক উৎসাহ যোগাব;

(গ) ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বিশ্বমানৰ যোগ্যতা গঢ়ি তুলিব যাতে তেওঁলোকে জীৱনৰ অনাগত সুযোগ আৰু প্ৰত্যাহ্বানসমূহৰ বাবে নিজকে প্ৰস্তুত কৰিব পাৰে;

(ঘ) শৈক্ষিক পৰিৱেশ সুস্থ কৰি তুলিব যাতে উন্নত মানদণ্ডৰ শিক্ষা প্ৰদান তথা সংবৰ্ধন কৰিব পৰা যায়;

(ঙ) সামূহিক কৰ্ম, নৱ্য কৌশল আৰু শিখৰ প্ৰাপ্তিৰ বাবে কৰা কৰ্ষণৰ যোগেদি ইয়াৰ সাংগাঠনিক অংশসমূহৰ মাজত অটুট বন্ধন গঢ়ি তুলিব;

(চ) সকলো জাতি, ধৰ্ম সম্প্ৰদায় আঁকোৱালিব পৰা ৰাষ্ট্ৰীয় একতা আৰু বিশ্বজনীন সংস্কৃতিৰ ভাব জগাই তুলিব। ■

# আমাৰ বিশ্বাস

আমি বিশ্বাসী যে —

(ক) সকলো ছাত্ৰ-ছাত্ৰীৰ ভিতৰত সমাজৰ এজন মূল্যবোধসম্পন্ন ব্যক্তি হিচাপে বিকশিত হৈ উঠিবৰ বাবে অফুৰন্ত শক্তি অন্তৰ্নিহিত হৈ আছে।

(খ) এজন ব্যক্তিৰ শিক্ষা ফলদায়ক হয় যেতিয়া তেওঁ শিক্ষাৰ প্ৰসাৰ ঘটায় আৰু ইয়াৰ বাবে প্ৰয়োজনীয় প্ৰযত্ন লয়।

(গ) শিক্ষা এক আজীৱন প্ৰক্ৰিয়া আৰু অৰ্থ সম্পন্ন শিক্ষাই জ্ঞান অৰ্জনৰ বাবে অনন্ত দিগন্তৰ পথ নিৰ্দেশনা দিয়ে।

(ঘ) নিয়মানুৱৰ্তিতাৰ জ্ঞানে ছাত্ৰ-ছাত্ৰীক দায়বদ্ধ কৰি তোলাৰ লগতে দায়িত্বশীল নাগৰিক হিচাপে গঢ় দিয়ে।

(ঙ) এজন ব্যক্তিক সমাজৰ উপযোগী হোৱাকৈ গঢ় দিবলৈ হ'লে বৈজ্ঞানিক, কাৰিকৰী আৰু অৰ্থনৈতিক শিক্ষাৰ লগত নৈতিক, বৌদ্ধিক আৰু আধ্যাত্মিক জ্ঞানসম্পন্ন শিক্ষাৰ ব্যৱস্থা থাকিব লাগিব। ■

# মহাবিদ্যালয়ৰ প্ৰতীক

ESTD 1965

মহাবিদ্যালয়ৰ প্ৰতীকটোৰ আৰ্হি চিত্ৰিত কৰিছিল মহাবিদ্যালয়খনৰ প্ৰাক্তন অধ্যাপক তথা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ভূতপূৰ্ব মহাবিদ্যালয় পৰিদৰ্শক প্ৰয়াত বিমল গগৈ ডাঙৰীয়া আৰু সেই সময়ৰ বিখ্যাত চিত্ৰশিল্পী, ভাস্কৰ তথা শেষ জীৱনত নেপালৰ ৰাজ কবিৰূপে প্ৰতিষ্ঠিত মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ প্ৰয়াত হৰি ভক্ত কটোৱালে।

প্ৰতীকটোত অংকিত অৰ্ধগোলাকৃতিৰ গোলকটোৰ ওপৰত জখলাসদৃশ এটা স্তম্ভ আছে যি এছিয়াৰ প্ৰথম তৈল নগৰী ডিগবৈৰ ঐতিহ্যক সোঁৱৰাই। লগতে এই স্তম্ভ জ্ঞানৰ জখলাৰ প্ৰতীক যি আমাক দিগন্ত প্ৰসাৰী লক্ষত উপনীত হ'বলৈ সমৰ্থ কৰি তোলে। প্ৰতীকটোৰ তলৰ ফালে থকা ডেউকা দুখনে এই তাৎপৰ্য বহন কৰে যে শিক্ষাৰ যোগেদি আমি জীৱনৰ উচ্চতম লক্ষ্য প্ৰাপ্তিৰ বাবে আগবাঢ়িব পাৰোঁ। প্ৰতীকটোত থকা সূৰ্যৰ ৰশ্মিয়ে তাৎপৰ্য বহন কৰিছে আশা আৰু জ্ঞানৰ পোহৰৰ যি জীৱনৰ তমসা নাশ কৰিব আৰু সমগ্ৰ বিশ্ব জ্যোতিষ্মান কৰি তুলিব। এই প্ৰতীকটো মহাবিদ্যালয়খনে বিশ্বাস কৰা নৈতিকতা আৰু মূল্যবোধৰ নিদৰ্শন যাক মহাবিদ্যালয়খনে সমাজৰ আন্তঃগাঁথনিত গ্ৰন্থিত কৰিব বিচাৰে। প্ৰতীকটোৰ অধঃস্থানত থকা 'হিতোপদেশৰ পৰা উদ্ধৃত বাক্যশাৰীয়ে মহাবিদ্যালয়ৰ মূলমন্ত্ৰক দাঙি ধৰে'।

উৎস : Digboi College Prospectus 2013-14

অনুবাদ : শ্ৰীপবিত্ৰ ভৰালী (সহ: অধ্যাপক) আৰু ৰক্তিম বৰগোহাঁই (উ:মা: ২য় বৰ্ষ)

# Digboi College - 50 Years of Glorious Journey





Proposal For Science & Arts Degree College In Digboi

Foundation Stone Laid By Padmasree H. B. Kasoa

Traversing 49 years of glorious journey pursuing the avowed goals of "Gyanor Pohar Bichari Jao, Shantir Jonak Bichari Jao", Digboi College, which made its humble beginning on 15th July 1965, is on the threshold of stepping into the 50th year. Since its inception, the college has successfully enlightened the lives of scores of its disciple hailing from Digboi and its neighbouring areas and far flung places of Arunachal Pradesh.

The establishment of this higher educational institution named Digboi College was the fruit of the dedicated efforts of a handful of educationists and social activists. Though the first Digboi College started during 1961 – 62 at the initiative of late Satyajivan Pal, Supervising Headmaster of schools under Assam Oil Company, did not see the fruit of success, Digboi's dream of a college was fulfilled through the attempts of its ad-hoc Governing Body (Executive committee) comprising Tarun Chandra Goswami, the then DFO, Digboi (President), Dwijesh Chandra Dev Sarmah, the MLA, Digboi (Vice- President, later president) , Meeraj Hussain (Secretary), Krishna Prasad Baruah (Assistant Secretary, later secretary), Prafulla Chandra Baruah (Treasurer), S. C. Dutta Roy (Later Treasurer), Dharmeswar Talukdar, Krishnananda Goswami, Tarini Mohan Das Gupta and Priyo Das Talukdar. Dwijesh Chandra Dev Sarmah deserves special thanks for his contribution towards procurement of land for the permanent campus of the college.



At the beginning, (in 1965) at P. U. Level – Arts & Science streams were started whereas at Degree Level, only Arts stream was opened. The classes were conducted at the morning session at Sowmer Vidyapith. Practical classes were conducted at Vivekananda Vidyalaya whereas the college office was located at the Digboi Sahitya Seva Samiti Bhavan. Near about 300 students were enrolled in the opening year. The first student admitted to the college was Mrs Chitralekha Bora, who later became Principal of Balika Vidyamandir, Digboi and who is also an important name among woman writers of Assam.

The founder principal of the college was Mr Narendra Nath Choudhury who served the college for nearly one year. Later Mr (Later Dr) P. K. Bhuyan was appointed as a permanent principal who served for a long duration of 22 years. During its 50 years journey, the college has received the services of five permanent Principals and seven Principals in Charges.

The founder teachers of the college include Bimal Gogoi (English), Rafique Hussain (Botany), Kanteswar Deka (History), Akela Khanam (Assamese) Tarun Ch Das (Economics), Swadesh Sahay Roy Choudhury (Mathematics), Madan Mohan Choudhury (Political Science) Rajrup Singh (Hindi), Swarnalata Gogoi (Philosophy), Sabita Dutta (Sanskrit), Hemen Gogoi, Nilima Das.

The college was shifted to the present permanent campus having 25.86 acres of land in 1967. It is a pleasure to remember that the inauguration of the Academic building at the permanent campus was graced by the presence of the then Chief Minister of Assam, Bimala Prasad Chaliha and the then V. C. of Dibrugarh University, Bhograth Seth who planted saplings also commemorating the occasion.



Subsequently in 1974, the college started the commerce stream. At present it has 20 departments, with a total of 63 faculty members and 38 non-teaching members.

With its affiliation to Dibrugarh University in 1965, college has established its academic distinction through the performances of the students in the PU and degree examinations. Here's a brief list of the achievers:

PU Arts:- Sandhya Sengupta, Chanda Bhattacharjee, Shaya Prasad Engo Purkayastha, Chaya Sutradhar, Sukumar Das, Ramden Prasad, Jibonath Upadhaya, Puja Sarkar, Gayatri Das Gupta, P. Kurah, Doli Rai, Bhabilal Lamichani.

PU Science: Sushil Choudhury, Pramod Kr Choudhury, Kuldip Kar, Suhagh Kr Jastracharia, Tridip Sarma, Pradip Gogoi, Partha Pratim Goswami, Dipak Gogoi, Dipankar Das, Ranganath Choube, Rajib Ghai, Sanjib Handique, Rudra kanta Sharma, Atanu Borkakoti, Pradip Upadhaya.

Degree (Distingtion/ Position holders and in the top ten): Hari Pada Sinha, Prabin Sharma, Nomi Roy, Chanda Bhattacharya, Priti Nath Gowalee, Jagat Bordoloi, Thakur Prasad Upadhaya, Gita Bhattacharjee, Dora Ribelu, Suresh Choudhury, Abhijit kr Walia, Meri Ruch Victoria, Khagendra Mohan Nath, Bhabilal Lamichani, Sumitra Kr. Periyal, Bhabani Prasad Dumni, Gita Kumari, Surendra kumar Periyal, Sumitra Bhowmick, Ruplekha Borkakoti, Monish Nath Bhattacharjee, Nobin Dutta, Parimal Ch. Rai,Rajendra Nath Chetry, Ranjit Kr Dey, Dipendra Kr Dey, Rita Choudhury, Lohit Ch. Bora, Monish Choudhury, Basanta Kr. Agarwal, Indira Bhuyan, Bijaya Dutta, Abani Kr. Mili, Kamala Mazumdar, Mon Prasad Chetry, Sukumar Das, Anu Dutta, Hema Barua, Bina Baruah, Chitra Giri, P. Kurah, Gayatri Das Gupta, Kabita Baruah, Dipika Chanda, Sarbani Guha (1982), Dipanwita Das (1st class 2nd, 1982), Usha Kumari Khamani, Rinti Choudhury, Ajanta Bhuyan, Gautam Purkayastha, Amita Mitra. In the recent years, Anindita Kakoti achieved the best commerce graduate of DU in the year 2008. The college has maintained the tradition of academic distinction by occupying first class (with distinction) in different subjects. There have been 14 first class holders in 2010; 14 in 2011, 17 in 2012 & 16 in 2013.

**Achievements in Co-curricular Activities:**

Students of Digboi College have brought laurels to the institution in the co-curricular activities as well. For several years Digboi College achieved the best college honour in Inter College sports competition of the colleges under Dibrugarh University. Japan Baruah, Gahin Phukan, Surya Borpujari, Ranadhir Nandi, William, Pritinath Gowala, Imtiaz Ahmed, Biren Singh, Rajen Mili, Subrata, Dilip Bora, Dipak Benarjee, Mrinmoy Das Gupta, Kanak Saikia, Chiraji Begum, Anjali Sonowal, Swati Ganguli, Nilima Biswas, G. Saikia, Manju Dutta etc brought honour to the college through their sportsmanship. Similarly in cultural areas Bichitra Das, Abu Hussain, Jiten Dutta, Anu Dutta, Ranu Bharali, Niru Das, Makhani Bhuyan etc in Drama acting and Barun Deb, Jiten Debnath, Gautam Dutta, Gautam Choudhury, Dipali Bhajani, Dipanjali Baruah, Ajanta Das, Gitanjali Baruah, Ramu Thakur, Sikha Bordoloi, Nayanmoni, Beauti in singing brought honour to the college.



The college achieved the Best Athletic team Award for two consecutive years in 1967 – 68 and 1968 – 69. In 1967 – 68 we also achieved the award of Inter College Football Champion.

As regard NCC, the college can pride that it has consistently brought honours to the college. Sephei Singh, Dolly Roy and Dipanjali Borbora ranked top in all India competition. Many students have got "C" certificate of NCC while participation in Republic Day parade in New Delhi by several groups has become worthy to be remembered.

The college regularly publishes the Annual college magazine and till date it has published 34 issues. Publication of the wall magazine centrally as well as in the hostels and the departments is very creatively undertaken. Besides, the college has published "Bachar Pancish", (Silver Jubilee Souvenir), Souvenir of National Seminar on Decentralisation of Power and Rural Development, two books named (i) Decentralisation of Power and Rural Development and (ii) Empowering youth through Entrepreneurship. The college has also brought out the first issues of its Research Journal named Panorama (2009).

Digboi College Library is an asset not only for the college but for this part of the region because of the great stock–books and journals – it has maintained. Near about thirty thousand quality books are in the library which is under the process of digitization for "search" & "issue". Very recently the library has been shifted to its new building which has provision for conference hall also apart from the ongoing facilities like Reading room, Book Bank, Xerox. The open access is an added feature; the library is expected to become more e–friendly as the college projects to develop it to a digital library with all e – resources: Internet access to students, e–books, e–journals, N LIST/ INFLIBNET, CD/DVD section and audio – visuals.

The college has completed 49 years and is entering its 50th year. Though much has been achieved, we are not lagging behind in dreams. As achievers often inspire saying "Sky's the limit". Indeed, we too feel at the core of our heart –

"We" have promises to keep!
Miles to go before "we" Sleep!
Miles to go before "we" Sleep!!











Prof. A.K. Buragohain, Ph.D. (London), DIC
*Vice-Chancellor*

DIBRUGARH UNIVERSITY
DIBRUGARH-786 004
ASSAM, INDIA
Phone: 0373-2370239(O)
Fax : 0373-2370323
e.Mail: alakkrburagohain@gmail.com

Ref. No.DU/VC/M/073/14/467 Date:17.10.2014

## শুভেচ্ছা বাণী

প্ৰতি

**শ্ৰী ৰিদিপ বৰুৱা**
আলোচনী সম্পাদক
ডিগবৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা ২০১৩-১৪ বৰ্ষ
ডিগবৈ

**মৰমৰ ৰিদিপ,**

ডিগবৈ মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ বাৰ্ষিক আলোচনী **'ডিগবৈ মহাবিদ্যালয় আলোচনী'**ৰ ৩৫ তম্ (২০১৩-১৪ বৰ্ষ) সংখ্যাটি প্ৰকাশ কৰিবলৈ লোৱা বুলি জানিব পাৰি আনন্দিত হৈছোঁ।

এখন মহাবিদ্যালয়ৰ আলোচনীয়ে মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীৰ সুপ্ত প্ৰতিভাক বিভিন্ন ধৰণৰ সৃষ্টিমূলক লিখনিৰ জৰিয়তে প্ৰকাশ কৰাত সহায় কৰাৰ লগতে সমাজখনৰ দৃষ্টিভংগীকো প্ৰতিফলিত কৰে। মই আশা কৰিছোঁ ডিগবৈ মহাবিদ্যালয়ৰ আলোচনীখনিয়েও গল্প, কবিতা, প্ৰবন্ধ ইত্যাদি প্ৰকাশ কৰাৰ লগতে সমাজখনৰ বাস্তৱ জীৱনৰ ওপৰতো আলোকপাত কৰিব আৰু ছাত্ৰ-ছাত্ৰী সকলক সৰ্বাংগীন বিকাশ সাধনৰ পথ দেখুৱাব পাৰিব।

মহাবিদ্যালয়খনৰ সমূহ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী তথা কৰ্মচাৰীবৃন্দৰ সৃষ্টিমূলক লিখনিৰে 'ডিগবৈ মহাবিদ্যালয় আলোচনী'ৰ ২০১৩-১৪ বৰ্ষৰ সংখ্যাটি সুন্দৰ ৰূপত প্ৰকাশ পাওক, এই কামনাৰে —

অলক কুমাৰ বুঢ়াগোঁহাই

*Rameswar Teli*
Member of Parliament
13-dibrugarh Lok Sabha Constituency

Room No 8 Assam House.
Chanakyapuri, New Delhi
Mobile 9435039335

প্ৰতি
শ্ৰী বিদীপ বৰুৱা
আলোচনী সম্পাদক
ডিগবৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা ২০১৩-১৪ বৰ্ষ
ডিগবৈ।

মৰমৰ বিদীপ,

ডিগবৈ মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ আলোচনী ডিগবৈ মহাবিদ্যালয় আলোচনী ৩৫ তম (২০১৩-১৪ বৰ্ষ) সংখ্যাটি প্ৰকাশ কৰিবলৈ লোৱা বুলি জানিব পাৰি আনন্দিত হৈছোঁ।

মহাবিদ্যালয়ৰ আলোচনীয়ে মহাবিদ্যালয়সমূহৰ ছাত্ৰ-ছাত্ৰীৰ সুপ্ত প্ৰতিভাক বিভিন্ন বিষয়ৰ সৃষ্টিমূলক লিখনিৰ জৰিয়তে প্ৰকাশ কৰাত সহায় কৰাৰ লগতে সমাজ সমূহৰ বৰ্তমানৰ প্ৰতিচ্ছবিও প্ৰতিফলিত কৰে। ডিগবৈ মহাবিদ্যালয়ৰ আলোচনীখনিয়ে গল্প, কবিতা প্ৰবন্ধ ইত্যাদি প্ৰকাশ কৰাৰ লগতে বাস্তৱ জীৱনৰ ওপৰতো আলোকপাত কৰিব আৰু ছাত্ৰ-ছাত্ৰী সকলৰ বিকাশ সাধনত বাট দেখুৱাব পাৰিব।

মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী তথা কৰ্মচাৰী বৃন্দক লিখনিৰে আলোচনীৰ ২০১৩-১৪ বৰ্ষৰ সংখ্যাটি সুন্দৰ ৰূপত প্ৰকাশ পোৱাত কামনাৰে —

(ৰামেশ্বৰ তেলী)
সাংসদ, ডিব্ৰুগড়, অসম।

কৰ্মৰত অৱস্থাত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দীপ শইকীয়া



কৰ্মৰত অৱস্থাত মহাবিদ্যালয়ৰ উপাধ্যক্ষ কেদাৰনাথ টিমছিনা



## সম্পাদনা সমিতি ২০১৩-১৪ বৰ্ষ



**ড° দীপ শইকীয়া**
সভাপতি



**কেন্দাৰনাথ টিমচিনা**
উপ-সভাপতি



**ড° জয়ন্ত সন্দিকৈ**
মুখ্য উপদেষ্টা



**পবিত্ৰ ভৰালী**
উপদেষ্টা



**অপৰাজিতা গগৈ**
উপদেষ্টা



**সীমান্ত বৰদলৈ**
উপদেষ্টা



**ৰিদিপ বৰুৱা**
সম্পাদক



**দেৱৰ্ষি গগৈ**
উপদেষ্টা



**ৰাতুল শৰ্মা**
সদস্য



**ৰিম্পী সোনোৱাল**
সদস্যা



**মীৰান্দা ৰাজকুমাৰী**
সদস্যা



**দুশ্যন্ত বড়া**
সদস্য



**অমৰজ্যোতি গগৈ**
সদস্য




1965-2015, Celebrating Golden Jubilee Year

# ডিগবৈ মহাবিদ্যালয়
# ছাত্ৰ একতা সভা ২০১৩–১৪ বৰ্ষ


অংকুৰ বৰা
সভাপতি


ৰমজানুল হক
উপ-সভাপতি


অমৰ জ্যোতি গগৈ
সাধাৰণ সম্পাদক


ৰাজদীপ ঘোষ
সহ-সাধাৰণ সম্পাদক


ৰিদিপ বৰুৱা
আলোচনী সম্পাদক


জখং চিংফু
তৰ্ক আৰু আলোচনা সম্পাদক


দুশ্যন্ত বৰা
সাংস্কৃতিক সম্পাদক


মুনমুন গগৈ
সাংস্কৃতিক সম্পাদিকা


বিজু হাজৰিকা
সমাজসেৱা সম্পাদক


সুনীল কুমাৰ চাকমা
মুখ্য ক্ৰীড়া সম্পাদক


তিলক প্ৰধান
সাধাৰণ ক্ৰীড়া সম্পাদক


উৎপল শইকীয়া
লঘুক্ৰীড়া সম্পাদক


বিকাশ ছেত্ৰী
ছাত্ৰ জিৰণী কোঠা সম্পাদক


আব্দুল ৰহমান
শৰীৰ চৰ্চা সম্পাদক


সীতা আলে
ছাত্ৰী জিৰণী কোঠা সম্পাদিকা


মনীষা গুৰুং
সংগীত সম্পাদিকা

# মহাবিদ্যালয়ৰ কৃতি ছাত্ৰ-ছাত্ৰীসকল (২০১৩-১৪)

## কলা শাখা



বীৰ বাহাদুৰ ছেত্ৰী
১ম শ্ৰেণী, ১৬ অম স্থান ৰাজনীতি বিজ্ঞান
শ্ৰেষ্ঠ কলা স্নাতক বঁটাৰে বিভূষিত



পিউৰা গুপ্তা
১ম শ্ৰেণী
২৫ অম্ স্থান (অৰ্থনীতি বিভাগ)



বিশ্বদীপ ৰয়
১ম শ্ৰেণী
২৬ অম্ স্থান (ৰাজনীতি বিজ্ঞান)



পুৰ্ণ্যব্ৰতী বিমাল
১ম শ্ৰেণী
৬৫ অম্ স্থান (দৰ্শন বিভাগ)



মনোৰঞ্জন গগৈ
১ম শ্ৰেণী
৬৯ অম্ স্থান (ৰাজনীতি বিজ্ঞান)



ৰিম্পী সোণোৱাল
১ম শ্ৰেণী
৭১ অম্ স্থান (ইংৰাজী বিভাগ)



ৰিজুৱানা পৰেজ ভূঞা
১ম শ্ৰেণী
৭৫ অম্ স্থান (অৰ্থনীতি বিজ্ঞান বিভাগ)



নন্দিতা বৰদলৈ
১ম শ্ৰেণী
৭৭ অম্ স্থান (ইংৰাজী বিভাগ)



শোভা মঙ্গল চাকমা
১ম শ্ৰেণী
৭৮ অম্ স্থান (ৰাজনীতি বিজ্ঞান)



দেৱাশিষ দে
১ম শ্ৰেণী
৮৪ অম্ স্থান (ইংৰাজী বিভাগ)



অজয় কাকতি
১ম শ্ৰেণী
৮৮ অম্ স্থান (ৰাজনীতি বিজ্ঞান)



উপাসনা বৰা
১ম শ্ৰেণী
৮৯ অম্ স্থান (অৰ্থনীতি বিভাগ)



চুম্পী নাগ
১ম শ্ৰেণী
১০২ অম্ স্থান (ইংৰাজী বিভাগ)



নেৱালি হাজৰিকা
১ম শ্ৰেণী
১১৫ অম্ স্থান (অৰ্থনীতি বিভাগ)



সুৰভি শইকীয়া
১ম শ্ৰেণী
১৫৮ অম্ স্থান (অসমীয়া বিভাগ)



ৰোহিত কুমাৰ ছেত্ৰী
১ম শ্ৰেণী
১৮১ অম্ স্থান (ৰাজনীতি বিজ্ঞান)



অংকুৰ বৰা
১ম শ্ৰেণী
২১১ অম্ স্থান (ৰাজনীতি বিজ্ঞান)



ইন্দ্ৰজিৎ চাকমা
১ম শ্ৰেণী
শ্ৰেষ্ঠ কলা স্নাতক বঁটাৰে বিভূষিত (কলা বিভাগ)

## বাণিজ্য বিভাগ



দিপক শৰ্মা
১ম শ্ৰেণী (২৬ অম্ স্থান)



পল্লবী ধৰ
১ম শ্ৰেণী
৩০ অম্ স্থান (হিচাব বিদ্যা বিভাগ)
শ্ৰেষ্ঠ বাণিজ্য স্নাতক বঁটাৰে বিভূষিত



দেনী চাকমা
১ম শ্ৰেণী (৩৫ অম্ স্থান)



চুনীতা দাস
১ম শ্ৰেণী (৪৫ অম্ স্থান)



চুস্মিতা গুপ্তা
১ম শ্ৰেণী (৭১ অম্ স্থান)



ৰাজেন চেত্ৰী
১ম শ্ৰেণী (৮২ অম্ স্থান)



মৌমিতা নন্দী
১ম শ্ৰেণী (১৪৯ অম্ স্থান)



অভিনাশ বৰগোঁহাই
১ম শ্ৰেণী (১৬০ অম্ স্থান)



বিনোদ ছেত্ৰী
১ম শ্ৰেণী (১৬৮ অম্ স্থান)



পায়েল সিং গুৰুং
১ম শ্ৰেণী (১৬৯ অম্ স্থান)



কমল নেৱাৰ
১ম শ্ৰেণী (১৮৮ অম্ স্থান)



দীপ শইকীয়া
১ম শ্ৰেণী (১৮৯ অম্ স্থান)



পূৰ্ণ ছেত্ৰী
১ম শ্ৰেণী (২০৯ অম্ স্থান)



সৌৰভ বৈদ্য
১ম শ্ৰেণী (২১২ অম্ স্থান)



বিপ্লৱ উপাধ্যায়
১ম শ্ৰেণী (২২২ অম্ স্থান)



অবিজিৎ দত্ত
১ম শ্ৰেণী (বাণিজ্য বিভাগ)



প্ৰদীপ উপাধ্যায়
১ম শ্ৰেণী (বাণিজ্য বিভাগ)

# মহাবিদ্যালয়ৰ কৃতি ছাত্ৰ-ছাত্ৰীসকল (২০১৩-১৪)

## বিজ্ঞান শাখা


ইৰবাজ টিমুঙ্গিনা
১ম শ্ৰেণী, ৪ ৰ্থ স্থান (গণিত বিভাগ)
উপেন্দ্ৰ নাথ বৰাৰ সোঁৱৰণী বঁটাৰে বিভূষিত


চমিম ডোলাহ
১ম শ্ৰেণী, ষষ্ঠ স্থান (প্ৰাণী বিজ্ঞান)
উপেন্দ্ৰ নাথ বৰাৰ সোঁৱৰণী বঁটাৰে বিভূষিত


বিকাশ নাথ
১ম শ্ৰেণী, ১২ ম স্থান (ৰসায়ন বিজ্ঞান)
পাপৰি কলিতাৰ সোঁৱৰণী শ্ৰেষ্ঠ স্নাতক বঁটা
উপেন্দ্ৰ নাথ বৰাৰ সোঁৱৰণী বঁটাৰে বিভূষিত


পূৰ্ণিমা চক্ৰৱৰ্তী
১ম শ্ৰেণী, ৩১ অম্ স্থান


মনাশ বিকাশ চাকমা
১ম শ্ৰেণী (৪০ অম্ স্থান)


দেবাশিষ খনিকৰ
১ম শ্ৰেণী (৫০ অম্ স্থান)


জনাৰ্দন সোণোৱাল
১ম শ্ৰেণী (৫১ অম্ স্থান)


পূজা ডেকা
১ম শ্ৰেণী (৫৪ অম্ স্থান)


খগেন গগৈ
১ম শ্ৰেণী (৫৫ অম্ স্থান)


জেনিথ গগৈ
১ম শ্ৰেণী (৫৬ অম্ স্থান)


সমুজ্জ্বল কৌশিক
১ম শ্ৰেণী (৫৯ অম্ স্থান)


নিৰঞ্জন চেতিয়া
১ম শ্ৰেণী (৬০ অম্ স্থান)


ৰোহিত গৌতম
১ম শ্ৰেণী (৬৬ অম্ স্থান)


মৈক্যা টোমটেন
১ম শ্ৰেণী (৭১ অম্ স্থান)


হেমন্ত উপাধ্যায়
১ম শ্ৰেণী (১০৮ অম্ স্থান)


ধনটোচ চাকমা
১ম শ্ৰেণী (বিজ্ঞান বিভাগ)


সুমন্ত ৰয়
১ম শ্ৰেণী (বিজ্ঞান বিভাগ)
শ্ৰেষ্ঠ বিজ্ঞান স্নাতক বঁটাৰে বিভূষিত


দিলীৰাম ছেত্ৰী
১ম শ্ৰেণী (বিজ্ঞান বিভাগ)
শ্ৰেষ্ঠ বিজ্ঞান স্নাতক বঁটাৰে বিভূষিত


জয়শ্ৰী চামন্ত
১ম শ্ৰেণী (বিজ্ঞান বিভাগ)
শ্ৰেষ্ঠ বিজ্ঞান স্নাতক বঁটাৰে বিভূষিত

## উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষ


দিপশিখা বৰুৱা
বাণিজ্য বিভাগ
শ্ৰেষ্ঠ উচ্চতৰ মাধ্যমিক বঁটাৰে বিভূষিত


সুভ্ৰম ধৰ
বিজ্ঞান বিভাগ
শ্ৰেষ্ঠ উচ্চতৰ মাধ্যমিক বঁটাৰে বিভূষিত



হীৰক জ্যোতি খাকলাৰি
কলা বিভাগ
শ্ৰেষ্ঠ উচ্চতৰ মাধ্যমিক বঁটাৰে বিভূষিত

## Ph. D Degree, 2014


**Dr. Rashmi Patowary**
Asstt. Professor Dept. of Physics was conferred the Degree of Philosophy by the Dibrugarh University for her thesis entitled "Dynamics of the Magnetosphere and its Interaction with the Ionosphere". She also attended and presented a paper at the 40th COSPAK Scientific Assembly, COSPAK-2014, organized by Moscow State University, Moscow from 2nd to 10th August, 2014.


**Dr. Reepa Sarmah**
Assistant Prof. deptt. of Philosophy was conferred the Degree of Philosophy by the Gauhati University on 10th October for her thesis entitled, "Human Rights: A Philosophical Study."

## মহাবিদ্যালয় গৌৰৱ


লক্ষপ্ৰভা হাজৰিকা
আধুনিক নৃত্যত এটা ৰূপৰ পদকেৰে বিভূষিত
ডুমডুমা মহাবিদ্যালয়

### আন্তঃমহাবিদ্যালয় যুৱ মহোৎসৱ (তিনিচুকীয়া মহাবিদ্যালয়)


মীৰান্দা ৰাজকুমাৰী
সত্ৰীয়া নৃত্যত এটা ব্ৰঞ্জৰ পদকেৰে তৃতীয় স্থান প্ৰাপ্ত


ৰিম্পী সোণোৱাল
এটা ৰূপৰ পদকেৰে বিভূষিত বক্তৃতা প্ৰতিযোগিতাত দ্বিতীয় স্থান প্ৰাপ্ত


গায়ত্ৰী হাজৰিকা
দুটা ৰূপৰ পদকেৰে বিভূষিত কবিতা আবৃত্তি আৰু বাগ্মিতা প্ৰতিযোগিতাত দ্বিতীয় স্থানপ্ৰাপ্ত


শুভাশিষ আবাম্ভৰা
দুটা সোণৰ পদকেৰে বিভূষিত ঠাইতে অংকা ছবি আৰু ফটোগ্ৰাফী প্ৰতিযোগিতাত প্ৰথম স্থান প্ৰাপ্ত

# মহাবিদ্যালয়ৰ গৌৰৱ ২০১৩-১৪ বৰ্ষ




নিৰেন শইকীয়া
মিঃ ডিগবৈ মহাবিদ্যালয়



জাহাঙ্গীৰ হুচেইন
শ্ৰেষ্ঠ ভাৰ উত্তোলক



অনিতা শৰ্মা
চেম্পিয়ন অৱ দা চেম্পিয়ন পাঞ্জা প্ৰতিযোগিতা (ছোৱালী শাখা)



বৰন সিং
চেম্পিয়ন অৱ দা চেম্পিয়ন পাঞ্জা প্ৰতিযোগিতা (ল'ৰা শাখা)



বিকাশ ছেত্ৰী, কমী বৰগোহাঁই
শ্ৰেষ্ঠা / শ্ৰেষ্ঠ খেলুৱৈ



লক্ষ্মপ্ৰভা হাজৰিকা
শ্ৰেষ্ঠ নৃত্য প্ৰতিযোগী



মিৰান্দা ৰাজকুমাৰী
শ্ৰেষ্ঠ সাহিত্য প্ৰতিযোগী



ছাবেৰীয়া কোঁৱৰ
মহাবিদ্যালয়ৰ শ্ৰেষ্ঠ গায়িকা



**Deepshikha Boruah**
Frist Prize essay competition
Organised By : OIL Eastern Producing Area
held on the occasion of OIL and Gas
Conservation Forthnight
Frist position in the Extempore Speech competition
Organised By : the Sri Sri Sankardeva's 566th Birth
Anniversary Celebration Committee, 2014
Kendriya Namghar, Digboi

মহাবিদ্যালয়ৰ গৌৰৱ
২০১৩-১৪ বৰ্ষ

## National Cadet Crops (N.C.C.)



***Dinesh Deori*** Was awarded the "Best Cadet" at GPHQ Level in July, 2014.



***Bikash Chetry*** received the Best Cadet Award of Rs. 3000/- at the Group Level Competition held at Dibrugarh



***Akash Protim Sharma*** received the 1st Prize of Rs. 6000/- in the Inter-Group Best Cadet Competition held at Guwahati

## Digboi College were selected for N.I.C. Camp held at Bihar from 26.11.14 - 07.12.14.



***Palladip Sonowal***



***Sailendra Moran***



***Birinchi Bora***



***Uddip Kr. Baruah***



***Nayanjeet Gogoi***

## S.S.B. Tamilnadu, 2014



***Dipok Roy***



***Abdul Rahman***

## Digboi College were selected for the Republic Day Camp, 2015 to be held in New Delhi



***Satyajit Das***



***Bikash Chetry***



***Akash Pratim Sharma***

## International Conference



**Dr. Chandan Siam** attended and delivered an oral presentation in the 4th International Conference on Applied Physics and Mathematics (ICAPM, 2014) held in Singapore from 12th to 20th Feb, 2014



**Dr. Mamoni Sharma** presented a paper at the 2nd International Conference on Economics, Finance and Management Outlook, organised by Asian Economic and social Society & Pak publishing Group held at Kuala Lumpur, Malaysia on 20th and 21st Dec, 2014.

## Minor Research Project Awardees





**Rajib Rudra Tariang** (deptt. of Zoology) and **Gauri Buragohain** (deptt. of English) were presented Citations of Excellence by the Indian Oil Corporation Ltd. (Assam Oil Division) on 5th June, 2014 in recognition of their commitment towards presentation of wildlife and environment within and outside the North-East region Minor Research Project Topic : Urban Wildlife-Inventories Documentation and the Conservation Strategies on Threatened Faunal Species in and around Digboi Town, Tinsukia, Assam with Involvement of Local masses), funded by Rufford, UK in association with Aaranyak.



**Deepa Sarma Borthakur**
Minor Research Project:
(Topic: Social Status of Tai-Phake Women in Tinsukia district.)

# অধ্যক্ষৰ মেজৰ পৰা



অসমৰ পূব প্ৰান্তৰৰ এখনি অগ্ৰণী উচ্চ শিক্ষানুষ্ঠান - ডিগবৈ মহাবিদ্যালয়। কলা, বিজ্ঞান, বাণিজ্যৰ লগতে অন্যান্য বহুমুখী পাঠ্যক্ৰমেৰে এইখন আমাৰ পূৰ্ণাঙ্গ মহাবিদ্যালয়। প্ৰতিবছৰে অসমৰ বিভিন্ন স্থানৰ লগতে চুবুৰীয়া ৰাজ্য অৰুণাচল, নগালেণ্ডৰ অনেক বিদ্যাৰ্থী ইয়ালৈ আহে অধ্যয়নৰ বাবে। সেইজ ভূমিত অৱস্থিত মহাবিদ্যালয় খনৰ অপৰূপ প্ৰাকৃতিক শোভাই সততে সকলোৰে হৃদয় জোৰাই। সুস্থ ছাত্ৰমুখী অনুশাসন, ফলদায়ক শিক্ষাদান আৰু গবেষণা তথা সাধনাৰে পৰিপুষ্ট শৈক্ষিক বাতাৱৰণ গঢ়াৰ আমাৰ একান্ত প্ৰয়াসৰ হেতু সম্প্ৰতি আমাৰ মহাবিদ্যালয়খনে সকলোৰে দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে। ডেৰ হাজাৰৰ অধিক ছাত্ৰ-ছাত্ৰীৰে পূৰ্ণ মহাবিদ্যালয়খনত বিশ্ববিদ্যালয় অনুদান আয়োগৰ সৌজন্যত বৰ্তমান সংযোজন হৈছে কেইবাটিও সময় উপযোগী - বৃত্তি তথা বহুমূখী পাঠ্যক্ৰম। ইয়াৰে অন্যতম হৈছে- 'বন্যপ্ৰাণী সংৰক্ষণ জীৱ বিজ্ঞান', 'যোগাযোগ দক্ষতা' আৰু 'মানৱ অধিকাৰ শিক্ষাতত্ত্ব' বিষয়ক চাৰ্টিফিকেট পাঠ্যক্ৰম। কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয় অৰু ডিব্ৰুগড় বিশ্ববিদ্যালয় অধীনৰ দূৰ সংযোগী পাঠ্যক্ৰমৰ যোগেদি কলা বাণিজ্য শাখাত স্নাতক আৰু কলা-বিজ্ঞানৰ বিভিন্ন বিষয়ত স্নাতকোত্তৰ মহলাৰ উচ্চ শিক্ষা লাভৰ ব্যৱস্থা ইয়াত সুচাৰু ৰূপে ফলৱতী হৈছে। নিয়মিত পাঠদানেৰে আৰম্ভ কৰা হৈছে কম্পিউটাৰ শিক্ষাৰ এবছৰীয়া বৃত্তিমুখী পাঠ্যক্ৰম পি.জি.ডি.চি.এ (প'ষ্ট গ্ৰেজুৱেট ডিপ্ল'মা ইন কম্পিউটাৰ এপ্লিকেচন); স্নাতক মহলাৰ কলা শাখাত নকৈ সংযোজিত হৈছে - কৰ্ম নিয়োগত সম্ভাৱনাপূৰ্ণ বিষয়- 'গ্ৰাম্য উন্নয়ন' (ৰ'ৰেল ডেভেল'পমেণ্ট)। বিগত বছৰ বোৰৰ দৰে এইবেলিও আমাৰ ছাত্ৰ-ছাত্ৰীয়ে প্ৰদৰ্শন কৰা উৎসাহোদ্দীপক পৰীক্ষাৰ ফলাফল মহাবিদ্যালয়খনলৈ সুনাম কঢ়িয়াই আনিছে। স্নাতক শেষান্ত পৰীক্ষাত মেজৰ বিষয়ত বিজ্ঞান শাখাত - ১৫ গৰাকী, কলা শাখাত ১৭ গৰাকী আৰু বাণিজ্য শাখাত ১৫ গৰাকীয়ে প্ৰথম শ্ৰেণী দখল কৰিছে। আনহাতে সাধাৰণ বিষয়ৰ বিজ্ঞানত তিনিজন, কলাত এজন আৰু বাণিজ্যত দুজনে প্ৰথম বিভাগ লাভ কৰিছে। মেজৰ বিষয়ত বিজ্ঞান, কলা আৰু বাণিজ্য শাখাত শ্ৰেষ্ঠ গৰাকীয়ে লাভ কৰা শতকৰা নম্বৰ হৈছে যথাক্ৰমে ৮৫.১৪% ৭৬.২১% আৰু ৭৩.৭৫%।

কলা, সাহিত্য-সাংস্কৃতিক ক্ষেত্ৰতো মহাবিদ্যালয়ৰ শিক্ষাৰ্থীয়ে খ্যাতি অৰ্জন কৰিবলৈ সক্ষম হৈছে। এইবেলি বিশ্ববিদ্যালয়ৰ যুৱ মহোৎসৱত আমাৰ ছাত্ৰ-ছাত্ৰীয়ে লাভ কৰিছে - দুটা স্বৰ্ণ, তিনিটা ৰূপৰ আৰু এটি ব্ৰঞ্জৰ পদক।

আমাৰ ৰাষ্ট্ৰীয় বিদ্যাৰ্থী বাহিনীৰ (এন.চি.চি) কেডাৰ সকলে জিলা, ৰাজ্যিক তথা ৰাষ্ট্ৰীয় পৰ্যায়ত আয়োজিত বিভিন্ন প্ৰশিক্ষণ কেম্পত পাৰদৰ্শিতাৰে যোগদান কৰি সুখ্যাতি অৰ্জন কৰিছে। আমাৰ কেডাৰ সকলে লাভ কৰিছে - 'শ্ৰেষ্ঠ কেডাৰ', দলীয়ভাৱে 'শ্ৰেষ্ঠ সাংস্কৃতিক দল', 'শ্ৰেষ্ঠ নিয়মানুৱতী দল', 'নতুন দিল্লীৰ ৰাষ্ট্ৰীয় গণতন্ত্ৰ দিৱসত অংশগ্ৰহণৰ দৰে সন্মান। এন.চি.চি.ৰ যোগেদি আমাৰ কেডাৰৰ চাকৰি পোৱাৰ সৌভাগ্য হৈছে।

আৰ্থিক অনাটনৰ বাবে যাতে অনুসন্ধিৎসু গুণী বিদ্যাৰ্থীয়ে আদবাটতে বিদ্যা সমাপ্ত কৰিবলগীয়া নহয় তাৰ বাবে ডিগবৈ মহাবিদ্যালয়ে কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰিছে। শতাধিক পঢ়াশুনাত আগৰণুৱা অথচ দৰিদ্ৰ ছাত্ৰ-ছাত্ৰীক মহাবিদ্যালয়ৰ 'শিক্ষাৰ্থী সাহায্য পুঁজি'ৰ পৰা সম্পূৰ্ণ অথবা আংশিক মাচুল ৰেহাই দি তেওঁলোকৰ উচ্চ শিক্ষা গ্ৰহণৰ

পথ প্ৰশস্ত কৰা হৈছে। তিনি শতাধিক ছাত্ৰ-ছাত্ৰীক বিভিন্ন উৎসৰ সৌজন্যত জলপানী দিয়াৰ ব্যৱস্থা কৰা হৈছে।

সাম্প্ৰতিক সময়ৰ প্ৰতি লক্ষ্য ৰাখি ছাত্ৰ-ছাত্ৰীৰ সৰ্বাঙ্গীণ বিকাশৰ সহায়ক হোৱাকৈ মহাবিদ্যালয়ৰ আন্তঃগাঁথনিৰ প্ৰসাৰ তথা উন্নতকৰণৰ আঁচনিসমূহ ক্ষীপ্ৰতাৰে সমাপনৰ চেষ্টা কৰা হৈছে। অত্যাধুনিক দুমহলীয়া ভৱনেৰে মহাবিদ্যালয়ৰ বৃহৎ পুথিভঁড়াল, প্ৰাণীবিদ্যা বিভাগৰ বাবে আধুনিক শ্ৰেণীকোঠা সহ পৰীক্ষাগাৰ, পুৰণি ছাত্ৰী নিৱাসৰ সমীপত পঞ্চাছ জনী ছাত্ৰী থাকিব পৰা সু-ব্যৱস্থাৰে দুমহলীয়া ছাত্ৰী নিৱাস আৰু প্ৰশাসনিক ভৱনৰ ওপৰ মহলাত কম্পিউটাৰ শিক্ষাদানৰ অত্যাধুনিক কক্ষৰ নিৰ্মাণ ইতিমধ্যে সমাপ্ত কৰি শিক্ষাৰ্থীৰ ব্যৱহাৰৰ বাবে মুকলি কৰি দিয়া হৈছে। ৰাষ্ট্ৰীয় বিদ্যাৰ্থী বাহিনীৰ কাৰ্যালয়, ছাত্ৰ একতা সভাৰ কক্ষ আৰু ছাত্ৰ জিৰণী কোঠা সম্বলিত পুৰণি আসাম টাইপ ভৱনটি নকৈ নিৰ্মাণ কৰি সুন্দৰ ভাবে সাজি উলিওৱা হৈছে। নতুন আচবাবেৰে ছাত্ৰ-একতা সভাৰ কোঠাটো সুন্দৰকৈ সজোৱা হৈছে। পুৰণি পুথিভঁড়ালৰ আসাম টাইপৰ ঘৰটি পুনৰ মেৰামতি কৰি বৃহৎ শ্ৰেণীকোঠালৈ ৰূপান্তৰ কৰা হৈছে। সত্তৰ দশকত নিৰ্মাণ কৰা দুমহলীয়া আৰ চি.চি. ভৱনটোৰ প্ৰায়বোৰ পকী খুঁটা উৰলি গৈ ভৱনটোৰ ভাৰ বহন ক্ষমতাৰ প্ৰতি শংকা অহা দেখি সেই অৱক্ষয় প্ৰতিৰোধ কৰি সম্পূৰ্ণ মেৰামতিৰে ঐতিহ্যমণ্ডিত ভৱনটো সুৰক্ষিত কৰা হৈছে। এহাজাৰ দৰ্শক বহিব পৰা মহাবিদ্যালয়ৰ উৰুখা প্ৰেক্ষাগৃহৰ দুখলগা অৱস্থাটোক ভাৰতীয় তেল নিগমৰ অসম তেল সংমণ্ডলে আগবঢ়োৱা অৰ্থ সাহায্যৰে সম্পূৰ্ণ মেৰামতি কৰি নতুন ৰঙীন টিনপাতৰ চালি, শব্দ প্ৰতিৰোধী চিলিং, পকী ষ্টেজ, পুৰুষ-মহিলাৰ বাবে পৃথক নিৰাময় ব্যৱস্থা সহ কোঠাৰ সংলগ্নৰে সন্তোষজনক অৱস্থাৰ এটি ন ৰূপ প্ৰদান কৰা হৈছে। উত্তৰ দিশৰ ভাৰতীয় তেল নিগমৰ ভূমিখণ্ড আৰু মহাবিদ্যালয়ৰ ভূমিৰ মাজৰ সীমাবদ্ধলৈ দীৰ্ঘ দিন ধৰি চলি থকা অস্থিৰতা দূৰ কৰি বিধিগতভাৱে সীমা নিৰ্দ্ধাৰণ কৰি পকী দেৱাল নিৰ্মাণ কৰা হৈছে। ইনড'ৰ ষ্টেডিয়াম, অত্যাধুনিক ৰসায়ন বিভাগৰ শ্ৰেণীকোঠা সহ গৱেষণাগাৰ আদিৰ নিৰ্মাণ কাৰ্য বৰ্তমান চলি আছে। মহাবিদ্যালয়ৰ শৈক্ষিক পৰিৱেশ গঠনত আমাৰ শিক্ষক-শিক্ষয়িত্ৰী সকলে আগবঢ়াই আহিছে প্ৰশংসনীয় শ্ৰম আৰু অৱদান। বহুকেইজন আমাৰ সহকৰ্মীয়ে দেশ-বিদেশৰ ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় আলোচনা চক্ৰত গৱেষণা পত্ৰ পাঠ কৰি অথবা সমল ব্যক্তি হিচাপে যোগদান কৰি সমাদৃত হৈছে। আমাৰ সহকৰ্মীৰ তত্ত্বাৱধানত মহাবিদ্যালয়ত বৰ্তমান চলি আছে কেইবাটিও মুখ্য আৰু গৌণ গৱেষণা প্ৰকল্পৰ কাম। বন্যপ্ৰাণী তথা পৰিৱেশ সংৰক্ষণৰ সজাগতৰ দিশত মহাবিদ্যালয়ৰ শিক্ষকে দৰ্শনীয় সেৱা আগবঢ়াই ৰাইজৰ ভূয়সী প্ৰশংসা তথা খ্যাতি অৰ্জন কৰি আমালৈ গৌৰৱ কঢ়িয়াই আনিছে।

প্ৰতিষ্ঠাকালৰে পৰা বৰ্তমানলৈ মহাবিদ্যালয়ত শিক্ষা গ্ৰহণ কৰি ওলাই যোৱা শিক্ষাৰ্থীসকলৰ বহুজনে দেশ তথা বিদেশৰ বিভিন্ন সেৱাত সুখ্যাতিৰে আত্মনিয়োগ কৰি আহিছে। আমাৰ প্ৰতিজন প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ কৃতী আৰু কৃতিত্বৰে আমি গৌৰৱান্বিত।

ঊনপঞ্চাছ গৌৰৱোজ্জ্বল বছৰ অতিক্ৰম কৰি আমাৰ মহাবিদ্যালয়খনে এইবেলি সোণালী বৰ্ষ উদ্‌যাপন কৰিছে। ঐতিহাসিক এই সুৱৰ্ণময় ক্ষণৰ প্ৰাপ্তিয়ে আমাৰ সকলোৰে মনলৈ অনাবিল তৃপ্তি কঢ়িয়াই আনিছে। লগতে আমি সাঁজু হৈছোঁ — ৰাষ্ট্ৰীয় মূল্যায়ন প্ৰত্যায়ন পৰিষদ (নাক)ৰ দ্বাৰা পুনঃমূল্যায়নৰ বাবে।

ডিগবৈ মহাবিদ্যালয়ৰ উত্তৰোত্তৰ উন্নতি কামনা কৰিছোঁ লগতে যাচিছোঁ ডিগবৈ মহাবিদ্যালয় আলোচনীৰ ৩৫ তম সংখ্যালৈ আন্তৰিক শুভকামনা।

দিনাংকঃ ১০-০১-২০১৫

(ড° দীপ শইকীয়া)
অধ্যক্ষ, ডিগবৈ মহাবিদ্যালয়



# তত্ত্বাবধায়কৰ দুআষাৰ...

অধ্যয়নেই ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰধান উদ্দেশ্য যদিও অধ্যয়নৰ লগতে ছাত্ৰ-ছাত্ৰীসকলে মানসিক আৰু দৈহিক উৎকৰ্ষ সাধন কৰিবৰ বাবে সাহিত্য, সংগীত, ক্ৰীড়া, শৰীৰ চৰ্চা আদিৰ নিয়মিত চৰ্চা কৰা নিতান্তই বাঞ্ছনীয়। এটা সুস্থ মন আৰু দেহ অবিহনে কোনোৱেই নিজৰ তথা সমাজৰ উন্নতি কৰিব নোৱাৰে। মহাবিদ্যালয় এখনৰ বাৰ্ষিক মুখপত্ৰত ছাত্ৰ-ছাত্ৰীসকলে গল্প, কবিতা আৰু চিন্তাশীল ৰচনা প্ৰকাশ কৰি নিজৰ মানসিক বিকাশৰ উপৰিও সমাজৰে বিভিন্ন দিশত প্ৰভাৱ পেলাব পাৰে।

যোৱা দুটা দশকৰ ভিতৰত যোগাযোগ আৰু তথ্য প্ৰযুক্তিবিদ্যাই যিমান অগ্ৰগতি লাভ কৰিলে, তাৰ প্ৰভাৱ ছাত্ৰ-ছাত্ৰীসকলৰ লগতে সমাজৰ বিভিন্ন দিশতো পৰিছে। তথ্য প্ৰযুক্তিবিদ্যাৰ উপাদানসমূহ এনেকুৱাকৈ আমাৰ মাজলৈ আহিছে যে ই সমাজৰ সকলো শ্ৰেণীৰ মানুহে অতি সহজতে ব্যৱহাৰ কৰিব পাৰে। ছপা মাধ্যমৰ ওপৰতো ইয়াৰ প্ৰভাৱ পৰিছে। অদূৰ ভৱিষ্যতে হয়তো ছপা ৰূপত এনেকুৱা আলোচনী নাথাকিবগৈ। ইতিমধ্যে ভাৰতবৰ্ষৰ অন্য ৰাজ্যৰ বাহিৰেও অসমৰ বিভিন্ন মহাবিদ্যালয়সমূহে বাৰ্ষিক আলোচনী ছপা আৰু ডিজিটেল দুয়োটা ৰূপতে প্ৰকাশ কৰা দেখা গৈছে। এটা সময়ত হয়তো ছপা ৰূপৰ আলোচনী নাইকিয়া হৈ যাব। নতুন প্ৰজন্মৰ আলোচনী সম্পাদকে ছাত্ৰ-ছাত্ৰীৰ লেখা সংগ্ৰহ কৰি, ছপাশাললৈ গৈ, বিভিন্ন কষ্টৰ মাজেৰে আলোচনী প্ৰকাশ কৰিব লগা নহ'ব। সম্পাদকে ছাত্ৰ-ছাত্ৰীৰ বাবে নিৰ্দিষ্ট কৰি থোৱা ঠাইত (template) অন-লাইনযোগে ছাত্ৰ-ছাত্ৰী সকলে লেখাসমূহ অন্তৰ্ভুক্ত কৰিব আৰু সম্পাদকে প্ৰশিক্ষণ প্ৰাপ্ত কম্পিউটাৰৰ সহযোগত লিখনিসমূহ সম্পাদনা কৰিব। সম্পাদকে আলোচনী প্ৰকাশ কৰিব অন-লাইন যোগে। বৰ্তমান চৰকাৰী আৰু বেচৰকাৰী অনুষ্ঠান আৰু প্ৰতিষ্ঠানৰ সহযোগত আমি এনেকুৱা এটা দিশলৈহে আগবাঢ়ি গৈ আছোহঁক।

মহাবিদ্যালয় এখনৰ বাৰ্ষিক আলোচনীখনি মহাবিদ্যালয়খনিৰ দাপোণ স্বৰূপ। ইয়াতেই মহাবিদ্যালয়খনিৰ বিভিন্ন দিশৰ অগ্ৰগতি প্ৰতিফলিত হয়। ছাত্ৰ-ছাত্ৰী সকলৰ পৰা বিভিন্ন দিশৰ লেখা সম্পাদকে সংগ্ৰহ কৰিছিল। কিছুসংখ্যক বিভিন্ন কাৰণত প্ৰকাশ কৰিব পৰা নগ'ল। আলোচনীখনি প্ৰকাশৰ আদিৰে পৰা দিহা পৰামৰ্শৰে অনুপ্ৰাণিত কৰা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দীপ শইকীয়াদেৱলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো। সম্পাদনা সমিতিৰ সমূহ সদস্য/সদস্যাই আলোচনীখনি প্ৰকাশৰ ক্ষেত্ৰত সম্পাদকক যি অকুণ্ঠ সহায় আগবঢ়ালে, তাৰ বাবে সম্পাদনা সমিতিৰ সকলো ধন্যবাদৰ পাত্ৰ। সদৌ শেষত ডিগবৈ মহাবিদ্যালয়ৰ সমূহ অধ্যাপক-অধ্যাপিকা, ছাত্ৰ-ছাত্ৰী আৰু কৰ্মচাৰীসকলক বিভিন্ন ক্ষেত্ৰত সহায়ৰ হাত আগবঢ়োৱাৰ বাবে ধন্যবাদ জ্ঞাপন কৰিছোঁ।

আশা কৰিছোঁ, এই সংখ্যাৰ আলোচনীখনিয়ে ছাত্ৰ-ছাত্ৰী সকলক এটা নতুন পথৰ সন্ধান দিব।

ড° জয়ন্ত সন্দিকৈ
তত্ত্বাবধায়ক



# শিক্ষা, যুৱ প্ৰজন্মৰ মানসিকতা, নৈতিক স্খলন, সমাজ আৰু প্ৰাসংগিক চিন্তা



'শিক্ষা' এই শব্দটোৰ আভিধানিক অৰ্থ হৈছে — কোনো বিষয়ত বিশেষ জ্ঞান বা দক্ষতা লাভ কৰা। পৰিৱেশৰ লগত হোৱা ক্ৰিয়া প্ৰক্ৰিয়াৰ ফলত মানুহৰ অভিজ্ঞতাকে শিক্ষা বুলিব পাৰি। এজন শিশুৱে জন্মৰ পাছত এটা-দুটা, ফুটা-নুফুটা মাত মতাৰ পিছতে যিদৰে শিক্ষা গ্ৰহণ কৰে। যিহেতু শিক্ষাৰ অবিহনে জ্ঞানবুদ্ধিৰ বিকাশৰ সম্ভাৱনা নাই। শিক্ষাই এখন সুস্থ সমাজ গঢ়ি তুলিব পাৰে। বৰ্তমান প্ৰতিযোগিতাৰ যুগত নিজকে প্ৰতিষ্ঠিত কৰিবলৈ হ'লে এতিয়াৰ পৰাই নিজে নিজক সাজু কৰি তুলিব লাগিব। শিক্ষাইহে পৰিৱৰ্তনশীল সমাজত অতি সহজে খাপ খাব পৰাকৈ সকলো ধৰণৰ প্ৰস্তুতি আনে। গতিকে এখন সুস্থ সমাজৰ লগত শিক্ষা জড়িত।

সময় গতিশীল। দিনৰ পাছত ৰাতি, ৰাতিৰ পাছত দিন বাগৰি গৈ আছে। গতিকে সময়ৰ লগতে আমাৰ যুৱ-প্ৰজন্মৰ মনত নতুন নতুন চিন্তাৰ ফাট মেলিছে। পূৰ্বৰ চিঠি পত্ৰৰ সলনি মোবাইল, টাইপ-ৰাইটাৰ সলনি কম্পিউটাৰ এইবোৰৰ মূলতে শিক্ষা। গতিকে এখন সমাজ যুৱ-প্ৰজন্মৰ দ্বাৰাই প্ৰগতিৰ দিশত আগবাঢ়ি যাব পাৰে। কিন্তু আজিৰ যুৱ-প্ৰজন্মই এই নতুন নতুন পশ্চিমীয়া সামগ্ৰী আচলতে ভাল কামত ব্যৱহাৰ কৰিব পাৰিছেনে? আজি এইসকল প্ৰজন্মই বাৰু সমাজলৈ সুখৰ বাৰ্তা কঢ়িয়াই আনিব পাৰিবনে? আজিৰ যুৱ-প্ৰজন্মৰ ক্ষেত্ৰত জাক-জমকতাই বেছিকৈ ঠাই দখল কৰিছে। সেয়েহে হয়তো আজিৰ সমাজত হত্যা, হিংসা ইত্যাদিবোৰ ভৰি পৰিছে। কাৰণ তেওঁলোকৰ মনত এখন বিলাসী গাড়ী, হাতত এটা মোবাইল আৰু কেইটামান টকাৰহে বেছি প্ৰয়োজন। এই কেইটামান টকাৰ বাবে যিকোনো কামকে কৰিবলৈ সাজু।

মানুহ সমাজিক প্ৰাণী। বৰ্তমান সমাজত জীয়াই থাকিবলৈ চিন্তাৰ বিষয় হৈ পৰিছে। কাৰণ সমাজত হত্যা-হিংসাৰে ভৰি পৰিছে। এইখিনিতে উল্লেখ কৰোঁ যে — যোৱা ২০১২ চনৰ ১-১৫ এপ্ৰিল, ৩১শ বছৰ ৯ম সংখ্যাৰ 'প্ৰান্তিক'ত ডাঃ ভৃংগেশ্বৰ শৰ্মাৰ 'বিহুৰে বিৰিণা পাত' নামৰ কাহিনীটোত উল্লেখ কৰিছে — ''আজিকালি পিছে দিনকাল সলনি হ'ল। গধূলি বাতৰি অহাৰ সময়ত মই শ্ৰীমতীক ফুচফুচাই সোধোঁ — ''হেৰা, সিহঁত পঢ়া মেজত বহিলগৈ নেকি?'' — ''কিয়, কি হ'ল?'' মই আঙুলিটো মুখত দি মনে মনে থাকিবলৈ ইংগিত দি কওঁ — ''মনে মনে। মই এতিয়া টি.ভি.ৰ বাতৰি চাম। সিহঁতক সেইটো কোঠালৈ আহিবলৈ নিদিবা।'' / ''কি কৈছা এইবোৰ?'' — ''নহয়হে, আজিকালি টিভিৰ বাতৰিবোৰো প্ৰাপ্তবয়স্কৰ বাবে হ'ল। বাপেক-পুতেক-জীয়েকে একেলগে বহি চাব নোৱাৰা হ'ল। যিবোৰহে দেখুৱায়। ডিঙিত ফাঁচ লৈ ওলমি থকা, কটা মূৰ হাতত লৈ যোৱা, গাঁত খান্দি গেলি-পচি যোৱা মৃতদেহ উলিওৱা এইবোৰ থাকিবই। লগতে এটা ধৰ্ষণৰ বাতৰি, নাৰীদেহৰ ব্যৱসায়ৰ খবৰ। সেইবোৰ আকৌ টিভি চেনেলবোৰৰ বাবে ব্ৰেকিং নিউজ, এক্সক্লুচিভ নিউজ, ফাৰ্ষ্ট ভিজুৱেল ইত্যাদি। আকৌ, সেইবোৰ এবাৰ নেদেখুৱায়। একেটা দৃশ্যক ৰেপি থাকিব, দেখুৱাই থাকিব, দেখুৱাই থাকিব। বন্ধ কৰিবও নোৱাৰি, উঠি যাবও নোৱাৰি বুজিছা।'' — তেন্তে নিতৌ হোৱা এই কৰ্মৰ আঁৰত আচলতে কোন? হত্যা, হিংসা, চুৰি, ডকাইতি, ধৰ্ষণ, লুণ্ঠন আদি প্ৰতিটো ঘটনাতে আমাৰ যুৱ-প্ৰজন্ম জড়িত থাকেই। আজি আমাৰ সমাজত পশ্চিমীয়া সংস্কৃতিৰ প্ৰভাৱ বাৰুকৈয়ে পৰিছে। যাৰ ফলত শিক্ষাৰ মানদণ্ড হ্ৰাস পাই যাবলৈ ধৰিছে। ইয়াৰ কাৰণ সকলোৰে হাতত দেখিবলৈ পোৱা মোবাইল নামৰ যন্ত্ৰটি। জন্মৰ দুদিনৰ পিছতে যেন শিশুটিয়ে মোবাইলৰ বুটাম টিপিব পাৰে। কিন্তু এই যন্ত্ৰবিধে আমাৰ যুৱ প্ৰজন্মৰ ক্ষেত্ৰত ভাল কামত ব্যৱহাৰ হৈছেনে? ইয়ো এক চিন্তাৰ বিষয় হৈ পৰিছে। আগত উল্লেখ কৰিছোঁ যে আমাৰ যুৱ-প্ৰজন্ম বেয়াকৈ প্ৰভাৱিত হৈছে পশ্চিমীয়া সংস্কৃতিৰ। নিতৌ অহৰহ অপকৰ্মৰ দৃশ্য আমাৰ মাজলৈ আহিছে উঠোঁতে-বহোঁতে লগা সম্পত্তি মোবাইলৰ

যোগেদি। যাৰ ফলত নিতৌ অনৈতিক কাৰ্যই গা কৰি উঠিছে।

এইবোৰ ৰোধ কৰিবলৈ আমি সকলোৱে সজাগ হ'ব লাগিব। কাৰণ এইবোৰ ক্ষেত্ৰত কেৱল আমাৰ যুৱ-প্ৰজন্মই জগৰীয়া নহয়। আজি অষ্টম-নৱম মানৰ নালাগে পঞ্চম শ্ৰেণীৰ ছাত্ৰই মোবাইলৰ সকলো কাম কৰিব পাৰে। ইয়াৰ বাবে দায়ী কোন? আজিৰ পিতৃ-মাতৃৰ বাবে এইয়া গৌৰৱৰ বিষয় হৈ পৰিছে। কাৰণ তেওঁলোকৰ সন্তানটিয়ে মোবাইল চলাব পাৰে। কিন্তু শেষত তাৰ পৰিণাম কি হ'ব পাৰে ভাবি চাইছেনে ? গতিকে আমি আজিৰ পৰাই সজাগ হ'ব লাগিব। নিতৌ নতুন নতুন পশ্চিমীয়া ভাল কথাবোৰ তথা ভাল সংস্কৃতিবোৰ ব্যৱহাৰ কৰিবলৈ শিকিব লাগিব। তেতিয়াহে যদি আমাৰ এইখন সমাজ এখন সুস্থ সমাজ ৰূপে আমাৰ আহিবলগীয়া প্ৰজন্মক দিব পাৰিম।

**সোণালী জয়ন্তী বৰ্ষৰ প্ৰাক্‌ক্ষণত ছাত্ৰ-ছাত্ৰীলৈ মোৰ দুআষাৰ ঃ** ইতিহাস প্ৰসিদ্ধ ডিগবৈ তেল নগৰীৰ উচ্চ শিক্ষা প্ৰতিষ্ঠান ডিগবৈ মহাবিদ্যালয়ে ইতিমধ্যে গৌৰৱপূৰ্ণ পঞ্চাশ বৰ্ষত ভৰি দিছে। এই শুভক্ষণত দুটামান কথা ব্যক্ত কৰিছোঁ — বৰ্তমান ছাত্ৰ-ছাত্ৰীসকলৰ সাহিত্যৰ প্ৰতি অনুৰাগ একেবাৰে কমি আহিছে। ইয়াৰ প্ৰধান কাৰণ কি? এই বিচাৰ সতীৰ্থ সকললৈ এৰিলোঁ।

এজন ছাত্ৰ বা ছাত্ৰীয়ে কেৱল নিজৰ পাঠদানৰ ওপৰতহে বেছি গুৰুত্ব দিয়ে। কাৰণ নম্বৰৰ কথাতো আগত। যেনে তেনে পাছ কৰিব লাগে। আজি এখন আলোচনী প্ৰকাশ কৰিবলৈ যাওঁতে বহু কথা চিন্তা কৰিবলগীয়া হয়। কাৰণ লিখনিৰ বাবে প্ৰায়ে হাবাথুৰি খাব লগা হয়। কিয়নো সময়ে সকলোকে বান্ধি পেলাইছে। যিদৰে ন ন সামগ্ৰীয়ে উন্নতি কৰিছে তাৰ বিপৰীতে অশান্তিয়ো ঘটিছে। এফালে চেমিষ্টাৰ পদ্ধতিয়ে সময় নোহোৱা কৰিছে। অন্যহাতে নৱ নিৰ্মিত যান্ত্ৰিক বস্তুবোৰে আমাক বান্ধি ৰাখিছে। ফলত ছাত্ৰ-ছাত্ৰীৰ ভাব অনুভূতিবোৰ কমি আহিছে আৰু সাহিত্যৰ ৰস পাহৰি গৈছে। ফলত ছাত্ৰ-ছাত্ৰীৰ মনত মোবাইল, লেপ্ টপ্ আদিয়ে ঠাই দখল কৰিছে। এনেকৈয়ে দ্ৰুত গতিত গৈ থাকিলে আমাৰ সমাজত আৰু এজন ৰসৰাজৰ জন্ম হ'বনে?

ছাত্ৰ-ছাত্ৰীলৈ আকৌ অনুৰোধ যে নিজৰ পাঠ্যক্ৰমৰ উপৰিও বাতৰি কাগজ, Competition Success, জ্ঞান-বিজ্ঞানৰ কথা, খেলৰ বতৰা আদি অলপ হ'লেও অধ্যয়ন কৰক। নিজকে মোবাইল ফোনত ব্যস্ত নাৰাখি অলপ বাহিৰৰ মুকলি পৃথিৱীলৈ চাবলৈ শিকক। নিজে এজন সুস্থ শৰীৰৰ নাগৰিকৰূপে সমাজত থিয় দিয়ক। বৰ্তমান এই যন্ত্ৰবিধে সকলোকে বাৰুকৈয়ে মোহিত কৰিছে। এতিয়া নিজক ব্যস্ত ৰখাৰ এটা নতুন ফেশ্বনৰ ৰূপতো ঠাই দখল কৰিছে। Facebook, Whatsapp ইত্যাদিসমূহক সৎ ব্যৱহাৰ কৰিবলৈ শিকা-শিকোৱা উচিত। অন্যথা ইবোৰৰ ব্যৱহাৰ কৰি সু-ফলৰ বিপৰীতে কু-ফলহে বেছি পোৱা যাব। ছাত্ৰ-ছাত্ৰীৰ লিখা-মেলাও যেন কমি আহিছে। এটা প্ৰশ্নৰ উত্তৰ পাবলৈ দহ-বাৰখন কিতাপৰ প্ৰয়োজন নাই। কাৰণ নিজৰ মোবাইলতে উত্তৰ। যাৰ ফলত ছাত্ৰ-ছাত্ৰী স্মৃতি শক্তিও কমি আহিছে।

**আলোচনী প্ৰসংগত ঃ** আলোচনী সম্পাদক হিচাপে নিৰ্বাচিত হওঁতেই কিছুমান পৰিকল্পনা কৰা হৈছিল। আলোচনীখন আটক-ধুনীয়াকৈ সজাবলৈ সপোন দেখিছিলোঁ যদিও বাস্তৱত কিমান কৰিব পাৰিলোঁ সেই বিচাৰ আপোনালোকৰ হাতত। আলোচনীখনত শিতানবোৰ বিভিন্ন ধৰণে ভাগ কৰি দিছোঁ। কাৰণ যাতে পঢ়ুৱৈয়ে শিতান অনুসৰি চাব পাৰে।

**কৃতাঞ্জলি ঃ** প্ৰথমতে ডিগবৈ মহাবিদ্যালয় আলোচনীখনৰ পাত সুশোভন কৰা লিখক-লিখিকাসকললৈ মহাবিদ্যালয়ৰ সোণালী জয়ন্তী আৰু নৱবৰ্ষ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছোঁ। আলোচনীখন প্ৰকাশ পোৱালৈকে দিহা-পৰামৰ্শ দি মোক সহায় কৰা মাননীয় অধ্যক্ষ, উপাধ্যক্ষ প্ৰমুখ্যে সম্পাদনা সমিতিৰ সদস্য সীমান্ত বৰদলৈ ছাৰ, পবিত্ৰ ভৰালী ছাৰ, দেৱৰ্ষি গগৈ ছাৰ, অপৰাজিতা গগৈ বাইদেউলৈ তেওঁলোকৰ সহযোগিতাৰ বাবে মই তেওঁলোকৰ ওচৰত চিৰ কৃতজ্ঞ হৈ ৰ'লোঁ। তত্ত্বাৱধায়ক ৰূপে জয়ন্ত সন্দিকৈ ছাৰে উপদেশমূলক জ্ঞানে আলোচনী প্ৰকাশৰ বিভিন্ন দিহা-পৰামৰ্শ দি মোক সহায় আগবঢ়াই দিয়াৰ বাবে কৃতজ্ঞতা যাচিলোঁ। সদস্য-সদস্যা ৰূপে বন্ধু-বান্ধৱী ৰাতুল শৰ্মা, মিৰান্দা ৰাজকুমাৰী, গায়ত্ৰী হাজৰিকা, ৰিম্পি সোনোৱাল, অমৰজ্যোতি গগৈ, দুশ্যন্ত বৰাৰ লগতে ছাত্ৰ একতা সভাৰ বিষয়ববীয়া সকলোলৈ সোণালী জয়ন্তী আৰু নৱবৰ্ষৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিলোঁ। বেটুপাত অংকন কৰি আলোচনী সুন্দৰ কৰা দেৱৰ্ষি গগৈ ছাৰক শ্ৰদ্ধা জ্ঞাপন কৰিলোঁ। কবিতাৰ

মাজত বিভিন্ন চিত্ৰৰে অলংকৰণ কৰা দিলীপ চন্দ্ৰ বৰাদেৱলৈ মোৰ অভিনন্দন জ্ঞাপন কৰিলোঁ। যিসকল ব্যক্তিয়ে শুভেচ্ছা বাণী প্ৰদান কৰি আলোচনীখন সুন্দৰ কৰিলে তেখেতসকললৈ কৃতজ্ঞতা যাচিলোঁ। অন্য দিশত সহায় আৰু উৎকৃষ্ট লিখনি বাছনি কৰি দিয়া ড° মৃণাল কুমাৰ গগৈ ছাৰ, দীপা শৰ্মা বৰঠাকুৰ বাইদেউ, পূৰ্ণানন্দ শইকীয়া ছাৰ, ড০ বিকাশ কুমাৰ বৰুৱা ছাৰক আন্তৰিক অভিবাদন জ্ঞাপন কৰিলোঁ। আলোচনীখনৰ ছপাকামৰ দায়িত্ব লৈ অতি কম সময়ৰ ভিতৰত নিয়াৰিকৈ প্ৰস্তুত কৰি উলিওৱাৰ বাবে দি অসম কম্পিউটাৰচৰ সমূহ কৰ্মীবৃন্দলৈ সোণালী জয়ন্তী আৰু নৱবৰ্ষৰ শুভেচ্ছা জ্ঞাপন কৰিলোঁ।

সদৌ শেষত আপোনালোকৰ হাতত উন্নতমানৰ আলোচনীয়ে তুলি দিব পৰা নাই যদিও মোক ক্ষমা কৰি ইয়াক আদৰি ল'ব বুলি আশা কৰিলোঁ।

অনিচ্ছাকৃতভাৱে ৰৈ যোৱা ভুল-ভ্ৰান্তিৰ ক্ষমা প্ৰাৰ্থনাৰে —

**বিদিপ বৰুৱা**
আলোচনী সম্পাদক
ডিগবৈ মহাবিদ্যালয়
২০১৩-১৪ বৰ্ষ

# সূচীপত্ৰ








শিক্ষক-শিক্ষয়িত্ৰীৰ শিতান ঃ

ড° ভবেন্দ্ৰনাথ শইকীয়াৰ ১
প্ৰতিবাদী নাৰী চৰিত্ৰ 'মেনকা'
—সীমান্ত বৰদলৈ

বিশ্ব পৰিৱেশ আন্দোলনৰ বাটকটীয়া ৪
ৰাচেল লুইজ কাৰছন
—অনু বৰগোহাঁই

In Memory of Krasnaya Ploshad... ৭
—Dr. Rashmi Patowary

Career Prospects in N.C.C Career ১১
—Dr. (Lt)Bikash Kr. Boruah

ভিতৰ-বাহিৰ (বনফুল—বলাই চাঁদ মুখোপাধ্যায়) ১৩
—দীপেশ মণ্ডল

সূৰ্য হেৰুৱাৰ দুখ (সুধাকণ্ঠলৈ শ্ৰদ্ধাঞ্জলি) ১৫
—ড° বিকাশ কুমাৰ বৰুৱা

ঈশ্বৰ —সীমান্ত বৰদলৈ ১৬

অতিথি শিতান ঃ

বোন্দা ঃ তাৰ শেষ বিজয়ৰ হাঁহি ১৭
—হৰেকৃষ্ণ ডেকা

তেজপিয়া —হৰেকৃষ্ণ ডেকা ১৮

বৰ্তমান সত্ৰীয়া নৃত্য কোন পৰ্যায়ত ১৯
—তিলেশ্বৰ তামুলী বৰবায়ন (অধ্যক্ষ)

নৃত্যৰ প্ৰাসংগিকতা আৰু অপ্ৰাসংগিকতা ২১
আৰু আমাৰ কৰণীয় —উত্তম দত্ত

Interdisciplinary Aspect of Mathematics :
Recent Development ২২
—Dr. Bijoy Krishna Dev Sarma

ছাত্ৰ-ছাত্ৰী শিতান ঃ

ইতিহাস প্ৰসিদ্ধ ডিগবৈৰ চমু অৱলোকন
—হৃষিকেশ বৰুৱা ২৪

সমাজত নাৰী শিক্ষাৰ প্ৰয়োজনীয়তা
—চুমী চেতিয়া ২৭

অসমীয়া ৰোমাণ্টিক কবিতা
—অজয় আচাৰ্য্য ২৯

মোৰ দৃষ্টিত পোন্ধৰ আগষ্ট
—প্ৰিয়ংকা হাজৰিকা ৩৩

ড্ৰাগছ এক ভয়াৱহ ব্যাধি
—সিদ্ধাৰ্থ শইকীয়া ৩৪

একবিংশ শতিকাৰ সন্ত্ৰাস
—ৰিম্পী সোণোৱাল ৩৫

মৰাণসকলৰ সাংস্কৃতিক পৰম্পৰা
—জেউতী মৰাণ ৩৭

ৰেগিং এক মহামাৰী
—অঞ্জল চাংমাহ ৩৯

অসমৰ পৰম্পৰাগত লোক - বিশ্বাস
—উৎপল শইকীয়া ৪০

| | | |
|---|---|---|
| সুখী আৰু সমৃদ্ধিশালী জাতি | —গিতুমনি চেতিয়া | ৪২ |
| বন্ধুত্ব এক পবিত্র বান্ধোন | —গিতুমনি চেতিয়া | ৪৩ |
| জীৱন | —জয়ন্ত শইকীয়া | ৪৪ |
| The Challenge of Ensuring Equal Access to Education For Women : A Critical Analysis | —Anil Phukan | ৪৫ |
| Energy : Driving our Civilisation | —Siddhartha Singha | ৪৭ |
| Mobile Phones: A Boon or a Curse | —Sumi Seal | ৪৯ |
| Wildlife Crime | —Zimpi Saikia | ৫০ |
| Entrepreneurial Development | —Dushyanta Borah | ৫১ |
| Education *for Life* | —Ankur Borah | ৫৪ |
| The Nettle Larvae | —Subhasish Arandhara | ৫৫ |
| My Experience with the 'Brahmakumaris' | —Antara Hazarika | ৫৬ |
| The Sema Nagas and their Festivals | —Avni Assumi | ৫৭ |
| Chang Ghor — Granary House of the Hojongs | — Amit Kr. Hajong | ৫৯ |
| Commerce isn't only the means to Profit & Loss | —Deepshikha Boruah | ৬০ |
| Art as Career | —Birinchi Borah | ৬২ |
| Big Dam Project on the Lower Subansiri Inviting catastrophic dangers to Assam | —Gayatree Hazarika | ৬৩ |
| IMMORTAL MEMORIES | —Rimpi Sonowal | ৬৪ |
| এটা আধা লিখা কবিতা | —পাৰ্থ প্ৰতিম গগৈ | ৬৫ |
| সপোনৰ শেষ পথ বিচাৰি . . . | —জুপি কোঁৱৰ | ৬৮ |
| মোৰ জীৱন বাস্তৱ | —মিৰাণ্ডা ৰাজকুমাৰী | ৭০ |
| অপেক্ষাৰ অন্তত | —ময়ুৰী গোহাঁই | ৭১ |
| প্ৰেমৰ অনুভৱ... | —কৰবী ডেকা | ৭৩ |
| জীৱনৰ ৰং | —অমিত বিশ্বকৰ্মা | ৭৫ |
| শ্বিলং-চেৰাপুঞ্জীত এভুমুকি | —শান্তনু চেতিয়া | ৭৭ |
| কবিতা মালঞ্চ ঃ | | ৭৯ - ৮৯ |
| **প্ৰাক্তন ছাত্ৰ-ছাত্ৰী শিতান ঃ** | | |
| অসীমত যাৰ হেৰাল সীমা | —ডম্বৰু শইকীয়া | ৯০ |
| মোৰ মনত ভিন-পৰ নাই ঔ আল্লা | —হাছান আখতাৰ ফৰিদ | ৯৩ |
| ভাৰতীয় নৃত্য সমাজ | —সীমা বৰুৱা, প্ৰাক্তন ছাত্ৰী | ৯৫ |
| সখিয়তী অ' মোৰ বুকুৰ চৰাহ উৎসৰ্গ— যাৰ জীৱনচৰ্যা কবিতাৰ উৎস তেওঁলৈ | —গুণেশ্বৰ শইকীয়া | ৯৮ |
| শৰত আৰু শেৱালী | —তৰুণ শইকীয়া | ৯৮ |
| ডিগবৈ মহাবিদ্যালয়ৰ অন্যতম প্ৰাক্তন অধ্যক্ষ শ্ৰীযুত ৰফিক হুছেইনদেৱৰ লগত হোৱা সাক্ষাৎকাৰ | —ড° বিকাশ কুমাৰ বৰুৱা —ৰিদিপ বৰুৱা | ৯৯ |
| **পুৰস্কাৰ প্ৰাপ্ত লিখা ঃ** | | |
| মোৰ দৃষ্টিত আধুনিক নাৰী | —পাৰ্থ প্ৰতিম গগৈ | ১০২ |
| Moral Degradation of present time and the | —Rajdeep Ghosh | ১০৪ |
| সাম্প্ৰতিক সময়ৰ নৈতিকতাৰ অৱক্ষয় আৰু যুৱ সমাজৰ ভূমিকা | —ৰিম্পী সোণোৱাল | ১০৭ |
| নকলৰ কাগজ | —নিৰ্মালী বসুমতাৰী | ১০৯ |
| শান্তিৰ স্বপ্নেৰে | —সুৰভী শইকীয়া | ১১১ |
| Cry of a Child labour | —Rajdeep Ghosh | ১১১ |
| সেউজীয়া গছৰ ঠিকনা | —কৰবী ডেকা | ১১২ |
| বহাগ মোৰ বাবে | —নিৰ্মালী বসুমতাৰী | ১১২ |
| Secretarial Reports : | | ১১৩-১৩০ |
| Results of 2013-14 College week 131-143 | | |
| আমাৰ প্ৰাক্তন সম্পাদকসকল | | ১৪৪ |

# ড° ভবেন্দ্ৰনাথ শইকীয়াৰ প্ৰতিবাদী নাৰী চৰিত্ৰ 'মেনকা'

— সীমান্ত বৰদলৈ
সহকাৰী অধ্যাপক,অসমীয়া বিভাগ
ডিগবৈ মহাবিদ্যালয়

ৰামধেনু যুগৰ বিশিষ্ট গল্পকাৰ ড° ভবেন্দ্ৰনাথ শইকীয়াই ঔপন্যাসিক হিচাপে প্ৰতিষ্ঠা লাভ কৰে ১৯৮২ চনৰ ১৬ এপ্ৰিলৰ পৰা ১৯৮৪ চনৰ ১ জানুৱাৰীৰ ভিতৰত 'প্ৰান্তিক' আলোচনীত ছোৱা ছোৱাকৈ প্ৰকাশ পোৱা 'অন্তৰীপ' উপন্যাসৰ জৰিয়তে। উপন্যাসখন পুথি আকাৰত প্ৰকাশ হৈ ওলায় ১৯৮৬ চনত। 'অন্তৰীপ' ড° ভবেন্দ্ৰনাথ শইকীয়াৰ এখন সামাজিক উপন্যাস। উপন্যাসখনৰ পটভূমি হৈছে প্ৰাক্ স্বাধীনতা কালৰ অসমৰ এখন সৰু চহৰ। উপন্যাসখনত আমাৰ পুৰুষপ্ৰধান সমাজত যুগ যুগ ধৰি চলি অহা পুৰুষৰ একনায়কত্ববাদী মানসিকতাৰ বিৰুদ্ধে গোপনে কৰা নাৰীৰ বলিষ্ঠ প্ৰতিবাদ আৰু পুৰুষৰ ভোগ-বিলাসিতাৰ ফলস্ৱৰূপে সৃষ্টি হোৱা নাৰীৰ পুতৌ লগা অৱস্থা অতি স্পষ্ট ৰূপত উদ্ভাসিত হৈছে। নাৰী মনস্তত্ত্বৰ প্ৰতিফলন উপন্যাসখনৰ আন এটা মনকৰিবলগীয়া দিশ।

ঊনবিংশ শতিকাৰ শেষাৰ্দ্ধত চিগমাণ্ড ফ্ৰয়েড [Sigmund Freud], চি.জি. য়ুং [Carl Gustav Jung], আলফ্ৰেড এড্‌লাৰ (Alfred Adler) আদি মনোবিজ্ঞানীসকলৰ গৱেষণালব্ধ আৱিস্কাৰসমূহে সমগ্ৰ বিশ্বত প্ৰভূত প্ৰভাৱ পেলাইছিল। ফ্ৰয়েডৰ মতে মানুহৰ মানসিক স্তৰ তিনিটা— চেতন, অৱচেতন আৰু অচেতন। চেতন মনটোতকৈ আমাৰ মানসিক জীৱনত অচেতন মনটো অধিক প্ৰভাৱশালী। কাৰণ এই অৱচেতন মনতেই বহু অৱদমিত কামনা-বাসনা থূপ খাই থাকে আৰু সেই থূপীকৃত কামনা-বাসনাবোৰেই মানুহৰ মানসিক ভাৱসাম্য বিনষ্ট কৰাত ইন্ধন যোগায়। মনোবৈজ্ঞানিক এই ধৰণৰ বিশ্লেষণে সাহিত্যৰ জগতত এক প্ৰকাৰ আন্দোলনৰ সৃষ্টি কৰিলে। ফ্ৰয়েডীয় মনস্তত্ত্বকলৈ বিংশ শতিকাৰ প্ৰাৰম্ভত আমেৰিকাৰ শ্বেৰউড এণ্ডাৰছন (Sherwood Anderson), কনৰাড আইকেন (Conrad Potter Aiken), মে চিনক্লেয়াৰ (May Sinclair) আৰু ইংলণ্ডৰ ডি. এইছ. লৰেঞ্চ(David Herbert Lawrence), জেমচ জইচ (James Augustine Aloysius Joyce), ভাৰ্জিনিয়া উলফ (Adeline Virginia Woolf) প্ৰভৃতি সাহিত্যিকে উপন্যাস ৰচনা কৰি যথেষ্ট সফলতা অৰ্জন কৰিলে। অসমীয়া উপন্যাসত বিংশ শতিকাৰ ষাঠি দশকৰ পৰাহে মনোবৈজ্ঞানিক বিশ্লেষণৰ প্ৰয়োগ দেখা পোৱা যায়।

ড° ভবেন্দ্ৰনাথ শইকীয়াৰ 'অন্তৰীপ' উপন্যাসৰ এটা উল্লেখযোগ্য নাৰী চৰিত্ৰ হ'ল মেনকা। এটা সংস্কৃতিবান পৰিয়ালত লালিত-পালিত, ৰূপে-গুণে অতুলনীয় মেনকা সুব্যক্তিত্বৰ অধিকাৰিণী। মাক দেউতাকে সীতা-সাবিত্ৰীৰ আদৰ্শৰে গঢ় দিয়া মেনকাৰ মনটোত 'ক'তো অকণো ঘূণ নালাগক' বুলিয়েই ঘৰখনে তীক্ষ্ণ দৃষ্টি ৰাখিছিল। যথা সময়ত মহীকান্তৰ লগত মেনকাৰ বিবাহ সম্পন্ন হ'ল। বিয়াৰ পাছত স্বামীগৃহৰ সকলোকে মৰম চেনেহেৰে আঁকোৱালী লৈ সুশিক্ষা তথা সুব্যক্তিত্বৰ পৰিচয় দাঙি ধৰিবলৈ সক্ষম হৈছে। চাৰিটাকৈ সন্তানৰ মাতৃ হোৱালৈকে স্বামী মহীকান্তক মেনকাই দেৱতা জ্ঞান কৰি আহিছিল, মহীকান্তৰ সকলো কথাই নিৰ্বিবাদে সহ্য কৰিবলৈ শিকিছিল। এগৰাকী আদৰ্শ ভাৰতীয় নাৰীৰ ৰূপত

নিজক প্ৰতিষ্ঠা কৰাৰ পথটো মেনকাৰ বাবে যেন মসৃণ নাছিল। ডেকা তেজ আৰু ধন সম্পত্তিৰ জোৰত মহীকান্তই যেতিয়া উচিত অনুচিত বিচাৰ নকৰি সুগৃহিণী মেনকাৰ সুস্থ-সবল উপস্থিতিক উপেক্ষা কৰি, হাতীৰ পিঠিত উঠি ঢোলে-ডগৰে গৈ দুখীয়া পৰিয়ালৰ কিৰণৰ পাণি গ্ৰহণ কৰিলে তেতিয়াৰ পৰাই মেনকাৰ আদৰ্শবাদী মনটোৰে এক বিদ্ৰোহাত্মক ৰূপ ধাৰণ কৰিলে। কিৰণৰ সৈতে নিজৰ মানুহজনক ভাগ কৰিবলৈ পাই মেনকা ক্ষুণ্ণ হৈ পৰিল। নাৰী মনৰ ই এক স্বাভাৱিক প্ৰতিক্ৰিয়া। মহীকান্তৰ ত্ৰিকোণ সংসাৰখনলৈ এটি শিশুৰ আগমন ঘটিল; কিৰণ মহীকান্তৰ সন্তানৰ মাক হ'ল। মেনকাৰ বুকুৰ দাৱানল দপ্‌দপ্‌কৈ জ্বলি উঠিল। মহীকান্তৰ মানসিক অত্যাচাৰত অতিষ্ঠ হৈ পৰিত্যক্তা মেনকা খং, ক্ষোভ আৰু এক জৈৱিক তাড়ণাৰ বশৱৰ্তী হৈ ক্ৰমান্বয়ে এগৰাকী জেদী আৰু দুঃসাহসী নাৰীলৈ ৰূপান্তৰিত হ'ল। এক অস্বাভাৱিক পন্থাৰে মহীকান্তৰ ওপৰত প্ৰতিশোধ লোৱাৰ তীব্ৰ বাসনা এটাই মেনকাক উদ্বাউল কৰি তুলিলে। দৰাচলতে গোটেই উপন্যাসখনৰ অভিনৱত্ব নিৰূপিত হৈছে নায়িকা মেনকাৰ অস্বাভাৱিক আৰু দুঃসাহসিক প্ৰতিবাদত; যি প্ৰতিবাদৰ অগ্নিত নায়ক মহীকান্তৰ গৰ্ব, অহংকাৰ আদি পুৰি ছাই হৈছে। উপন্যাসখনত পুৰুষতকৈ নাৰীৰ প্ৰভাৱশালী ব্যক্তিত্ব আৰু তেজস্বী ৰূপটোহে অধিক উজ্জ্বল ৰূপত প্ৰতিভাত হৈছে। নাৰী মমতাময়ী; কিন্তু সেই একে নাৰীয়েই সময়ত বজ্ৰতকৈ কঠিন হ'ব পাৰে, তাৰেই প্ৰতিফলন ঘটিছে মেনকা চৰিত্ৰত। সীতা-সাৱিত্ৰীৰ আদৰ্শ শিৰোধাৰ্য কৰি বৈবাহিক জীৱনৰ পাতনি মেলা মেনকাৰ প্ৰতিবাদী সত্তাটোৱে এক অস্বাভাৱিক বৈপ্লৱিক পন্থাৰে যুগ যুগ ধৰি চলি থকা পুৰুষৰ একনায়কত্ববাদৰ বিৰুদ্ধে প্ৰতিবাদৰ দৃঢ় প্ৰস্তুতি চলালে। জীৱনজোৰা সাধনাৰ দ্বাৰা প্ৰাপ্ত সকলো নীতি আদৰ্শক বিসৰ্জন দি মেনকাই দাৰিদ্ৰ্যপীড়িত তথা গাঁওখনত চোৰ বুলি খ্যাত মদনৰ লগত গোপনে ঘৰৰ পিছফালৰ বাৰীত অবৈধ সংগমত লিপ্ত হ'ল। মদনৰ আগত মেনকাই খেদ প্ৰকাশ কৰি কৈছে— "মই কিন্তু বৰ জেদী মানুহ মদন। জানি-শুনি মই একো বেয়া কাম কৰা নাছিলোঁ, কাকো দুখ দিয়া নাছিলোঁ। মোক বেয়া পাবলগীয়া

একো কৰা নাছিলোঁ। তথাপি— মোৰ গাটো পুৰণি হ'ল কাৰণেই যদি ইমানবোৰ ঘটনা ঘটিল, তেনেহ'লে— তেনেহে'লে মই বুজাব লাগিব— পুৰণি হ'লে ময়েই অকলে নহঁও। এঘাৰটা বছৰতো অকল মোৰ গাৰ ওপৰেদিয়েই যোৱা নাছিলহুঁ কোন কিমান পুৰণি, কোন কিমান নতুন,—সেইটো এনেকৈ বুজাম— এনেকৈ বুজাম—" (ড° ভবেন্দ্ৰনাথ শইকীয়া, অন্তৰীপ, পৃষ্ঠা- ৯৭)।

মেনকাই পঞ্চমটো সন্তান জন্ম দিলে; নাম ৰাখিলে ধ্ৰুৱ। বাহিৰৰ জগতখনে ধ্ৰুৱক মহীকান্তৰ সন্তান বুলিয়েই জানিলে যদিও মহীকান্তৰ বাবে সি যেন ডাঙৰ ৰহস্য। মেনকাই ধ্ৰুৱৰ প্ৰকৃত পিতৃৰ পৰিচয় মহীকান্তক জানিবলৈ দিয়া নাছিল। মেনকাৰ এই অস্বাভাৱিকতা মহীকান্তৰ ওপৰত চৰম প্ৰতিশোধ কেৱল নহয়, ইয়াক একপ্ৰকাৰ 'লিবিডো' বুলি ক'ব পাৰি। মানুহৰ অচেতন মনত অৱদমিত হৈ থকা বাসনাবোৰেই হ'ল যৌন সম্পৰ্কীয় আৰু অস্বাভাৱিক বহু ক্ৰিয়া কলাপৰ মূল উৎস। এই অস্বাভাৱিক যৌন বাসনাকেই ফ্ৰয়েডে 'লিবিডো' আখ্যা দিছে। ড° ভবেন্দ্ৰনাথ শইকীয়াই মেনকাৰ ক্ষোভ তথা মনোজাগতিক চিন্তা-চেতনাক সুন্দৰ ৰূপত অংকন কৰিছে এইদৰে— "আপোনাৰ হাতী আছিল, ঢোল ডগৰ আছিল, সেইকাৰণে আপুনি এজনী মানুহ মোৰ আগতে থ'বহি পাৰে, তাইক মোৰ আগতে কেঁচুৱাৰ মাক কৰিব পাৰে। মোৰ সেইবোৰ নাই। সেইবোৰ নোহোৱাকৈ মই কি কৰিব পাৰোঁ— কৰিলোঁ। কথাতো একেটাই। এতিয়া কিমান সহিব পাৰে সহি থাকক। তিল-তিলকৈ কথাবোৰ বুজক।... কিন্তু মই কিয় অকলে সহি থাকিম? সহি থাকিলে মোৰ কি লাভ হ'ব? সহি-সহি এদিন মৰি থাকিম? সৰগলৈ যাম? সীতা-সাবিত্ৰী হ'ম? কি পাপৰ কাৰণে মই নৰকৰ যাতনা ভুগিলোঁ? আই-বোপায়ে সীতা-সাবিত্ৰী হ'বলৈ কৈ পঠিয়াইছিল; তেনেকুৱা হ'ব নোৱাৰিলেও মই মোৰ ধৰ্মত আছিলোঁ। এঘাৰ বছৰে মই বহুত সহ্য কৰি খালী আপুনি ভাল পোৱা কামকে কৰিলোঁ। কিন্তু কথা নাই বতৰা নাই, দং দংকৈ গাভৰু ছোৱালী এজনী আনি আপুনি মোৰ আগতে, মোৰ চাৰিটাকৈ ল'ৰা-ছোৱালীৰ আগতে তাইৰ লগত শুবলৈ ল'লে। তাৰ পাছতো মই সীতা-সাবিত্ৰী হ'ম? আপোনাৰ ভৰিৰ ধূলি শিৰত লৈ লৈ ধৰ্ম কৰিম?" (ড° ভবেন্দ্ৰনাথ শইকীয়া, অন্তৰীপ, পৃষ্ঠা- ১২৩)

কিৰণৰ মৃত্যুৰ পিছত মহীকান্তই মেনকাৰ সান্নিধ্য বিচাৰিছিল; কিন্তু মেনকাই মহীকান্তৰ সৈতে একেলগে থকাৰ প্ৰস্তাৱ প্ৰত্যাখ্যান কৰিছিল। কাৰণ জীৱনৰ মূল্যবান সময়খিনি মেনকা স্বামীৰ অবিহনেই কটাবলগীয়া হৈছিল। গতিকে ভাটি বয়সত মহীকান্তৰ সান্নিধ্যই মেনকাৰ অপূৰ্ণ হৃদয় পূৰাব নোৱাৰে। জৈৱিক কামনা-বাসনাৰ পৰা বঞ্চিত নাৰীয়ে কিদৰে দুৰ্বিসহ জীৱন যন্ত্ৰণা ভুগিবলগা হয় আৰু স্বামীৰ দ্বাৰা পৰিত্যক্তা নিসঙ্গ নাৰীয়ে কেনেদৰে

পৰপুৰুষৰ ওচৰত আত্মসমৰ্পন কৰিব পাৰে, মেনকা চৰিত্ৰৰ জৰিয়তে তাৰেই স্পষ্ট প্ৰতিফলন ঘটিছে।

দৰাচলতে মদনৰ প্ৰতি থকা দুৰ্বলতাৰ বাবে নহয়, উচ্ছৃংখল মহীকান্তৰ ওপৰত প্ৰতিশোধ ল'বলৈহে মেনকাৰ এই অভাৱনীয় আচৰণ। ই এইবাবেই অভাৱনীয় যে স্বামীৰ অনুচিত কাৰ্যৰ বিৰুদ্ধে নাৰীসত্তাৰ বিদ্ৰোহৰ এই অভাৱনীয় পন্থা প্ৰাক্-স্বাধীনতাকালীন গ্ৰাম্য অসমীয়া সমাজত অকল্পনীয় আছিল। নিজৰ সন্তানক ডাঙৰ-দীঘল কৰিবলৈ আপোন মানুহ এজনৰ প্ৰয়োজন উপলব্ধি কৰা মেনকাই মদনৰ ওচৰত আত্মসমৰ্পণ কৰি এহাতেদি মহীকান্তৰ ওপৰত প্ৰতিশোধ ল'লে আৰু আনহাতেদি মদনৰ সন্তান জন্ম দি মহীকান্তক দেখুৱাই দিলে যে পুৰুষৰ দৰে নাৰীয়েও স্বামীৰ জীৱিত কালতেই প্ৰয়োজন হ'লে পৰপুৰুষৰ লগত মিলন সুখ উপভোগ কৰিব পাৰে। মেনকাৰ দেহ-মন যে পুৰণি হৈ যোৱা নাই তাক তাই মহীকান্তৰ ওচৰত প্ৰমাণ কৰি দিলে। মহীকান্তক তাই বুজাই দিলে যে "সীতা হ'বলৈ হ'লে ৰামো থাকিব লাগে, তেহেহ্লু" (ড° ভবেন্দ্ৰনাথ শইকীয়া, অন্তৰীপ, পৃষ্ঠা- ১২৪)

কোনো বিবাহিতা নাৰীয়েই সতিনী বৰিব নোখোজে। মেনকাও ইয়াৰ ব্যতিক্ৰম নহয়। জীৱনৰ তিক্ত অভিজ্ঞতাই মেনকাৰ দৰে স্নেহশীলা, নিৰ্জু নাৰীক কিদৰে জেদী আৰু দুঃসাহসিক কৰি তুলিছে তাৰ স্পষ্ট প্ৰমাণ পোৱা যায় যেতিয়া পুতেক ইন্দ্ৰই কলিকতাৰ পৰা প্ৰেৰণ কৰা চিঠিখনত পৰপুৰুষৰ সৈতে মাক মেনকাৰ অবৈধ সম্পৰ্কৰ বাবেই পৰিয়ালটো থানবান হোৱা বুলি উল্লেখ কৰিছে। মেনকাই ইন্দ্ৰৰ অভিযোগ মানি ল'ব খোজা নাই। মেনকাৰ স্পষ্ট উত্তৰ— "মই ভুল কৰিলোঁ বুলি তহঁতে ৰামায়ণ-মহাভাৰত পঢ়ি এশখন মুখেৰে ক'লেও মই নামানো। মই একো ভুল কৰা নাই। যি কৰিছিলোঁ বহুত দিন ভাবি-চিন্তি তাৰ পাছত কৰিছিলোঁ।"(ড° ভবেন্দ্ৰনাথ শইকীয়া, অন্তৰীপ, পৃষ্ঠা- ২২৮)।

ইন্দ্ৰই মাক মেনকাক প্ৰকাৰান্তৰে মহীকান্তৰ লগত থকাৰ কথা কওঁতেই মেনকাই দৃঢ়তাৰে ব্যক্ত কৰিছে এইদৰে— "তইতো নিজেই দেখিলি, মই তহঁত কাৰো ওচৰত সৰু নহ'লোঁ। তোক আগতেও কৈছোঁ, আকৌ কৈছোঁ— মোক কথাবোৰ পাহৰিবলৈ নক'বি। মই একো নাপাহৰোঁ। কেতিয়াও নাপাহৰোঁ। একো দোষ নকৰাকৈ মই ইমান বছৰ যি কষ্ট পালোঁ, সেইবোৰ কষ্টৰ কথা তই যদি মোক পাহৰিবলৈ ক'ৱ, তেন্তে তই মোৰ ল'ৰাই নহয়। জীৱনটোৰ আচল সময়খিনি গ'ল, বাকী সময়খিনি মই কাকো সুখ দিব নোৱাৰোঁ।" (ড° ভবেন্দ্ৰনাথ শইকীয়া, অন্তৰীপ, পৃষ্ঠা- ৩২৬)

মেনকাৰ কথা হ'ল তাই যদি মহীকান্তৰ জীয়েক বুলি কিৰণৰ ছোৱালী তিনিজনী লগত ৰাখিব পাৰে; তেন্তে মহীকান্তই মেনকাৰ পিতৃ পৰিচয়হীন সন্তান ধ্ৰুৱক পুত্ৰৰ স্বীকৃতি দি লগত ৰাখিব পাৰিব লাগিব। মেনকাৰ কথা আৰু কাৰ্যই প্ৰমাণ কৰি দিলে যে মানসিক আৰু শাৰীৰিক দক্ষতা আৰু সামৰ্থ্যত মহীকান্ততকৈ তাই কোনো গুণেই কম নহয়। পৰম্পৰাগত পুৰুষ প্ৰধান সমাজৰ কাৰণে মেনকা এক বৃহৎ প্ৰত্যাহ্বান। ধন সম্পত্তিৰ বলত সৎ অসৎ সকলো কাৰ্য কৰিব পৰা মহীকান্ত মেনকাৰ প্ৰতিশোধৰ অগ্নিত দেই পুৰি মৰিছে। পৰপুৰুষৰ গোপন সান্নিধ্যৰ ফলশ্ৰুতিত গৰ্ভধাৰণৰ সেহ বিষাক্ত তথ্যটি স্বামী মহীকান্তৰ মুখলৈ যেনেভাৱে দলিয়াই দিছে, তাতেই প্ৰকাশ পাইছে প্ৰতিশোধৰ জৰিয়তে নাৰীৰ আত্মমৰ্যাদা প্ৰতিষ্ঠা কৰাৰ নিৰ্ভীক মানসিকতা। অৱহেলা, অপমান, অসহায় আৰু ক্ষোভত মেনকাৰ অন্তৰত যি তুষাণলৰ সৃষ্টি হ'ল, থিক একেধৰণৰ জুই মহীকান্তৰ মনত জ্বলাবলৈ বহু বিনিদ্ৰ ৰজনীৰ মাজেৰে মেনকাই সেই ভীষণ সংকল্পটো গ্ৰহণ কৰিবলগীয়া হৈছিল। নাৰীক কেৱল ভোগৰ সামগ্ৰী বুলি ভবা মহীকান্তৰ মুখত ধ্ৰুৱৰ জন্মই ছাই সানি দিলে। ইমান দিনে মেনকাই বুকুত কঢ়িয়াই লৈ ফুৰা দাবানল মহীকান্তৰ বুকুলৈও প্ৰসাৰিত হ'ল।

উপন্যাসখনত নায়ক নায়িকা উভয়ৰে মানসিক দ্বন্দ্ব সাৰ্থকভাৱে ফুটি উঠিছে। মেনকাৰ অস্বাভাৱিক প্ৰতিবাদৰ জৰিয়তে ঔপন্যাসিক ড° ভবেন্দ্ৰনাথ শইকীয়াই নাৰী মনস্তত্ত্ব সম্পৰ্কে থকা তেওঁৰ সূক্ষ্ম জ্ঞান আৰু ভৱিষ্যত নাৰীৰ এক সবল চিত্ৰ অংকন কৰি নাৰীও যে পুৰুষৰ সমানেই আৱেগ-অনুভূতিপূৰ্ণ মানুহ তাক সকীয়াই দিছে। ■

***



# বিশ্ব পৰিৱেশ আন্দোলনৰ বাটকটীয়া ৰাচেল লুইজ কাৰছন

— অনু বৰগোহাঁই
সহযোগী অধ্যাপিকা (প্ৰাণী বিজ্ঞান বিভাগ)

মেডাম কুৰীৰ অপূৰ্ব সাধনাৰ কাহিনী পঢ়ি পুলকিত নোহোৱা লোক কমহে ওলাব। তেওঁ সাধনাৰ জৰিয়তে বিজ্ঞান জগতক অভূতপূৰ্ব অৱদান দিয়াৰ কথা মানৱ জাতিয়ে সদায় স্বীকাৰ কৰিব লাগিব। মেডাম কুৰীৰ দৰে অনেক কেইগৰাকীমান বৈজ্ঞানিকে অশেষ ত্যাগ আৰু সীমাহীন কষ্টৰে পৃথিৱীত নতুন দিগন্তৰো সূচনা কৰি গৈছে। তেনে এক ব্যক্তি হৈছে প্ৰখ্যাত মাৰ্কিন লিখিকা বিশ্ব পৰিৱেশ আন্দোলনৰ অন্যতম পথিকৃত ৰাচেল লুইজ কাৰছন (Rachel Louise Carson).

ৰাচেল লুইজ কাৰছনৰ জন্ম হৈছিল পেনছিলভেনিয়াৰ স্প্ৰিংডেলত ১৯০৭ চনত। সৰুৰে পৰা মাকৰ মুখত জীৱ-জন্তু চৰাই-চিৰিকতি, প্ৰকৃতি আদিৰ সাধু শুনি শুনি প্ৰকৃতিপ্ৰেমী হৈ পৰা ৰাচেলে ডাঙৰ হৈ এগৰাকী সামুদ্ৰিক জীৱবিজ্ঞানী হিচাপে প্ৰতিষ্ঠা লাভ কৰে। শৈশৱতে পৰিয়ালৰ লগত নদীৰ কাষৰ ৬৫ একৰ ফাৰ্মখনত উমলি-জামলি কটাওঁতে শিশুৰ কোমল মনে আঠ বছৰীয়া বয়সৰ পৰাই জীৱ-জন্তুক লৈ গল্প লিখাৰ কাম আৰম্ভ কৰে। ফলত মাত্ৰ এঘাৰ বছৰ বয়সতে 'চেণ্ট নিকোলাছ' নামৰ আলোচনীত তেওঁৰ প্ৰথমটো গল্প 'এ বেটোল হ'ল দ্যা ক্লাউডছ' প্ৰকাশ পায়। শৈশৱতেই প্ৰকৃতিক লৈ বিশেষকৈ সামুদ্ৰিক লিখাৰ প্ৰতিও তেওঁ আকৰ্ষিত হয়। স্প্ৰিংডেলতে স্কুলীয়া শিক্ষা গ্ৰহণ কৰা ৰাচেলে পামাচুজ পেনচিলভেনিয়া শিক্ষানুষ্ঠানৰ পৰা ১৯২৫ চনত পঞ্চল্লিছ গৰাকী ছাত্ৰ-ছাত্ৰীৰ ভিতৰতে প্ৰথম হৈ সুখ্যাতিৰে উত্তীৰ্ণ হয়। কলেজীয়া শিক্ষাৰ প্ৰাকক্ষণতে ইংৰাজী এটা বিষয় হিচাপে অধ্যয়ন কৰি কলেজ আলোচনীত লিখা-মেলাত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। কিন্তু পিছলৈ জীৱবিদ্যাৰ ফালেহে আকৰ্ষিত হৈ বিষয় সলনি কৰে। ১৯২৮ চনত স্নাতক শিক্ষা সমাপ্ত কৰি জ'নছ হপকিনছ বিশ্ববিদ্যালয়ত ভৰ্তি হয়। কিন্তু আৰ্থিক অনাটনৰ হেতু পুনৰ পেনছিল্‌ভেনিয়ালৈ ঘূৰি চাকৰিৰ সন্ধানত ঘূৰি ফুৰিবলৈ বাধ্য হয়। প্ৰথমে তেওঁ 'Marine Biological Leboratory'-ত অংশকালীনভাৱে কাৰ্যভাৰ লৈ পিছলৈ পূৰ্ণ পৰ্যায়ৰ কৰ্মচাৰী ৰূপে জীৱবিজ্ঞানৰ বিভিন্ন প্ৰকল্পও কাম সম্পাদন কৰে। ১৯৩২ চনত প্ৰাণীবিজ্ঞানত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে। উচ্চস্তৰীয় গৱেষণাৰ কাম হাতত লোৱাৰ সময়তে পিতৃ-বিয়োগ, আৰ্থিক অনাটন, পৰিয়ালৰ ভৰণ-পোষণৰ বাবে জীৱনৰ দিশ অন্যফালে ধাৱমান হয়।

জীৱবিদ্যাৰ ''মেণ্টৰ মেৰী স্কট স্কীমাৰ''ৰ (Mary Scot Skimmer) সহায়ত কাৰছনে ইউ.এচ.ব্যুৰ অৱ ফিচাৰিছ (U.S. Bureau of Fisheries)-ত অস্থায়ী ভিত্তিত যোগদান কৰে। ইয়াত কাৰছনৰ কাম হ'ল — ''ৰোমাঞ্চ আণ্ডাৰ ৱাটাৰ'' (Romance Under Water শীৰ্ষক ধাৰাবাহিকখনত জলজ

প্ৰাণীৰ জীৱন বৈশিষ্ট্যৰ বিষয়ে অনাতাঁৰত প্ৰচাৰৰ বাবে ৫২.৭ ঘটাৰ বাবে লিখি যুগুতাই দিয়া। তদুপৰি স্থানীয় বাতৰি কাকত আৰু আলোচনীত সাগৰীয় প্ৰাণী সম্পৰ্কে লিখা প্ৰস্তুত কৰা। তেওঁ লিখা 'ৰেডিঅ' চিৰিজটোত' তত্বাৱধায়কজন ইমানেই অভিভূত হ'ল যে তেওঁ জনসাধাৰণৰ বাবে লিখা "Fisheries Bureau"-ৰ পুস্তিকাখনৰ পাতনি লিখাতো নিয়োগ কৰি পূৰ্ণাংগ ভিত্তিত মকৰল কৰে। ১৯৩৬ চনত কাৰছনে চিভিল চাৰ্ভিচ পৰীক্ষাত সকলো পৰীক্ষাৰ্থীৰ ভিতৰত সৰ্বোচ্চ নম্বৰ লাভ কৰি 'জুনিয়ৰ একুৰেটিক বায়লজিষ্ট' পদত অধিষ্ঠিত হয়।

১৯৩৭ চনৰ জুলাই মাহ। আটলাণ্টিক মান্থলিয়ে (Attlantic Monthly) পুনৰমুদ্ৰিত কৰি "The World of Waters" এখন উৎকৃষ্ট লিখাৰ চানেকী হিচাপে মনোনীত কৰে। মহাসাগৰীয় বুকুত যাত্ৰাৰ এক মনোৰম স্পষ্ট বৰ্ণনাই হৈছে ইয়াৰ সম্পদ। এই লিখাবোৰে কাৰছনৰ লিখক জীৱনৰ গতিক অন্য মাত্ৰা প্ৰদান কৰিলে। প্ৰকাশক গোষ্ঠী — "Simon & Schuster" এই লেখনিসমূহত মোহিত হৈ কিতাপ আকাৰে প্ৰকাশ কৰি উলিয়ায়। এই সংকলনৰ ফলশ্ৰুতিয়েই হ'ল — 'আণ্ডাৰ দ্যা চি উইণ্ড' (Under The Sea Wind-1941) যিখনে পৰম উৎকৃষ্ট লিখাৰ নিদৰ্শন দাঙি ধৰিছিল। সেই সময়ৰ তেওঁৰ অপূৰ্ব লিখাসমূহ "Sun Megazine', 'Nature', Coller's অত প্ৰকাশ পাইছিল।

প্ৰকৃতিৰ বিষয়বস্তুক লৈ লিখা-মেলা কৰা এই বিজ্ঞানীজনৰ ১৯৫০ চনত "দি চি এৰাউণ্ড আচ" (The Sea Around Us) নামৰ কিতাপখন প্ৰকাশ পায়। এই কিতাপখনে ১৯৫১ চনত "বেষ্ট ছেলাৰ" ৰূপে পঢ়ুৱৈ সমাজত পৰিগণিত হোৱাৰ লগতে তেখেত এগৰাকী প্ৰকৃতিবিদ, ভগৱান প্ৰদত্ত লিখিকা হিচাপে খ্যাত হৈ পৰে। ইয়াৰ বাবে "ইউ, এচ, নেশ্যনেল বুক এৱাৰ্ড" (U.S. National Book Award) ৰে পুৰস্কৃত কৰা হয় অন্যখন কিতাপ "দি এ্যজ অব্ দ্যা চি" (The Edge of the Sea) আৰু প্ৰথমখনৰ পুনঃমুদ্ৰিত সংস্কৰণ "Under The Sea Wind" কিতাপখনো সৰ্বাধিক বিক্ৰীৰ কিতাপ হিচাপে পৰিগণিত হয়। এই তিনিওখন কিতাপতেই মহাসাগৰীয় উপকূলীয় অঞ্চল, সমুদ্ৰৰ গভীৰতা, জীৱ-জন্তু, পক্ষী আদি কৰি বহুতো তথ্য সমৃদ্ধ লিখা লিপিবদ্ধ হৈছে। 'দি চি এৰাউণ্ড আচ' নামৰ কিতাপখনে সৰ্বত্ৰে প্ৰচাৰ লাভ কৰাৰ পাছত ৰিডাৰ ডাইজেষ্টৰ (Reader Digest) সহযোগত ১৯৫২ চনত নেশ্যনেল বুক এৱাৰ্ড (National Book Award for Non fiction & The Burroughs Medal) ৰ উপৰিও আন দুটাকৈ সন্মানীয় স্বীকৃতি লাভ কৰে আৰু তথ্যচিত্ৰ বা ডকুমেণ্টৰীৰ বাবেও লাইচেঞ্চ লাভ কৰে। "বেষ্ট ছেলাৰৰ" স্বীকৃতিৰ লগে লগে তেখেতৰ আৰ্থিক দিশটোও কিছু টনকিয়াল হোৱাত ১৯৫২ চনত চাকৰি বাদ দি সম্পূৰ্ণৰূপে প্ৰকৃতিবিদ গৰাকীয়ে লিখা-মেলাতে মনোনিৱেশ কৰে। এই কিতাপখনে তেখেতলৈ প্ৰচুৰ সন্মান খ্যাতি কঢ়িয়াই আনিলেও আৰু ডকুমেণ্টেৰীৰ বাবে জনপ্ৰিয় হ'লেও ডকুমেণ্টেৰীৰ প্ৰযোজক আৰউইন এলেনৰ (Irwin Allen) লগত তেওঁৰ মতানৈক্য ঘটিল। প্ৰযোজক গৰাকীয়ে ব্যৱসায়িক স্বাৰ্থত তেখেতৰ লিখন আৰু মুদ্ৰণৰ তথ্য তথ্যচিত্ৰত প্ৰযোজক হিচাপে ঘটোৱা সালসলনিত তেখেত পৰিৱেশ সম্পৰ্কীয় তথ্যৰ সঁচা-মিছাৰ ধামখুমীয়াত সোমাই পৰিব লগা হোৱাত অতি অসন্তুষ্ট হৈছিল। এই তথ্যচিত্ৰই ১৯৫৩ চনত "Best Documentary Oscar" লাভ কৰিছিল। হ'লেও তেখেতে লাভ কৰা পূৰ্বৰ তিক্ত অভিজ্ঞতাৰ বাবেই ফিল্ম ৰাইটচ্ বিক্ৰীত পুনৰ চুক্তিবদ্ধ নহ'ল।

ৰাচেল লুইজ কাৰছনে ১৯৪৫ চনৰ মাজভাগৰ পৰাই কীটনাশক ডি.ডি.টি. — 'পতঙ্গ বোমা' (Imeet Bomb) ওপৰত এলানি কাম আৰম্ভ কৰিছিল। নাগাছাকি আৰু হিৰোচিমাৰ বোমা বিস্ফোৰণৰ পিছত জাগৰণ সৃষ্টিকাৰী ডি.ডি.টি. অন্যতম পতঙ্গ বোমা হিচাপে চিহ্নিত কৰাৰ মূল কাৰণ ইয়াৰ প্ৰাণী অৰ্থাৎ পতঙ্গ বিশেষকৈ মহ ধ্বংসকাৰী ৰূপ। এই কীটনাশকবিধৰ অধ্যয়নৰ বেলিকা এই বিজ্ঞানীজনা ডি.ডি.টি. প্ৰস্তুতকাৰী কোম্পানী, বিক্ৰেতা আদিৰ ৰোষতো পৰিছিল। কীটনাশকৰ ওপৰত গভীৰ অধ্যয়ন, গৱেষণাৰ ফলশ্ৰুতিয়েই হ'ল — "ছাইলেণ্ট স্প্ৰিং" (Silent Spring) ১৯৬২ চনত প্ৰকাশ পোৱাৰ লগে লগে আমেৰিকা তথা সমগ্ৰ বিশ্বজুৰি এক নতুন জাগৰণৰ সৃষ্টি হ'ল। এই গ্ৰন্থত সাগৰীয় চৰাই প্ৰমুখ্যে অন্যান্য প্ৰাণীৰ ওপৰত ডি.ডি.টি.ৰ অপকাৰী প্ৰভাৱ সম্পৰ্কে প্ৰাণস্পৰ্শী বৰ্ণনা আছে। ৰাচেল কাৰছনৰ এই গ্ৰন্থখনে পৰিৱেশ প্ৰদূষণৰ প্ৰতি বিশ্বৰ জনসাধাৰণৰ মাজত সজাগতা সৃষ্টি কৰাত যথেষ্ট অৰিহণা যোগাইছিল। সেয়েহে প্ৰকাশৰ পিছৰ পৰাই 'ছাইলেণ্ট স্প্ৰিং' সমগ্ৰ মানৱ জাতি তথা প্ৰকৃতিৰ কল্যাণৰ অৰ্থে উচৰ্গিত এখন 'সবাতোকৈ গুৰুত্বপূৰ্ণ নথি' ৰূপে বিবেচিত হৈ আহিছে। এই গ্ৰন্থত বৰ্ণিত বৈজ্ঞানিক তথ্যপাতি কীটনাশকে জীৱ-জন্তুৰ প্ৰতি কৰিব পৰা ভয়ংকৰ বিপদ আদিক ফঁহিয়াই দেখুৱাৰ লগে

লগে আমেৰিকাই ডি.ডি.টি.ৰ ব্যৱহাৰ নিষিদ্ধ কৰিবলৈ বাধ্য হৈছিল। পিছলৈ তৃণমূল পৰ্যায়ৰ পৰা বৃহৎ পৰিসৰত মানৱৰ জন জাগৰণৰ ফলত (U.S. Environmental Protection Agency) ইউ.এচ. এনভাইৰণমেণ্টেল প্ৰটেকশ্যন এজেন্সী গঢ়ি উঠে। কাৰছনৰ মৃত্যুৰ পাছত তেওঁৰ মানৱ সমাজলৈ আগবঢ়োৱা এনে অৱদানৰ বাবে প্ৰেচিডেন্সিয়েল মেডেল অৱ ফ্ৰিডম (Presidential Medal of Freedom by Jimmy Carden) প্ৰদান কৰা হয়।

১৯৫৩ চনৰ পৰা বৃদ্ধা মাকৰ পৰিচৰ্যাৰ বাবে মাকৰ লগত চাউথপৰ্ট আইলেণ্ডত কটায়। তাতে তেওঁ ডৰথী ফ্ৰিমেনক লগ পায় আৰু জীৱনৰ শেষ দিনলৈকে এক সুমধুৰ সম্পৰ্ক বৰ্তাই ৰাখে। ১৯৫৫-৫৬ চনত তেখেতে বিভিন্ন প্ৰকল্পত কাম কৰি বিভিন্ন আলোচনীত, জনপ্ৰিয় লিখা আগবঢ়াই গৈছিল। সেই সময়তে তেখেতৰ কাৰ্যপন্থা প্ৰকৃতিৰ সংৰক্ষণৰ দিশে আগবাঢ়িল। মূল বিষয় হ'ল — "Remembrance of the Earth"। কাৰচন আৰু ফ্ৰিমেনে যুটীয়াভাৱে সাগৰীয় উপকূলভাগৰ উন্নয়ন কল্পে নিজকে নিমজ্জিত কৰিলে। সেই অভিযানৰ নাম ৰাখিলে –– 'Lost Woods' লষ্ট উডচ্।

১৯৫৭ চনত এক পাৰিবাৰিক ধুমুহাই তেওঁক জোকাৰি গ'ল। তেওঁৰ দ্বাৰা আশ্ৰিত-পালিত ৩১ বছৰীয়া ভাগিনজনীয়ে তেওঁক চিৰদিনৰ কাৰণে এৰি গ'ল; দি গ'ল এটি পাঁচ বছৰীয়া পুত্ৰ সন্তান। দায়িত্ব বাঢ়িল। বৃদ্ধা মাতৃৰ উপৰিও সন্তানটিৰ দায়িত্ব মূৰপাতি ল'ব লগা হ'ল।

১৯৫৭ চনৰ পৰাই কাৰছনে 'ইউ,এচ,ডি,এ. প্লেন' (USDA. Plan) কীটনাশক, ৰাসায়নিক দ্ৰব্যৰ পৰ্যাপ্ত পৰিমাণৰ প্ৰয়োগৰ বিষয়ে কাম কৰিছিল আৰু জীৱনৰ শেষ বয়সলৈকে কীটনাশকৰ ভয়াৱহতাৰ বিষয়ে জনসাধাৰণৰ সজাগতাৰ দিশতো দৃষ্টি নিবদ্ধ কৰিছিল। প্ৰকৃতিবিদ্ বিশ্ব পৰিৱেশ আন্দোলনৰ বাটকটীয়া, প্ৰখ্যাত মাৰ্কিন লিখিকা ৰাচেল কাৰচনৰ মৃত্যু হৈছিল ১৯৬৪ চনৰ ১৪ এপ্ৰিলত কৰ্কট ৰোগত আক্ৰান্ত হৈ। মৃত্যুৰ আগে আগে তেওঁ কৈছিল — "Man's attitude towards nature is today critically important simply because we have now acquired a fateful power to alter and destroy nature. But man is a part of nature, and his war against nature is inevitably a war against himself." ■



All strength is in you. Have faith in it.
It will not go unmanifested
*— Swami Vivekananda*

# In Memory of Krasnaya Ploshad...



— Dr. Rashmi Patowary
Asstt. Prof., Deptt. of Physics

"Good morning! Welcome to Moscow!" – as I was woken up by a heavily accented, yet pleasant voice, it took me a fraction of a second to realize that the voice belonged to the air-hostess dressed in red and white and I was aboard 'Aeroflot' to Moscow. As I wiped my face with the warm, pleasingly scented towel, the sunshine greeted me through the windowshiell.

No wonder I had fallen into a deep slumber. What with the preparing for my presentation, visa, starting of college session, extra load to compensate for my absence at home and at work, and two consecutive bouts of viral fever, the last fifteen days had been extremely taxing. And when I boarded the aeroflot flight SU233 at 2:30 am, on the 3rd of August, I simply could not keep myself awake; inspite of the lovely ambience created by the friendly cabin crew, each member dressed in their red and white uniform.

It was on 18th April, 2014 that I received the acceptance letter for presenting a paper at COSPAR (Committee On Space Research), 2-10 August, Moscow State University. One of the most prominent Scientific Assemblies, COSPAR is held at chosen venues of the world every two years.

As the shinning white Mercedes drove us from the Sheremetyevo International Airport, I had a slight sense of disappointment; everything looked very familiar, the road, the cloud above the trees, it was as if I had landed in Bangalore or Mumbai. But then as the Mercedes took us (me and my

husband, who had decided to accompany me to Moscow) through the drive-way to the 25 storied hotel COSMOS, with its sprawling Lawn with huge beds of red and white petunia, the magic started. Built during the Moscow Olympics in 1980, Hotel Cosmos: Housed 1750 rooms, We had a lovely view of Moscow from our room on the 20th floor.

I had always thought, by speaking in English one could communicate in any European country. And since we had a Moscow Metro map with us and had done our home-work on how to reach the University from our hotel, we set out confidently. I realized how wrong I was after we reached the University Campus and looked for the venue of registration. Most of the people did not know English; and for those who knew English, they were extremely reluctant to speak it. We spend a most frustrating hour, trying to locate the Lomonovsky Building - the venue for registration. The alphabets were deceiving; what looked like English turned out to be Russian. And when we found the building, we felt like fools. We had been walking past the building several times; but how could we possibly have known that in Russian, LOMONOVSKY was written as OMOHOBCKbI !

By that time the registration time was over and we looked around the university campus and marvelled at the Grandeur of the buildings and the campus. Moscow State University (MSU) was founded in 1755 by Mikhail Lomonosov. a Russian scientist and writer, who made important contribution to literature, education, and science. The MSU main building is one of the tallest building in the world. The central tower is 240 m tall, 36 stories high, land flanked by four huge wings containing 5,000 rooms of student and faculty accommodations, it stands 44th in 2012 international ranking of universities.

Keeping in mind the previous days experience we started very early next morning, reached the venue got ourselves registered and then things began to fall into place. We got an alphabet to alphabet translation from Russian to English. We learned that MocKBa was Moscow, METpo stood for metro, PYCCna for russian, TOnNET for Toilet; (the Russian alphabets have 33 letters consisting of English letters and a number of greek and latin and other alphabets.

In the evening the grand opening ceremony in the huge Assembly hall of the MSU Main building started with a tribute to Space Scientists from all-over the world which was followed by short speeches by Victor Sadovnichy, (Rector of M.V. Lomonosov Moscow Stare University), Vladimir Fortov (President of the Russian Academy of Sciences) and Oleg Ostapenko (Head of the Federal Space Agency of the Russian Federation).

Then came the awarding of COSPAR medals; which consisted of a number of medals awarded for outstanding contribution in the field of space science. It is a proud moment when Gurubux Singh Lakhina from India received the medal for outstanding contributions to space research in developing countries. Three different forms of the Russian ballet by slender, light footed Russian dancers were a treat for the eyes; and the vocal and flute Jugal bandi simply transported us to another world. The pudding in the pie was the (live broadcast) of greetings of Russian astronauts from the outer space floating inside the spaceship.

The following days, I was busy attending the various talks which I had previously marked as important and beneficial for me; while the second halves

were spent in the highly interactive Poster sessions (where I presented my paper) which were the most beneficial for me. It was really a humbling experience sharing space with great scientists of the world - scientists who design space craft, scientists from space laboratories all over the world. From India there were participants from VSSC (Vikram Sarabhai Space Centre, Thiruvananthapuram), NARL (National Atmospheric Research Laboratory, Gadanki), ISRO and PRL.I had the opportunity to interact with some of these scientists regarding future line of work.

As for food dishes they consisted of different varieties of red meat and fish, mostly boiled or stewed, did not appear very appetizing to me. Choosing a dish even a American foodchains like KFC or mcdonalds proved to be an ordeal as all menu cards were in Russian. But fortunately the lunch in the University canteen which consisted of different dishes, a broth prepared from different beans such as Rajma, Boiled potatoes and rice garnished with corn kennel which became my lunch for the following days. We searched for an Indian restaurant; found one called Jagannath but then if there was anything Indian to it is was some fried Papads along side European dishes! Among Russian dishes, I took a liking to Kotlety (small potato cutlets) and Syrniki (pancakes made from creamy cottage cheese, mixed with flour, eggs, and sugar).

About sight-seeing in Moscow, we could set out everyday only after 6 pm after the scientific sessions were over. But fortunately summer in Russia is a wonderful time for tourists. It was twilight at 10:30 pm and the weather was warm (about 28-32 degrees Celsius) which made it possible to wander out till late in the night. Moscow time was 1hr. 30 minutes behind Indian time.

We first had a city tour of Moscow city in those bright red and green slow moving 'Hop-in Hop-out' buses, open at the top. By using the ear-phones plugged to individual seats we got fairly good idea about the buildings flanked on both sides of roads, each of which was an architectural wonder in itself. The whole of Moscow is marked by the 49 bridges spanning the river Moskva over which the city lies; in fact Moscow is known as 'Moskva' in Russia. We learned that the most important place to visit was the Red-Square or 'Krasnaya Ploshad' as the Russian call it.

A town square usually refers to a public space commonly found in the heart of a traditional town used for community gathering. But Red Square was much more than that. In fact, if one has visited Red Square, he or she learned most about Russia's culture, heritage history.

Designated by UNESCO as a world heritage site in 1990. Red Square is a historic fortified complex at the heart of Moscow, overlooking the Moskva River to the south. Saint Basil's Cathedral shaped as a flame of a bonfire rising into the sky and Red Square to the east, and the Alexander Garden containing the 'Tomb of the Unknown Soldier' with an 'eternal flame' (similar to our Amar Jawan Jyoti) to the west. The complex serves as the official residence of the President of the Russian Federation and has the Kremline Museum (containing the embalmed body of Lenin) and the Ivan the Great Bell Tower on two sides. What attracted me was that there was certain vibrance that seemed to reverberate between the bright red walls. We made it a point to spent some of spending some time each day at Kremlin but I

still feel I did not have enough of Red Square.

Apart from being the most efficient rapid transport system covering a distance of 325.4 km joining 195 stations, the Moscow Metro, built in 1935 was one of the USSR's most extravagant architectural projects. Each station has its own theme and is decorated with variations of stain glass and different metals, with their reflective marble walls, high ceilings and grandiose chandeliers. Every station named after prominent figure such as Leninsky, Turgenevsky, (the word (sky) at the end of Russian surnames is a ways of making a word that means coming from, derived from, connected to; the feminine form is 'Skaya').

Thanks to the free metro pass given to us during registration, we travelled through the length and breadth of Moscow and got a chance to mingle with the local people. Particularly the youngsters like ours - were lost in their cell-phones or tablets. But whenever we interrupted them (we obviously had to do that several times) asking for directions, they readily tried to help us. We were particularly touched on one occasion : A young an hep couple missed a train and came back to us just because they realized they had given wrong directions to us earlier. It was nice to see young men offering their seat to elderly people in metro and I couldn't help wondering whether youngsters back home do that anymore.

We loved spending time at Arbatskaya street, the most interesting and lively pedestrian street dominated by street artists, street musicians, souvenir stalls and shops. Among the souvenirs the one that is typically Russian is the Matryoshka doll : a set of wooden dolls of decreasing size placed one inside the other. The price varying from 2000 Roubles to 20,000 Roubles (1 Rouble = 2.1 Rs.)

One of the most striking landmark of Moscow is the Monument to the Conquerors of Space made of shining Titanium and shaped like a rocket and the exhaust plume of the rocket. And located within the base of the monument, lies the Memorial Museum of Cosmonautics which holds approximately 85,000 different items displayed in a most interesting manner. But it was a pity nothing was written in English. In the seven days that we spend in Moscow we did not have a enough time to watch the famous Russian Circus, or an opera performance at the world famous Bolshoi Theatre, but the lovely huge theatre house itself, in the background of the night-sky was a treat for the eye.

Taking one last look at the sun-rise in Moscow from our room in the 20th floor of hotel cosmos we bid good set out for the airport in the fast moving Aero-Express train which took us straight to the Airport and we flew back home on 11th August.

Memories fade fast. But the memory of Red Square, and the 7th tall Russian lady. In a floral dress... who walked 3km, out of her way... just to show us strangers the way, when we had lost it... will remain with me for the rest of my life. ■

'The greatness of a nation can be judged by the way its animals are treated'

— *Mahatma Gandhi*





# Career Prospects in N.C.C Career

— Dr. (Lt)Bikash Kr. Boruah
Associate Prof. Dept of Commerce (Acounting & Finance)

In modern world where every good or bad step influences country's progress, the need for national unity and integration is very important. Today discipline in every field is necessary. In our country, the N.C.C. is a national organisation which plays an important role in country's unity and strength. It's role is uncomparable and we have to pay for it. It is the only mean through which we can shap, our nationes future. As today's children are tomorrows base. It is more important to develop within them the sprit of nationality.

Today our country is facing so many problems such as terrorism, poverty, unemployment, communalism, youth unrest and agitations, violence against women, alcoholism, Drug abuse and Drug Addiction, Corruption and Black money. So the main nud is to make the new generation awar of these verything. We can do this only by the N.C.C. as its traing includes all facts which are valuable for the nation's progress. Discipline teaches teacher to be humble in every walk of life. Its training teaches to be active in each and every aspect of life. Its main moral is "Never accept the defeat till the last breath and raise very step for the good of the nation."

For strong national character, unity and integration, every student must join the N.C.C. and attend all activities including camps as they make 'an individual' capable to do deal with live situation. All young boys and girls are able to channelise their potentials which lead to an all round mental and physical growth. A little defiant, a little adverturous, a few ideas in order and a lot of vision always endowed with the much determination is the golden power of youth. A treasure of willful courage, the exploring mind and an ebullient vitality which could enrich them can create sound minds in sound bodies.

The N.C.C. plans and conducts normal institutional training along with various adventure activities and social services. Moreover thrilling expeditions like mountaineering, rock-climbing, tracking, cycling, para jumping, para sailing, hang gliding, wind surfing are also under taken by the cadets. Its imparts weapon training to all N.C.C cadets so that they are able to make efficient use of personal weapons, field croft to develop the hunter instinct so that they are able to make effective use of

the ground, map reading to make their direction on any terrain, self defene to over come any situation, self disciplin to make them conscious citizen, nature awareness. Inculcate value of environmental conservation to check its deterioriation.

The N.C.C. is in effort of mass mobilization of human resources. To fulfill the aspirations of the youth it provides excellent opportunities to its cadets by providing incentives to pursue higher studies, opportunities to travel abroad through youth exchange programmes. The cadets have an added advantage of an easy entry to the Armed forces once they have completed their "B" & "C" Certificate exadmination. N.C.C. groom is the cadets for the defence services if that their choice.

From time to time central and state governments announce number of incentives for N.C.C. cadets. These incentives are in the field of empolyment as well as accademic, personal incentives including medals, trophies cash awards etc. These are listed as under.

A) Vacancies reserved for Army commission in Defence forces for N.C.C. "C" certificate holders –

— 64-Indian military Academy (IMA), Dehradun through U.P.S.C and Service Selection Board (SSB) Interview.

— 100 in officer training Academy (OTA) Chennai for short service commission, Non technical group. No UPSC Examination, only S,S,B. interview is required.

— Navy – 6 per course, NO UPSC Examination, only S.S.B. interview selection.

— IAF – 10% in all courses including flying training courses. No U.P.S.C Exam, only S.S.B Selection.

B) For ORS, Sailors, Airmen – 5 to 10 percent bonus marks awarded for requitment.

C) Para military Forces – 2 to 10 bonus marks awarded for recruitment.

D) CRPF – NCC cadets holding third division degree eligible for requitment in gazetted post.

Cash Awards to N.C.C. Cadets –

1] Inter Group Compt.
Best Cadet award - Rs. 3000
(No. of award unlimited)

2] Inter unit compt –
Best cadets award - Rs. 3000 /-
(No. of award unlimited)

3] Scholarship for Best cadets –
Annually - Rs. 12000 /-
(No of award unlimited)
60% Marks obtained in last Exam's appeared.
Board & University.

4] Bir Chilarai Award for state Best cadets.
Rs. 25000 /- Annually. ■



'Everybody is a genius. But if you judge a fish by its ability to climb a tree, it will five its whole life believing that it is stupid'

— *Albert Einstein*



# ভিতৰ-বাহিৰ

## (বনফুল — বলাই চাঁদ মুখোপাধ্যায়)

অনুবাদ — দীপেশ মণ্ডল
সহকাৰী অধ্যাপক, বাংলা বিভাগ

আমাৰ মন সাধাৰণত ঃ দুই ভাগত বিভক্ত। এটা ভাগ বাহিৰৰ আৰু আনটো ভাগ ভিতৰৰ। মনৰ যিটো বাহিৰৰ ভাগ সেইটো ভদ্ৰ, সামাজিক আৰু সভ্য। ভিতৰৰ মনটো কিন্তু সদাই সভ্য আৰু সামাজিক নহয় — যিটোৰ চাল-চলন, চিন্তা-চৰ্চা বিচিত্ৰ, বাহিৰৰ মনৰ কাৰ্যকলাপ চাই ভিতৰৰ মনটোৱে কেতিয়াবা হাঁহে, কেতিয়াবা কান্দে । এই দুই ভাগৰ দ্বন্দ্ব নিত্য নৈমিত্তিক।

ৰাম কিশোৰৰ ভিতৰৰ মনটো বহুদিন ধৰি মৃতপ্ৰায় হৈ আছে। বাহিৰৰ মনৰ অত্যাচাৰত সি দুৰ্বল হৈ গৈছিল। ৰামকিশোৰ উকীল। আছামীক বচাবলৈ মিছা-সাক্ষী সৃষ্টি কৰাৰ প্ৰয়াস, ধনী-ডাঙৰ মানুহৰ হৈ দুখীয়া মানুহৰ সৰ্বনাশ, নকল উইল সৃষ্টিৰ পৰামৰ্শ দান ইত্যাদি। কাৰ্যত তেখেতে বাহিৰৰ ব্যৱহাৰিক মনটোৰ সহায় লৈছিল। ভিতৰৰ মনটোৱে প্ৰথমাৱস্থাত তীব্ৰ প্ৰতিবাদ কৰি বহু অনৰ্থৰ সৃষ্টি কৰিছিল, আজিকালি আৰু গাত নালাগে।

সেইদিনা ৰাতিপুৱা ৰামকিশোৰ তেখেতৰ টপা মূৰত হাত দি নিজৰ মনৰ বাগিচাত ঘূৰি ফুৰিছিল। এগৰাকী বিধবাৰ সম্পত্তিজনিত এটা মোকৰ্দমাই কিছুদিন ধৰি তেখেতৰ মনটোক অশান্ত কৰিছিল। আজি কেচটো কোৰ্টত উত্থাপন হ'ব তাৰ কাৰণে তেওঁ অকণমান উদ্বিগ্ন আৰু চিন্তিত হৈ আছে।

সেই সময়তে এগৰাকী আদবয়সীয়া ভদ্ৰলোক আহি তেওঁক নমস্কাৰ কৰি ক'লে, তেওঁ কোনো এটা সমস্যাৰ বিষয়ে পৰামৰ্শ বিচাৰি আহিছে। ৰামকিশোৰে তেখেতক চিনি নাপায়। সেয়েহে দ্বিধাহীনভাৱে তেওঁ ক'লে, "আইন সংক্ৰান্ত কোন পৰামৰ্শ দিব হ'লে মই 'ফী' লওঁ আপুনি জানেনে?"

"জানো — কিমান দিব লাগিব আপোনাক?"

জানে।

''বত্রিশ টকা।''

''ঠিক আছে দিম —।''

দুয়োজন ড্রয়িংৰুমত গৈ বহিল।

ভদ্ৰলোকজনে ক'লে, ''মোৰ এজন আলহী আছে — তেওঁৰ একমাত্ৰ ল'ৰাৰ বিয়া হৈছে, প্ৰায় দহ বছৰ হ'ল। ল'ৰা-ছোৱালী একো হোৱা নাই। সম্ভাৱনাও ক্ষীণ।''

উকিলে ক'লে, ''ডাক্তৰক দেখুৱাইছিল?''

''দেখুৱাইছিলোঁ, তেওঁলোকৰ সন্তান হোৱাৰ সম্ভাৱনা কম।''

''লৰাটোৰ স্বাস্থ্য কেনেকুৱা?''

বৃদ্ধ ভদ্ৰলোক উত্তৰ দিলে, ''কোনো বেমাৰ নাই।''

উকিলে ক'লে, ''মোৰ পৰা কি পৰামৰ্শ বিচাৰে?''

''এই বিষয়ে আপোনাৰ পৰা এটা কথা জানিব বিচাৰোঁ, যদি বংশ নাশ হয়, তেতিয়া সম্পত্তিৰ ভাগ কোনে পাব?''

ৰামকিশোৰে ক'লে, ''ল'ৰা যেতিয়া, স্বাস্থ্যবান তেতিয়াহ'লে সি আকৌ বিয়া পাতিব পাৰে। হিন্দু ল' অনুসৰি তাত কোন বাধা নাই।''

''বাধা নাই, মানিলোঁ। কিন্তু আইনৰ বাধা নাথাকিলেও কি সকলো কথা সম্ভৱ?''

ৰামকিশোৰে অকণমান হাঁহি ক'লে, ''সেন্টিমেন্টেল হৈ চলিলে কি দুনিয়াত চলিব পাৰিব।

ৰামকিশোৰে সেন্টিমেণ্টৰ অপকাৰিতা বিষয়ে দীঘল এটা ভাষণ দিলে। বাহিৰৰ মনটোৱে তেখেতৰ যুক্তি আৰু কথাৰ যোগান ধৰিলে। ভিতৰৰ মন চুপচাপ থাকিল।

বৃদ্ধ ভদ্ৰলোকে তেতিয়া ক'লে, ''ধৰক যদি তেওঁলোকে ল'ৰাৰ দ্বিতীয়বাৰ বিয়া কৰাই নিদিয়ে বা দিব নিবিচাৰে তেতিয়া সম্পত্তি কোনে পাব?''

উকিলে উত্তৰ দিলে, ''আইন অনুযায়ী যিসকল উত্তৰাধিকাৰী হ'ব পাৰে। — ৰামকিশোৰ পানীৰ নিচিনা কৈ গ'ল।

শেষত তেখেতৰ নিজৰ মতটো কিন্তু ক'বলৈ এৰি নিদিলে যে, ''লৰাটোৰ আকৌ বিয়া পাতি দিয়ক, বন্ধ্যা বোৱাৰী লৈ সংসাৰত সুখ পোৱা নাযায়? ল'ৰা-ছোৱালী নাথাকিলে সংসাৰ নহয় শ্মশান হয়। মই যিটো উচিত ভাবিলোঁ, ক'লোঁ — আপোনাৰ সেন্টিমেণ্টত যদি আঘাত লাগে মোক ক্ষমা কৰিব।''

বৃদ্ধ ভদ্ৰলোকে ক'লে, ''নাই নাই — একো নহয়। আপুনি স্পষ্টবাদী মানুহ আৰু মক্কেলৰ সঁচা বন্ধু — সেইটো শুনাৰ বাবেই আপোনাৰ ওচৰলৈ আহিছোঁ।''

বত্রিশ টকা দি ভদ্ৰলোক গুছি গ'ল। চাৰিদিন-পাঁচদিন পাছত এদিন এখন গাড়ী আহি ৰামকিশোৰৰ ঘৰৰ সন্মুখত ৰ'ল। গাড়ীৰ পৰা এজন কম বয়সৰ স্ত্ৰীলোক নামি ভিতৰলৈ সোমাই গ'ল।

ৰামকিশোৰ বিপত্নীক। ঘৰত ৰান্ধনী আৰু কাম কৰা মানুহৰ সংসাৰ। দুপৰীয়া ঘৰত কোনো মানুহ নাই — এটা কামকৰা ল'ৰাৰ বাহিৰে। ৰামকিশোৰ কোৰ্টত। কামকৰা ল'ৰাটো ট্ৰাঙ্ক-বিছনা সকলো নমাই ভিতৰত লৈ গ'ল। ট্ৰাঙ্কৰ ওপৰত লিখা আছে — 'সৰোজিনী'।

তাৰ ব্যৱহাৰত গম পোৱা গ'ল ল'ৰাটোৱে সৰোজিনীক চিনি নাপায়। সৰোজিনীৰ ব্যৱহাৰত সি আচৰিত হৈ গ'ল।

সৰোজিনীয়ে ভিতৰৰ বাৰান্দাত গৈ বস্তুবোৰ থৈ ল'ৰাটোক সুধিলে, 'বাবু ক'ত?''

ল'ৰাটো উত্তৰ দিলে, 'কোৰ্টত'।

''কেতিয়া আহিব?''

''নাজানো।''

তেওঁ নিজে বাৰান্দাত নিজৰ বাকচটোৰ ওপৰত বিষাদৰ প্ৰতিমাৰ নিচিনাকৈ বহি থাকিল।

★ ★ ★

ৰামকিশোৰ কোৰ্টৰ পৰা আহি আচৰিত হৈ গ'ল, ''কি হ'ল। সৰি, (সৰোজিনী) তই হঠাৎ খবৰ নিদিয়াকৈ আহিলি যে।''

''শহুৰৰ ঘৰত থাকি আৰু লাভ নাই, লোকচান হ'ব।''

''কেলেই? কি হ'ল?''

ৰামকিশোৰ ছোৱালীৰ (সৰোজিনী) ব্যৱহাৰত আচৰিত হ'ল।

''লোকচান হ'ব মানে?''

তেওঁলোকে আকৌ ল'ৰাৰ বিয়া পাতি দিব। তুমি সেইটো মানি লৈছা?''

মই মানি লৈছোঁ মানে?

''তেওঁলোকে এজন অচিনাকী মানুহ তোমাৰ ওচৰলৈ পঠিয়াই তোমাৰ মতটো (opinion) জানি লৈছে। তুমি কৈছা — ল'ৰাৰ বিয়া পাতি দিয়াই ভাল — ''

ৰামকিশোৰৰ নেপথ্যবাসী ভিতৰৰ মনটোৱে তেতিয়া বাহিৰৰ মনৰ ডিঙি চেপি ধৰিছে।

বাক্‌হীন ৰামকিশোৰৰ অসহায়ভাৱে একমাত্ৰ কন্যাৰ মুখৰ ফালে চাই থাকিল।

সৰোজিনী সুধিলে, ''সঁচাই কৈছা নেকি, দেউতা?'' ■

# সূৰ্য হেৰুৱাৰ দুখ

(সুধাকণ্ঠলৈ শ্ৰদ্ধাঞ্জলি)



— ড° বিকাশ কুমাৰ বৰুৱা
সহকাৰী অধ্যাপক, বাণিজ্য বিভাগ

বহু যুগ ধৰি খামুচি আছিলা
বিশাল বৃক্ষৰ দৰে
দুই ভৰিত দেশৰ মাটিৰ আকুলতা আৰু
দুই হাত মেলি আকাশলৈ চাই
পংগু মানৱক চিঞৰিছিলা
উন্মাদনাৰ অভিজ্ঞতাৰে
ধুমুহাৰ তীব্ৰতা অথবা নৈৰ পকনীয়তাতো
সমাধিৰ দৰে
এক পুৰাতন অভ্যাস।
আজি চৌদিশে হিয়াৰ উচুপনি
জীৱনক ভাল পোৱা
মানুহক ভাল পোৱা হৃদয়স্পৰ্শী সুৰৰ ধ্বনি আৰু প্ৰতিধ্বনি।

গুছি গ'লা তুমি
যাযাবৰী হৈ
যাৰ গানেই হ'ল সঠিক ঠিকনা।
কোলাহল জনতাৰ কণ্ঠত নিগৰিছে
গান আৰু গান
কৃষ্টিৰ পথাৰে পথাৰে

যি সিঁচিছিলা আস্থাৰ গান
জনতাৰ বুকুৰে বুকুৰে
পৰ্ব্বতে ভৈয়ামে
একেই সুৰৰ
চিৰ জীৱন্ত তোমাৰ গান।
তোমাৰ কথাই গান
আঘোনৰ সোণালী ধান
জনতাৰ হৃদয় স্পন্দনত তুমি জাগি আছা
শান্তিৰ নিলয়,
আৰু আছে জীৱন সংঘাতৰ
এখন নিলিখা সৃষ্টিৰ অনুপম দলিল
সেইবোৰ কাহানিও নহয় শেষ।

লাহি লাহি পাইন গছৰ ফাকেৰে নামিল
শীতৰেই সেমেকা ৰাতি
ছাঁ আৰু পোহৰৰ মাজে মাজে
তেজ হৈ নিগৰিছিল
মাটি মানুহৰ গান
শিখাই চুইছিল আকাশ
বিমূৰ্ত শব্দবোৰ গলি গলি হ'ল এখনি নীলা চাদৰ

অস্ত আকাশৰ অপাৰ দিগন্তত
সুৰৰ মায়াজাল
আকাশ ভৰি বৈ যায়
চন্দনৰ ধোঁৱা
পলাশৰ ৰঙেৰে ৰাঙলী আকাশ
মাটি মানুহৰ কণ্ঠত
জন জীৱনৰ হিয়া
আকুল আহ্বান তোমাক
চিৰকাল থকা মানুহৰ নিভৃত কোণত
কিন্তু থাকি যাব জীয়াই থাকো মানে
বুকুত সূৰ্য হেৰুৱাৰ দুখ। ■

# ঈশ্বৰ

— সীমান্ত বৰদলৈ
সহকাৰী অধ্যাপক, অসমীয়া বিভাগ
ডিগবৈ মহাবিদ্যালয়

ঈশ্বৰ এদিন পৃথিৱীলৈ নামি আহিছিল।

'তোমালোকৰ বাবেই মই পৃথিৱীখন সৃষ্টি কৰিলোঁ
তোমালোকৰ বাবেই মই তোমালোকক সৃষ্টি কৰিলোঁ
তোমালোকৰ মঙ্গলৰ বাবেই মই তোমালোকৰ ওচৰলৈ আহিলোঁ
আৰু তোমালোকৰ মঙ্গলৰ বাবেই মই পৃথিৱীৰ পৰা গুচি যাম
তোমালোক কুশলে থাকা'— এই বুলি কৈ ঈশ্বৰ অন্তৰ্ধান হ'ল
তেতিয়াৰ পৰাই ঈশ্বৰক কোনেও দেখা নাই।
গুজৱ উঠিল ঈশ্বৰৰ মৃত্যু হ'ল।

ঈশ্বৰ হৈ পৰিল বীজগণিতৰ এটা সূত্ৰ
ঈশ্বৰ কাৰোবাৰ বাবে ধনী হোৱাৰ সহজ বাট
ঈশ্বৰহীনতাত কোনোবাজন হ'ল অন্ধ, কোনোবাজন হ'ল কোঙা
আৰু কোনোবাজন হ'ল খোৰা
মুঠতে আমি কুশলে আছোঁ।

সম্প্ৰতি ঈশ্বৰেৰে ভৰি পৰিছে পৃথিৱী
হাতে হাতে মাৰণাস্ত্ৰ লৈ ঈশ্বৰবোৰে পিয়াপি দি ফুৰে
সিহঁতে জন্ম দিব পাৰে, হত্যাও কৰিব পাৰে
সেইবাবেই সিহঁত হেনো ঈশ্বৰ
হজৰত মহম্মদ, যীশু, কৃষ্ণ সিহঁতৰ বাবে ধৰ্মগ্ৰন্থৰ ধূসৰিত পৃষ্ঠা।
তেঁওলোকৰ ভাষ্য— জাতিদ্ৰোহীতাৰ দোষত তেঁওলোকক
বিহপান কৰোৱা হ'ল
ক্ৰুছত দিয়া হ'ল, শৰবিদ্ধ কৰা হ'ল



ঈশ্বৰত্বৰ বাবে ঈশ্বৰবোৰে ঈশ্বৰক হত্যা কৰিলে
আজিৰ ঈশ্বৰ ক্ৰুৰ, নিষ্ঠুৰ
সিহঁতৰ নিজা জাতি আছে,
ভাষা আছে, ধৰ্ম আছে,
আইন আছে, বিচাৰ আছে।

হেৰৌ, ৰক্তপায়ী মৃন্ময় ঈশ্বৰ
ঈশ্বৰত্বৰ বাবে তহঁতকো এদিন কবৰ দিয়া হ'ব,
ক্ৰুছত দিয়া হ'ব, চিতাত তুলি দিয়া হ'ব অভিসম্পিত শৰদেহ
আকৌ এবাৰ প্ৰমাণিত হ'ব পৃথিৱী ঘূৰণীয়া
জীৱন ঘূৰণীয়া আৰু ঈশ্বৰ...। ■



# বোন্দা ঃ
## তাৰ শেষ বিজয়ৰ হাঁহি

— হৰেকৃষ্ণ ডেকা

মই যে এটা বোন্দা জনা নাছিলোঁ।
মই নিজকে এজন লোক বুলি ভাবিছিলোঁ।
গিৰিহঁতনীৰ আৰামী চকীত
মই বহিছিলোঁহে,
গিৰিহঁতে গেঙেৰি মাৰি ক'লে,
ক'ৰ এইটো লেতেৰা বোন্দা !
মই ক'লোঁ, মিয়াও,
মানে মই এজন লোক।
তেওঁ ভাবিলে মই ভয় খাইছোঁ,
আৰু তেওঁৰ লেতেৰা এখন ঠেঙেৰে
(যাক তেওঁ ভৰি বুলি কয়)
গুৰিয়াই দিলে মোক।
কিন্তু সঁচাকৈয়ে কৈছোঁ,
তেওঁৰ ঠেং দুখন লেতেৰাই।
মই ক'লোঁ, নমস্কাৰ,
মই এজন লোক।
তেওঁ শুনিলে মিয়াও
আৰু চোঁচা লৈ খেদিলে মোক।
মখমলৰ পালেঙত তেওঁ
নিজৰ লগত শুবলৈ দিয়ে
ভোবোৱা কুকুৰক,
সেই ৰাস্কেলটোক,
যাৰ নাম আকৌ পাস্কাল।

যদি এটা নিগনিয়ে
তোমাৰ জোতাযোৰত নিজৰ ঘৰ বান্ধে,
আৰু তোমাৰ ভৰিৰ আঙুলি কামুৰি দিয়ে,
(কাৰণ তোমাৰ আঙুলি লেতেৰা গোন্ধায়)
তুমি ভাবা নেকি,
তোমাৰ পাস্কালে
মানে সেই ৰাস্কেলে
নিগনিটো ধৰি খাব,
নে জাপ মাৰোঁতে
ছিলিঙত খুন্দা খাই
তাৰ মূৰ থেতেলা হ'ব?
মই তোমাক সহায় কৰিব পাৰোঁ
সহানুভূতিৰে,
যদি তোমাৰ হৃদয়
মোলৈ হয় সদয়।
কিন্তু তুমি বুজিকে নোপোৱা,
আৰু মোলৈ চাই ভেকাহি মাৰা।

তোমাৰ চকু দুটাই এনেকৈ চায়,
যেন এখন দেগাৰেহে খোঁচ মাৰি যায়।
তুমি মোলৈ দলিয়াই দিয়া
এটুকুৰা ৰুটী,
সেই ৰাস্কেলটোৰ ৰাজসিক ভোজনৰ পৰা। কিন্তু
তোমাৰ মাছৰ কাঁইটে গৈ
চুৰা-পাতনি পায়।

দুৰ্ভগীয়া একোটা কুকুৰৰো
সুদিন আহে
(কয় হেনো বুঢ়া লোকে)
যেন মই কথাষাৰ নাজানোহে!
হেৰ', খকুৱা পেটুৱা ৰাস্কেল,
মই কুকুৰ নহ'লে কি হ'ল?
মোৰো এদিন সুদিন আহিব পাৰে,
ভাগ্য যদি ওলোটা হৈ যায়,
তই হৰগৈ এটা এন্দুৰ
আৰু মই হৈ থাকোঁ বোন্দাই,
তেতিয়া তোৰ ডিঙি মুচৰি
জুতি লগাই এসাজ খাম। ■



# তেজপিয়া

— হৰেকৃষ্ণ ডেকা

সৰুতে মাই কৈছিল, তেজপিয়ালৈ চাই নাথাকিবি,
তেজবোৰ শুহি নিব।
মাই কেতিয়াবা নাইপিয়া বুলিও কৈছিল,
নাইৰ পৰা তেজবোৰ শুহে হেনো।
তেতিয়া জনা নাছিলো,
সেইয়া আছিল মাৰ মনৰ সংস্কাৰ।
কথাবোৰ বিশ্বাস কৰিছিলোঁ। তথাপিও ভয়ে ভয়ে
তেজপিয়াটোলৈ চাই ৰৈছিলোঁ। ইমান সুন্দৰ আছিল
যেন লাজতহে ৰঙা-চিঙা পৰি গৈছিল।
তেতিয়া জনা নাছিলোঁ, মাইও কোৱা নাছিল,
আৰু এবিধ তেজপিয়া আছে, মানুহৰ মাজে মাজে ঘূৰি ফুৰে,
হাঁহি-মাতি কেতিয়ানো তেজবোৰ শুহি নিয়ে
আপুনি-মই ক'বই নোৱাৰোঁ।
কালি কোনোবাই ক'লে, আমাৰ ইয়াত এনিমিয়া কমা নাই।
কমিব কেনেকৈ?
এই তেজপিয়াবিধ জানো কমিছে? ■

# বৰ্তমান সত্ৰীয়া নৃত্য কোন পৰ্যায়ত



— তিলেশ্বৰ তামুলী বৰবায়ন (অধ্যক্ষ)
ডিগঁৱে সংগীত বিদ্যালয়

অসমৰ সাংস্কৃতিক ঐতিহ্যৰ অনুপম সম্পদ সত্ৰীয়া নৃত্যই ভাৰতীয় শাস্ত্ৰীয় নৃত্যশৈলীসমূহৰ অন্যতম হিচাপে স্বীকৃতি লাভ কৰাত সমগ্ৰ অসমবাসীয়ে এক নতুন সন্মান আৰু গৌৰৱৰ অধিকাৰী হৈছে। কিন্তু ইয়াৰ লগে লগে এই পৰম্পৰাৰ লগত জড়িত সমূহ শিল্পী আৰু বিশেষজ্ঞ লগতে সংশ্লিষ্ট অনুষ্ঠান সমূহৰ সন্মুখত এক গধুৰ দায়িত্ব আৰু প্ৰত্যাহ্বান আহি পৰিছে। ৰাষ্ট্ৰীয় মৰ্যাদা লাভৰ পাছত অসমৰ এই নৃত্যধাৰাক নিটোল আৰু সৌষ্ঠৱপূৰ্ণ ৰূপত সৰ্বভাৰতীয় পৰ্যায়ত প্ৰতিষ্ঠা কৰাৰ কাৰণে সকলোৰে একগোট হৈ কাম কৰা দেখা যায়।

বৰ্তমান এই সত্ৰীয়া নৃত্যধাৰা সত্ৰৰ বাহিৰত ওলাই আহি বহুতো ধৰণে অসমৰ ৰাইজক সহায় কৰিছে। সকলোৰে ইয়াক সাংস্কৃতিক ঐতিহ্য ৰূপে ল'ব ধৰিছে।

বহুতো গুণী-জ্ঞানী বিশেষজ্ঞসকলে এই নৃত্যধাৰাত নিজৰ জীৱন অৰ্পণ কৰি ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় পৰ্যায়লৈ লৈ গৈছে। বহুতে এই বিষয়ত চৰকাৰী জলপানি লৈ দক্ষতা অৰ্জন কৰিছে। বহুতে নিজৰ জীৱন-যাপনৰ বাহন কৰি লোৱাও পৰিলক্ষিত হয়। বৰ্তমান শিক্ষানুষ্ঠানসমূহত ইয়াক এক বিশেষ বিষয় হিচাপে ধৰি লোৱা দেখিবলৈ পোৱা গৈছে। সকলোৰে এই বিষয়ত একগোট হৈ কাম কৰাৰ চেষ্টা কৰিছে। যদিও কিছুমান অনুষ্ঠান প্ৰতিষ্ঠানে আগবাঢ়ি যাওঁ বুলিলেও পৰা নাই। ইয়াৰ কাৰণ বহুতো থাকিব পাৰে। কিয়নো কথাতে কয় যে "ধানটো প্ৰতি কণটো আৰু মানুহটো প্ৰতি মনটো" অন্য এক কথাত ক'ব পাৰি যে, "মোৰ শিশুটো" বৰ্তমান ৫/৬

বছৰ হ'ল, ওচৰতে এখন সঙ্গীত বিদ্যালয়ত নাম ভৰ্ত্তি কৰালোঁ, আমিতো শিকিবলৈ সুবিধা নাপালোৱেই, গতিকে ল'ৰা-ছোৱালী কেইটাকে শিক্ষা দিয়া ব্যৱস্থা কৰি দিছোঁ, কাৰণ ই আমাৰ জাতীয় সঙ্গীত নৃত্য আৰু বাদ্য, গতিকে আগবঢ়াই নিয়াটোৱেই মাক-দেউতাকৰ কৰ্তব্য।'' মাহৰ পাছত মাহ গ'ল বছৰৰ পাছত বছৰ গ'ল এনেকৈয়ে গৈ থাকিল, গৈয়ে থাকিল, পৰীক্ষাতো পাছ কৰিলে এনেকৈ দিন-মাহ-বছৰ যোৱাৰ লগে লগে পৰীক্ষা কেইটা দি শেষ কৰি একেবাৰে বিশাৰদ উপাধি লৈ ঘৰত বহি আছে, গতিকে এনেকৈ পাছ কৰি ঘৰত বহি থকা শিল্পী হোৱাতকৈ নোহোৱাই ভাল। কিন্তু সকলো শিল্পী বা সাধকে এনে ভুল নকৰে, কাৰণ ইয়াৰো বহুতো উপায় আছে। উদাহৰণৰ কেইটামান দিশ যেনে ল'ৰাটো বা ছোৱালীজনীক কোনো অনুষ্ঠানত ভৰ্ত্তি কৰালে অনুষ্ঠানৰ কিছুমান কথা আহি পৰে যেনে কিমান পুৰণি অনুষ্ঠান সৰু-ডাঙৰ, পৰিস্কাৰ, সু নাম থকা, সু ব্যৱস্থা থকা অৰ্হতাপূৰ্ণ শিক্ষকৰ পৰা পোৱা পাঠদানৰ জৰিয়তে শিক্ষাৰ্থী গৰাকীক ভৱিষ্যতৰ বাবে সু-শিল্পী হিচাপে আগবঢ়াই দিয়াত ব্যৱস্থা লোৱা সকলো প্ৰকাৰে সহায়ৰ হাত আগবঢ়োৱাত ব্যৱস্থা থাকিব লাগিব। ইয়াৰ বিপৰীতে যদি অনুষ্ঠানটো একেবাৰে নতুন আন এটা অনুষ্ঠান লগত জেদ কৰি কৰা অনুষ্ঠান হয়, ক'ৰবাৰ পৰা নাম লগোৱা এজনক মাটি আনি যদি নাচ শিকাবলৈ দিয়ে, বা তেওঁ খোলটোত দুচাপৰমান বজাব পাৰিলেই হ'ল, ৪০/৫০ খন নাচৰ ভিতৰত ২ খন মান নাচ দেখাব পাৰিলেই বা মহা পণ্ডিতৰ ভাও ই দিয়া দেখিলেই ল'ৰাটো বা ছোৱালীজনীক কি বনাব সেইটো কেৱল সেই পণ্ডিতেহে জানিব। ধৰি লওক মই এজন বৈষ্ণৱ পন্থাত অৱতীৰ্ণ হৈ সত্ৰত ১৫/২০ বছৰ কটালোঁ, মই অধিকাৰৰ বাহাত থকা এজন ভকত, সৰু-ডাঙৰ মিলাই ১০/১৫ জন এটা পৰিয়াল হিচাপে থাকিলোঁ, খেতি-পথাৰ কৰিবলৈ এজন হালোৱা ৰাখিলোঁ, দুপৰীয়া হালোৱাজনে গা-পা ধুই ভকতৰ লগতে কীৰ্ত্তন ঘৰত ভকতে নাচ-গান কৰা প্ৰায়েই চাই থাকোতে দুই এটা বাজানা দুই এটা নাচৰ ভঙ্গীমা দুই এটা গীতৰ সুৰ হালোৱাজনেও জনা হ'ল আৰু ভকতৰ নিচিনাকৈ চুলিও অলপ দীঘল কৰি ল'লে, ভকতৰ দৰেই ধুতি এখনো পিন্ধাৰ অভ্যাস আছিল। এদিন কিবা কাৰণত সত্ৰখনো অন্য ঠাইলৈ স্থানান্তৰ হ'ল, হালোৱাজনৰো নিজৰ ঘৰলৈ যাবলগীয়া হ'ল, ভকত আৰু হালোৱাজনৰ দেখা দেখি নোহোৱা হ'ল যদিও সেই ধুতি, সেই চুলি, সেই অভ্যাস হালোৱাজনৰ থাকি গ'ল। সেই বাবেই যদি বা সেইজনক যদি অচিনাকী ঠাই এখনত মহাপণ্ডিতৰ ঠাই দখল কৰি সঙ্গীতৰ পাঠদান দিব বিচাৰে তেতিয়া আমাৰ সঙ্গীত কিমান সাধনাৰ ফল হ'ব বা কিমান ৰক্ষা পৰিব সেইটো আজি সমাজত নক'লেও হ'ব। এই ক্ষেত্ৰত সম্পূৰ্ণ ৰূপে আকৌ প্ৰহসনহে হ'বগৈ। সেইটো আমি হ'বলৈ দিব নোৱাৰো। মহাপুৰুষ গুৰু দুজনাই দি থৈ যোৱা সত্ৰীয়া নৃত্যধাৰা শাস্ত্ৰীয় নৃত্য, শাস্ত্ৰ-সন্মত, শাস্ত্ৰীয় যি কয় আমিও তাকেই কৰিব লাগিব। সকলো ফালৰ পৰা নিজস্ব বৈশিষ্ট্যৰে পৰিপূৰ্ণ সত্ৰীয়া নৃত্যৰ প্ৰথম পাঠ মাটি আখৰা ইয়াৰ পাছত অন্যান্য নাচ যেনে নাদুভঙ্গী, ঝুমুৰা, চালি নাচ, গোপী নাচ, কৃষ্ণ নাচ, চালি নাচ ১২ খন, ঝুমুৰা নাচ ৪ খন, গোপী নাচ ২ খন, বাহাৰ নাচ, প্ৰৱেশ নাচ, সূত্ৰধাৰী নাচ, ওজাপালি, দেৱদাসী আদি বহুতো নাচ নাটকৰ পৰা অহা, একো একোখন নাচ। এই সকলোখিনি শাস্ত্ৰৰ লগত জড়িত। ই শাস্ত্ৰ-সন্মত, বিজ্ঞানসন্মত হ'ব লাগিব। প্ৰতিটো ভঙ্গীৰ জ্যামিট্ৰি লাগিব, ইয়াক কলা হিচাপে সাধনাৰ প্ৰয়োজন। ইয়াৰ উপৰিও কৃষ্ণ বন্দনা, গুৰু-বন্দনা, ভটিমা, শ্লোকা অভিনয় বিভিন্ন নাটৰ প্ৰৱেশৰ নাচ, যুদ্ধৰ নাচ, আদি নাচৰ শিক্ষা আহৰণ কৰি লোৱাতো জীৱন জোৰা সাধনাৰ ফলস্বৰূপ হ'ব পাৰে।

সত্ৰীয়া নৃত্যৰ সম্পৰ্কে বহুতো কথা লিখিবলৈ ইচ্ছা থাকিলেও পাছলৈ আশা ৰাখিলোঁ। মুঠতে সত্ৰীয়া নৃত্যই নৈতিক আৰু আধ্যাত্মিক শিক্ষা প্ৰদান কৰে, স্বাস্থ্য ৰক্ষাত বাস্তৱ ব্যৱস্থা আহৰণ কৰিব পাৰে আৰু মানসিক শান্তি সম্প্ৰীতি অটল ৰাখিব পাৰে, এই নৃত্যৰ অনিন্দ্য সুন্দৰ কলাসন্মত ৰূপ ৰাইজৰ আগত দাঙি ধৰিব পৰাকৈ এনে এক আহাৰ্য নৃত্যক্ৰম উদ্ভাৱন কৰাৰ প্ৰত্যাহ্বান আহি পৰিছে। শেষত মহাবিদ্যালয়ৰ আলোচনীখনিত অভাজনক একলম লিখিবলৈ দিয়াত সন্তোষ প্ৰকাশ কৰিলোঁ। অভাজনৰে প্ৰাক্তন ছাত্ৰী মিৰাণ্ডা ৰাজকুমাৰী হাতে বিভাগীয় আলোচনী সম্পাদক শ্ৰীৰিদিপ বৰুৱাক শলাগৰ শৰাই আগবঢ়ালোঁ।

সদৌ শেষত ভুল ত্ৰুটিৰ বাবে ক্ষমা বিচাৰি লিখনি সামৰণি মাৰিলোঁ। ■



# নৃত্যৰ প্ৰাসংগিকতা আৰু অপ্ৰাসংগিকতা আৰু আমাৰ কৰণীয়

— উত্তম দত্ত

''উত্তৰ পূৰ্বাঞ্চলৰ এটি শাস্ত্ৰীয় নৃত্যৰ নাম?''

''ওডিচী''

''অসমৰ একমাত্ৰ শাস্ত্ৰয় নৃত্যৰ নাম?''

''মিচিং বিহু''

এইয়া কোনো সাক্ষাৎকাৰৰ প্ৰশ্ন নহয়। প্ৰশ্ন মাথোঁ সৃষ্টিশীল নৃত্যৰ বাবে নিজে সাজু কৰি লোৱা নতুন সৃষ্টি। কৃষ্টি-সংস্কৃতিৰ এক নতুন পথ। আজিৰ জনসাধাৰণক আজিৰ প্ৰজন্মই শিকাব বিচৰা এক নতুন অৱদান। নৃত্যৰ মাজেৰে দি গৈছে কিছু ভ্ৰান্ত ধাৰণা। তথাপি এই অপশক্তিক বাধা দিয়াৰ প্ৰয়াস কৰা হোৱা নাই। বৰঞ্চ এই টৌত উটি এক অকৰ্মণ্য পথত আগবাঢ়িছে এই প্ৰজন্ম।

নৃত্য এনে এক কলা যাৰ মূৰ্চ্ছনাত জনসাধাৰণে ব্যস্ততাময় সংসাৰৰ পৰা আঁতৰি অকণমান সত্য, সুন্দৰ আৰু পৱিত্ৰতাৰ স্পৰ্শ লাভ কৰে কিন্তু এনে স্বকীয়তা বৰ্তমান ক'ত? আজিৰ প্ৰজন্মই এই সুন্দৰ স্বকীয়তা স্পৰ্শ কৰিববলৈ সক্ষম হ'বনে? কিন্তু কিছু কিছু ঠাইত সৃজনীশীল নৃত্য বুলি পতা প্ৰতিযোগিতাত দেখা পাইছোঁ স্বনামধন্য ৰূপকোঁৱৰ, বিষ্ণুৰাভা, পাৰ্বতিপ্ৰসাদ বৰুৱা, ৰুদ্ৰ বৰুৱা আদি বৰেণ্য ব্যক্তিৰ গীতৰ লগত কিছু মুখৰোচক, লঘুগীতেও স্থান পায়। সৃষ্টিশীল নৃত্যৰ গীতত বেছিকৈ ভূপেন হাজৰিকাৰ গীতে প্ৰাধান্য পায় বুলি ক'লে বঢ়াই কোৱা নহ'ব। সৃষ্টিশীল নৃত্যৰ প্ৰাসংগিকতা নাই বুলি ক'লে ভুল কোৱা হ'ব। আজিৰ প্ৰজন্মই বিশেষকৈ নৃত্যশিল্পী, অভিভাৱকসকলে প্ৰতিযোগিতাৰ বাবেই হ'লেও এনে বৰণ্য ব্যক্তিৰ গীতৰ লগত চিনাকী হ'বলৈ বাধ্য হৈ পৰিছে। ভাল নালাগিলেও অধ্যয়ন কৰিবলগীয়া হৈ পৰিছে। কিন্তু এনেদৰে কিমান দিন এনে সমল সযতনে ৰাখিব পাৰিব। অপসংস্কৃতিয়ে গ্ৰাস কৰি কৰি তাৰ মাত্ৰ জকাটোহে থৈছে। ধন ঘটাৰ এক সহজ আৰু সুচল উপায় হিচাপে পৰিগণিত হোৱা এই সূত্ৰবিধক যদি ইয়াতে শেষ কৰা নহয় তেন্তে ইয়াৰ প্ৰভাৱে জাতিৰ মেৰুদণ্ড যে বেঁকা কৰিব ই ধ্ৰুপ।

বৰ্তমান সত্ৰ সংস্কৃতিৰ মূল থলী মাজুলীতো এনে প্ৰতিযোগিতা অনুষ্ঠিত হোৱাৰ বাতৰি জনমানসৰ বাবে সহজ প্ৰশ্ন হৈ পৰিছে। এনেবোৰ দৃশ্য নিজ চক্ষুৰে দেখাৰ পাছত মনত বৰ দুখ লাগিছিল। যিহেতু এনে প্ৰতিযোগিতাৰ বিচাৰকৰ আসন অলংকৃত কৰিছিল স্বয়ং সত্ৰৰ ভকত বৈষ্ণৱসকলে।

যোৰহাটকে লৈ অসমৰ প্ৰায়বোৰ ঠাইত আজিকালি এনে প্ৰতিযোগিতা অনুষ্ঠিত হোৱা দেখা যায়। কাৰণ ছয় বা সাত দিন শিকি ৰাতিটোৰ ভিতৰত খ্যাতিৰ লগতে ধনৰ কলহ পালে কোনে শাস্ত্ৰীয় নৃত্যৰ ফালে মন কৰিব। বৰ্তমান সত্ৰীয়া নৃত্যই ৰাষ্ট্ৰীয় নৃত্যৰ স্বীকৃতি পালে যদিও সৃষ্টিশীল নৃত্যৰ অকৰ্মণ্য ধাৰাৰ কোনো পৰিৱৰ্তন দেখা নগ'ল। ইন্দিৰা পি পি বড়া, পুষ্পা ভূঞা, যতীন গোস্বামী, গৰিমা হাজৰিকা, বিপুল দাস, মৰমী মেধি, সাগৰীকা গোস্বামী, ড° জগন্নাথ মহন্ত, আদি এই নৃত্যসাধকসকলে একে দিনাই এই আসন পোৱা নাই। বহুদিনৰ আজন্ম সাধনাৰ ফলতহে এই স্থান পাবলৈ সক্ষম হৈছে। এই মহান শিল্পীসকলৰ নৱসৃষ্টিয়ে যদি জাতিটোক এই গৰাহৰ পৰা ৰক্ষা কৰে তেন্তে দেশখনো সুস্থ সংস্কৃতিপূৰ্ণ হৈ পৰিব। এই সাংস্কৃতিক গতিধাৰাক আপ্ৰাণ প্ৰচেষ্টাৰে আগবঢ়াই নিয়া দায়িত্ব আজিৰ প্ৰজন্মৰ। তাৰ স্বাক্ষৰ স্বৰূপ সংগঠন আৰু সমাজপ্ৰিয় বিশেষ বুদ্ধিজীৱিসকল। সু-সংগঠন আছুৰ এক কৰণীয় কামৰ সাক্ষৰ কৰি গ'ল কেন্দ্ৰীয়ভাৱে ডিগবৈৰ টিংৰাইত অনুষ্ঠিত কৰা বিষ্ণুৰাভা দিৱসে। বিচাৰকৰ আসন অলংকৃত কৰাৰ বাবে সকলো কাৰ্যসূচীত অংশগ্ৰহণ কৰিব নোৱাৰাৰ দুখ থাকি গ'ল। এনে বৌদ্ধিক মহল আৰু চৰকাৰ আৰু প্ৰশাসন সকলো একগোট হৈ জনসাধাৰণৰ লগতে নতুন প্ৰজন্মৰ উন্নতিকৰণৰ জ্ঞাতাৰ্থে কোনো ব্যৱস্থা হাতত ল'লে সঁচাকৈ সমাজৰ পথ সুচল হৈ পৰিব বুলি ক'ব পৰা যাব।

সৃষ্টি হওক, নতুন সৃষ্টি, অকৃত্ৰিম সৃষ্টি, যি সৃষ্টিয়ে নিজৰ স্বকীয়তা বজাই ৰাখে। আবুৰতা ৰাখি জাতিৰ আৰু কৃষ্টিৰ উন্নতিৰ বাবে সৃষ্টি হওক নৱতম সৃষ্টি। এনে সৃষ্টিক ধৰ্ম নেওচি সকলোৱে আদৰিব। সুন্দৰ আৰু সত্যৰ সৃষ্টিয়েহে জাতি গঠনত সহায় কৰিব। বিপথে পৰিচালিত হোৱা আজিৰ প্ৰজন্মক এই নৱ সৃষ্টিয়েই সৎ প্ৰচেষ্টাত আত্মনিয়োগ কৰি দেশৰ লগতে জাতিটোৰ বৌদ্ধিক বিকাশ উন্নত কৰাৰ উপৰি এটি সুন্দৰ সুঠাম জাতিক মৃত্যুৰ গৰাহৰ পৰা ৰক্ষা কৰিব পাৰিব। ■

# Interdisciplinary Aspect of Mathematics : Recent Development

— Dr. Bijoy Krishna Dev Sarma

We are today surrounded by applications of sciences through technological development. Our everyday life and beyond has been influenced by such developments used from laptops, tablets, smart phones to space science. This has been possible due mathematization of sciences including social science. When people around the globe began to systematize knowledge in physical, biological and technical sciences, they observe that there are areas in social worlds like economics, psychology, political science, history and a host other discipline which have the characteristics of a science and hence the use of mathematics in such areas also started to flourish. That is why it is now said that each science can be measured through their degree of mathematization, that is, the extent to which the knowledge (ideas and techniques) of mathematics are used in the discipline. In other words, it is measured through the developments outside of mathematical science.

During the last few years mathematics has entered into the scientific world today chiefty through a) Information Science, b) Discrete mathematics, c) Computation, d) Bio-informatics, e) Optimization and control, f) Partial differential-equations and randomness and g) Nanoscale systems. It is because of the fact that mathematics has changed significantly over the last two decades as the society has begun to stress importance on computing, the use of 'big'-data, uncertainty and risk, increasing complexity and the rise of interdisciplinary research.

Let me illustrate the situation. There is no doubt that much of the recent impetus for mathematics has come from the rapid growth in computing power and computer networking. There has been the need for computing power to augment the development of new computer architectures, new computational algorithms and new computational models. Sophisticated mathematics is required for analysis of such new computational models and algorithms. One example is quantwm computing – the understanding of which requires insights from matrix analysis, representation theory, Lie-algebras and approximation theory. Mathematicians are now compelled to develop an increasingly analytic approach for combinatorial problems because of which continuous mathematics has become more and more widespread in the theory of classical computing as well.

There has been the demand for the use of large data sets (which I called "big data") in the fields of science, technology and even social sciences which come from large scale computations evolved in medical, entertainment personal, LIC sectors, national defense, sensor networks like traffic, weather-forecast, astronomy, specially space-science and also networks of agents of social, financial and commercial world. Actually, such explosion in data is creating tremendous opportunities for mathematicians to have better modeling and to develop new mathematical techniques.

Alongwith this, these has been inducted vigorous complexity in handling engineering systems like internet and the powegrid ; social systems such as the financial system and social networks ; natural systems like global climate change along with global echological system and some mathematical systems such as handling large scale graphs and multiscale models. And such situations have pushed mathematics (and so mathema-

ticians) to adopt new approaches to mathematical modeling, computational algorithms and new methods of analysis.

If we note that over the last two decades or so some new interesting development have crept in science and technology through the rise of nano science, bioinformaties and sustainability in climate, environment and energy. It has augmented the role of mathematics in interdisciplinary research. So mathematics has been crucial to the development of new methods to extract information from various hetergenous and high dimensional data. Infact, such progress has compelled mathematicians to go for interdisciplinary, (rather multiphisciplinary) research.

Another factor that has come to the society is through highly connected systems, such as networked sensors and activators, mobile devices etc. Such situation has created immense scope in the research related to Dynamical systems theory, game theory, decisions with imperfect information and control with unreliable communications. Mathematicians have developed, new mathematical approaches in energy smart grids, air traffic control, surveillance, computer network control and real-time resource management.

Our researchers in mathematical sciences should note that there has been tremendous progress in mathematics through the areas like information science, Discrete mathematics, computation, Bioinformatics, Optimization and control, Nanoscale systems and Partial Differential equations and randomeness.

In information science a device known as compressed sensing has used harmonic analysis, probability and analysis inviting interdisciplinary interactions between different areas of mathematics when the number of significant features in the data is much smaller than the size of the dataset this new device provides a method to take advantage of this infrequent representation. Likewise, imaging and animation in information science have used variational principles and partial differential equation along with stochastic methods. The emergence of the web and online social systems has given graph theory an important new application domain. We live today in a highly interconnected world. With the increased ease of communication like internet, facebook, the connectedness and network structure have invited mathematicians to find efficient search algorithms using graph theory.

In today's world no one, not to speak of mathematicians alone cannot be satisfied with calculus but bound to enter into the areas of discrete mathematics which focus mainly or entirely on discrete objects. As a result, mathematicians cannot but deal with combinatorics, graph theory, abstract algebra, linear algebra, number theory and discrete probability. And infact, this situation has induced researches in areas like Prime progressions, number theory, representation theory, automorphic forms, harmonic analysis, algebraic geometry and even "grand unified theory" of mathematics. It is important to note that three fields medals have been awarded in this area so far, the most recent being just a year ago to Ngo Bao Chau for his work on "Fundamental Lemma".

Looking at the progress of mathematics during the present time, we can expect to see great progress in near future in areas of mathematics like (i) Simulation, (ii) Information Science, (iii) Mathematical modeling, (iv) High dimensonality and large data sets handling, (v) Computational and statistical reasoning, (vi) Mathematics of physical systems and (vii) Imaging.

In order to augment basis researches in these areas adequate infrastructure for mathematics will be required to support interdisciplinary interactions and computing, to develop new software. Alongwith these, a good member of funding supports for graduate students and post-doctoral fellowship support must be initiate in the universities and higher learning institutions where functional researches in mathematics can be carried out. ■

# ইতিহাস প্ৰসিদ্ধ ডিগবৈৰ চমু অৱলোকন



— হৃষিকেশ বৰুৱা

এটা শতিকাতকৈও অধিক কাল ধৰি জাতীয় আৰু ৰাষ্ট্ৰীয় সেৱালৈ বিৰামহীন গতিত সেৱা আগবঢ়াই অহা 'অসম অইল' তেল ইতিহাসৰ এক উজ্জ্বল অধ্যায় স্বৰূপ। ডিগবৈৰ তেল পথাৰখন আৰু তেল শোধনাগাৰটোৱে এক ঐতিহ্য বহন কৰি আছে। এটা শতিকাজুৰি একেখন পথাৰৰ পৰা তেল উৎপাদন কৰি সুদীৰ্ঘ এশ বছৰ এটা শোধনাগাৰে অবিচ্ছিন্নভাৱে তেল উৎপাদন আৰু শোধন কৰি অহাৰ উদাহৰণ বিশ্ব ইতিহাসত বিৰল।

ডিগবৈ ওখ চাপৰ, সেউজ অগাধ অৰণ্যৰ লগতে অসংখ্য সৰু-বৰ টিলাৰ সমাৰেশ। টিলাবোৰৰ সমাৰেশত ওখোৱা-মোখোৰা হোৱা বাবে ডিগবৈ নগৰখন আটকধুনীয়া হোৱাত সহায় হৈছে।

**'ডিগবৈ' নামৰ উৎপত্তি ঃ**

'ডিগবৈ' নাম প্ৰকৃততে কেনেকৈ হ'ল তাৰ তথ্যগত উৱাদিহ পাবলৈ নাই। বহুতৰ মতে ডিগবৈৰ এমূৰে থকা তাহানিৰ বৰবিলৰ মাজেদি এতিয়াও বৈ থকা 'দিবৈ' নামৰ সৰু জানটোৰ পৰাই 'ডিগবৈ' নামৰ উৎপত্তি হয়। আন কিছুমানৰ মতে, মিছিমি তিতা নামৰ গুল্ম লতাৰ ঘন জঙ্ঘল অসমৰ উত্তৰ-পূৱ অঞ্চলত সহজলভ্য। যি অঞ্চলত বা সা তিতা বা বা সে ফলৰ লতা গুল্মৰ ঘন জঙ্ঘল আছিল, সেই হাবি ডোখৰক অতীজৰ বড়ো গোষ্ঠীৰ মানুহে 'ডিগ বাহা' বা 'ডিগবাহো' বুলিছিল। পিছলৈ ই ডিগবাহ বা ডিগবাই হৈছিল। ইংৰাজে ইয়াক 'ডিগবয়' ৰূপ দিছে। ইয়াৰ বিপৰীতে কিছুমানে ৰসিকতা কৰি কয় – ইংৰাজীৰ 'ডিগ্' আৰু 'বয়' এই শব্দ দুটাত ইয়াৰ উৎপত্তি পোৱা যায়। ইংৰাজ বিষয়াসকলে তেলৰ নাদ খন্দা মজদুৰসকলক উৎসাহ দিবৰ বাবে 'ডিগ্ বয় ডিগ্' (Dig boy dig) বুলি চিঞৰিছিল। মজদুৰসকলৰ মুখতো উচ্চাৰিত হ'বলৈ ধৰিলে 'ডিগবয়! ডিগ!' বাক্যষাৰ। তেওঁলোকে অৱশেষত ঠাইখনকে 'ডিগবয়' বুলি ক'বলৈ ধৰিলে। ১৯১০ চনলৈকে ডিগবৈৰ ইংৰাজী আখৰ জোটনি DIG BOY ৰূপে চলি আছিল। পাছতহে ডিগবৈ হয়গৈ।

**তেল উঁহৰ পম খেদি ঃ**

১৮২৮ চনত কয়লা অনুসন্ধান কৰিবলৈ অহা বৃটিছ চাহাববোৰে সেই সময়ৰ ডিগবৈৰ অগাধ অৰণ্য অঞ্চলত য'ত ত'ত তেল বিৰিঙি থকা দেখিছিল যদিও একো কাম কৰিব নোৱাৰিলে। ইয়াৰ পিছতো অনুসন্ধানকাৰী সৈনিক বিভাগৰ মেজৰ এজনে নামপুং নৈৰ পাৰত কেইবাটাও তেলৰ উঁহ আৱিষ্কাৰ কৰিছিল যদিও কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰা হোৱা নাছিল।

১৮৬৫ চনত অসমৰ কয়লাখনি পৰিদৰ্শন কৰিবলৈ অহা চাহাব 'এইচ.বি.মেজিকোট' নামৰ এজন ভূ-তাত্ত্বিকবিদে মাৰ্ঘেৰিটাৰ ওচৰত আৰু দিহিং নৈৰ দক্ষিণে মাকুম অঞ্চলত তেলৰ চিন দেখিবলৈ পাই পৰীক্ষামূলকভাৱে তেলৰ খনন কাৰ্য্য চলাবলৈ অনুমোদন জনায়। ১৮৬৬ চনৰ নৱেম্বৰ মোহত নাহৰপুং অঞ্চলত এটা শুকান কূপ খনন হয়। সেই কূপ খনন প্ৰতিষ্ঠানটোৰ নাম

আছিল 'মেক্‌ক্লিপ ষ্টিৱাৰ্ট এণ্ড কোম্পানী'।

ইয়াৰ পিছত ১৮৬৬ চনত ডিচেম্বৰ মাহত ডিগবৈৰ পৰা আঠ মাইল নিলগত মাকুমত ১৯৫ ফুট দকৈ আৰু এটা কূপ খন্দা হ'ল। এই কূপটোক ষ্টীম ইঞ্জিনৰ দ্বাৰা খন্দা হৈছিল। ইয়াত তেল নোলাল, মাত্ৰ গেছ হে ওলাইছিল। মেকক্লিপ ষ্টিৱাৰ্ট এণ্ড কোম্পানীৰ এজন বৰমূৰীয়া চাহাব গুড এনাফে ১৮৬৭ চনৰ ২৬ মাৰ্চৰ দিনা মাকুমতে ১১৮ ফুট দকৈ এটা কূপ খান্দে। এই কূপটোৱেই এছিয়াৰ ভিতৰত প্ৰথমবাৰৰ বাবে খাৰুৱা তেল পোৱা গ'ল। যন্ত্ৰৰ সহায়ত খন্দা এইটোৱেই এছিয়াৰ প্ৰথম তেলকূপ।

ইয়াৰ পাছতে ১৮৮২ চনৰ ভিতৰত মুঠতে মাকুম অঞ্চলত আঠটা তেলৰ কূপ খন্দা হৈছিল। সেই বছৰতেই অসমৰ পৰা কয়লা কঢ়িয়াই নিবৰ কাৰণে ৰে'ল আলি বান্ধিবলৈ 'এ.আৰ.এণ্ড.টি. কোম্পানী' নামৰ কোম্পানীটোৱে বাহৰ পাতিলেহি। এই কোম্পানীটোৱেই ৰে'ল আলি বন্ধাৰ লগতে মাকুমত ওলোৱা খাৰুৱা তেল শোধন কৰিবৰ বাবে মাৰ্ঘেৰিটাত এটা সৰু প্ৰাচীন পদ্ধতিৰ শোধনাগাৰ প্ৰতিষ্ঠা কৰিলে। এইটোৱেই ভাৰত তথা এছিয়া তেল আৱিষ্কাৰ অভিযানৰ প্ৰথম পদক্ষেপ।

১৮৮৫ চন। ডিগবৈৰ মাটিৰ তলত যে পনীয়া সোণ আছে সেয়া আৱিষ্কাৰ হ'ল। আসাম ৰে'লৱে এণ্ড ট্ৰেডিং (AR&T) নামৰ প্ৰতিষ্ঠানটোৱে ডিব্ৰুগড়ৰ পৰা মাৰ্ঘেৰিটা-লিডু অঞ্চললৈ ৰে'ল লাইন বহুৱাৰ কাম চলাওতে ডিগবৈ অঞ্চলত তেলৰ সন্দেদ পায়। কোনো কোনোৰ মতে সেই সময়ত সা-সঁজুলি, লোহা-লক্কৰ কঢ়িয়াবলৈ ব্যৱহাৰ কৰা হাতীৰ ভৰিত তেল আৱিষ্কাৰ কৰিছিল আৰু অটব্য অৰণ্যৰ মাজত জন্ম হ'ল ডিগবৈ তেল উদ্যোগ। ১৮৮৯ চনৰ চেপ্তেম্বৰ মাহত আৰম্ভ হ'ল প্ৰথম কূপটোৰ খনন কাৰ্য্য। ৬৬২ ফুট খন্দাৰ পাছত তেল ওলাবলৈ ধৰিলে। নিতৌ দুশ গেলনকৈ তেল উলিওৱা হৈছিল। ১ নং খাদ ৰূপে জনাজাত এই কূপটো বৰ্তমান সংৰক্ষিত অৱস্থাত আছে।

ডিগবৈ তেলপথাৰত দ্বিতীয় কূপটো খন্দা হৈছিল ১৮৯১ চনত। কিন্তু তাৰ পৰা তেল উদ্ঘাটন কৰিব পৰা নগ'ল। ইয়াৰ পাছত ক্ৰমে তৃতীয় আৰু চতুৰ্থটো তেলকূপ খন্দা হৈছিল ১৮৯৩ চনত, এই কূপটোৰ পৰা তেল ওলাল। এনেকৈয়ে ১৮৮৯ চনৰ পৰা ১৮৯৮ চনলৈ সৰ্বমুঠ ১৫টা তেল যদি খন্দা হ'ল। এই খাদবোৰৰ পৰা উদ্ঘাটন কৰা তেল মাৰ্ঘেৰিটাত পাতি লোৱা শোধনাগাৰটোত শোধন কৰা হৈছিল। এই তেল উদ্যোগেই চাওঁতে চাওঁতে ডিগবৈক বিখ্যাত কৰি পেলালে।

লাহে লাহে কামৰ পৰিসৰ বঢ়াৰ লগে লগে গঠন হ'ল 'অসম অইল কোম্পানী' নামেৰে এটা নতুন গোটৰ। ১৮৯৯ চনত গঠিত হোৱা এই অইল কোম্পানীটোৱে তেলৰ খনন কাৰ্যৰ লগতে শোধন কাৰ্যৰ প্ৰতিও চকু দিয়ে। সেয়ে অতি খৰটকীয়াকৈ আসাম অইলে এটা তেল শোধনাগাৰ সাজি উলিওৱাত মনোনিবেশ কৰিলে। অৱশেষত ১৯০১ চনত 'ডিগবৈ তেল শোধনাগাৰ' (Digboi Oil Refinery) নামৰ এটা শোধনাগাৰ প্ৰতিষ্ঠা হয়। বৰ্তমান ইয়ে এছিয়াৰ পুৰণি শোধনাগাৰ হিচাবে প্ৰদৰ্শনীৰ সম্পদ হ'বগৈ।

১৯১৫ চন। ডিগবৈত ১২৫ নম্বৰ তেল কূপ খন্দা বাৰ্মা অইল কোম্পানীৰ সহযোগত। ব্ৰহ্মদেশত তেল উৎপাদনৰ ক্ষেত্ৰত এই তেল কোম্পানীটোৱে সফলতাৰ মুখ দেখিছিল। অসম অইল কোম্পানী আৰু বাৰ্মা অইল কোম্পানীৰ যৌথ সহযোগত আৰু আশাশুধীয়া প্ৰচেষ্টাই ডিগবৈ তেল পথাৰৰ বিস্তৃতি ঘটালে। প্ৰয়োজনীয় আৰ্থিক সাহাৰ্য, ভূ-তাত্বিক আৰু কাৰিকৰী সা-সঁজুলিৰে বাৰ্মা অইল কোম্পানীয়ে ডিগবৈত নতুন দিগন্তৰ সূচনা কৰিলে। ইয়াৰ পিছতেই ১৯৩১ চনৰ পৰা নিতৌ ৪৫০০ বেৰেলকৈ খাৰুৱা তেল ওলাব ধৰিলে। এই পৰ্যাপ্ত তেল শোধন কৰিবলৈ লগে লগে ডিগবৈ শোধনাগাৰটো বিস্তাৰ ঘটোৱাৰ প্ৰয়োজনীয়তা আহি পৰিল। আমেৰিকা আৰু ইউৰোপৰ পৰা নতুন প্ৰযুক্তিৰে সমৃদ্ধ শোধন সঁজুলিবোৰ লাহে লাহে ডিগবৈৰ শোধনাগাৰত ভৰি পৰিল। এই শোধনাগাৰটোৱে আজিও অবিৰতভাৱে তেল উৎপাদন আৰু শোধন কৰি শতিকাৰ এটা আশ্চৰ্যৰূপে পৰিগণিত হৈছে।

বিশ্বযুদ্ধৰ পিছত আৰম্ভ কৰা তেল অনুসন্ধান কাৰ্য সুদীৰ্ঘ দিন চলাৰ পিছত অসম অইলে এই তাৎপৰ্যপূৰ্ণ ফল লাভ কৰিবলৈ সক্ষম হ'ল। ব্ৰহ্মপুত্ৰ উপত্যকাত চলোৱা ব্যাপক ভূতাত্বিক জৰীপ আৰু খনন কাৰ্যৰ ফলত ১৯৫৩ চনত নাহৰকটীয়া আৰু ১৯৫৬ চনত মৰাণত তেল আৱিষ্কাৰ হয়। এই আৱিষ্কাৰ এই কাৰণেই তাৎপৰ্যপূৰ্ণ যে তেল উৎঘাটন কৰিবলৈ অসম অইলে চলোৱা ব্যয় বহুল প্ৰচেষ্টা লানিৰ এয়া আছিল প্ৰথম সাফল্য। তদুপৰি নাহৰকটীয়া ব্ৰহ্মপুত্ৰ উপত্যকাৰ পলসুৱা সমভূমিৰ কাষত হোৱা এই আৱিষ্কাৰে যিকোনো সমভূমি অঞ্চলত তেলৰ উঁহৰ সম্ভাৱনা সম্পৰ্কে এক নতুন চিন্তাৰ পথ উন্মোচন কৰিলে। নাহৰকটীয়া আৰু মৰাণত তেল পথাৰ আৱিষ্কাৰে জন্ম দিলে এটা নতুন তেল উদ্যোগৰ। নাম যাৰ 'অইল ইণ্ডিয়া লিমিটেড'।

এটা সুদীৰ্ঘ শতিকাৰ অন্ত পেলাই ১৯৮১ চনৰ চেপ্তেম্বৰ মাহত অসম অইল কোম্পানী ভাৰতীয় তেল উদ্যোগৰ মূল সুঁতিত মিলিত হ'ল। ১৯৮১ চনৰ ২৮ চেপ্তেম্বৰ তাৰিখে সংসদত গৃহীত এখন আইন যোগে অসম অইল কোম্পানীৰ দায়িত্ব ভাৰত চৰকাৰে নিজৰ হাতলৈ আনে। এশ একৰ মাটি আগুৰি থকা ভাৰতৰ ইতিহাসপ্ৰসিদ্ধ ডিগবৈ শোধনাগাৰটো আৰু বিপণন বিভাগৰ সকলো কাম-কাজৰ দায়িত্ব ভাৰতীয় তেল নিগমৰ হাতলৈ নিয়া হ'ল। তেল পথাৰৰ দায়িত্ব অৰ্পণ কৰা হয় অইল ইণ্ডিয়া লিমিটেডক। ইয়াৰ পিছৰ পৰাই অসম অইল ভাৰতীয় তেল নিগমৰ 'অসম অইল সংমণ্ডল' নামেৰে পৰিচিত হ'ল। জাতীয়কৰণৰ পিছত প্ৰতিষ্ঠানটোৰ দ্ৰুত উন্নয়নৰ কাৰণে কেবাখনো আঁচনি গ্ৰহণ কৰা হয়। তাৰ ভিতৰত শোধনাগাৰৰ কাৰ্যদক্ষতা বৃদ্ধি উত্তৰ-পূৰ্বাঞ্চলত পেট্ৰোলিয়াম সামগ্ৰীৰ বিতৰণ ক্ষমতা আৰু বিক্ৰী অধিক উন্নত কৰি তোলাতো অন্যতম। জাতীয়কৰণৰ পাছত অসম অইলে হাতত লোৱা উন্নয়নমূলক কাৰ্যসূচীসমূহৰ ভিতৰত আটাইতকৈ গুৰুত্বপূৰ্ণ বিষয়টো হ'ল ডিগবৈ শোধনাগাৰৰ আধুনিকীকৰণ আঁচনি। এই আঁচনিয়ে প্ৰাচীন শোধনাগাৰটোক এক নতুন জীৱন দান কৰিলে। আধুনিকীকৰণৰ নতুন নতুন কৰ্মসূচীৰে এক নতুন ৰূপত উদ্ভাসিত হৈ উঠিল। আধুনিকীকৰণৰ ফলত ডিগবৈ শোধনাগাৰৰ শোধন ক্ষমতা বছৰি ০.৬৫ নিযুত মেট্ৰিক টনলৈ বৃদ্ধি পালে। এই প্ৰকল্পত নিউ ক্ৰুড ডিষ্টিলেশ্যন ইউনিট, নিউ ডিলেইড কুকিং ইউনিট, কেটেলাইটিক ৰিফ'ৰ্মিঙ ইউনিট আৰু বাক্স হাইড্ৰোফিনিচিঙ ইউনিট সফলতাৰে সহযোজন কৰা হৈছে। আধুনিকীকৰণ প্ৰকল্পৰ আন এটা সফল সংযোজন হ'ল অসমৰ খাৰুৱা তেলৰ পৰা উন্নতমানৰ বিটুমেন উৎপাদনৰ বাবে স্থাপন কৰা ভেকুৱাম ৰেচিডিউ চৰ্টপথ ডিষ্টিলেশ্যন গোট।

বৰ্তমানৰ পৰা বহু দশকৰ পূৰ্বতে প্ৰযুক্তিবিদ্যাৰ আদিম অৱস্থাতে এচাম কৰ্ম মানুহৰ উদ্যোগ কষ্ঠ, সাধ্য আৰু আশাশুধীয়া প্ৰচেষ্টাৰ ফলত অটব্য অৰণ্যৰ মাজত জন্ম হৈছিল ডিগবৈ তেল উদ্যোগৰ। তেওঁলোকৰ সেই ক্লান্তিহীন শ্ৰম আৰু কষ্টসহিষ্ণুতাই আজিৰ কৰ্মীসকলক দুৰ্বাৰ প্ৰেৰণা যোগাইছে। এটা নতুন উদ্যোগ গঢ়াত আৰু উদ্যোগটোক সৰ্বাংগসুন্দৰ কৰি তোলাত নতুন পথৰ সন্ধান দিছে। এয়া এক কৃতিত্বৰ কথা যে আজিৰ কৰ্মীসকলে ডিগবৈৰ প্ৰাচীন উদ্যোগটোক সঞ্জীৱীত কৰি এশবছৰীয়া শোধনাগাৰটোক বিশ্বৰ অন্যান্য আধুনিক শোধনাগাৰৰ সমকক্ষ কৰি ৰাখিবলৈ সমৰ্থ হৈছে। ■



'For to be free is not merely to cast off one's chains, but to live in a way that respects and enhances the freedom of others.'

*— Nelson Mandela*



# সমাজত নাৰী শিক্ষাৰ প্ৰয়োজনীয়তা

— চুমী চেতিয়া
তৃতীয় ষাণ্মাসিক (বিজ্ঞান শাখা, উদ্ভিদ বিজ্ঞান)

নাৰী ভগৱানৰ মনোৰম সৃষ্টি। নাৰী সৃষ্টি আৰু সৌন্দৰ্যৰ প্ৰতীক। নাৰী সাধাৰণতে কোমল মনৰ, মৰমিয়াল আৰু শান্তি প্ৰিয়। পুৰুষতকৈ নাৰীৰ স্বাভাৱিক চৰিত্ৰ কিছু পৃথক যদিও সকলো ক্ষেত্ৰতে পুৰুষৰ সমকক্ষ হৈ খোজ মিলাই যাবলৈ সক্ষমতা আছে। ইয়াৰ উদাহৰণ ভাৰত তথা অসমৰ নাৰীৰ কৰ্মৰাজিৰ কথা বিশ্লেষণ কৰিলে গম পোৱা যায়। উদাহৰণস্বৰূপে — মহিলা মহাকাশচাৰী- কল্পনা চাওলা, প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধী, মাদাৰ টেৰেছা আৰু প্ৰয়াত ড° মামণি ৰয়চম গোস্বামী আদিৰ নাম উল্লেখ কৰিব পাৰি। সেইদৰে বৰ্তমানৰ আৰক্ষী প্ৰশাসনিক বিষয়া (আই.পি.এচ.) কিৰণ বেদী, মহাকাশত আটাইতকৈ বেছি সময় কটোৱা মহাকাশচাৰী সুনীতা উইলিয়ামচ্ আৰু প্ৰথম মহিলা ৰাষ্ট্ৰপতি শ্ৰদ্ধেয়া শ্ৰীমতী প্ৰতিভা পাটিলৰ নাম উল্লেখ কৰিব পাৰি।

এটা জাতি বা এখন সুস্থ সমাজ গঢ়াত এগৰাকী নাৰীৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। এখন ঘৰ বা এটা পৰিয়াল নিয়াৰিকৈ পৰিচালনা কৰাৰ ক্ষেত্ৰত নাৰীগৰাকীয়ে আটাইতকৈ বেছি দায়িত্ব পালন কৰিব লগা হয়। এগৰাকী নাৰীক আমি মাতৃ, পত্নী, ভগ্নী আৰু কন্যাৰ ৰূপত পাঁও। সেয়েহে প্ৰতিগৰাকী নাৰী শিক্ষিত হোৱাতো অতি বাঞ্চনীয়। শিক্ষাই হৈছে জীৱশ্ৰেষ্ঠ মানৱক এটা ঢাপৰ পৰা আন এটা ঢাপলৈ আগবঢ়াই নিয়াৰ প্ৰক্ৰিয়া। নাৰীগৰাকী শিক্ষিত হ'লেহে পৰিয়ালৰ মুৰব্বীক কেনেদৰে ব্যৱহাৰ কৰিব লাগিব, স্বামীক কেনেদৰে আদৰ-যত্ন ল'ব লাগিব, নিজ সন্তানক কেনেদৰে ভৰণ-পোষণ দিব লাগিব, আনৰ সৈতে কেনেদৰে ব্যৱহাৰ কৰিব লাগিব ইত্যাদি কথা ভালদৰে বুজিব পাৰিব। তদুপৰি সমাজৰ হকে তেওঁৰ কৰণীয় কি বা কেনেদৰে সহায়ৰ হাত আগবঢ়াব পাৰি এই সকলোবিলাক কথা ভালদৰে আয়ত্ব কৰিব পাৰিব আৰু বুজিব পাৰিব।

এখন সমাজ বা এখন দেশ শৃংখলাবদ্ধভাৱে পৰিচালিত হ'বলৈ হ'লে সুস্থ আৰু প্ৰগতিশীল নাৰীৰ অবিহনে সম্ভৱ নহয়। পৃথিৱীত এনে কোনো নীতি-নিয়ম, আইন-কানুন নাই যি নাৰী সমাজে কৰিব নোৱাৰে। ভালক বেয়া কৰা, বেয়াক ভাল কৰা, দুষ্টক দমন কৰি শান্তি প্ৰতিষ্ঠা কৰা আদি কাম নাৰীয়ে কৰোঁ বুলিলে তেনেই সহজ কথা। এইক্ষেত্ৰত নাৰীয়ে যদি আগুৱাব লগা হয়, তেন্তে নাৰীৰ ব্যক্তিত্বক বা যোগ্যতাক সম্পূৰ্ণৰূপে স্বীকৃতি দিব লাগিব। কিছুমান নাৰী আজিও পুৰণিকলীয়া

ধ্যান-ধাৰণা যেনে — কু-সংস্কাৰ আৰু অন্ধ-বিশ্বাসৰ পৰা নিজকে মুক্ত কৰিব পৰা নাই। গতিকে পুৰণিকলীয়া ধ্যান-ধাৰণা আৰু বিয়োগাত্মক মনোভাৱৰ পৰা তেওঁলোকক প্ৰকৃত শিক্ষাৰ যোগেদি মুক্ত কৰিব লাগিব লগতে সমাজৰ বিভিন্ন বাধা-বিঘিনীৰ সন্মুখীন হ'লেও পিছ হুহকি নগৈ দৃঢ় মনোবলেৰে আগবাঢ়ি যাব লাগিব।

বৰ্তমান সমাজত কিছু সংখ্যক নাৰী শিক্ষাৰ পৰা বঞ্চিত হ'ব লগা হৈছে। এচাম অভিভাৱকে তেওঁলোকক ঘৰুৱা কাম-কাজতে আৱদ্ধ কৰি ৰাখে। ফলত তেওঁলোকৰ শিক্ষাৰ পোহৰ নপৰাকৈ জীৱনটো পাৰ হৈ যায়। আন কিছুমানৰ আকৌ আধাতে শিক্ষা সাং কৰিব লগা হয়। এইক্ষেত্ৰত এইবিলাকৰ বিৰুদ্ধে সভা-সমিতি পাতি, বিভিন্ন প্ৰচাৰ-মাধ্যমৰ যোগেদি প্ৰচাৰ চলাই হাতত কলম তুলি লৈ লিখাৰ মাজেৰে নিজে আত্মপ্ৰকাশ কৰাৰ লগতে ৰাইজক সজাগ কৰাতো অত্যন্ত বাঞ্চনীয়।

বৰ্তমান সমাজত অন্য এক অপৰাধমূলক কাৰ্য ঘটি আছে, সেইটো হৈছে বাল্য বিবাহ। যিটো আইন মতেও দণ্ডনীয়। সাধাৰণতে যিসকল নিৰক্ষৰ লোক, তেওঁলোকে বাল্য বিবাহৰ ফলত হ'ব পৰা ক্ষতি সম্পৰ্কে কোনোধৰণৰ জ্ঞান নাথাকে। কিশোৰী সকলৰ বৃদ্ধি আৰু বিকাশত অধিক শক্তিশালী কৰি তুলিবলৈ কিশোৰী শক্তি যোজনা (K.S.V) ২০০০ চনত প্ৰয়োগ কৰা হৈছে। এই যোজনাখনৰ যোগেদি পুষ্টি আৰু স্বাস্থ্য আদিও সামৰি লোৱা হৈছে। তদুপৰি ২০০৭ চনত ৰাষ্ট্ৰীয় মহিলা আয়োগে বাল্য বিবাহ নিষিদ্ধকৰণ আইন প্ৰণয়ন কৰে। এই আইনখনৰ যোগেদি ১৮ বছৰ তলৰ কিশোৰীসকলক বিবাহ নিষেধ কৰা হৈছে। গতিকে এনেধৰণৰ অপৰাধমূলক কাৰ্যৰ পৰা মুক্ত হ'বলৈ হ'লে প্ৰতিগৰাকী নাৰী প্ৰকৃত শিক্ষাৰে শিক্ষিত হোৱাতো অত্যন্ত বাঞ্চনীয়। উদাহৰণস্বৰূপে — গুৱাহাটীৰ এগৰাকী ১৩ বছৰীয়া কিশোৰী এনে বিবাহৰ পৰা চাইল্ডলাইন অভিযানৰ যোগেদি উদ্ধাৰ কৰা হৈছে। এয়া কেৱল এটাহে উদাহৰণ মাত্ৰ আৰু এনে বহুতো বিবাহ ঘটি আছে যিটো আমাৰ অজ্ঞাতে আছে।

সমাজত ঘটা আন এক ঘটনা হ'ল লিংগ নিৰ্ণয় কৰা। কিছুসংখ্যক নাৰীয়ে লিংগ নিৰ্ণয় কৰি কন্যা সন্তান হ'লে গৰ্ভতে ভ্ৰূণ হত্যা কৰিছে, যিটো একেবাৰে জঘন্য অপৰাধ আৰু আইনমতেও দণ্ডনীয়। অন্য কিছুমানে আকৌ পুত্ৰ সন্তানৰ আশাত একাধিক কন্যা সন্তান জন্ম দিছে। ''সৰু পৰিয়ালেই যে সুখী পৰিয়াল'' — এই কথা আজিও বহু লোকে হৃদয়ঙ্গম কৰিব পৰা নাই। এই সকলোবিলাক কাৰ্যৰ পৰা বিৰত ৰাখিবলৈ হ'লে আৰু সকলোবিলাক কথা জানিব আৰু বুজিবলৈ হ'লে — প্ৰতিগৰাকী নাৰী শিক্ষিত হ'বই লাগিব, অন্যথা এনেধৰণৰ কু-কাৰ্যবিলাক সমাজত ঘটিয়ে থাকিব।

মহৎ চৰিত্ৰৰ অধিকাৰী হ'লেহে এখন দেশ বা সমাজৰ উপকাৰ হয়। সেয়েহে যুগে যুগে বহুতো নাৰীয়ে আত্মবলিদান দি আহিছে। উদাহৰণস্বৰূপে -- সতী জয়মতী, ৰাধিকা, মূলা গাভৰু, সতী সাধনী, ৰঙিলী কুঁৱৰী, মনোমতী, কনকলতা আদিৰ নাম উল্লেখ কৰিব পাৰি। সেইদৰে বৰ্তমানৰ এগৰাকী জনপ্ৰিয় পাকিস্তানী যুৱতীৰ নাম হ'ল মালালা ইয়ুচুফজাই। তেওঁ অতি কম বয়সতে ছোৱালীৰ শিক্ষাৰ জগতখনত এক ব্যাপক আলোড়নৰ সৃষ্টি কৰিবলৈ সক্ষম হৈছে।

এইখিনিতে এটা কথা উল্লেখনীয় যে, আজি নাৰী পুৰুষৰ সমানে খোজ মিলাব বিচাৰিলেও বহু ক্ষেত্ৰত তেওঁলোকক অৱহেলিত কৰা দেখা যায়। কিছুসংখ্যক নাৰীয়ে এচাম স্বামীৰ অমানৱীয়, অযুক্তিকৰ নিৰ্দেশো ইচ্ছাৰ বিৰুদ্ধে আপোচ কৰিব লগা হয়। বহুতে বিভিন্ন ধৰণে শোষণ আৰু নিষ্পেষণৰ বলি হ'ব লগা হৈছে। গতিকে প্ৰতিগৰাকী নাৰীয়ে নিজৰ অধিকাৰ সম্পৰ্কে জানিব লাগিব। বহুতে তেওঁলোকৰ অধিকাৰ আৰু তেওঁলোকৰ অধীনত কেনেধৰণৰ আইন আছে বা কেনেদৰে আইনৰ সহায় ল'ব পাৰি — এইবিলাক কথা নাজানে। একমাত্ৰ শিক্ষাৰ যোগেদিহে এইবিলাক কথা জনাতো সম্ভৱ হ'ব আৰু শিক্ষাৰ যোগেদিহে প্ৰতিগৰাকী নাৰী আত্মবিশ্বাসী আৰু স্বাৱলম্বী হ'ব পাৰিব। লগতে সমাজৰ কু-কাৰ্যসমূহৰ প্ৰতি লক্ষ্য ৰাখিব লাগিব আৰু নিজে সজাগ হ'ব লাগিব। এইক্ষেত্ৰত দেশ তথা চৰকাৰে কঠোৰ আৰু দৃঢ় পদক্ষেপ লোৱাতো অত্যন্ত আৱশ্যক।

যেতিয়ালৈকে প্ৰতিগৰাকী নাৰী প্ৰকৃত শিক্ষাৰে শিক্ষিত নহয়, আমি ক'ব পাৰিম যে, তেতিয়ালৈকে এটা পৰিয়াল, এখন সমাজ বা এখন দেশ কেতিয়াও উন্নত হ'ব নোৱাৰে। কিয়নো ''এটা জাতিয়ে নাৰী সমাজক কৰা ব্যৱহাৰেই হৈছে জাতিটোৰ উন্নয়নৰ মাপকাঠি।'' সেয়েহে নেপোলিয়ন বোনাপাৰ্টে কৈছিল, ''মোক এগৰাকী ভাল নাৰী দিয়া, মই এটা ভাল জাতি উপহাৰ দিম।''

শেষত, ''পৃথিৱীৰ সকলোৱে নাৰী শিক্ষাক গুৰুত্ব দিবই লাগিব, তেতিয়াহে নাৰী সমাজে পৃথিৱীখন ৰক্ষা কৰিব পাৰিব।'' ■

# অসমীয়া ৰোমাণ্টিক কবিতা



— অজয় আচাৰ্য্য
স্নাতক তৃতীয় ষান্মাসিক

সময়ৰ বিকাশৰ লগে লগে সভ্যতাৰো বিকাশ ঘটে। সভ্যতাৰ এনে বিকাশৰ অন্তৰালত জড়িত হৈ আছে সময়ৰ ক্ৰমবিৱৰ্তনৰ ফলশ্ৰুতিত সলনি হোৱা মানুহৰ জীৱন-ধাৰণ প্ৰক্ৰিয়াৰ লগত জড়িত কিছুমান আনুসংগিক দিশ। সাহিত্য হৈছে মানৱ জাতিৰ দাপোনস্বৰূপ ; য'ত প্ৰতিফলিত হয় মানৱ জীৱনৰ সুখ-দুখ, হাঁহি-কান্দোন আদি কিছুমান অভিব্যক্তিৰ। কবিতাও হ'ল সাহিত্যৰ তেনে এটি অংগ য'ত মানৱ জীৱনৰ ক্ৰিয়া কলাপে গভীৰভাৱে স্পৰ্শ কৰি গৈছে। অৱশ্যে মানৱ জীৱনৰ সতে ওতঃপ্ৰোতভাৱে সম্পৰ্কিত প্ৰকৃতি জগতেও কবিৰ মানসপটত ধৰা দিয়ে। অৰ্থাৎ সময়ৰ ক্ৰমবিকাশৰ লগে লগে পৰিৱৰ্তনৰ দিশলৈ ধাৱিত হোৱা মানুহৰ জীৱনশৈলী আৰু ইয়াৰ লগত জড়িত অন্যান্য আনুসংগিক দিশ তথা প্ৰকৃতি জগতৰ চিত্ৰৰ প্ৰতিফলনেই হ'ল কবিতাৰ ঘাই আধাৰ।

ইতিহাসৰ পম খেদি বিচাৰ কৰিলে দেখা যায় যে বিশ্বৰ অন্যান্য সাহিত্যৰ দৰে অসমীয়া সাহিত্যৰ সৃষ্টিৰ ইতিহাসো অতি প্ৰাচীন। অসমীয়া সাহিত্যৰ আটাইতকৈ প্ৰাচীন ৰূপ হিচাপে কাব্য সাহিত্যই এক বিশেষ স্থান অধিকাৰ কৰি আছে। অৰ্থাৎ অসমীয়া সাহিত্যৰ আটাইতকৈ প্ৰাচীন ৰূপটোৱেই হ'ল কাব্য সাহিত্য। অনাখৰী কবিৰ হাতত সৃষ্টি হোৱা মৌখিক গীত মাতেই আছিল অসমীয়া কবিতাৰ আদিম ৰূপ। অৱশ্যে খ্ৰীষ্টীয় দশম একাদশ শতিকাৰ বৌদ্ধ সিদ্ধাচাৰ্যসকলৰ দ্বাৰ ৰচিত চৰ্যাপদসমূহেই অসমীয়া কবিতাৰ লিখিত ইতিহাসৰ প্ৰথম নিদৰ্শন ৰূপে স্বীকৃতি লাভ কৰে। অথচ প্ৰাক শংকৰী যুগৰ হেম সৰস্বতী, কবিৰত্ন সৰস্বতী, হৰিবৰ বিপ্ৰ, ৰুদ্ৰ কন্দলি, অনন্ত কন্দলি আৰু মাধৱ কন্দলি এই পাঁচজন কবিৰ কাব্য সাধনাই অসমীয়া কবিতাৰ বিকাশত নৱগতি প্ৰদান কৰে। এই যুগতেই হেম সৰস্বতীৰ দ্বাৰা ৰচিত 'প্ৰহ্লাদ চৰিত' কাব্যখনে অসমীয়া লিখিত কবিতাৰ প্ৰকৃত পাতনি মেলে। ইয়াৰ পৰৱৰ্তী স্তৰ শংকৰী যুগত শংকৰদেৱ, মাধৱদেৱ, ৰাম সৰস্বতী আদি বৈষ্ণৱ কবিকে প্ৰমুখ্য কৰি পীতাম্বৰ, মনকৰ, সুকবি নাৰায়নদেৱ আৰু দুৰ্গাবৰ এই চাৰিজন পাঁচালী কবিয়ে অসমীয়া কবিতাক আৰু এঢাপ আগুৱাই নিলে। শংকৰী যুগৰ পাছৰ পৰ্যায় শংকৰোত্তৰ যুগত ভাগৱত, ৰামায়ণ, মহাভাৰত আদি ধৰ্মীয় গ্ৰন্থৰ কাহিনীৰ আধাৰত অসমীয়া কবিতাই বিস্তৃতিৰ পথ অনুসৰণ কৰিলেও দৰাচলতে ই ইংৰাজৰ অসম আগমনৰ সময়ছোৱাতেই আধুনিক ৰূপ পৰিগ্ৰহণ কৰে। ইংৰাজৰ অসম আগমনৰ লগে লগে অসমত চিন্তা-চেতনা, ধ্যান-ধাৰণা আৰু আদৱ-কায়দাৰ নতুনত্বই ভুকুকি মাৰে। অৰ্থাৎ ইংৰাজৰ আগমনৰ লগে লগে পৰিৱৰ্তনৰ সুঁতিত জাহ গৈ অসমীয়া কবিতাই ভাবগত আৰু ৰূপগত উভয় দিশৰে পৰা আধুনিক ৰূপ পৰিগ্ৰহণ কৰে। এইক্ষেত্ৰত 'অৰুণোদয়' কাকতে

বিশেষ ভূমিকা পালন কৰিছিল। অৱশ্যে অৰুণোদয় কাকতৰ পৰৱৰ্তী স্তৰৰ কবি কমলাকান্ত ভট্টাচাৰ্য, ভোলানাথ দাস, লম্বোদৰ বৰা, ৰমাকান্ত চৌধুৰী আৰু ৰত্নেশ্বৰ মহন্ত এইকেইজন কবিৰ হাতত অসমীয়া কবিতাই কিছু পৰিমাণে হ'লেও ৰোমাণ্টিকতাৰ পৰশ লাভ কৰে। কিন্তু এই ৰোমাণ্টিকতাৰ সাৰ্থক আৰু পূৰ্ণ প্ৰতিফলন ঘটে উনবিংশ শতিকাৰ নৱম দশকৰ শেষ সময়ছোৱাত প্ৰকাশিত 'জোনাকী' আলোচনীত।

অসমীয়া কাব্যৰ ইতিহাসত ৰোমাণ্টিক কাব্যৰ স্থান অতি উচ্চ আৰু বিস্তৃত। দৰাচলতে ৰোমাণ্টিক কাব্যধাৰাই অসমীয়া কবিতাক সমৃদ্ধিশালী কৰি তুলিলে বুলি ক'লেও বঢ়াই কোৱা নহ'ব। ইংৰাজী সাহিত্যত ১৭৯৮ খ্ৰীষ্টাব্দত ওৱৰ্ডছ্‌ৱৰ্থ আৰু কলেৰীজৰ যুটীয়া সম্পাদনাত প্ৰকাশ পোৱা 'Lyrical Ballads' নামৰ কাব্য সংকলনে প্ৰাচীন ধ্ৰুপদী কবিতাৰ অৱসান ঘটাই ৰোমাণ্টিক কবিতাৰ দুৱাৰ মুকলি কৰে। ইংৰাজী ৰোমাণ্টিক কবিতাৰ তুলনাত অসমীয়া ৰোমাণ্টিক কবিতা প্ৰায় নৱৈ বছৰ পিছ পৰা। অৱশ্যে অসমীয়া ৰোমাণ্টিক কবিতাৰ আৰ্হি ইংৰাজী ৰোমাণ্টিক কবিতা হ'লেও অসমীয়া ৰোমাণ্টিক কবিতাৰ সুৰটো আছিল অসম আৰু অসমীয়াৰ স্বকীয় সুৰ। যিদৰে ইংলেণ্ডৰ শ্বেলীৰ কবিতাত পছোৱাই সাগৰৰ বুকুত কঁপনি তুলিছিল আৰু ৰোমাণ্টিক জোৱাৰ নমাই আনিছিল। সেইদৰে অসমীয়া ৰোমাণ্টিক কবিৰ কবিতাত পছোৱাই লুইতৰ বুকুত কঁপনি তুলে, পাৰৰ কঁহুৱা কঁপায়, তামোল-পানৰ বাৰীখন ভাঙি-চিঙি থৈ যায়।

প্ৰকৃত অসমীয়া ৰোমাণ্টিক কবিতাৰ সূচনা হয় উনবিংশ শতিকাৰ নৱৈৰ দশকৰ পৰা। কলিকতাত অধ্যয়নৰত এচাম প্ৰবসুৱা অসমীয়া ছাত্ৰদল বিশেষকৈ চন্দ্ৰকুমাৰ আগৰৱালা, লক্ষ্মীনাথ বেজবৰুৱা আৰু হেমচন্দ্ৰ গোস্বামীকে প্ৰমূখ্য কৰি আন বহুতো ছাত্ৰই ইংৰাজী ৰোমাণ্টিক সাহিত্যৰ সৈতে পৰিচিত হৈছিল আৰু এই ৰোমাণ্টিক ধাৰাই ভাৰতীয় প্ৰান্তীয় সাহিত্যসমূহৰ ভিতৰত বাংলা সাহিত্যক প্ৰথমেই স্পৰ্শ কৰিছিল। এনেস্থলত কলিকতাত অধ্যয়নৰত প্ৰবাসী অসমীয়া ছাত্ৰদলে নিজৰ পিছপৰি থকা কেঁচুৱা মাতৃভাষাক এঢাপ উত্তৰণ ঘটাই জোনাকৰ পোহৰেৰে আলোকিত কৰাৰ মানসেৰে ১৮৭২ চনত Assamese Literary Society অৰ্থাৎ 'অসমীয়া সাহিত্য চ'ৰা' গঠন কৰে। ইয়াৰ প্ৰভাৱ ক্ৰমে ক্ষীণ হৈ অহাত কলিকতাৰ ৬৭ নং মিৰ্জাপুৰ ষ্ট্ৰীতত বহা চাহ মেলত ১৮৮৮ চনৰ ২৫ আগষ্ট (১৮১০ শক) তাৰিখে 'অসমীয়া ভাষা উন্নতি সাধনী সভা' চমুকৈ অ.ভা.উ.সা.সভা গঠন কৰে। এই সভাৰ উদ্দেশ্যসমূহক বাস্তৱ ৰূপ দিবলৈ এখন মাহেকীয়া আলোচনী প্ৰকাশৰ সিদ্ধান্ত লোৱা হয় আৰু সেইমৰ্মে ১৮৮৯ চনৰ ফেব্ৰুৱাৰী মাহত চন্দ্ৰকুমাৰ আগৰৱালাৰ অৰ্থ সাহাৰ্য তথা সম্পাদনাত 'জোনাকী' নামৰ মাহেকীয়া কাকতে প্ৰকাশৰ মুখ দেখে। এই 'জোনাকী' কাকতক কেন্দ্ৰ কৰিয়েই ইংৰাজী ৰোমাণ্টিক কবিতাৰ আৰ্হিত অসমীয়া ৰোমাণ্টিক কবিতাৰ সৃষ্টি আৰু বিকাশ ঘটিল। সম্পাদক চন্দ্ৰকুমাৰ আগৰৱালাৰ হাতৰ কাপেৰে নিগৰিত আৰু জোনাকীৰ প্ৰথম সংখ্যাত প্ৰকাশিত 'বনকুঁৱৰী' কবিতাই প্ৰকৃত অসমীয়া ৰোমাণ্টিক কবিতাৰ সূচনা কৰে। আনকি আগৰৱালাদেৱৰ হাততেই প্ৰথম অসমীয়া ৰোমাণ্টিক কাব্য সংকলন 'প্ৰতিমা' (১৯১৩)ৰ প্ৰকাশ ঘটে। মুঠ দুকুৰি পাঁচটা কবিতাৰ সংগ্ৰহ 'প্ৰতিমা' কাব্যখনি এহাতে যিদৰে কবিৰ প্ৰথম কন্যা প্ৰতিমাৰ অকাল বিয়োগৰ জীৱন্ত সাক্ষীস্বৰূপ আনহতে ই অসমীয়া ৰোমাণ্টিক কবিতাৰো প্ৰথম কাব্য সংকলনৰ সাক্ষী হৈ ৰ'ব।

ইংৰাজী ৰোমাণ্টিক কাব্য সাহিত্যৰ দৰেই অসমীয়া ৰোমাণ্টিক কাব্য সাহিত্যতো প্ৰকৃতি প্ৰীতি, কল্পনা প্ৰৱণতা, সৌন্দৰ্যবোধ, অতীতৰ প্ৰতি শ্ৰদ্ধা, প্ৰেমৰ প্ৰকাশ, বিশ্ব প্ৰকৃতিত প্ৰিয়াৰ ৰূপ দৰ্শন, স্বদেশ প্ৰীতি, বাস্তৱ বিমুখিতা, আলৌকিকতা, বিস্ময়ৰ পুৰ্ণজাগৰণ, সাধাৰণ বস্তুত অসাধাৰণত্ব আৰোপ, ৰহস্যানুসন্ধান আদি ভাবধাৰাই প্ৰকাশ লাভ কৰে। অসমীয়া ৰোমাণ্টিক কবিতাই প্ৰধানত চন্দ্ৰকুমাৰ আগৰৱালাকে প্ৰমুখ্য কৰি লক্ষ্মীনাথ বেজবৰুৱা, হেমচন্দ্ৰ গোস্বামী, ৰঘুনাথ চৌধাৰী, দুৰ্গেশ্বৰ শৰ্মা, হিতেশ্বৰ বৰবৰুৱা, যতীন্দ্ৰনাথ দুৱৰা, অতুলচন্দ্ৰ হাজৰিকা, পদ্মনাথ গোহাঞিবৰুৱা, ৰত্নকান্ত বৰকাকতি, মফিজুদ্দিন আহমদ হাজৰিকা, আনন্দচন্দ্ৰ আগৰৱালা, ডিম্বেশ্বৰ নেওগ, বিনন্দ চন্দ্ৰ বৰুৱা, নলিনীবালা দেৱী, ধৰ্মেশ্বৰী বৰুৱানী, দেৱকান্ত বৰুৱা আদিকে কৰি আন বহুতো খ্যাত-অখ্যাত কবিৰ কাব্য সাধনাৰে সমৃদ্ধি লাভ কৰে।

ৰোমাণ্টিক যুগৰ অসমীয়া কবিতা হ'ল গীতিধৰ্মী। এই শ্ৰেণীৰ কবিতাসমূহ প্ৰধানকৈ দুটা ধাৰাত প্ৰকাশ পালে। ইয়াৰ প্ৰথমটো ধাৰা হ'ল — প্ৰণয়ৰ, ভৱলীৰ দৰে বাউল আৰু আনটো ধাৰা হ'ল দৰ্শনৰ, লুইতৰ দৰে গভীৰ। লক্ষ্মীনাথ বেজবৰুৱা, হেমচন্দ্ৰ গোস্বামী, চন্দ্ৰধৰ বৰুৱা, ৰঘুনাথ চৌধাৰী, যতীন্দ্ৰনাথ দুৱৰা, অতুল চন্দ্ৰ হাজৰিকা, গনেশ গগৈ আৰু দেৱকান্ত বৰুৱা আদিৰ কবিতাত

প্ৰণয়ৰ ধাৰা প্ৰকাশ পোৱাৰ বিপৰীতে চন্দ্ৰকুমাৰ আগৰৱালা, ৰত্নকান্ত বৰকাকতি, নলিনীবালা দেৱী, দুৰ্গেশ্বৰ শৰ্মা, অম্বিকাগিৰী ৰায়চৌধাৰী, ধৰ্মেশ্বৰী দেৱী বৰুৱানী, আনন্দচন্দ্ৰ আগৰৱালা, চন্দ্ৰধৰ বৰুৱা, পদ্মনাথ গোহাঞি বৰুৱা, মফিজুদ্দিন আহ্মদ হাজৰিকা আদিৰ কবিতাত দৰ্শনৰ ধাৰা প্ৰকাশ পাইছে। এওঁলোকৰ কবিতাত কৰ্মফলবাদ, ৰহস্যানুসন্ধান, আত্মাৰ অবিনশ্চৰতা আদি প্ৰচলিত দাৰ্শনিক ভাবধাৰাই প্ৰকাশ লাভ কৰা দেখা যায়।

ৰোমাণ্টিক অসমীয়া কবিতাৰ পৰিসৰ বৰ বিস্তৃত। ইয়াক আলোচনাৰ সুবিধাৰ্থে প্ৰণয়মূলক, প্ৰকৃতি-বিষয়ক, দেশপ্ৰেমমূলক, দাৰ্শনিক বা আধ্যাত্মিক, ছনেট কবিতা আদি বিভিন্ন উপভাগত ভাগ কৰি আলোচনা কৰা হৈছে। এইসমূহ উপভাগৰ সমষ্টিৰেহে 'ৰোমাণ্টিক অসমীয়া কবিতা' নামৰ পৃথক অসমীয়া কাব্যধাৰা গঢ় লৈ উঠিছে।

ৰোমাণ্টিক যুগৰ অসমীয়া প্ৰণয় কবিতাসমূহ বিৰহ-বেদনা, নাৰীৰ সৌন্দৰ্য্য বৰ্ণনা, মান-অভিমান, সৌন্দৰ্যৰ সন্ধান, প্ৰেমৰ প্ৰকাশ আদিৰে পৰিপূৰ্ণ। এই ক্ষেত্ৰত বেজবৰুৱাই যিদৰে ''প্ৰেমত ঘূৰিছে ভূমণ্ডল / প্ৰেমত ফুলিছে শতদল।'' বুলি কৈ প্ৰেমৰ প্ৰকাশ কৰিছে সেইদৰে চন্দ্ৰকুমাৰ আগৰৱালাই ''ফুৰিছো যাত্ৰীৰ বেশে স্বদেশ-বিদেশ / সৌন্দৰ্য আভাস যতে পাওঁ এক নিকা / সুন্দৰৰ আৰাধনা জীৱনৰ খেল / অভিনয় অন্তে দোষ কাল যাৱনিকা।'' বুলি কৈ সৌন্দৰ্যৰ সন্ধান কৰিছে। আকৌ কবি আগৰৱালাদেৱে ''উদঙাই ঢাকি থৈ উঠি অহা বুকুটি'' বুলি কৈ মাধুৰীৰ ছবি কল্পনাৰে পঢ়ি নাৰীৰ সৌন্দৰ্যক অংকন কৰিছে। কিন্তু ইয়াৰ বিপৰীতে কবি যতীন্দ্ৰনাথ দুৱৰাই ''নিজানত বহি বেজাৰত ভাবো নিৰলাত তুমি মোক নিনিলা লগত। যাবলৈকো ভটিয়াই মোৰ নাই কোনো সমল হাতত।'' বুলি কৈ বেদনাত ভাঙি পৰিছে। কিন্তু ''ভাল পাওঁ বুলি কৈ তেজ যদি দিব পাৰে / তেনেকুৱা ভালপোৱা কেইজনে পায়?'' বুলি পাপৰি কবি গনেশ গগৈয়ে অভিমত প্ৰকাশ কৰিছে। অৱশ্যে 'পাপৰি'ত কবিতা পুথিত সন্নিবিষ্ট 'পাপৰি' কবিতাটোত গগৈয়ে প্ৰেমিকা পাপৰিক উদ্দেশ্য কৰি ''পদুম ফুলৰ 'পাপৰি' নহয় / পাপৰি প্ৰাণৰ মোৰ / শোকৰ নহয় দুখৰ নহয়/ প্ৰেম ভৰা চকুলোৰ'' বুলি নিজৰ সমস্ত বেদনাখিনিক উজাৰি দিছে কিন্তু দেৱকান্ত বৰুৱাৰ কবিতাত প্ৰেম-বিৰহৰ প্ৰতিফলনেই নহয় নিয়তিৰ সৈতে সংগ্ৰাম কৰি প্ৰেমক জীয়াই ৰখাৰ প্ৰচেষ্টাৰে এইদৰে কৈছে ''সন্ধিয়া আহিছে নামি থক হেৰা, নেলাগে জ্বলাব চাকি। দুটি নয়নৰ সহজ প্ৰভাৱে আজি নাশিবা এন্ধাৰ তুমি অন্ধকাৰ মোৰ জগতৰ'' বুলি কৈছে।

কিন্তু এওঁলোকৰ বিপৰীতে ৰঘুনাথ চৌধাৰী, অতুল চন্দ্ৰ হাজৰিকা, পাৰ্বতী প্ৰসাদ বৰুৱা আদিৰ কবিতাত প্ৰকৃতি প্ৰীতিৰ সুৰ বিশেষভাৱে বাজি উঠা পৰিলক্ষিত হয়। এওঁলোকে প্ৰকৃতিৰ চিত্ৰক প্ৰেমময় ৰূপত তুলি ধৰিবলৈ যত্ন কৰিছে। ৰঘুনাথ চৌধাৰীয়ে এহাতে যিদৰে নিসংগ জীৱনত প্ৰকৃতিৰ বুকুত মুক্ত মনে ঘূৰি ফুৰা চৰাইক সংগীৰূপে, ঈশ্বৰে প্ৰেৰণ কৰা শান্তিৰ দূত ৰূপে, প্ৰেম মন্দাকিনীৰ সুঁতিৰূপে তুলি ধৰিছে আনহাতে প্ৰকৃতিৰ গোলাপ পাহিক ন-কইনাৰ মিচিকিয়া হাঁহি ৰূপে অভিহিত কৰিছে। সেইদৰে তপোবনৰ কবি অতুল চন্দ্ৰ হাজৰিকাইও প্ৰকৃতিৰ ঋতু বিশেষ পৰিৱৰ্তনক কবিতাৰ ৰঙেৰে বোলাই তুলিছে। সেয়েহে তেওঁৰ কবিতাত বসন্তৰ আগমনে প্ৰকৃতি জগতত যৌৱনৰ হিল্লোল নমাই অনাৰ কথা প্ৰকট কৰিছে। আনজন প্ৰকৃতি কবি পাৰ্বতী প্ৰসাদ বৰুৱাৰ কবিতাতো ফুল-পাতেৰে ভৰা সাধাৰণ প্ৰকৃতি কবি প্ৰাণৰ পৰশ লাগি অসাধাৰণ হৈ জিলিকি উঠিছে। এওঁলোকৰ উপৰিও চন্দ্ৰকুমাৰ আগৰৱালা, অতুলচন্দ্ৰ হাজৰিকা, বিনন্দচন্দ্ৰ বৰুৱা, ডিম্বেশ্বৰ নেওগ, শৈলধৰ ৰাজখোৱা আদিৰ কবিতাতো প্ৰকৃতিৰ চিত্ৰ পোৱা যায়।

দাৰ্শনিক ভাবধাৰাৰে সমৃদ্ধ আধ্যাত্মিকতাবাদী বা ৰহস্যবাদী কবিৰ কবিতাত ভাৰতীয় জন্মান্তৰবাদৰ পূৰ্ণ প্ৰতিফলন ঘটা দেখা যায়। অসমীয়া আধ্যাত্মিকতাবাদী বা ৰহস্যবাদী কবিসকলে জীৱ, জগত আৰু ঈশ্বৰ শক্তিৰ চিৰকাল সন্ধান কৰি আহিছে। ই ভাৰতীয় দৰ্শনৰো ঘাই সুৰ। ইন্দ্ৰিয়াতীত অনুভৱৰ জৰিয়তেহে পৰমজনৰ লগত মিলন সম্ভৱ। ইয়েই জীৱনৰ সকলো দুখ-যন্ত্ৰণা আঁতৰ কৰিব পাৰে। সেয়ে নলিনীবালা দেৱী, অম্বিকাগিৰী ৰায়চৌধুৰী, দুৰ্গেশ্বৰ শৰ্মা আদিৰ কবিতাত পৰমজনৰ সন্ধান আৰু তেওঁৰ লগত মিলন আৰু তেওঁৰ ৰহস্য উদ্‌ঘাটনৰ প্ৰচেষ্টা দেখা যায়। অম্বিকাগিৰী ৰায়চৌধুৰীয়ে 'তুমি কি বিশাল!কি বিৰাট! মহানীল সীমাহীন শূন্য'' বুলি কৈ ঈশ্বৰৰ সন্ধান কৰাৰ বিপৰীতে নলিনীবালা দেৱীয়ে 'চিতাগ্নি হোমাগ্নি'ৰ জৰিয়তে পৰমজনক লগত মিলনৰ কামনা কৰিছে।

ৰোমাণ্টিক যুগৰ অসমীয়া কবিতাত স্বদেশ প্ৰেমৰো আভাস পোৱা যায়। প্ৰাক ৰোমাণ্টিক কালৰ কবি কমলাকান্ত ভট্টাচাৰ্যই আৰম্ভ কৰা অসমীয়া স্বদেশ প্ৰেমমূলক ৰোমাণ্টিক কবিতাৰ ধাৰাক নলিনীবালা দেৱী, প্ৰসন্নলাল চৌধুৰী,

অম্বিকাগিৰী ৰায়চৌধুৰী, লক্ষ্মীনাথ বেজবৰুৱা, জ্যোতি প্ৰসাদ আগৰৱালা, পাৰ্বতীপ্ৰদসাদ বৰুৱা আদি কবিয়ে পূৰ্ণতা দান কৰে। এই কবিসকলৰ দৃষ্টিত স্বদেশৰ তুলনাত ডাঙৰ আৰু সুখৰ আলয় ক'তো নাই। তেওঁলোকৰ বাবে স্বদেশৰ প্ৰতিটো ধূলিকণা, চৰাই-চিৰিকটি, নৈ-জান-জুৰি, দুখীয়াৰ ভগা পঁজা আজি সকলোবোৰেই চিনাকি আপোন আৰু অতি মৰমৰ। অৱশ্যে তেওঁলোকৰ কবিতাত পৰাধীনতাৰ গ্লানি আৰু তাৰ বিৰুদ্ধে কৰা সংগ্ৰামৰ সুৰো শুনিবলৈ পোৱা যায়।

ছনেট শ্ৰেণীৰ কাব্য সৃষ্টি অসমীয়া ৰোমাণ্টিক কাব্যৰ অনতম সংযোজন। ইয়ো পাশ্চাত্য কাব্য সাহিত্যৰ দান। চৈধ্যটা শাৰীযুক্ত আৰু প্ৰতিটো শাৰীতে চৈধ্যটা আখৰেৰে গঠিত এটা ভাববস্তুক কেন্দ্ৰ কৰি ৰচিত এই শ্ৰেণীৰ কাব্যই অসমীয়া ৰোমাণ্টিক কাব্যক নতুন ৰূপ দান কৰে 'জোনাকী' কাকতৰ দ্বিতীয় সম্পাদক হেমচন্দ্ৰ গোস্বামীৰ 'জোনাকী'ৰ পাতত প্ৰকাশিত 'প্ৰিয়তমাৰ চিঠি' কাব্যই অসমীয়া ছনেট কবিতাৰ সূচনা কৰে। কবি গোস্বামীৰ বাবে প্ৰিয়তমাৰ কুকুৰাঠেঙীয়া আখৰবোৰে গঢ় লোৱা চিঠিৰ মোহিনী শক্তিয়ে কিদৰে প্ৰেমিক হৃদয়ক মোহিব পাৰে তাক সুন্দৰ ভাৱে উপস্থাপন কৰিছে। অৱশ্যে হিতেশ্বৰ বৰুৱাৰ 'মালচ' (১৯১৮) কবিতা পুথিয়ে অসমীয়া ছনেট কবিতাক পূৰ্ণ ৰূপ দিয়ে। কিন্তু বৰবৰুৱাৰ 'মালচ' কবিতা পুথিত অন্তৰ্ভূক্ত কবিতাসমূহত প্ৰিয়তমাৰ চিঠিৰ দৰে সুখ-সৌন্দৰ্যৰ আশ জিলিকি উঠা নাই ; ইয়াত জিলিকি উঠিছে কবি বৰবৰুৱাৰ ১৪ বছৰীয়া পুত্ৰ বিপিনৰ বিয়োগৰ বেদনাত পিতৃৰ নয়নেৰে নিগৰিত অশ্ৰুৰ বন্যা।

চন্দ্ৰ কুমাৰ আগৰৱালাদেৱৰ হাতত প্ৰাণ পাই উঠা অসমীয়া ৰোমাণ্টিক কবিতাই কবি দেৱকান্ত বৰুৱাৰ হাতত শেষ ৰূপ লাভ কৰে। অৰ্থাৎ দেৱকান্ত বৰুৱা হ'ল আধুনিক অসমীয়া ৰোমাণ্টিক কবিতাৰ শেষ তৰংগৰ কবি। তেওঁৰ কবিতাৰ সুৰ হ'ল প্ৰেমৰ সুৰ। যৌৱনৰ বেদনাই জীৱনলৈ আনিব বিচৰা বেদনাখিনিক প্ৰশ্ৰয় নিদি যি দৃঢ়তাৰে তেওঁ দিঠকৰ বুকুত থিয় দিছে, তাতে তেওঁৰ পৌৰুষত্বৰ সাৰ্থকতা আৰু এয়ে তেওঁৰ কবিতাৰ শ্ৰেষ্ঠ আকৰ্ষণ। দেৱকান্ত বৰুৱাদেৱ এহাতে যিদৰে অসমীয়া ৰোমাণ্টিক কবিতাৰ শেষ তৰঙ্গৰ কবি সেইদৰে তেওঁ আধুনিক অসমীয়া কবিতাৰো প্ৰথম তৰঙ্গৰ কবি। ,এওঁৰ 'আমি দুৱাৰ মুকলি কৰো' কবিতাটোৱে অসমীয়া কবিতাৰ ৰোমাণ্টিক কাব্যশৈলীক পৰিত্যাগ কৰি আধুনিকতাৰ আশ্ৰয় লয়। অৰ্থাৎ দেৱকান্ত বৰুৱা আছিল ৰোমাণ্টিক যুগৰ শেষৰ আৰু আধুনিক যুগৰ প্ৰথম কবি। সেয়েহে তেওঁক অসমীয়া কাব্য সাহিত্যত 'যুগসন্ধিৰ কবি' বা 'আলি দোমোজাৰ কবি' হিচাপে আখ্যা দিয়া হয়।

পৰিশেষত ক'ব পাৰি যে বিস্তৃত ৰোমাণ্টিক কাব্য সাহিত্যই অসমীয়া কবিতাৰ ক্ৰমবিকাশক স্বকীয় ৰঙেৰে জিলিকাই তুলিবলৈ সক্ষম হ'ল ; যাৰ ফলশ্ৰুতিত বহু বছৰ পিছপৰি থকা অসমীয়া কবিতাই বিশ্ব কাব্য সাহিত্যৰ সন্মুখত মূৰ দাঙি উঠিবলৈ সক্ষম হ'ল। আনকি এই ৰোমাণ্টিক কবিতাই পৰৱৰ্তী স্তৰৰ কাব্য-সাহিত্যৰ চৰ্চাত প্ৰেৰণা যোগালে। ফলত অসমীয়া কবিতাই বৰ্তমান এক বিস্তৃত আৰু সমাদৃত আসন অধিকাৰ কৰিবলৈ সক্ষম হৈছে। সেয়েহে অসমীয়া কবিতাৰ আলোচনাত অসমীয়া ৰোমাণ্টিক কবিতাই এক বিশেষ আলোচ্য বিষয় হিচাপে স্বীকৃতি লাভ কৰিবলৈ সক্ষম হৈছে। ■

**সহায়ক গ্ৰন্থপঞ্জী ঃ**


১। অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত — সত্যেন্দ্ৰনাথ শৰ্মা।

২। অসমীয়া সাহিত্যৰ ৰূপৰেখা — মহেশ্বৰ নেওগ

৩। অসমীয়া কবিতা — কৰবী ডেকা হাজৰিকা

৪। কবি আৰু কবিতা -- নন্দ তালুকদাৰ

# মোৰ দৃষ্টিত
# পোন্ধৰ আগষ্ট



— প্ৰিয়ংকা হাজৰিকা
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ, বিজ্ঞান শাখা

১৫ আগষ্ট, স্বাধীনতা দিৱস। ১৯৪৭ চনৰ এই দিনটোতেই আমাৰ ভাৰতবৰ্ষই ইংৰাজৰ হাতৰ পৰা মুক্তি লাভ কৰি স্বাধীন বুলি স্বীকৃতিপ্ৰাপ্ত হৈছিল। সেইদিনাৰে পৰা বৰ্তমানলৈকে প্ৰতি বছৰৰ ১৫ আগষ্ট দিনটো সমগ্ৰ ভাৰততে স্বাধীনতা দিৱস হিচাপে পালন কৰি অহা হৈছে। এই স্বাধীনতা দিৱসৰ বিষয়ে বহুলোকৰ মুখত বহু কথাই শুনি আহিছোঁ। ককা-আইতা, টিভিত বিভিন্নজন গণ্য-মান্য ব্যক্তিৰ বক্তব্যত শুনিছো তেওঁলোকে বোলে এই দিনটো অতি উলাহ-মালহেৰে পালন কৰিছিল। খেল-পথাৰলৈ গৈ তাত সকলো সমবেত হৈ দেশপ্ৰেম মূলক গীত শুনে, পতাকা উত্তোলন কৰে, উৰি থকা ত্ৰিৰংগালৈ চাই দেশৰ বাবে শ্বহীদ হোৱা বীৰ-বীৰাঙ্গণাৰ কথা ভাবি ভাবুক হয়। সকলোৰে মুখে মুখে গুণগুণাই ৰাষ্ট্ৰীয় সংগীত 'জন-গণ-মন' সতীৰ্থৰ সৈতে বুটমাহ, খিচিৰি খাই অতি আনন্দেৰে পালন কৰিছিল। এই সকলোবোৰ শুনাৰ পিছত মোৰ মনত প্ৰশ্ন হয়, সঁচাকৈয়ে তেওঁলোকে উলহ-মালহেৰে পালন কৰিছিলনে এই দিনটো? কাৰণ মই ১৫ আগষ্টৰ বিষয়ে জনা হোৱাৰে পৰা ১৫ আগষ্ট মানেই এটা বন্ধৰ দিন। এই দিনটোত দোকান-পোহাৰ, বজাৰ-সমাৰ সকলো বন্ধ থাকে। সকলোৰে বুকুত এবুকু প্ৰাপ্তিৰ আনন্দই ক্ৰিয়া-প্ৰতিক্ৰিয়া কৰাৰ মাজতেই শংকা আৰু ক্ৰোধত জ্বলি পুৰি মৰে এই বিশেষ দিনটোত। সকলোৰে ভয় বোমা-বিস্ফোৰণ-বাৰুদ আদিলৈ। এখোজ আগলৈ নিৰ্ভয়ে খোজ দিব নোৱাৰে। আচলতে এই পৰিস্থিতিৰ বাবে জগৰীয়া কোন? অসমৰ ক্ষেত্ৰত উগ্ৰপন্থী আৰু সমগ্ৰ দেশৰ দুনীৰ্তি হৈ পৰিছে ভাবুকি। কেতিয়াবা মনত প্ৰশ্ন হয় ১৫ আগষ্ট স্বাধীনতা দিৱসে বাৰু স্বকীয়তা হেৰুৱাইছে নেকি? আলি-পদূলিত সেৱা বাহিনীৰ জোৱানে পহৰা দিয়ে, যান-বাহন, আৰোহী সকলোকে সন্দেহৰ দৃষ্টিৰে পৰীক্ষা-নিৰীক্ষা কৰে। ১৫ আগষ্ট বা ২৬ জানুৱাৰী এই নিৰ্দ্দিষ্ট দিন দুটাতহে যে সন্ত্ৰাসৰ সৃষ্টি হ'ব পাৰে সেই বিষয়ে ধৰি-বান্ধি থোৱা কিবা নিয়ম আছে নেকি? একেই কটকটীয়া পহৰাৰ পাছতো ২০০৫ চনৰ ১৫ আগষ্টত ধেমাজিত হোৱা বিস্ফোৰণে অসমবাসীক সচকিত কৰি তুলিলে আৰু নাইকিয়া কৰিলে স্বাধীনতা দিৱসৰ স্বকীয় মাদকতা। নিৰাশ আজি স্বাধীনতা। স্বাধীনতা দিৱস আজি হৈ পৰিল বিশ্বাস ভংগৰ এখিলা পৃষ্ঠা। স্বাধীনতা দিৱসৰ দিনাই খহি পৰে কাৰোবাৰ অতি কষ্টেৰে গঢ়ি উঠা সুন্দৰ জীৱন, কোনোবাই হেৰুৱাই কঁপালৰ সেন্দূৰ কণ আকৌ বহু মাতৃৰ বুকু উদং হয় সন্তানৰ মৃত্যুত। বাহ! আজিৰ স্বাধীন দেশৰ স্বাধীনতা! অকণমান স্বাধীনভাৱে মূৰ দাঙি থিয় হোৱাৰো অধিকাৰ নাই আজি। কেৱল সন্ত্ৰস আৰু সন্ত্ৰাসবাদ।

১৫ আগষ্টৰ মূল জগৰীয়া কেৱল মাত্ৰ যে সন্ত্ৰাসবাদ তেনে নহয়। ইয়াৰ বাবে সমানে দায়ী চৰকাৰী দুৰ্নীতিও। ১৫ আগষ্টৰ দিনা টিভিত দেখিছোঁ ৰাজকীয়ভাৱে উদ্‌যাপন হোৱা স্বাধীনতা দিৱসলৈ ৰাজ্যপাল, মুখ্যমন্ত্ৰী বিভিন্ন ৰাজনীতিকসকলো আহে। আহে নিমন্ত্ৰিত অতিথি ; কিন্তু তাত যেন নাই আৱেগিক সম্বন্ধ। বিদ্ৰোহীসকলৰ বাবেও স্বাধীনতা দিৱসৰ দিনটো এটা ভয়ৰ দিন। এই বিদ্ৰোহৰ জন্ম দিছে চৰকাৰে নিজেই। নিবনুৱা সমস্যা, মূল্যবৃদ্ধি আদি সমস্যাসমূহত অতিষ্ঠ হৈ সাধাৰণ লোক এজনো বিদ্ৰোহীত পৰিণত হৈছে।

আজিও এনে কিছুমান ভিতৰুৱা অঞ্চল আছে য'ত দাইলেৰে ভাত মুঠি খাব পৰাটোও এক বিলাসিতা। যি চৰকাৰেই নাথাকক কোনেও গুৰুত্ব নিদিয়ে এনে অঞ্চলৰ ৰাইজক। অথচ চৰকাৰৰ মুখত ডাঙৰ ডাঙৰ ভাষণ উন্নয়নৰ বিষয়ে। মূল্যবৃদ্ধি নিবনুৱা সমস্যা, দুৰ্নীতিক বাধা দিয়াৰো কোনো গ্ৰহণযোগ্য আঁচনি নাই। সকলোতেই যেন কেৱল ক্ষমতাৰ লোভ। সেইবাবেই হয়তো কাৰ্বি আংলঙত আজি ১৪ টাকৈ উগ্ৰপন্থী সংগঠন। কাৰণ তাত উন্নয়ন নাই। কেৱল দুৰ্নীতি। জনপ্ৰতিনিধিৰ অনীহাৰ বাবেই আজি অসমৰ এনে পৰিস্থিতি। অসমৰ সীমামূৰীয়াসকলৰ লগত আন ৰাজ্যৰ সৈতে হোৱা সীমা সমস্যা বানপানী সমস্যা আদি সমস্যাত ককবকাই থকা আজিৰ প্ৰজন্মই কিদৰে আনন্দ উল্লাস কৰিব ১৫ আগষ্টত? আছেনে ইয়াৰ কিবা সমাধান? যাতে আগন্তুক সময়বোৰত সকলোৰে একেলগে স্বাধীনভাৱে ১৫ আগষ্টৰ দিনা শূণ্যত উৰি থকা ত্ৰিৰংগালৈ চাই এটা সন্তোষৰ হাঁহি মাৰিব পাৰে। ■



# ড্ৰাগছ
## এক ভয়াৱহ ব্যাধি

— সিদ্ধাৰ্থ শইকীয়া
তৃতীয় ষান্মাষিক, কলা শাখা

'নিচা মানেই সৰ্বনাশ' -- এই কথাষাৰ সৰ্বজনবিদিত। সৰ্বসাধাৰণে জনা মতে মদ, ভাং আৰু আফিং — এই তিনিবিধেই আছিল আমাৰ দেশৰ অত্যন্ত ক্ষতিকাৰক মাদক দ্ৰব্য। বিশেষকৈ মদ আৰু অফিংৰ ৰাগিত কিমান ব্যক্তিৰ অকাল মৃত্যু হৈছে ; কিমান পৰিয়াল সৰ্বস্বান্ত হৈছে তাৰ তুলনা নাই। কিন্তু 'ভূতৰ ওপৰত দানৱৰ' দৰে আধুনিক কালৰ আৱিস্কৃত সোণতকৈ দামী মাৰাত্মক বিষধৰ মাদক দ্ৰব্য হ'ল — ড্ৰাগছ। এই ভয়ংকৰ ড্ৰাগছ হিৰ'ইন, কোকেইন, ব্ৰাউন-চুগাৰ, মাৰিজুৱানা, কেক, মেনড্ৰেক্স্ আদি বিভিন্ন নামেৰে অনুপ্ৰৱেশ ঘটিছে তৃতীয় বিশ্বত। সাম্ৰাজ্যবাদ প্ৰতিষ্ঠাৰ জঘন্যতম নিদৰ্শন আৰু ভাৰতৰ বিপুল সম্ভাৱনাময় যুৱ সমাজ এই দুৰ্ভাগ্যজনক সৰ্বনাশৰ চিকাৰ। উন্নয়নশীল দেশৰ যুৱ সমাজেই আশা-ভৰসাৰ কেন্দ্ৰস্থল। সংগ্ৰামী যুৱ-সমাজ বিপথগামী হ'লে তৃতীয় বিশ্বৰ সৰ্বনাশ যদিও সাম্ৰাজ্যবাদী শক্তিৰ পৰম লাভ। এই পৰম বিষধৰ, প্ৰাণঘাতী ড্ৰাগচৰ আসক্তিত লিপ্ত হয় মধ্যবিত্ত পৰিয়ালৰ হতাশগ্ৰস্ত বেকাৰ যুৱক, স্কুল-কলেজৰ উচ্ছৃংখল ছাত্ৰ, সাংসাৰিক বেদনা ভোক্ত অফিচ-কৰ্মচাৰী, আনকি আসক্ত হয় কোনো কোনো পৰিয়ালৰ অতি চঞ্চলা, চপলা জীয়াৰী আৰু ভাগ্যহীনা গৃহস্থী বধূত্ত।

ড্ৰাগছ হ'ল এবিধ ক্ষণিক উত্তেজক মাদক দ্ৰব্য, যিয়ে মানুহৰ স্নায়ুতন্ত্ৰৰ ওপৰত ক্ৰিয়া কৰে। ই আসক্ত লোকক এক বিশেষ প্ৰেৰণা দিয়ে। যাৰ বলত তেওঁ 'বীৰৰ দৰে' নিজৰ মনোকামনা পূৰণ কৰিবলৈ সাহসৰ সমল গোটাব পাৰে। কিন্তু আটাইতকৈ বিপদগামী কথাটো হ'ল সেৱনৰ মাত্ৰা। ড্ৰাগছ একে মাত্ৰাত সেৱন কৰিলে শৰীৰত ইয়াৰ ক্ৰিয়াক্ষমতা ক্ৰমে কমি আহে। সেয়ে গ্ৰহণকাৰীয়ে আগৰ দৰে উত্তেজক অনুভূতি পাবলৈ হ'লে ড্ৰাগছ সেৱনৰ মাত্ৰা বঢ়াই দিবলগীয়া হয়। যাৰ বাবেই ড্ৰাগছ সেৱনকাৰীয়ে ড্ৰাগছ গ্ৰহণৰ মাত্ৰা কমাই দিলে এক বিশেষ ৰোগত ভোগে। যাক চিকিৎসা বিজ্ঞানৰ ভাষাত 'প্ৰত্যাহাৰ জনিত অসুস্থতা' বুলি কোৱা হয়।

বৰ্তমান ভাৰতবৰ্ষ ভগ্ন প্ৰায় সমাজ, দ্বন্দ্বময় ৰাজনীতি, শিথিল অৰ্থনীতি আৰু দেশৰ নানা আভ্যন্তৰীণ সমস্যাত জৰ্জৰিত, দীৰ্ণ-বিদীৰ্ণ। ইয়াৰ লগতে তিলে তিলে হননকাৰী এই নৱাগত বিষধৰ ড্ৰাগছৰ আক্ৰমণৰ পৰা সমাজক, বিশেষকৈ যুৱসমাজক ৰক্ষা কৰাৰ উপায় কি? বহু পিতা-মাতা শিক্ষক-অধ্যাপক, অভিভাৱক আৰু দায়িত্বশীল ব্যক্তি আতঙ্কিত হৈ শৰণাপন্ন হৈছে মনস্তত্ত্ব বিশাৰদ আৰু সংশোধন ব্ৰতী একশ্ৰেণী চিকিৎসকৰ ওপৰত। এই নতুন বিষ ব্যাধিৰ নিৰাময়ৰ প্ৰয়াস চলাইছে যদিও অধিকাংশই জীৱনৰ খেলা অতিক্ৰম কৰি উটি গৈছে মহাকালৰ স্ৰোতত।

বৰ্তমান অতিকৈ প্ৰয়োজন মাদক দ্ৰব্যৰ আসক্তিৰ ভয়াৱহ পৰিণাম সম্বন্ধে অত্যাধিক প্ৰচাৰ। এনে কাৰ্যৰ বাবে আমাৰ প্ৰায়োজন স্থিৰভাৱে নিৰ্ধাৰিত লক্ষ্য, উৎসৰ্গিত প্ৰাণৰ এজাক সমাজ কৰ্মী, এদল বিশেষ মনস্তত্ত্ব-বিশাৰদ চিকিৎসক আৰু ৰোগীৰ পৰিয়ালৰ সক্ৰিয় সহযোগ। বিশেষভাৱে প্ৰচেষ্টা চলাব লাগিব দুৰ্নীতিমুক্ত সমাজ গঠন আৰু কঠোৰ হাতেৰে বন্ধ কৰিব লাগিব মাদক দ্ৰব্যৰ চোৰাং অনুপ্ৰৱেশ। অন্যথা তৃতীয় বিশ্ব, বিশেষকৈ ভাৰতৰ যুৱসমাজ ক্ৰমান্বয়ে অগ্ৰসৰ হ'ব আত্মহননৰ পথত। ■

একবিংশ শতিকাৰ এই নতুন সন্ত্ৰাসৰ কিবা ৰাজনীতি থাকিব পাৰেৎ কিন্তু তাত আৱেগৰ কোনো স্থান নাই, হৃদয়বৃত্তিৰ কোনো প্ৰশ্ন নাই। অইনক ঘৃণা কৰিবলৈ তেওঁলোকে নিজ দেশ বা ধৰ্মক ভাল পাব লাগিব বুলিও কথা নাই। কিয়নো এই নাৰকীয় সন্ত্ৰাসৰ জন্মদাতাসকলে ভালকৈয়ে জানে দেশ-জাতি বা ধৰ্মৰ নামতো এই নৃশংসতা দীৰ্ঘদিন চলাই ৰাখিব পৰা নাযাব। তাৰ বাবে লাগিব আমিৰ আজমল কাছভৰ দৰে আৱেগহীন ক্ৰুছেদাৰ। মুম্বাই আক্ৰমণৰ পাছতে এখন কাকতত কাছভৰ স্বীকাৰৰোক্তি ভিত্তিক এটা সৰু বাতৰি প্ৰকাশ পাইছিল।



# একবিংশ শতিকাৰ সন্ত্ৰাস

— ৰিম্পী সোণোৱাল
ষষ্ঠ ষাম্মাষিক

৩০ অক্টোবৰ গুৱাহাটী ২৬ নৱেম্বৰ মুম্বাই। একবিংশ শতিকাৰ নাৰকীয় সন্ত্ৰাস আৰু তেজেৰে একাকাৰ দুখন মহানগৰী। মহাত্মা গান্ধী, ৰবীন্দ্ৰনাথ, মোজাৰ্টৰ বংশধৰ মানুহৰ ধ্বংসাত্মক শক্তি কিমান ভয়ংকৰ হ'ব পাৰে তাৰ দুটা সাম্প্ৰতিক উদাহৰণ। ৩০ আক্টোবৰত গুৱাহাটীকে ধৰি অসমৰ চাৰিখন চহৰত ঘটা বিস্ফোৰণলানিত কিমান লোক হতাহত হ'ল বা কিমান লোক নিঠৰুৱা হ'ল সেয়া আজি ৰাজহুৱা স্মৃতিৰ অংগ হৈ পৰিল। কিছুদিন পাছত হয়তো সেই বীভৎসতা আমাৰ ৰাজহুৱা স্মৃতিৰ পৰাও অন্তৰ্হিত হৈ কেৱল পৰিয়াল-পৰিজনৰ মাজতে দুঃসহ স্মৃতি হিচাপে ৰৈ যাব আজীৱন। ২৬ নৱেম্বৰৰ নিশা মুম্বাইত পাকিস্তানৰ পৰা অহা মাত্ৰ দহজন সন্ত্ৰাসবাদীয়ে মুম্বাইৰ দৰে এখন জনবহুত আৰু বিশাল মেট্ৰ' নগৰীক কাৰ্যতঃ দুদিনৰ বাবে পণবন্দী কৰি ৰাখিছিল। তেওঁলোকৰ এ-কে ফিফ্‌টি ছিক্স ৰাইফল, গ্ৰেনেডত কেইবাশ লোক আক্ৰান্ত হ'ল। কুৰি অতিক্ৰম কৰা যুৱককেইজনে লগত কেইবাবিধো মাৰণাস্ত্ৰৰ উপৰি লৈ আহিছিল আক্ৰমণৰ সময়ত খাবলৈ ড্ৰাইফ্ৰুটছ্ এনাৰ্জী ড্ৰিংক আৰু মানুহ মাৰিবলৈ সীমাহীন জিঘাংসা। একবিংশ শতিকাৰ এবিধ সম্পূৰ্ণ নতুন প্ৰযুক্তি নিৰ্ভৰ সন্ত্ৰাসৰ ৰূপ মানুহে দেখিবলৈ পালে গুৱাহাটী আৰু মুম্বাইত। কেৱল ধ্বংস, চকুৰ আগত যাকে পোৱা যায় তাকে নৃশংসভাৱে নিৰ্মূল কৰাৰ নিষ্ঠুৰতা। বৃদ্ধ, নাৰী, শিশু, ধনী-নিচলা, হিন্দু-মুছলমান-খ্ৰীষ্টিয়ান-ইহুদী কাৰো প্ৰতি অনুকম্পা নাই। মাত্ৰ লাগে মৃত্যু আৰু ধ্বংস।

একবিংশ শতিকাৰ এই নতুন সন্ত্ৰাসৰ কিবা ৰাজনীতি থাকিব পাৰে ; কিন্তু তাত আৱেগৰ কোনো স্থান নাই, হৃদয়বৃত্তিৰ কোনো প্ৰশ্ন নাই। অইনক ঘৃণা কৰিবলৈ তেওঁলোকে নিজ দেশ বা ধৰ্মক ভাল পাব লাগিব বুলিও কথা নাই। কিয়নো এই নাৰকীয় সন্ত্ৰাসৰ জন্মদাতাসকলে ভালকৈয়ে জানে দেশ-জাতি বা ধৰ্মৰ নামতো এই নৃশংসতা দীৰ্ঘদিন চলাই ৰাখিব পৰা নাযাব। তাৰ বাবে লাগিব আমিৰ আজমল কাছভৰ দৰে আৱেগহীন ক্ৰুছেদাৰ। মুম্বাই আক্ৰমণৰ পাছতে এখন কাকতত কাছভৰ স্বীকাৰৰোক্তি ভিত্তিক এটা সৰু বাতৰি প্ৰকাশ পাইছিল। বাতৰিটো কাছভহঁতক দীৰ্ঘদিন ধৰি কেনেকৈ মুম্বাই অভিযানৰ বাবে প্ৰস্তুত কৰিছিল সেই বিষয়ে কিছুমান গুৰুত্বপূৰ্ণ কথা প্ৰকাশ পাইছিল। এই অভিযানৰ বাবে লস্কৰ-ই-তৈবাই বহুদিন কিছুসংখ্যক যুৱকৰ মনস্তত্ত্ব পৰ্যবেক্ষণ কৰি কেইজনমান যুৱকক নিৰ্বাচন কৰিছিল। তেওঁলোকে এনে কেইজনমান যুৱকক বাছি উলিয়াইছিল যিসকলৰ কোনো আৱেগিক দুৰ্বলতা নাই ; পৰিয়াল-আত্মীয়, বন্ধু-বান্ধৱী কাৰো সৈতে কোনো আৱেগিক সম্পৰ্ক নাই। প্ৰায় এবছৰ ধৰি কঠোৰ সামাজিক প্ৰশিক্ষণৰ পাছত দুমাহমান যুৱক কেইজনক কৰাচীৰ ওচৰত এটা বাংলোত বাহিৰা মানুহৰ পৰা সম্পূৰ্ণ বিচ্ছিন্ন কৰি অকলশৰীয়াকৈ ৰখা হৈছিল। সেই সময়ছোৱাত তেওঁলোকক ইচ্ছা আৰু পচন্দ অনুযায়ী বয়বস্তুৰ যোগান ধৰা হৈছিল। কাৰোবাক ব্ৰেণ্ডেড ছাৰ্ট-পেণ্ট, কাৰোবাক কৰাচীৰ বিখ্যাত ৰেস্তোৰাঁৰ সুস্বাদু বিৰিয়ানি আৰু কাছভক বলিউডৰ জনপ্ৰিয় হিন্দী ছবি। তাৰ পাছতে তেওঁলোকক সমুদ্ৰ পথেদি মুম্বাইলৈ পঠিয়াই দিয়া হৈছিল নৰসংহাৰৰ বাবে। লগত দিয়া হৈছিল এ-কে ফটী ছেভেন, এ-কে ফিফ্‌টী ছিক্সৰ দৰে অত্যাধুনিক মাৰণাস্ত্ৰ, পাকিস্তান সৈন্য বাহিনীয়ে ব্যৱহাৰ কৰা বিদেশী গ্ৰেণেড, গ্ল'বেল পজিছনিং ছিষ্টেমৰ দৰে অত্যাধুনিক সা-সঁজুলি। বাতৰিত প্ৰকাশ পোৱামতে সন্ত্ৰাসবাদীসকলে হেনো আক্ৰমণৰ সময়ত সম্পূৰ্ণ ড্ৰাগাসক্ত আছিল। অৰ্থাৎ ইছলামৰ নামত জেহাদত লিপ্ত হোৱা সন্ত্ৰাসবাদীসকলৰ আচৰণ ইছলাম সন্মত নাছিল। লস্কৰ ই-তৈবাৰ নেতাসকলে ভালকৈয়ে জানিছিল যে এনেদৰে নৰহত্যা কৰোৱাবলৈ হ'লে কাছভহঁতৰ আৱেগিক হোৱাৰ পথ ৰুদ্ধ কৰিলেই নহ'ব, তেওঁলোকক যুক্তিশীলতাই যাতে কোনো মুহূৰ্তত দুৰ্বল কৰি পেলাব নোৱাৰে তাৰ বাবে মগজুটোকো অকৰ্মণ্য কৰি ৰাখিব লাগিব।

এনে সন্ত্ৰাসবাদৰ আঁৰত এক ধৰণৰ নিখুঁত যান্ত্ৰিক পৰিকল্পনাই সদায় সক্ৰিয়। হৃদয়াৱেগ, যুক্তিশীলতা আদিৰ সৈতে সম্পৰ্কহীন এনে সন্ত্ৰাসবাদৰ উদ্দেশ্য স্পষ্ট, কিন্তু লক্ষ্য অস্পষ্ট। এই দানৱীয় সন্ত্ৰাসক হয়তো ইনষ্ট্ৰুমেণ্টেল সন্ত্ৰাস বুলি অভিহিত কৰিব পাৰি। এনে সন্ত্ৰাসবাদৰ সৈতে জাৰ শাসিত ৰাছিয়াৰ নৈৰাজ্যবাদীসকলৰ সন্ত্ৰাস বা ভাৰতৰ স্বাধীনতা আন্দোলনৰ জাতীয়তাবাদী কমিউনিষ্ট উগ্ৰপন্থীসকলৰ কোনো তুলনা নচলে। কুৰি শতিকাৰ জাৰ্মানীত হিটলাৰৰ নাজী বাহিনী আৰু পৰৱৰ্তী কালত কম্বোডিয়াত পল পটৰ আমোলত কমিউনিষ্ট খেমৰ ৰুজবাহিনীৰ নৃশংসতাৰ মাজত এনেধৰণৰ ইনষ্ট্ৰুমেণ্টেল সন্ত্ৰাস দেখিবলৈ পোৱা গৈছিল। এনে সন্ত্ৰাসে স্বাভাৱিকতে ৰাষ্ট্ৰৰ বাবেই নহয় সমাজৰ বাবেও নিত্য নতুন প্ৰত্যাহ্বানৰ সৃষ্টি কৰিছে। প্ৰচলিত প্ৰতিৰোধ ব্যৱস্থা, আইন আদিৰে এনে সন্ত্ৰাসৰ মোকাবিলা কৰা আজি যে আৰু সম্ভৱ নহয় সেই কথা দিনক দিনে স্পষ্ট হৈ পৰিছে। গুৱাহাটী, মুম্বাইৰ ঘটনাৰ পাছত আমাৰ নাগৰিক সমাজে ধৈৰ্য্য হেৰুৱাই চৰকাৰ আৰু ৰাজনৈতিক দলবোৰক দোষাৰোপ কৰিছে। একাংশ শিক্ষিত লোকে দেশ শাসনৰ দায়িত্ব সৈন্যবাহিনীক গতাই দিয়াৰ পোষকতা কৰিছে। জনসাধাৰণৰ অসহিষ্ণুতাই এই নতুন সন্ত্ৰাসৰ সন্মুখত আমাৰ ৰাষ্ট্ৰ সমাজ কিমান ভংগুৰ আৰু নিৰাপত্তাহীন সেই কথা স্পষ্ট কৰাৰ লগতে আমাৰ ৰাজনৈতিক নেতৃত্ব কিমান অসংবেদনশীল তাকো নগ্ন কৰি দিছে। কিন্তু বহুতে ভবাৰ দৰে কেৱল সামৰিক শাসন আৰু অভিযানৰ জৰিয়তে এই নতুন সন্ত্ৰাসৰ মোকাবিলা কৰাটো কিমান দূৰ সম্ভৱ হ'ব সেই বিষয়ে সন্দেহ আছে। এই সন্ত্ৰাসৰ নাৰকীয় ৰাজনীতি আৰু মনস্তত্ত্বক সমাজ জীৱনৰ পৰা দূৰ কৰিবলৈ হ'লে ৰাজনৈতিক নেতৃত্বৰ লগতে নাগৰিক সমাজেও গভীৰভাৱে চিন্তা কৰাৰ দৰকাৰ হৈছে। ■

# মৰাণসকলৰ
## সাংস্কৃতিক পৰম্পৰা

— জেউতী মৰাণ
স্নাতক তৃতীয় ষান্মাসিক, কলা

অসমৰ জনগোষ্ঠীয় বিবিধ বৈশিষ্ট্যৰ সমাহেৰে আৰৱা মৰাণসকল হৈছে বৃহৎ অসমীয়া জাতি গঠনৰ অন্যতম উপাদান। ইতিহাসে ঢুকি নোপোৱা খ্ৰীষ্টপূৰ্ব বহু হাজাৰ বছৰ পূৰ্বে উত্তৰ পশ্চিম চীনৰ পৰা তিব্বত হৈ লোহিতেৰে ভটিয়াই অসম প্ৰৱেশ কৰি অন্য জাতি-জনগোষ্ঠীৰ লগত সংপৃক্ত হৈ বসবাস তথা সুকীয়া ৰাজ্য গঠন কৰি মৰাণসকলে উদাৰতাৰে জাতি গঠনত সহায় কৰি জাতি গঠন কৰিলে।

এসময়ত আহোমসকলৰ লগত বৈবাহিক সম্বন্ধেৰে আৰু শাসনাধিষ্ঠ বিষয়বাব লৈ ঘাত-প্ৰতিঘাত সমন্বয়েৰে বাট বোলোৱাৰ ইতিহাস বুৰঞ্জীত সুন্দৰভাৱে উল্লেখ আছে। অতীজৰে পৰা প্ৰাচীন সৌমাৰ খণ্ডত বিয়পি পৰা মৰাণসকল ঐতিহাসিক সংমিশ্ৰণ নানান ঘাত-প্ৰতিঘাতৰ মাজেৰে আজিও স্বকীয় সাংস্কৃতিক বৈশিষ্ট্য বজায় ৰাখি বৰ অসমীয়া জাতি গঠনত অৱদান যোগাইছে।

অতীজৰে পৰা নৈ, বিল, পথাৰ, হাবিৰ সৈতে নিবিড় সম্বন্ধ থকা মৰাণসকলে বাঁহ, কাঠ, বেত, জেঙুগছৰ পাতেৰে সাজি লৈছিল নিজৰ বাসগৃহ। বাঁহৰ পথালিকৈ বোৱা বেৰেৰে প্ৰায় পাঁচ মাৰলীয়া কেঁচাঘৰ, জুহাল, ঢেঁকীশাল, তাঁতশাল আদিৰে বৃহৎ একোটা গৃহ আজিও দেখিবলৈ পোৱা যায়।

ধান, মাহ, সৰিয়হ, তামোল-পান, কুঁহিয়াৰ আদিৰ খেতিৰ ওপৰিও সুমথিৰাৰ বাৰীৰ খেতিৰে মৰাণসকলে স্ব-উৎপাদিত সামগ্ৰীৰে সুন্দুৰভাৱে প্ৰবৰ্তি থাকে। এই স্ব-উৎপাদিত কৃষিজাত সামগ্ৰীৰ পৰাই মৰাণ সমাজত বহু কেইটি অঞ্চলত বেতেৰে বনোৱা খোলা বা বেটেৰীৰ সহায়ত তেলিশাল পাতি



সৰিয়হ সৰহীয়াকৈ ভাজি চালি মাৰিৰে বান্ধি পকা তেল ঘৰতে তৈয়াৰ কৰি লোৱা দেখা যায়।

অন্য এক সঁজুলি বৰ্তমান অতিকৈ বিৰল। কাঠেৰে নিৰ্মিত কুঁহিয়াৰ পেৰাশালত মানুহ বা গৰু-মহৰ দ্বাৰাই কু: ঁহিয়াৰ পেৰি ঘৰতে গুৰ তৈয়াৰ কৰি ল'ব পাৰিছিল।

খাদ্য ৰূপত মাছ-মাংস খোৱাৰ ওপৰিও বনৰীয়া হাতী ধৰি বিভিন্ন প্ৰক্ৰিয়াৰে শিকাই বুজাই বিভিন্ন কামত লগোৱাত মৰাণসকল পাকৈত আছিল। অতীতত আহোম ৰজাক বছৰি বন লগোৱা হাতী যোগান ধৰিব লাগিছিল।

এক ওখল-মাখল পৰিৱেশেৰে মৰাণ সমাজৰ কিছুমান অঞ্চলত দ খাবৈ, ডুবা, বিলত হাতী নমাই পানী উজাৰি গাঁৱৰ তিৰোতাসকলে নাম গুণ গাই হাঁহি ধেমালিৰে জাকৈ জুলুকী লৈ মাছ ধৰা কাৰ্য অতি আনন্দমুখৰ হৈ পৰে।

এনে পৰম্পৰাত মাছ ধৰি শেষ হোৱাত হাতী কেৰেয়াত প্ৰতিজন গাঁওবাসীয়ে হাতীৰ ভাগ হিচাপ একোটাকৈ মাছ ভাগ হিচাপে যায়। মাছ ধৰিবলৈ নিবিচৰা আইতাহঁতেও বনৰীয়া শাক পাত বুটলি মনৰ আনন্দ প্ৰকাশ কৰে।

মৰাণ সমাজৰ ধৰ্মীয় ৰীতি-নীতি আৰু উৎসৱ পাৰ্বন জন্ম মৃত্যু বিবাহ আদি নীতি পৰম্পৰাৰে সুন্দৰভাৱে পালন কৰা দেখা যায়। অঞ্চল ভেদে কিছু ৰীতি-নীতি সলনি হোৱা দেখা যায় যদিও বিশেষত্ব একেই থাকে।

মৰাণ সমাজত তামোল পাণক বৰ মান্য হিচাপে লৈ প্ৰতি উৎসৱ-পাৰ্বনতে আগস্থান দিয়া দেখা যায়। সকলো কাম-কাজৰ প্ৰাৰম্ভতে নেদেখাজনলৈ তামোল-পাণৰ টোপোলা আগবঢ়াইহে কামত আগভাগ লোৱা দেখা যায়। সেই হিচাপে টেপৰ চালি নামে এবিধ বিশেষ লতা জাতীয় উদ্ভিদৰ ডাল আজিও তামোলৰ লগত

খোৱা দেখা যায়। যিয়ে নেকি পেটৰ ভিতৰখন চাফা কৰাৰ লগতে মুহুৰ্দিৰ কাম কৰে বুলি বিশ্বাস কৰে।

অতীজৰ শাক্তপন্থী মৰাণসকলে পৰৱৰ্তী সময়ত প্ৰায় অষ্টাদশ শতিকাৰ শেষলৈ মায়ামৰা বৈষ্ণৱ পন্থাৰ অনুগামী হয়। শ্ৰীশ্ৰী অনিৰুদ্ধদেৱৰ অনুগামী হৈ কৃষ্ণ ঈশ্বৰৰ শৰণাপন্ন হৈ মৃদংগ আৰু তালেৰে নাম প্ৰসংগ কৰাৰ নিয়ম প্ৰচলন কৰা হয়।

মৰাণসকলৰ গাঁৱৰ মণিকূটবিহীন নামঘৰত মৃতকৰ আত্মাৰ সদ্গতিৰ অৰ্থে তিলনি কৰাৰ পাছত বহুকেইটি মৃতকৰ পৰিয়াল লগ হৈ দহা কাজ পতা হয়। এনেদৰে পতা ঘৰুৱা সকাম নিকাম আদিতো নিজ নিজ ৰাজঘটৰ হৈ তাল আৰু মৃদঙ্গৰে গীত, নৃত্য, কৰাতো অন্য এটি ভক্তিমূলক পৰম্পৰা।

মৰাণসকলৰ বহু ধৰ্মীয় অনুষ্ঠান পুৰুষ প্ৰধান যদিও বহু অনুষ্ঠানত নাৰীৰো সুকীয়া স্থান আছে। বিশেষকৈ বিয়া খেৰি, লখিমী খেৰি, আইখেৰি, অপেশ্বৰী খেৰি, গোসাঁইপতা খেৰি,মগুৱা কাপোৰ বোৱা খেৰি আদি লোকগীতসমূহৰ ওপৰিও শান্তিবিয়া, আই সকাম, বুঢ়ী মেঠিসকাম, লখিমী সকাম, ভেকুলী আৰু শিল বিয়া আদিও কেৱল মহিলাৰ দ্বাৰা পালিত সৰু অনুষ্ঠান।

এই সমাজত যেতিয়া কোনো ফুকলীয়া ছোৱালী পুষ্পিতা হয় বৰ নীতি-নিয়মৰ মাজেৰে শান্তি বিয়াৰ জৰিয়তে শুচি কৰোৱা দেখা যায়। ছোৱালী পুষ্পিতা হ'লে নিৰ্দিষ্ট নীতি নিয়মেৰে ঘৰৰ চুকত আৰ কাপোৰ দি তিনি চাৰিদিনৰ পিছত উপবাসী কন্যাকাল হোৱা ছোৱালীজনীক খাৰ তেল মাহ হালধিৰে নোৱাই-ধোৱাই পাঁচ-সাতদিনৰ পাছত ভকত সেৱা কৰি শুচি কৰা হয়। অন্যহাতে কন্যাকাল হোৱা ছোৱালীক কঁকালৰ মেখেলাখন ওপৰলৈ ওজাই বুকুত পিন্ধাই জগত জাতিৰ স্বীকৃতি দি কন্যাকালৰ দোষ খণ্ডনৰ উদ্দেশ্যে গাঠিয়ন খুন্দা মুখ নালাগিবলৈ কুলা বুঢ়ী নচুৱাও দেখা যায়।

The Sumi or Sema Naga is one of the major naga tribes in Nagaland, India. The Sumi mainly inhabits the zunheboto district, although many have migrated outside Nagaland for work and education. They are also the most united and aggressive tribe. Since times immemorial, the other tribes have been afraid of the Sumi tribe. Despite their ferocity and aggressive nature in warfare, the sumi tribe is known for their simplicity and honesty their loyalty toward their tribesmen is unparalleld. The sumis practised headhunting like other Naga tribes before the arrival of the Christian missioncries and their subsequent conversion to christianity. Anthropological study of the sumi tribe is documented in the book "The Sema Nagas" by J.H. Hutton, who was a professor of social Anthropology in the university of Cambridge. The sumi is one of recognised scheduled tribes of India.

**Population**

According to the 2001 census of India, total population of Sumi Nagas is 2,42,000.

**Religion**

The ancestral religion of the Sumis was the worship of nature. With the arrival of Baptist missionaries in 20th century like other Naga, tribes, 99.9% Sumis are christians today. Very few of them still practise animism.

**Distribution**

Sumi Nagas mostly inhabit the central and Southern regions of Nagaland. Zunheboto covers places such as Dimapure, Kohima, Kiphire, Mok Okchung, Tvensang, etc. There are also seven Sumi villages in Tinsukia District of Assam.

**Festivals**

The Sumis celebrate many festivals which have been observed over generations. Most of these festivals usually mark the begining of new seasons, harvesting of new crops or victory at war. The two major festivals that are currectly popular are :-

**Tuluni**

Tuluni (July 8) is a festival of great significance for the Sumi. This festival is observed with feasts as the occasion occures in the bountiful season of the year. Drinking rice beer indispensably forms part of the feast. Rice beer is served in a goblet made of bamboo or made from the leaf of plantation. This drink is called Tuluni which gives the festival its name. Tuluni is also called "Anni", the word denoting the season of plentiful crops. This mid-year festival is a time of communal harmony and merry-making for the Sumi community. Slaughtering of pigs, cows and mithun is an important feature of this festival.

During this festival, the betrothed exchange basketful of gifts with meals.The fiancee is invited to a grand dinner and served with packed food and meats – wrapped the traditional way in plantation leaves. It was time of Joy even for servants and house keepers in the old days. On this day, they were fed extra generously with good food and meat.

The practice of working in groups is common for the Sumi agriculture farmers and Tuluni is a special time for them because they get to rest and celebrate the completion of a farming season of hard work in their paddy fields. For this festival, the farmer groups (Also called Aloji) pool in money or other resources together to exchange / buy. Pigs and cows to be slaughtered for the special day. The meat is equally divided among themselves and some portion is kept aside for the group feast. In the midst of the feast, group leaders get extra offer of meat by way of feeding them by others. Each working group consists of 20 to 30 in number which includes several women too. The new recrcuits are also made to join the group at this grand feast.

The betrothed are scttled at this period. The fervours of feasts is synchronised with a chain of folk songs and ballads. In modern times, friends and members from other tribes and communities are invited to attend the feast and are entertained with a variety of traditional songs and dances, they are also served with sumptuous authentic sumi cuisine of smoked pork and Axone with local herbs and vegetables.

By virtue of two separate clans the gennas and ritvals differ between Sumi and Tukumi. Among all other festivals and gennas, Sumis in general accept the festivals of Tuluni as the most grand and important one.

**Ahuna**

Ahuna (November, 14) is a traditional post-harvest festival of the Sumis. Ahuna signifies the celebration of the season's harvest in Thanks Giving, while invoking the spirit of good fortune is the new year. On this occasion, the entire community prepares and feasts on the first meal of rice drawn from the season's harvest cooked in bamboo segments. The receptacles for cooking or serving on this occasion are freshly made, curved or cut, from locally available resources prolific and abundant in the country side. Ahuna is celebrated on November 13 and 14 and now holds the status of the official festival of the Sumi Nagas because it falls in a dry season and accessibility for visitors in terms of road contitions are better. Of course, Tuluni is still the most respected festival for the local sumi. ■

# Chang Ghor

## — Granary House of the Hojongs



— Amit Kr. Hajong

B.A 6th Semester

CHANG GHOR is a typical stonic house of the HAJONG. It is generally used by the Hajong people to store their cultivated food grains. Hajong people are mostly agriculturists. Agriculture is their main livelihood in their CHANG GHOR. A chang ghor is considered by the Hajong as a TEMPLE. Everyday the owners offer 'Diya' to the Goddess LAXMI in the chang ghor. No body can enter into the chang ghor without taking bath. The rice still in husk is the main grains that are preserved in it.

The technology applied to construct a chang ghor is highly sophisticated. The chang ghor is mainly made of Bamboo and wooden structures. The root is made of kher (hay). The 'kher' is a kind of long grass. The wall of the house is made of 'Nol ben' or 'Jeng-ben', a small kind of Bamboo. A layer of mud is applied to cover the wall and floor of the chang ghor. At present it is very rare to find kher, Nol-ben and Jeng-ben in the forest. Due to their scarcity in the forest, now a days tin sheets and bamboos are used to build a chang ghor. The floor of the house is placed on the wooden pillars about 2/3 feet above the ground level. The key technology is hidden in it. The food grains are always to keep out of moisture as well as insects or rodents. We must have come across the process of germination which needs oxygen and water. Once the grains come into contact with moisture / water and available oxygen in the air, the process of germination takes place and the whole grains may get spoiled. Another technology is used by the Hajong people to preserve food grains. The technology is called "DHAN PURA".

It is seen that young generation of a community in the present age is attracted by busy urban life. Most of them prefer to live in urban areas. They don't like any more the natural greenery of the village and prefer to live in the concrete forests. Most of them prefer to leave their greenery village with a pretext to their study or livelihood. As a result, most of them are losing their Paddy lands that their fore fathers once possessed. This trend of plight is dangerous for the next generation. ■



# Commerce isn't only the means to Profit & Loss

—Deepshikha Boruah
B.Com. 1st Sem.

**What is Commerce?**

We all know that Commerce is the activity of buying and selling of goods and services. In simple words, 'Commerce' mean 'trade', which is concerned with business activities. Commerce is in our daily life. Without Commerce, no daily activity can take place. It plays a vital role in everyone's life. We also see its effect on every country's economic system.

**History**

In ancient times, people took up commercial activities in the simplest way. In those times, they did simple business transactions under the boundary of a particular place. But, now-a-days-all people are directly and indirectly involved with trade and commerce. We find its detail history in 'Kaytilya's Arathashastra' that records the king Chandra Gupta Mourya's regime. In that book, we find about Indias old commerce system. As regards Assam, it can be said that there was success in commercial activity, when Ahoms were ruling. They carried out business activities with 'East India Company' that later ruled Assam. Now, all over the world business activities are in the highest stage. In this era of globalization, business activities of every country are dependent on another.

**Positive and Negative effects :**

All commercial activities have negative effects as well as positive effects, of course, positive effects are more than the negative effects.

After the world wars, activities of commerce have increased rapidly all over the world. It has helped us to exchange different kinds of goods and services of one country into another country. Through export and import, every country can get goods and services of another country and use them in a specific manner. Commerce helps people to enjoy and taste the different things or products. It also improves a countrys economic system.

Commerce has some negative effects also. It affects every country directly or indirectly. It adversely affects price and demand of goods and services. Everyone can make profit and loss. But loss is too much dangerous for trading concern. It affects world's economic system in the negative way and break the relationship of a country with another country.

**General thoughts**

People generally think that Commerce is based on only profit and loss. But it isn't true. It is based on other facts also. The primary motive of commerce is to increase business activities. With the help of commerce, businessmen can share their ideas, innovate products and develop new technology. Now, these activities are rapidly changing. With the help of scientific technologies every country is increasing their activities. They use internet, social networking sites etc. to innovate and introduce their ideas and new products.

Commerce covers a huge part of activities of a country. It involves a great amount of creativeness. It helps the government to widen their developmental works. Business activities of a country leads to the increase of the creative work force of a country. Hence, it is a very complicated and difficult job to carry out commerce carefully. Finally, therefore, we can submit to the notion that commerce is not only the means of Profit and loss in a trading concern. A great part of it involves one's creativity and innovative ideas. ■



'Strength does not come from physical capacity. It comes from an indomitable will.'

— *Mahatma Gandhi*



# ART AS CAREER

—Birinchi Borah
H.S. 2nd year (Arts)

**Mime :**
**When silence speaks :**

MIME Is a speechless theatrical performance. It involves the acting out of a story, through body motions, without use of speech. This type of performer is typically referred to as a mummer. Miming is to be distinguished from the silent comedy. Mime was performed onstage, first by MARCEL MARCEAU and his character "Bib" has been greatly famous. Mime is also a popular art form in street theatre, This sort of performances involves the wearing of black cloths or white cloths as well as special facial makeup of the performers. However contemporary mime are often performed without whiteface. Similarly, while traditional mime have been serious performences contemporary mime acts are often comical although some can be very serious.

Mime is considered one of the earliest mediums of self-expression. Earlier when there was-only spoken language, mime was used to communicate what the primitive people needed or wanted. Instead of fading into obscurity when the spoken language was developed, mime became a form of entertainment. It then developed into a true theatrical form in ancient Greece, where performers enacted everyday scenes with the help of elaborate gestures. The principal mime were known as ethologues, and the scenes performed gave moral lessons.

Every medium or art has its own characteristics. In some art forms like drama, artistes can express themselves through dialogues. On the other hand, mime is a silent art.

The new generation is getting increasingly interested in mime. Many educational institutes also have mime in their curriculum these days. The ministry of culture too provides scholarships for such curriculum moreover, there are also various projects granted by different organisations including the ministry of culture.

There is immense possibility of developing and widening this art form in Assam and North East. One can form a career on this art form. In Guwahati itself, this art form has taken an entropreneurial turn. Baharul Islam is one such entrepreneur.

To conclude, the 'silence' of mime can speak not only on stage, but on one's life; I.e. one can have a carrer, a livelihood on it. ■

# Big Dam Project on the Lower Subansiri

## Inviting catastrophic dangers to Assam

—Gayatree Hazarika
B.Sc 3rd Semester , Zooology

Human civilizations and cultures grew on the banks of rivers. For an agricultural country like India, rivers are even more important. But the river water disputes have no ends – the Tehri dam dispute, cracks in the Konar-Narmada dams in Gujarat and Madhya Pradesh and recently the Lower Subansiri big dam project.

Big dam Project on the Lower Subansiri shall invite catastrophic dangers to not anly Assam but all the neighboring states. The downstream impact of dams in the Brahmaputra basin has been an issue of major concern in the recent years in Assam and Arunachal Pradesh. According to researchers when the large dams will block the flow of river, they will also trap sediments and nutrients vital for fertilizing downstream plains. The fragile and magical connection between the upstream and downstream waters is disrupted by large dams with a disastrous effect on the economy of the people in flood plains whose lives have been tailored to river flow.

"It was reported to the Environmental Appraisal Committee that the Lower Subansiri mega dam will affect the biodiversity of the area. Form water quality to hydrology the dam is going to influence everything", says Jatin Kalita, a zoology expert of Gauhati university and the Convener of the Expert Committee constiuted by All Assam Students Union (AASU). The constant protests by leading zoologists and botanists are not at all baseless because the dam would aggravate the problem of erosion in the downstream and release only 6 cumec litres against the natural flow of 400 cumec litres affecting both aquatic and terrestrial flora and fauna.

The Lower Subansiri basin in Assam supports immensely diverse ethnic populations that rely on traditional agriculture, fishery and allied activities as their main livelihood. Owing to poor road conditions, people use rivers including the Subansiri as means of communication and transportation routes. The mege dam will result in low flow of water during dry seasons restricting the movement of the water boats. When the government is talking about development by the Project, why isn't the transportation being improved? What developments has it really brought in the other sectors? the supporters of the big dam project resort to the excuse of irrigation. But they may have forgotten that in arid climate it can result in salinisation of soil and water, stunting or killing crops, what happened to the Nile delta due to construction of the Aswan high dam. Some may say that hydel power is the most eco-friendly energy, but they may be unaware about a 1996 study at the University of Manitoba which described the inundating changes of wetlands to major emitters of $CO_2$ and $CH_4$. The protests by noted environmentalists like Neeraj Vagholikar and Medha Patekar against the Subansiri project cannot be certainly ignored neither can we ignore the downstream communities whcih will have to live under constant fear for generations to come once the Subansiri Dam becomes operational.

The starting of the Lower Subansiri Project will prove once again that 'we have not inherited our land from our ancestors but borrowed it from our children.' ■

(Speech won the 2nd best debate in Dipankaar Borpujari Memorial 3rd All Assam Debate Competition)



# IMMORTAL MEMORIES

— Rimpi Sonowal
(Batch : 2011-2014)

It was 16th July, 2011 when I had first set foot in the institution, Digboi College, one of the famous colleges in the north-east region of Assam Today, in 2014, I cherish every thought that relates me to this college. Even though I am no longer a part of it physically, the mental and emotional connection will exist forever. It is in this college where I spent the major part of my youth. It is here where I learnt to make friends, respect elders and care for young ones. It is here where I learnt to love and share, give and receive, and most importantly, to make my place in this world.

Today, When I reflect on those wonderful days in the college, I cannot believe that I have been away from the college now. The thoughts and memories are still fresh in my mind. I still remember those sunny days when we used to roam along the corridors, move from one classroom to another and "smile" to everyone we met. Those chilly winter mornings in the balcony, we tried to get the warmth of the sun while enjoying the far off landscape of the green fields, those rainy days when we used to scream louder than the thundering clouds, getting wet all through in rain water will be the best memories in my heart till my last breath. Then there were the classes, where we used to be enlightened by the most able teachers. I don't want to mention any particular teacher's name here, as they were all very awesome, and left a deep impression on my mind. Even with my friends Shompi, Rijumoni I attended Political Science classes secretly though it wasn't my subject. Today, I don't think it will be wrong into say that I have been moulded by them, and my personality has been shaped up by them. I thank all the teachers and staff of Digboi College, and everyone associated with the college. I will be gratefull to the teachers, the Principal, the Administrator of the College and everyone else as they supported me and made me what I am today. I will be indebted to them forever.

It will also be true to say that my life in the college was made by my friends, who stood by my side, in times of need shared all my joys and sorrows, supported me in every area of my personal and academic life. Even though I have been away from them for a long time now, still I feel that my life is incomplete without them. I miss all my friends and classmates and my younger and I hope that I will get an opportunity to meet them one day. I also miss those wonderful cultural programmes of the college, I miss those traditional classical and folk dances, those fusion dances, those creative performs, those are the things that I didn't come across after I had left the college.

Overall, Digboi College will remain a part of my life forever, a memory close to my heart, a dream which I want to be repeated once more. It is a part of my being... . my life .... my soul ... it is an immortal memory... ■

# মহাবিদ্যালয় সপ্তাহ – ২০১৪


অলিম্পিক শিখাৰ প্ৰজ্বলনৰ এটি মুহূৰ্ত


অৰ্থনীতি বিভাগৰ প্ৰাচীৰ পত্ৰিকা উন্মোচনৰ এটি মুহূৰ্ত



মহাবিদ্যালয় সপ্তাহৰ এটি দৃশ্যাংশ



বাৰ্ষিক আলোচনী উন্মোচনৰ এটি দৃশ্য


বঁটা বিতৰণী সভাৰ এটি দৃশ্যাংশ


জনগোষ্ঠী সাজপাৰ প্ৰতিযোগিতাৰ এটি দৃশ্য


কাবাদি খেলৰ এটি দৃশ্যাংশ



পুৰস্কাৰ বিতৰণী সভাৰ এটি দৃশ্য

## আন্তঃমহাবিদ্যালয় যুৱ মহোৎসৱ তিনিচুকীয়া মহাবিদ্যালয় – ২০১৪



পুৰস্কাৰ গ্ৰহণ কৰাৰ এটি দৃশ্য



নাটকৰ এটি দৃশ্য



পুৰস্কাৰ গ্ৰহণ কৰাৰ এটি দৃশ্য



বিহু নৃত্যৰ এটি দৃশ্য

## ড° ভূপেন হাজৰিকাৰ মৃত্যু দিৱস উদ্‌যাপন




ভূপেন্দ্ৰ সংগীত পৰিবেশন কৰাৰ এটি দৃশ্য




ভূপেন্দ্ৰ নৃত্য পৰিবেশন কৰাৰ এটি দৃশ্য




সমবেত ভূপেন্দ্ৰ সংগীত পৰিবেশন কৰাৰ এটি দৃশ্য

# প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ মিলন সমাৰোহ



অনুপম চক্ৰৱৰ্তীৰ সৈতে দেওবৰীয়া আড্ডা




মিলন সমাৰোহৰ এটি দৃশ্য




মিলন সমাৰোহৰ এটি দৃশ্য




গীত পৰিবেশনৰ এটি দৃশ্য




প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ স্মৰণিকা গ্ৰন্থৰ উন্মোচন



অনুপম চক্ৰৱৰ্তীৰ সৈতে প্ৰাক্তন ছাত্ৰ-ছাত্ৰী




মিলন সমাৰোহৰ এটি দৃশ্য



50

1965-2015, Celebrating Golden Jubilee Year

## সোণালী জয়ন্তী উদ্বোধনী অনুষ্ঠান




সংগীত পৰিবেশনৰ এটি দৃশ্য




ভাষণ দিয়াৰ এটি দৃশ্য



বাঁহী পৰিবেশনৰ এটি দৃশ্য



উদ্বোধনী অনুষ্ঠানৰ ভিতৰচ'ৰা

## নৱাগত আদৰণী সভা



কোৰাচ পৰিবেশনৰ এটি দৃশ্য




সাধাৰণ সম্পাদকৰ বক্তৃতাৰ এটি দৃশ্য




নৱাগত আদৰণী সভাৰ এটি দৃশ্য



কৃতি ছাত্ৰ–ছাত্ৰীৰ বঁটা–বিতৰণী অনুষ্ঠান

## আন্তঃমহাবিদ্যালয় বেড-মিন্টন প্ৰতিযোগিতা (ডিগবৈ মহাবিদ্যালয়)




বঁটা গ্ৰহণ কৰাৰ এটি দৃশ্য



খেলৰ এটি মুহূৰ্ত



খেলৰ এটি মুহূৰ্ত




বঁটা গ্ৰহণ কৰাৰ এটি দৃশ্য

## বিভিন্ন অনুষ্ঠানৰ ফটোৰ বেষ্টনি



ফটো প্ৰদৰ্শনীৰ এটি দৃশ্য




বিদায় সভাৰ এটি দৃশ্য



আই, কিউ, এ, চি বাৰ্তালাপৰ এটি দৃশ্যাংশ




গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্যৰ বক্তৃতাৰ এটি দৃশ্য

# বিভিন্ন অনুষ্ঠানৰ ফটোৰ ৰেঙণি



চৰাইপুং শৈক্ষিক কাৰ্যসূচী












মহাবিদ্যালয়ৰ সৰস্বতী পূজা










# এটা আধা লিখা কবিতা

— পাৰ্থ প্ৰতিম গগৈ
তৃতীয় যাণ্মাসিক (বিজ্ঞান শাখা)

আজি ইমান বছৰৰ পাছত তাইক হঠাতে, এনেকৈ এইটো ৰূপত লগ পাই যাব বুলি সি সপোনতো কল্পনা কৰিব পৰা নাছিল। আজি সুদীৰ্ঘ পোন্ধৰ বছৰৰ পিছতো কোনো অসুবিধা নোহোৱাকৈ সি তাইক ঠিকেই চিনি পাইছে। একেই মুখমণ্ডল, একেই চিক্‌মিকাই থকা চকুযুৰি আৰু সেই দীঘল চুলিতাৰিয়ো একেই আছে, মাথো তাত সময়ে কিছু হাত বুলাই তাৰ অস্তিত্বক জাহিৰ কৰি তুলিছে, তাৰ অভেদ্যতাক সদম্ভে ঘোষণা কৰি থৈ গৈছে।

বিশিষ্ট অতিথি হিচাপে সভালৈ আমন্ত্ৰিত হোৱা নীলিকেশ বৰুৱাই মগ্ন হৈ এজন বক্তাৰ ভাষণ শুনি থাকোতেই কোনোবাই পিছফালৰ পৰা মাত লগাইছিল — নীল ভালে আছানে? পিছলৈ ঘূৰি চাই সি যিখন মুখ দেখিছিল সেইখন মুখ আৰু কাৰো নাছিল — তিৰবিৰাই থকা চকু কেইটাৰ সৈতে সেয়া আছিল দীপশিখা। হঠাতে তাইক এনেকৈ পায় সি আচৰিত হৈছিল, কিন্তু মুহূৰ্ততে সি তাইক চিনি পাইছিল।

আজি সুদীৰ্ঘ পোন্ধৰ বছৰৰ পিছতো সি তাইক পাহৰি যোৱা নাছিল, পাহৰিব পৰা নাছিল।

সভাৰ শেষত তাই নিজেই নীলিকেশৰ ওচৰলৈ আহিছিল — বাঃ কিমান বছৰৰ পাছত লগ পালো চোৱাচোন, তুমি কিন্তু মোক ভাল পাহৰি যোৱা নাই।

আৰে কিয় পাহৰিম, ইমান ভাল বন্ধু এজনক পাহৰিব পাৰিনে।

কিমান কথা ওলোৱাৰ সম্ভাৱনা আছিল সিহঁতৰ মাজত কিন্তু নহ'লগে। হঠাতে তালৈ অহা ইমাজেন্সি ক'লটোৱে তাক তাইৰ পৰা আঁতৰাই লৈ গ'ল। কিন্তু যোৱাৰ সময়ত সি তাইৰ পৰা ম'বাইল নম্বৰটো ল'বলৈ নাপাহৰিলে।

সিহঁত লগ পোৱাৰ ঠিক এমাহ মানৰ পিছত হঠাতে এদিন নীলিকেশৰ ফ'নত দীপশিখাৰ সেই চিনাকি কণ্ঠস্বৰ ভাঁহি আহিল। ইজনে সিজনৰ ভাল-বেয়া খবৰ পোৱাৰ পিছত হঠাতে দীপশিখাই সুধিলে — আগৰ দৰে এতিয়াও কবিতা লিখানে? ইমান দিনৰ পাছত তাইৰ কথাষাৰেহে আচলতে তাক সোঁৱৰাই দিলে যে এসময়ত সি কবিতা লিখিছিল। তাৰ কবিতাৰ অনুৰাগীৰ সংখ্যা যে কিমান আছিল, কিমানে যে

তাক কবিতা লিখিবলৈ খাতিৰ কৰিছিল। হৃদয়ৰ সমস্ত আৱেগ ঢালি লিখি উলিওৱা তাৰ প্ৰতিটো কবিতাই সকলোৰে সমাদৰ লাভ কৰিছিল। কিন্তু তাৰ শেষৰ কবিতাটো, শেষৰ কবিতাটো জানো সি শেষ কৰিব পাৰিছিল, সি মাথো আৰম্ভহে কৰিছিল —

হৃদয়ৰ একোণত থিতাপি লোৱা
হৃদয়ৰ কেনভাছত অংকিত হোৱা
তোমাৰ সেই ছবি
আজি তুমি আঁতৰি যোৱাৰ পাছতো
মোৰ হৃদয়ৰ পৰা....

উকা হৈ ৰৈছিল বাকী অংশ। এতিয়া আৰু একো মনত নাই — সকলোবোৰ ধূসৰ স্মৃতি, এটা হেৰুৱা সপোন, কালগহ্বৰত আবদ্ধ হোৱা এটি স্মৃতি মাথোঁ। সেই কথা এতিয়া আৰু সি মনত পেলাব নোখোজে। কিন্তু তাৰ অবুজ মনটোৱে কিয় জানো আজি হাহাকাৰ কৰি উঠিছে।

জীৱনৰ কোবাল সোঁতে কেতিয়াও স্তব্ধ কৰিব নোৱাৰা তাৰ জীৱন পৰিক্ৰমাত আজি যেন হঠাতে আউল লাগি গৈছে। জীৱনৰ বাটত কেতিয়াও পিছলৈ ঘূৰি চাব নোখোজা নীলিকেশে আজি ক্ষন্তেকৰ বাবে হ'লেও থমকি ৰ'বলৈ বাধ্য হৈছে। ধূসৰ স্মৃতি বুলি যিবোৰ কথা সি কালগহ্বৰৰ বুকুত কেতিয়াবাই এৰি থৈ আহিছিল, সেই ধূসৰ স্মৃতি আজি পুনৰোজ্জীৱিত হৈ তাৰ মানস পটত বাৰে বাৰে ভাঁহি উঠিছে, বাৰে বাৰে তাক আমনি কৰিছে -- দীপশিখাৰ মুখখনে আৰু অৱয়বটোৱে বাৰে বাৰে তাৰ চকুৰ সন্মুখত ধৰা দিছে। বিশেষকৈ তাইৰ শৰীৰৰ বগা সাঁজযোৰে তাৰ মনত প্ৰবল জোৱাৰৰ সৃষ্টি কৰিছে।

সিফালৰ পৰা ভাঁহি অহা কণ্ঠস্বৰতহে সি পুনৰ সম্বিত ঘূৰাই পালে। তেতিয়াও তাই কিবা কৈ আছিল কিন্তু সেইবোৰৰ একোৱেই সি নুশুনিলে — মাথোঁ অহা সোমবাৰে যে তাই নীলিকেশক লগ কৰিব বিচাৰিছে সেইটোহে বুজিব পাৰিলে। তাইৰ কথাত সহাঁৰি জনাই ফোনটো অফ কৰি সি অলসভাৱে নিজকে বিছনাত এৰি দিলে।

লগে লগে সমগ্ৰ অতীতৰ ঘটনা প্ৰবাহ তাৰ মনত ভাঁহি আহিব ধৰিলে। তাৰ জীৱনৰ পৰা হেৰাই গ'ল বুলি ভবা সেই মিঠা, ভাল লগা অনুভৱবোৰে যেন পুনৰ তাৰ হৃদয়ৰ একোণত ভুমুকি মাৰিলেহি। এক পুৰণি অথচ ভাল লগা বিষ এটাই যেন তাৰ বুকুত পুনৰ উক্-মুকাবলৈ ধৰিলে।

তাৰ এতিয়াও মনত আছে দীপশিখাৰ সৈতে তাৰ প্ৰথম দৰ্শনৰ মুহূৰ্ত। প্ৰথম চাৱনিতে কিয় জানো, দীপশিখাক তাৰ কিবা এটা ভাল লাগি গৈছিল। সেই যে সি তাইক দেখিছিল, এক অবুজ অথচ ভাল লগা শিহৰণে তাক শিহৰিত কৰি তুলিছিল। লগৰ আন ছোৱালীৰ দৰে সি দীপশিখাৰ লগত সহজ হ'ব পৰা নাছিল। দীপশিখাক দেখাৰ লগে লগে তাৰ মুখৰ মাত হেৰাই গৈছিল। মনটো উৰা মাৰিছিল সপোনৰ ৰাজ্যলৈ, সি ক'ব নোৱাৰাকৈয়ে তাৰ মুখত বিৰিঙি উঠিছিল হাঁহি।

এমোকোৰা হাঁহি অথবা ভাল-বেয়াৰ খবৰ লোৱাৰ মাজতেই সীমাবদ্ধ আছিল সিহঁতৰ ভাৱ-বিনিময়।

সময় পাৰ হৈ গৈছিল — আৰু সময় পাৰ হৈ যোৱাৰ লগে লগে সি বুজিব পাৰিছিল দীপশিখাৰ প্ৰতি তাৰ দুৰ্বলতাৰ কাৰণ। আলেঙে-আলেঙে সিও লক্ষ্য কৰিছিল দীপশিখাই যেন তাক অলপ অন্য দৃষ্টিৰে চায়, সিও যেন বিচাৰি পাইছিল দীপশিখাৰ সজল দুচকুত তাৰ প্ৰতি কিছু আৱেগ কিছু ভালপোৱা। কিন্তু সি তাইক একো কোৱা নাছিল, ক'ব পৰা নাছিল। তাৰ মনৰ কথাবোৰ তাৰ হৃদয়ৰ অতল গহ্বৰত সাঁচি ৰাখিছিল গোপনে, অতি গোপনে।

তাৰো মন গৈছিল হৃদয়ত বাঢ়ি অহা মৰমৰ বতৰা দিবলৈ, দীপশিখাৰ প্ৰেম-ভালপোৱাৰ সান্নিধ্যত যৌৱনক-জীৱনক ৰঙিয়াল কৰি তুলিবলৈ। সিও সজাব খুজিছিল জীৱনটোক সপোনৰ ৰামধেনুৰ ৰঙেৰে, কৰিব বিচাৰিছিল সেই সপোন পূৰ্ণ প্ৰস্ফুটিত কিন্তু সি থমকি ৰৈছিল, থমকি ৰৈছিল তাৰ সকলোবোৰ আশা-আকাংক্ষা।

কৃষিজীৱী ঘৰখনৰ জ্যেষ্ঠ পুত্ৰ হোৱাৰ হেতু নিজৰ লগতে তাৰ পিছৰ দুটা ভায়েক আৰু দুজনী ভনীয়েকৰ প্ৰতিও তাৰ যথেষ্ট কৰণীয় আছিল আৰু সেই কৰ্তব্যৰ খাতিৰতে সি নিজকে আঁতৰাই ৰাখিছিল দীপশিখাৰ পৰা। তাৰ সকলোবোৰ আশা-আকাংক্ষাক সমাধিস্থ কৰিব লগা হৈছিল একমাত্ৰ কৰ্তব্যবোধৰ দোহাই দি। সি কঠোৰ হ'ব লগা হৈছিল নিজৰ ওচৰত।

আৰু এনেকৈয়ে সময়ৰ গতিশীলতাত এদিন কলেজীয়া জীৱনৰ অন্ত পৰিছিল। সকলোবোৰ এৰা-এৰি হৈছিল, নিজৰ পথেৰে আগবাঢ়ি গৈছিল। সিও কোম্পানীৰ চাকৰি এটা পায়, ব্যস্ত হৈ পৰিছিল।

এদিন হঠাতে লগ পাই দীপশিখাই তাক সুধিছিল তাৰ ভৱিষ্যত পৰিকল্পনাৰ বিষয়ে। বিনাদ্বিধাই সি তাৰ ঘৰৰ সকলোবোৰ কথা তাইৰ আগত প্ৰকাশ কৰিছিল। ঘৰখনৰ প্ৰতি তাৰ কৰ্তব্য আৰু দায়িত্বৰ কথা কৈছিল — কিন্তু বহুবোৰ কৈয়ো যেন সি বহু কোৱা নাছিল। কিবা এটা যেন আধৰুৱা হৈ ৰৈছিল।

তাৰ কথা শুনি দীপশিখা মৌন হৈ ৰৈছিল। সি উপলব্ধি কৰিছিল সেই মৌনতাই যেন তাক কিবা ক'ব খুজিছিল। সেই মৌনতাৰ ভাষা বুজিবলৈ

চেষ্টা কৰিও কিন্তু সি বিফল হৈছিল।

কেনেবাকৈ বাৰু দীপশিখাই তাৰ মনৰ কথা বুজিব পাৰিছিল নেকি? নাই-নাই সেয়া হ'ব নোৱাৰে সিতো তাইক একো কোৱা নাছিল। সেয়া তাৰ ভুল ধাৰণাৰ বাহিৰে একো হ'ব নোৱাৰে বুলি সি ভাবি লৈছিল।

গতানুগতিকভাৱেই সময়বোৰ পাৰ হৈ গৈছিল। কোম্পানীৰ চাকৰিৰ বাবে বেছিভাগ সময়েই অসমৰ বাহিৰত থকাৰ বাবে সি দীপশিখাৰ একো খবৰ পোৱা নাছিল। আৰু এদিন কেনেবাকৈ তাৰ কাণত আহি পৰিছিল দীপশিখাৰ বিয়াৰ খবৰ। অসহ্য হ'লেও সি সেই সত্যক মানি লৈছিল, মানি ল'বলৈ বাধ্য হৈছিল। যন্ত্ৰণাই প্ৰেমৰ শ্ৰেষ্ঠ উপহাৰ বুলি সি ভাবি লৈছিল। আশা কৰিছিল দীপশিখা যেন সদায় সুখেৰে থাকক, ওঁঠৰ হাঁহিটি যেন সদায় বিৰিঙি থাকক।

ব্যস্ততাৰ চাকনৈয়াত পৰি, নিজৰ ভাই-ভনীকেইটাক মানুহ কৰাৰ স্বাৰ্থত সি সেইবোৰ কথাত আৰু কেতিয়াও মূৰ ঘমোৱা নাছিল। অন্ততঃ সি তেনেকৈয়ে নিজক সান্ত্বনা দিছিল। নিজেই দোপত দোপে আগুৱাই যোৱাৰ লগতে নিজৰ দায়িত্বও সি সুকলমে পালন কৰিছিল। সময়ত ভাই-ভনীকেইটাৰ সকলোৰে এখন ঘৰ হৈছিল — এখন সুখৰ সংসাৰ হৈছিল। সকলো নিজকেই লৈ ব্যস্ত হৈ পৰিছিল। কিন্তু সি! ব্যস্ততাকেই তাৰ একমাত্ৰ লগৰী কৰি জীৱন সংগ্ৰামখন অব্যাহত ৰাখিছিল।

নিঃসংগতাৰ ওচৰত সি কেতিয়াও পৰাজয় বৰণ কৰা নাছিল কাৰণ তাৰ দুচকুত তেতিয়াও দীপশিখাৰ প্ৰতিচ্ছবিখন সজীৱ হৈ আছিল। তাৰ জীৱনৰ প্ৰেৰণাৰ উৎস হিচাপে আছিল দীপশিখাৰ সজল দুচকু আৰু তাকেই সাৰথি কৰি সি আগবাঢ়ি গৈছিল। সি জীৱনত সকলো পাইছিল মান-সন্মান, টকা-পইচা সকলোবোৰ। কিন্তু সকলোবোৰ পাইয়ো যেন কিবা এটাৰ অভাৱ ৰৈ গৈছিল। কিবা এটা যেন আধৰুৱা হৈ ৰৈছিল।

ইমান দূৰ আগবাঢ়ি আহি সেয়েহে আজি সি অতীতলৈ ঘূৰি চাবলৈ বাধ্য হৈছে। জীৱনৰ খতিয়ানত আজি হঠাতে যেন ক'ৰবাত আউল লাগি গৈছে। কিন্তু এতিয়া সি কি কৰিব? এতিয়া বাৰু সি দীপশিখাক সকলোবোৰ কথা খুলি ক'ব নেকি? যিবোৰ কথা সি ইমানদিনে বুকুৰ মাজত অতি গোপনে সাঁচি ৰাখিছিল সেইবোৰ বাৰু সি দীপশিখাৰ আগত প্ৰকাশ কৰিব নেকি? আধৰুৱা হৈ ৰৈ যোৱা কবিতাটোক শব্দৰ বাঙ্ময়তাত বাৰু সি পুনৰোজ্জীৱিত কৰিব নেকি? হ'ব পাৰে সেইবোৰ সমাজৰ আগত অলপ আঁচহুৱা কথা কিন্তু সেইবোৰৰ প্ৰতি ভ্ৰূক্ষেপ কৰা মানুহ সি নহয়। কিন্তু দীপশিখাই বাৰু তাক কি বুলি ভাবিব, তাইৰ দুৰ্বলতাৰ সুযোগ লোৱা বুলি নাভাবিবনে? নাই নাই সি ইমান স্বাৰ্থপৰ হ'ব নোৱাৰে, অন্ততঃ দীপশিখাৰ ক্ষেত্ৰত। প্ৰাপ্তি মানেইতো সকলো নহয়।

সেয়েহে সি সিদ্ধান্ত লৈ পেলালে। সি আৰু দীপশিখাক লগ নকৰে, কাৰণ সি কেতিয়াও নিজকে ইমান দুৰ্বল কৰিব নোৱাৰে। পুনৰ আঁতৰি যাব সি দীপশিখাৰ পৰা আগৰ দৰে একো নোকোৱাকৈ। যিবোৰ কথা আগতে কোৱা নহ'ল, থাকক সেইবোৰ অপ্ৰকাশ্য অনুভৱতাৰ পৰৱৰ্তী জীৱনৰ প্ৰেৰণাৰ উৎস হিচাপে। তাকেই লৈ সি জীয়াই থাকিব। আধৰুৱা হৈ ৰৈ যোৱা তাৰ শেষ কবিতাটো আধৰুৱা হৈ থাকক, তাক আৰু সি শব্দৰ মায়াজালেৰে জীয়াই তুলিব নোখোজে। দীপশিখাৰ প্ৰতি তাৰ ভালপোৱা সদায় ভালপোৱা হৈয়েই থাকি যাওক তাৰ হৃদয়ত, সেয়াই হ'ব তাৰ বাবে চৰম প্ৰাপ্তি।

কথাটো ভাবি বহুদিনৰ মূৰত আজি তাৰ মনটো ফৰকাল হোৱা যেন লাগিল। কোঠাৰ ভিতৰৰ পৰা ওলাই সি ওপৰৰ আকাশখনলৈ চালে। সৰু-সৰু তৰাবোৰ চিক্-মিকাই, পোহৰাই তুলিছে সুবিশাল আকাশখন। সি দিছে আকশখনক এটি বিৰল আৰু সুকীয়া সৌন্দৰ্য। যি দৰে তাৰ মনত জিলিকি থকা দীপশিখাৰ প্ৰতিচ্ছবিখনে তাৰ জীৱনক দিছে এক অন্তহীন নতুনত্ব আৰু অন্তহীন প্ৰেৰণা। সি অনুভৱ কৰিলে আধৰুৱা হৈয়ো যেন তাৰ কবিতাই আজি পুৰ্ণতা লাভ কৰিলে। ■

# সপোনৰ
## শেষ পথ বিচাৰি . . .



— জুপি কোঁৱৰ
স্নাতক পঞ্চম ষাণ্মাসিক (কলা শাখা)

তেতিয়া সন্ধিয়াৰ আন্ধাৰে আকাশ আৱৰি ধৰিছে। খিৰিকীখন খুলি বাহিৰলৈ চাই পঠিয়ালে ৰীণাই। খোলা খিৰিকিয়েদি এজাক চেঁচা বতাহ সোমাই আহিল। বাহিৰত চিপচিপিয়া বৰষুণ পৰিবলৈ আৰম্ভ কৰিছে। ভিজা মাটিৰ এক মিঠা সুবাস চাৰিওফালে ওপঙি ফুৰিছে। আকাশত বিজুলীৰ ছাঁ-পোহৰৰ খেলা। আনন্দতে গছবোৰে যেন হালি-জালি গীতহে গাইছে। তালত তাল মিলাই এটি দুটিকৈ সৰিছে সোণাৰুৰ হালধীয়া ফুল। প্ৰকৃতিৰ এনে মায়াময় ৰূপকো আওকাণ কৰি এক প্ৰস্তৰ মূৰ্তিৰ দৰে ৰৈ আছে ৰীণাই। মনৰ মাজত এক বুজাব নোৱাৰা শূন্যতা। বুকুৰ পৰা উজাই অহা দুখবোৰ দুধাৰি চকুলো হৈ সন্তৰ্পণে বাগৰি আহিল। অস্ফুট স্বৰেৰে এটি দীঘল হুমুনিয়াহ কাঢ়িলে।

চাৰিটা প্ৰাণীৰে ৰীণাহঁতৰ ঘৰখন। ৰীণাহঁত গাঁৱত বাস কৰে। মাক-দেউতাক আৰু তাইৰ ভায়েক এটা। দেউতাকে দিন হাজিৰা কৰি পৰিয়ালটো পোহপাল দিয়ে। তদুপৰি ঘৰত হোৱা শাক-পাচলি, ফল-মূল বিক্ৰী কৰি ঘৰখন চলে। ৰীণাৰ মাক পকৈত শিপিনী। তাঁত শালত বোৱা কাপোৰ-কানিও বিক্ৰী কৰে। সি যথেষ্ট নহ'লেও ৰীণাহঁতৰ ঘৰখন সুন্দৰকৈ চলি যায়। ৰীণাক লৈ মাকৰ চকুত হেজাৰ সপোন। নিজৰ জীয়েকক পঢ়াই ডাঙৰ মানুহ কৰিব বিচাৰে। আনৰ নিচিনা নিজৰ জীয়েককো ডাঙৰ হোৱাতো বিচাৰে। ঘৰৰ আৰ্থিক অৱস্থা বেয়া যদিও ৰীণাইও কোনোদিনে মাকৰ ওচৰত বস্তু বিচাৰি ওজৰ-আপত্তি নকৰে। একমাত্ৰ মাক-দেউতাকৰ মুখলৈ চাই, ঘৰখনৰ অৱস্থাটোলৈ চাই ৰীণাই দুখৰ মাজতো সুখৰ সন্ধান বিচাৰি ফুৰে। তাইৰ চকুত অজস্ৰ সপোন। আনৰ দৰে তাইও সপোন ৰচে। সপোন ৰচাতটো কোনো দুখ নাই, বাধা নাই। সেইবাবেই তাইও সপোন ৰচে।

চ'তৰ বিহুৰ ওচৰ চপাৰ লগে লগেই ৰীণাৰ মনটো বেদনাৰে ভৰি পৰে। মনটোক ভাল লগাবলৈ বুলি তাইৰ সৰুকালৰ ওচৰৰে বান্ধৱী জিনাৰ ঘৰলৈ যায়। কিন্তু তাতো তাই শান্তি নাপায়। জিনা হ'ল অজস্ৰ ধন-সম্পত্তি থকা পৰিয়ালৰ ছোৱালী। কিন্তু জিনাই ৰীণাক কোনোদিনে বেয়া ব্যৱহাৰ কৰা নাই। নিজৰ ধন-সম্পত্তিক লৈ কেতিয়াও গৌৰৱ নকৰে ৰীণাৰ আগত। ৰীণাৰ প্ৰতিটো সুখ-দুখৰ ভাগ লয় তাই। তথাপিও যেন ৰীণাই অস্বস্তিবোধ কৰে। জিনাৰ দৰে তাইৰো যদি এখন সুখৰ সংসাৰ থকা হ'লে, বিচৰা মতে অভাৱবোৰ যদি দূৰ হোৱা হ'লে, ইত্যাদি নানা ধৰণৰ কথাবোৰ মনত ভাবি থাকে যদিও পিছত নিজকে সান্ত্বনা যাচে, "এদিন মোৰো নিজস্ব বুলিবলৈ কিবা থাকিব, মইও আনৰ দৰে বিচৰা সুখ কিছু পৰিমাণে হ'লেও উপভোগ কৰিম। মা-দেউতাৰ টকাৰে বস্তু নলৈ নিজৰ আৰ্জিত টকাৰে; কষ্টৰ বলত লোৱা বস্তুৰ আনন্দই বেলেগ। প্ৰয়োজনতকৈ বেছি

বস্তুৰ কোনো দৰকাৰ নাই। তথাপিও মোৰ প্ৰয়োজনীয় বস্তু কেইটা ল'বলৈ যাতে মই কাৰো ওচৰত হাত পাতিবলগীয়া নহয়, তাৰ বাবে মই নিজৰ ভবিৰ ওপৰত নিজে থিয় দিব লাগিব।''

ৰীণাই হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হৈ উঠে মাধ্যমিক শিক্ষাৰ বাবে নামভৰ্ত্তি কৰিলে। মেট্ৰিক পাছ কৰাৰ দিনাও তাই ফুৰ্তি কৰা নাছিল। লগৰ ছোৱালীবিলাকে কোনে কোনখন কলেজত নাম লগাব, কোনে কিমান দামী বস্তু ল'ব মাক-দেউতাকৰ পৰা ইত্যাদি নানা কথা আলোচনা কৰি আছিল। ৰীণাই সিহঁতৰ কথা শুনি কান্দি পেলাইছিল। তাইৰ যে কলেজত পঢ়াৰ সামৰ্থ্য নাই। তথাপিও মাকে তাইক সান্ত্বনা দিছিল, ''তই টকা পইচাৰ কথা চিন্তা নকৰিবি। তোৰ কাম অকল পঢ়া। তই পঢ়াৰ চিন্তা কৰ। কলেজত কেনেকৈ নামভৰ্ত্তি কৰিবি তাৰ কাৰণে মই চিন্তা কৰিম।'' মাকে শাক-পাচলি বিক্ৰী কৰি জমা কৰি থোৱা, বৈ থোৱা কাপোৰ বিক্ৰী কৰি, সেই টকাৰে তাইক কলেজত নাম লগাই দিছিল। ৰীণাৰ কিতাপ-পত্ৰ কিনিবৰ বাবে টকাৰ অভাৱ হৈছিল। কাৰণ জমা টকাৰে ইতিমধ্যে নামভৰ্ত্তি কৰিলে। ৰীণাক কিতাপ-পত্ৰ কিনি সহায় কৰি দিছিল ৰীণাৰ মামাকহঁতে।

দুখীয়াৰ দুখ কেতিয়াও শেষ নোহোৱাৰ দৰে ৰীণাৰ পৰিয়ালটোৰ যেন দুখৰ ওৰ নপৰে। ব'হাগ বিহুৰ ওচৰ চপাত ৰীণাই আপত্তি কৰিলে যে, এইবাৰ তাইক যেনেকৈ হ'লেও এযোৰ কাপোৰ লাগিব। ভায়েকেও ক'লে ''মোকো লাগিব।'' মাক-দেউতাকেও কোনো আপত্তি নকৰিলে। সেইদিনা মাক-দেউতাক দুয়ো হাজিৰা কৰিবলৈ ওলাই গ'ল। আনদিনাতকৈ সেইদিনা টকাও বেছি পালে। সকলোৰে মনত আনন্দ। গধূলি সময়ত গা-পা ধুই ভায়েকক লৈ দেউতাক বজাৰ কৰিবলৈ গ'ল। বজাৰ কৰি ৰীণাৰ বাবে এযোৰ কাপোৰ লৈ ঘূৰি অহাৰ সময়ত বাটত এখন মটৰ গাড়ীৰ খুন্দাত দুয়োৰো মৃত্যু হ'ল। সেইদিনাই যেন ৰীণাৰ জীৱনলৈ আঁউসীৰ আন্ধাৰ নামি আহিল। তাই জীৱনত হাৰ মানিব খুজিলে। তাই যেন হাঁহিবলৈও পাহৰি গ'ল।

দেউতাকৰ মৃত্যুৰ কেইবামাহো পাৰ হ'ল। মাকৰ অসহায় অৱস্থাটোলৈ চাই ৰীণাৰ দুখ লাগে। তাই মনপুতি পঢ়াত লাগিল। দেউতাকৰ মৃত্যুৰ পাছত মাক আৰু তাই বহু কষ্টৰ সন্মুখীন হ'ব লগা হৈছিল। মাধ্যমিক শিক্ষাৰ শিক্ষান্ত পৰীক্ষা দিয়াৰ পাছত ৰীণাই নিজেও মাকৰ লগত কেতিয়াবা হাজিৰা কৰিবলৈ যায়। এসাজ খালে আন এসাজৰ বাবে চিন্তা কৰিবলগীয়া হৈছিল। বহু কষ্টেৰে কাম কৰি থকাৰ ফলত কেইদিনমানৰ পৰা ৰীণাৰ মাকৰ অসুখ হ'ল। হস্পিতাললৈ নিবলৈ টকা পইচাৰ অভাৱ। ইফালে আৰু এমাহৰ ভিতৰত মাকক মেডিকেললৈ নিনিলে হয়তো মাক চিৰদিনৰ বাবে হেৰাই যাবও পাৰে। তাই নিৰুপায়। সহায় কৰিবলৈও কোনো নাই। কাৰ ওচৰত সহায়ৰ হাত পাতিব।

আজি মাধ্যমিক শিক্ষাৰ বৰ্ষৰ চূড়ান্ত পৰীক্ষাৰ ফলাফল দিব। ৰীণাৰ মনত উগুল-থুগুল ভাৱ। মাকৰো সেইদিনা বৰ টান হৈছে। তথাপিও জীয়েকক ৰিজাল্ট ল'বলৈ পঠালে। ইচ্ছা নোহোৱা স্বত্বেও ৰীণাই মাকৰ কাবৌ-কাকুতিত ৰিজাল্ট ল'বলৈ গ'ল। ৰিজাল্ট ওলাল। তাই দুটা লেটাৰসহ প্ৰথম বিভাগত উত্তীৰ্ণ হ'ল। আনন্দতে তাই ক'ব নোৱাৰা হ'ল। মাকক সু-খবৰটো দিওঁগৈ বুলি ঘৰলৈ খৰখেদাকৈ গ'ল। কিন্তু ই কি ! সিহঁতৰ চোতালত দেখোন বহুত মানুহ। নিশ্চয় মোৰ ৰিজাল্ট ল'বলৈকে বৈ আছে। ৰীণাই ঘৰলৈ সোমাই গৈ দেখিলে চোতালত বগা কাপোৰেৰে কিব এটা ঢাকি থৈছে। তাই মাকক চাবলৈ ভিতৰলৈ গৈ বিছনাত নেদেখি বাহিৰলৈ ওলাই আহি তাই ঢাকি থোৱা বগা কাপোৰখন ডাঙি চালে। মাকক দেখি তাই সাৱটি ধৰিলে আৰু ক'লে, ''মা তুমি ইয়াত কিয় শুই আছা? উঠা মা, তোমাক বিছনাত শুৱাই দিওঁগৈ।''

বহুপৰ মাকৰ একো উত্তৰ দিয়া নেদেখি তাই খঙেৰে ক'লে, ''তুমি কিয় নামাতা? মা, তুমি মোক ৰিজাল্ট ল'বলৈ পঠাইছিলা। কিন্তু, এতিয়া তুমি মোক দেখি কিয় সোধা নাই?'' তেতিয়া এজন মানুহে আহি ৰীণাক ক'লে, ''তোমাৰ মা আৰু এই জগতত নাই। তুমি ওলাই যোৱাৰ পাছতে তেওঁৰ মৃত্যু হ'ল।'' ৰীণাৰ মূৰত যেন সৰগখনহে ভাঙি পৰিল। তাই কান্দিবলৈ ধৰিলে। কান্দি কান্দি ভাগৰি পৰিল। চিঞৰি চিঞৰি মাকক মাতিলে। কিন্তু উত্তৰ নাপালে। কাৰণ উত্তৰ দিবলৈ তেতিয়া মাক নাছিল। দূৰৰ পাহাৰত ঠেকা খাই প্ৰতিধ্বনি হ'ল, 'মা....মা....'। দূৰত তেতিয়া নিয়তি চৰাইয়ে চিঞৰিছে, 'নিউ...নিউ...'। আন্ধাৰত পৃথিৱীখন ডুব গ'ল। ■



# মোৰ জীৱন বাস্তৱ

— মিৰাণ্ডা ৰাজকুমাৰী
তৃতীয় ষাণ্মাষিক, ৰাজনীতি বিজ্ঞান

আজি বিশ্বৱিদ্যালয়ৰ পৰীক্ষা শেষ। হোষ্টেলৰ প্ৰায়বোৰ ছাত্ৰ নিজৰ নিজৰ পেকিং কৰাত ব্যস্ত। আধা সংখ্যক ছাত্ৰ ইতিমধ্যে নিজ নিজ গৃহলৈ বুলি ৰাওনা হৈছে। কাইলৈ চাগৈ মইও ঘৰলৈ ঘূৰি যামগৈ। বহু দিনৰ মূৰত আপোনজনক লগ পোৱাৰ হেপাঁহেৰে মইও বাট চাই আছোঁ। পিছে মোৰ ঘৰ বুলিবলৈ আছেনো কি? লক্ষীপথাৰৰ এক ভিতৰুৱা গাঁও য'ত আছে মোৰ একমাত্ৰ আপোনগৰাকী — মিনু মাহী। মোৰ অতি মৰমৰ মিনু মাহী, যিয়ে মোক ৰাস্তাত পাই নিজৰ ঘৰলৈ আনি বুকুৰ মাজত সোমাৱাই আশ্ৰয় দিছিল। যাৰ মৰমে আজি মোক এইখিনিত পোৱালেহি। সঁচাকৈ ভাবিলে কি আচৰিত লাগে, যাৰ লগত মোৰ তেজৰ একো সম্পৰ্ক নাই — মাথো হৃদয়ৰ সম্পৰ্কটোৰ বাবেই নিজৰ সৰ্বস্ব এক অচিন ল'ৰা এটাৰ নামত উচৰ্গা কৰি দিলে। অথচ মোৰ নিজৰ আপোন খুড়া-খুড়ীয়েই মোৰ সকলো কাঢ়ি মোক ৰাস্তালৈ ঠেলি দিলে।

আজিও মোৰ স্পষ্টকৈ মনত আছে সেই 'বিশেষ' অভিশপ্ত দিনটো, যিটোৱে মোৰ জীৱনলৈ কঢ়িয়াই আনিছিল এক ডাঠ ক'লা ডাৱৰ। ২৯ ফেব্ৰুৱাৰী মোৰ জন্মদিন। বসয় তেতিয়া মোৰ ৮ বছৰ। মোৰ জন্মদিনটো চাৰি বছৰৰ মূৰতহে পৰে আৰু ঘৰখনৰ একমাত্ৰ সন্তান। তাতে মা-দেউতাৰ আলাসৰ লাডু বাবে খুব ধুমধামেৰে মোৰ জন্মদিন পতা হয়। সেইদিনা ৰাতিপুৱা চকু মেলিয়ে চিধা দেউতাৰ কাষ পাওঁগৈ আৰু সোধো মোৰ 'বিশেষ' উপহাৰটিৰ কথা। দেউতায়ে অফিচৰ পৰা আহোতে লৈ অনাৰ কথা দিয়ে মোক। সন্ধিয়া লগৰীয়াবোৰৰ উপস্থিতিতো মোৰ মন সেমেকি থাকে। কাৰণ দেউতাই মোৰ গিফ্টটো লৈ আহি পোৱাহি নাই। মোৰ এটাই কথা — দেউতা আহিলেহে 'কেক্' কাটিম। এঘণ্টা, দুঘণ্টা, তিনিঘণ্টা, চাৰি ঘণ্টা ৰৈ ৰৈ লগৰ সমনীয়াবোৰে খাই বৈ গুচি গৈছিল। আৰু মই বাট চাই ৰৈ আছিলোঁ মোৰ বিশেষ উপহাৰটিৰ বাবে। ৰাৱাণ্ডাত মায়ে ব্যাকুল হৈ বাৰে বাৰে পদূলি মূৰলৈ ডিঙি মেলি-মেলি চোৱাৰ কাৰণটোও বুজা নাছিলোঁ। ৰাতি বাৰ বজাত ঘৰৰ আগত গাড়ীৰ শব্দ শুনি মা আৰু মই ওলাই আহোঁ। মনত উপহাৰটি পোৱাৰ আনন্দ আৰু লগতে ইমান পলম কৰাৰ বাবে মনত ক্ৰমে বাঢ়ি অহা খংটো লৈ দেউতাক প্ৰশ্ন কৰাৰ কথা ভাবো। কিন্তু ওলাই আহি দেখো মিলিটাৰী গাড়ী এখনৰ পৰা কেইটামান বন্দুকধাৰীয়ে কিবা এটা বগা ৰঙৰ বস্তু নমাই আনি চোতালত ৰাখে। মই একো নুবুজি, মাথোঁ মাক হুকহুকাই কন্দা দেখি অবাক লাগো। বুজি নাপাঁও কিয় সদায় হাঁহি মুখে থকা মাই এনেকৈ কান্দিছে। হঠাৎ মাৰ মুখৰ মাত নাইকিয়া হৈ ঢলি পৰিল।

তাৰ পাছৰ পৰাই মোৰ জীৱনৰ সোঁত সলনি হয়। ঘাট-মাউৰা হোৱাৰ পাছত খুড়াই মোক নিজৰ লগত লৈ যায়। প্ৰথমে খুড়া-খুড়ীৰ লগত থাকি বৰ ভাল লাগিছিল ; কিন্তু কিছুদিনৰ পাছতহে তেওঁলোকৰ আচল ৰূপ ওলাই পৰে। ৰাতিপুৱাৰ পৰা গধূলিলৈকে কাম-বন কৰিব লাগে ; স্কুললৈ পঠিওৱা দূৰৰ কথা ; প্ৰায়ে আধাপেটীকৈ খাব লাগিছিল। মোৰ পৈতৃক সম্পত্তি কাঢ়িলৈও শান্তি নাপাই মোৰ ওপৰত শাৰীৰিক অত্যাচাৰ আৰম্ভ কৰি দিয়ে। এদিন ক্ৰিকেট বল এটাৰে খুড়ীৰ মৰমৰ ফুল গছজোপাৰ আগটো ভাঙি যোৱাত যেতিয়া মোক শাস্তি স্বৰূপে বাথৰুমত বন্ধ কৰি ভাত খাব দিছিল, সেইদিনাই নৰক ৰূপী ঘৰটোৰ পৰা পলাই যাবলৈ থিৰাং কৰিলোঁ। সন্ধিয়া কোনেও নেদেখাকৈ পলাই আহি উঠি দিয়ো ট্ৰেইনত। ক'ত যাম, ক'ত থাকিম, একো নাজানো, মাথোঁ মা-দেউতালৈ মনত পেলাই চুক এটাত বহি কান্দি থাকো। ভগৱানেও চাগৈ ভাবিছিল ইয়াৰ ভাগত বহুত দুখ দিয়া হ'ল। আৰু মোৰ বাবেই যেন মিনু মাহীক এজনী পৰীৰ ৰূপত পঠাই দিছিল মোৰ কাষলৈ। সেই অৱস্থাত পাই মিনু মাহীয়ে মোক এক নতুন জীৱন দিলে। নিজৰ লগত ঘৰলৈ আনি অজস্ৰ মৰম দিলে। কোনো দিনেই পিতৃ-মাতৃৰ অভাৱ অনুভৱ কৰিব দিয়া নাই। সদায় জীয়াই থকাৰ ন ন উৎসাহ দিয়ে। মোৰ ওপৰত থকা এই ধাৰ কেনেকৈ যে শুজিম।

হঠাৎ ওচৰত থকা গীৰ্জাটোৰ ঘণ্টা বাজি উঠাত বাস্তৱলৈ ঘূৰি আহোঁ। পেকিং কৰিব আছে। কাইলৈ মিনু মাহীৰ ওচৰলৈ যাম। মাহীক আগতীয়াকৈ একো জনোৱা নাই। একেবাৰে গৈ পাই হে চাৰপ্ৰাইজতো দিম ভাবিছোঁ। ■

# অপেক্ষাৰ অন্তত

— ময়ুৰী গোহাঁই
প্ৰথম ষাণ্মাসিক (বিজ্ঞান শাখা)



পূৰ্ণিমা জোনটোক চাই কাৰনো মনত সান্ত্বনা নাজাগে। সকলোৰে মনত এক গভীৰ শান্তি আহি পৰে। আপোন মনে সেই জোনটোলৈ চাই থাকিলে এনে অনুভৱ হয় যেন জোনটি আমাৰ নিচেই কাষত। মন হঠাতে ব্যাকুল হয় আৰু জোনলৈ মন উৰা মাৰিব খুজে। এনে বাসনা বস্তুতৰ মনত জাগে আৰু তাক পূৰ্ণ পথ দি সাহসীকতাৰ পৰিচয় দিয়া ব্যক্তিও আজি অমৰ। অসম্ভৱক সম্ভৱ কৰি তুলিব পৰাটো নিজৰ সাহসীকতাৰ পৰিচয়। স্নিগ্ধাও এনে এক পৰিধিৰ মাজতেই আছে। তথাপি কিয় জানো তাই নিজকে দুৰ্বল বুলি ভাবে। এনে একো নাই যিটো অসম্ভৱ। অসম্ভৱক কেতিয়াবা হয়তো সম্ভৱ কৰিব পৰা যায়।

কলেজৰ দিনৰ সেই দৈনন্দিন ঘটনাবোৰে স্নিগ্ধাৰ মনত কিয় বাহ লয়, তাইহে মাথোঁ জানে। ঘৰৰ সন্মুখৰ বহল চোতালৰ বকুল গছজোপাৰ তলত বহি একান্ত মনে কিনো ভাবি থাকে। অফিচৰ জঞ্জালবোৰ সামৰি সুতৰি সাজ লগাৰ সময়খিনিতহে তাই ঘৰ সোমাইহি। তথাপি কেতিয়াবা কামৰ ভাৰ বেছি নাথাকিলে সোনকালে আহি খোৱা-বোৱা কৰি সেই বকুল জুপিৰ তলতেই বহে। নগৰীয়া পৰিৱেশ যদিও ইমান হাই-উৰুমি নাই। ইফালে তাইৰ ঘৰতো কোনো হাই-উৰুমিৰ পৰিৱেশ নাই। ঘৰত কেৱল তাই আৰু তাইৰ মাক। মাকক বয়সে প্ৰায় চুইছে। মাক-দেউতাক আৰু ককায়েকৰ সৈতে এখন সুখৰ সংসাৰ গাঁৱত আছিল। দেউতাকৰ মৃত্যুৰ পিছত তাই আৰু মাক চাকৰিটোৰ বাবে নগৰলৈ আহে আৰু ককায়েক চাকৰিসূত্ৰে বাহিৰলৈ যায়। এতিয়া মাথোঁ দুটি প্ৰাণীৰ সংসাৰ।

এতিয়া স্নিগ্ধাৰ বিয়াৰ উপযুক্ত বয়সো আহি পৰিছে। সেয়ে, মাকেই তাইক নিজৰ উপযুক্ত মন পছন্দৰ ল'ৰা চাবলৈ কৈছে। কিন্তু, তাইক এনে কথাবোৰে মনত বৰ বেমেজালিৰ সৃষ্টি কৰে। তাই বহু শিক্ষিতা ছোৱালী। বহু দূৰ-দূৰণিৰ ভাল ঘৰৰ ল'ৰা আহিছে। তথাপি তাই মান্তি হোৱা নাই এই প্ৰস্তাৱটোত। কি হৈছে তাইৰ। নে মাকক এৰি যোৱাৰ ভয়ত বিয়া হোৱা নাই। তাইৰ মনৰ মাজত লুকাই থকা ভাবনাবোৰক কিয় প্ৰকাশ কৰিব নুখুজে। কেৱল মাথোঁ এনে প্ৰস্তাৱক

প্ৰত্যাখ্যান কৰি থাকে। আৰু কিমান দিনেই বা প্ৰস্তাৱ প্ৰত্যাখ্যান কৰিব। এদিন মাকৰ বিয়োগ ঘটিব। তাই তেতিয়া এনে নিতাল-নিমাত ঘৰখনত অযুগ্ম জীৱন লৈ শান্তিৰে জীয়াই থাকিব জানো পাৰিব? তাই হয়তো এনে প্ৰশ্নৰ উত্তৰ বিচৰাই নাই।

আজি অফিচত বেছি কাম তাইৰ নাছিল, সেয়ে সোনকালে ওলাই আহিল। তেনেতে তাই সম্বন্ধীয় মোমায়েক এজনক লগ পালে। বহুদিনৰ মূৰত সাক্ষাৎ হৈছে মোমায়েকৰ সৈতে, ভাল-বেয়া খবৰ ল'লে। তেওঁ আচলতে এটা বিশেষ প্ৰস্তাৱ লৈ আহিছিল। তাইৰ বাবে আন একো প্ৰস্তাৱ হ'ব নোৱাৰে, বিয়াৰ যে প্ৰস্তাৱ সেই কথা তাই গম পালেই। তাই আঁতৰি আহিব খোজাত মোমায়েকে ৰখালে আৰু বুজালে যে, ''যিজন ল'ৰা তেওঁ চাইছে সেই ল'ৰাজন এজন ভাল ঘৰৰ ল'ৰা। এতিয়া তেওঁ এজন সফল ব্যক্তি। তেওঁ তোমাক আগৰপৰা চিনি পায় আৰু মোৰ লগত কথা পাতি এই প্ৰস্তাৱটি আগবঢ়াইছে। লগতে তেওঁ ক'লে যে পৰিয়ালৰ সৈতে ল'ৰাজনক কালিলৈ লৈ আহিব।'' — শেষৰ কথাষাৰ শুনি তাই উচপ খাই উঠিল। তাইৰ কোনো মন্তব্য নোলোৱাকৈ মোমায়েকে এই প্ৰস্তাৱত ৰাজি হৈছে। তাইৰ মোমায়েকৰ ওপৰত কিছু অসন্তুষ্টি হ'ল আৰু একো নোকোৱাকৈ ঘৰলৈ উভতি আহিল। মোমায়েকে বুজিলে স্নিগ্ধাৰ অভিমান। কিন্তু, তেওঁ যি কৰিছে তাইৰ ভাল হোৱাটো আশা কৰিয়েই কৰিছে।

এইবাৰ তাই নিজকে প্ৰশ্ন কৰিলে যে তাই প্ৰস্তাৱ প্ৰত্যাখ্যান কৰে কিয়? অতীতৰ স্মৃতিয়ে তাইক হয়টো বান্ধি ৰাখিছে। কিন্তু, মনটোক দৃঢ় কৰি এইবাৰ তাই ভাবিলে, সকলোৱে যি বিচাৰে তাকে হওঁক। নিৰঞ্জন হয়তো আৰু ঘূৰি অহাৰ পথত নাই। এইবাৰৰ প্ৰস্তাৱটোত তাই সমৰ্থন জনাইছে আৰু এই ভাবি মনত শান্তিৰ নিশ্বাস পেলাইছে।

কলেজীয়া দিনৰ সেই চিনাকী। সেই চিনাকীতে আছিল কিছু সুখৰ অনুভূতিৰ ছায়া, অজানিতে হৈ যোৱা কিছু স্পৃহাৰ এক অনুভূতি। কিন্তু, বুজা-পৰা, মিলা-প্ৰীতি, সহানুভূতি, বিশ্বাস একোৰেই অভাৱ নোহোৱা সম্বন্ধ একোটাক পাহৰি যোৱাটো ইমান সস্তৰ নাছিল স্নিগ্ধাৰ বাবে। সেয়ে, তাই আজি পৰ্যন্ত বৈ থাকিব পাৰিছে। পঢ়িবৰ বাবে বাহিৰলৈ গৈছিল নিৰঞ্জন আৰু তেতিয়াই বিচ্ছেদ ঘটিছিল ঘটনা ক্ৰমে। বিশ্বাস আছিল আৰু আজিও আছে। কিন্তু কিবা যেন মাজত শূন্য হৈ বৈ গৈছে।

আজিৰ প্ৰস্তাৱ তাইৰ বাবে কিছু সুকীয়া। যিটো প্ৰস্তাৱক তাই গ্ৰহণ কৰিছে। মনৰ মাজত কিন্তু বুজাব নোৱাৰা লহৰে খেলি আছে। পূৰ্ণিমাৰ জোনটোক চাবলৈ তাই চোতাললৈ ওলাই আহিছে আৰু তাইৰ সজল চকুযুৰিয়ে জোনটিলৈ চাই পঠিয়াইছে। তথা লাগি চাই থকা চকুযুৰিৰ পৰা হঠাৎ অশ্ৰুৰ কণা বৈ আহি দুগাল তিয়াই তুলিছে। অকলশৰীয়া মনটোৱে তাইক নিথৰ কৰি তুলিছে...।

পিছদিনা স্নিগ্ধা উঠাত কিছু পলম হ'ল। হয়তো অশান্ত মনটোক আন দিনাতকৈ আৰু অলপ জিৰণিৰ প্ৰয়োজন হ'ল। সময় আৰু ভাগ্যই মানুহৰ জীৱনত কেতিয়াবা ৰঙীন ফাকুৰ মেলা পাতি দিয়ে। যাক লৈ মানুহে গৌৰৱবোধ কৰিব পাৰে। স্নিগ্ধাৰ জীৱনতো ঠিক তেনেকুৱাই হ'ল। হেৰাই যোৱা স্মৃতি সজীৱ হৈ উঠাৰ উপক্ৰম দেখি। তাই জানো জানিছিল যে তাইক চাবলৈ অহা ল'ৰাজন নিৰঞ্জন হ'ব পাৰে বুলি। তাইৰ বাবে অবিশ্বাসৰ কথা আছিল হয়তো। সপোনৰ আধৰুৱা বাটত অজানিতে হেৰাই যোৱা নিৰঞ্জনক দেখি তাই তবধ মানিলে। বিশ্বাস যেন মানুহৰ জীৱনৰ এক অমূল্য সাধনা। যাক পাবলৈ আৰু দিবলৈ হয়টো ইমান সহজ নহয়। বিশ্বাস থাকিলে, যিকোনো কামত অগ্ৰসৰ হ'ব পাৰি। কিন্তু, বিশ্বাস হেৰাই গ'লে সকলো শেষ হৈ যায়।

নিৰঞ্জনৰ বহু দূৰ সম্বন্ধীয় আছিল স্নিগ্ধাৰ মোমায়েক। এনে সম্পৰ্কৰ বাবেই এজনে আনজনক চিনি পায়। বিয়াৰ প্ৰসংগ সকলোৰে আগত ব্যক্ত কৰাত আজি এই সুখৰ পলসমূহ ঘূৰাই পাইছে। এক আশাশুধীয়া মিলন অলৌকিক কল্পনাৰ মাজেৰে মিলিত হোৱাৰ কি যে এক মাদকতা। এক অপেক্ষাৰ অন্তত এক নতুন ৰঙীন জীৱন দুয়োৰে জীৱনত ঘূৰি আহিল। অপেক্ষাৰ মিঠা সোৱাদ লৈ। ■

# প্ৰেমৰ অনুভৱ...



—কৰবী ডেকা
ষষ্ঠ ষাণ্মাসিক, কলা শাখা

কিয় বাৰু এনে হয়?

ৰুমৰ ভিতৰত চকী এখনত আৰাম কৰি বহি, দুচকু আলফুলে জপাই তাই নিজকে বাৰে বাৰে সুধিছে — কিয় বাৰু এনে হয়? সেই ল'ৰাজনৰ মুখখন চকুৰ আগত ভাহি উঠাৰ লগে লগে কিয় বাৰু হৃদয়-মন ফাগুনৰ ৰাগিভৰা পচোৱা এজাকেৰে ভৰি পৰে। দুবছৰ আগৰে পৰা একেটা বিষয়তে বেক পাই ডিগ্ৰী নোপোৱালৈকে এনেয়ে ঘৰত বহি থাকিবলগীয়া হোৱাৰ যন্ত্ৰণা, অনিশ্চিত ভৱিষ্যতলৈ চাই চাই হতাশ হ'বলগীয়া অৱস্থা পাহৰি বহাগৰ গীত এটা গাবলৈ মন যায়। তাক চিনি পোৱাৰ পূৰ্বে বিফলতাৰে ভৰা বহু সন্ধিয়া পাৰ কৰিবলগীয়া হৈছিল যদিও এতিয়া ভালকৈ টোপনি যায় সপোনত তাক পোৱাৰ আশাত। আজিকালি দুখ লাগিলেই দৌৰি যাবলৈ মন যায় তাইৰ সেই ল'ৰাজনৰ কাষলৈ। তাৰ বুকুৰ মাজত মুখ লুকুৱাই যেন উচুপি উচুপি কান্দিব অথবা তাৰ কঠিন তৰ্জনি আঙুলিত ধৰি খুপি খুপি আগুৱাই যাব জোনাকৰ এখন মায়াময় দেশলৈ।

জীৱনত এনে কিছুমান সময় আহে যিবোৰ যথেষ্ট খন্তেকীয়া বা তেনে গুৰুত্বপূৰ্ণও নহয়। অথচ সেই ক্ষীণ মূহুৰ্তবোৰেই এনে এডাল ৰেখা টানি থৈ যায় যাক আলফুলে মনৰ মাজত থৈ দিবলৈ ভাল লাগে। সেই সময়বোৰৰ কথা নাভাবোঁ বুলিও নাভাবি নোৱাৰি। পাহৰোঁ বুলিও পাহৰিব নোৱাৰি। ইয়াকেই কয় স্মৃতি। পাহৰিবলৈ চেষ্টা কৰা মানেইটো আকৌ মনত পেলোৱা, আকৌ ঘূৰাই পকাই তাকে ভাবি থকা আৰু পুনৰ মনৰ মাজলৈকে ঠেলি পঠিওৱা। সকলো ব্যক্তিৰ জীৱনলৈকে মূল্যৱান সময় আহে। ঘটনাবহুল জীৱনৰ যিকেইটা সুন্দৰ মূহুৰ্তই জীৱনৰ শেষ সময়লৈকে ৰৈ ৰৈ মনৰ মাজত উকি মাৰি থাকে দীঘলীয়া জীৱনত সেই কেইটাই উত্তম তথা শ্ৰেষ্ঠ ক্ষণ।

তাই নিজকে প্ৰশ্ন কৰে — মই ল'ৰাজনৰ প্ৰেমত পৰিছোঁ নেকি? প্ৰেম মানে যদি এক শিহৰণ হয় মই সেই শিহৰণ অনুভৱ কৰিছোঁ। মোৰ সত্তাত বিচাৰি পাইছোঁ মই হেৰাই যাব খোজা যৌৱনৰ মাদকতা। প্ৰেমত পৰা মানুহ এজনৰ ৰূপ গুণৰ বৰ্ণনা মই নিষ্প্ৰয়োজন বুলিয়েই ভাবোঁ। সেইদিনাই প্ৰিঞ্চিপালৰ ওচৰলৈ বেক পৰীক্ষা দিবলৈ আকৌ এবাৰ সুযোগ বিচাৰিবৰ বাবে যাওঁতে ল'ৰাজনক দেখিলোঁ, আগতেও দেখিছিলোঁ। কিন্তু চিনি পোৱা নাছিলোঁ।'' এই বুলি কৈ কৰিস্মাই বহাৰ পৰা উঠি খিৰিকিৰে পাৰ হৈ অহা বতাহজাকৰ সন্মুখত ৰৈ বাহিৰলৈ চাই থাকিল।

প্ৰেম এনে এক মধুৰ সম্পৰ্ক, যাক বৰ্ণনাৰে শেষ কৰিব নোৱাৰি। 'প্ৰেম' শব্দটোৰ উচ্চাৰণতেই মানসপটত ভাহি উঠে হাঁহি-কান্দোন, সুখ-দুখ, আৱেগ, মান-অভিমান আদি বিভিন্ন অনুভূতি। একাষাৰে ক'বলৈ গ'লে প্ৰেম হৈছে অলেখ অনুভূতিৰে সন্নিৱিষ্ট এক মধুৰ শিহৰণ। বিশ্বাস আৰু নিৰ্ভিকতাৰ ভেটিত গঢ়ি উঠা সম্পৰ্ক প্ৰেম।

কৰিস্মাই বাৰে বাৰে ম'বাইল ফোনটো নিৰীক্ষণ কৰি আছে। নাই,

একো মেছেজ এতিয়ালৈকে অহা নাই। দুবাৰমান তাই নিৰ্দিষ্ট নম্বৰটো ডাইল কৰিও চালে এতিয়াও ফোনটো নিষ্ক্ৰীয় হৈয়েই আছে। তাৰ মানে সি আজি আকৌ কিবা কথাত বেয়া পালে। তাৰ মনৰ কথা বুজাই টান, কোন সময়ত কি কথাত সি অভিমান কৰে ধৰিবই নোৱাৰে কৰিস্মাই। কৰিস্মাই জানে তাইৰ ওপৰত অভিমান নাথাকিলে এটা মেছেজ বা মিছক'ল পালে ফোন কৰে সি। বিশেষকৈ আজি। যিহেতু সি ডিগবৈ পি.জি.ৰ পৰা একেবাৰে যাবগৈ। শেষবাৰৰ বাবে হ'লেও তাইক লগ কৰি সি পিতৃ গৃহলৈ যাব। একমাত্ৰ ৰাকেশেই দাবীদাৰ সেই মূহুৰ্তবোৰ যাৰ সৈতে কৰিস্মাই তাইৰ ব্যক্তিগত ভাবনা বা ইচ্ছাবোৰ ভগাই ল'বলৈ ভাল পায়।

মহাবিদ্যালয়ত পঢ়ি থকা দিনৰ পৰাই কৰিস্মাই ৰাকেশক চিনি পায়। ষষ্ঠ ষাণ্মাসিকলৈ পাওঁতে প্ৰথম ষাণ্মাসিকৰ বেক উঠোৱাৰ শেষ সুবিধা আছিল। সেইবাৰো পাছ কৰিবলৈ অক্ষম হৈছিল। মহাবিদ্যালয়ৰ বিভিন্ন বিভাগৰ বহু ছাত্ৰ-ছাত্ৰী। পুনৰবাৰ পৰীক্ষাত বহিবৰ বাবে অনুৰোধ কৰিবলৈ প্ৰিন্সিপালৰ ওচৰত গৈছিল বেক পোৱা বহু ছাত্ৰ-ছাত্ৰী। সেইসকলৰ মাজত বিজ্ঞান আৰু কলা শাখাৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত কৰিস্মা আৰু ৰাকেশো আছিল। ৰাকেশ গহীন গম্ভীৰ ল'ৰা। উদ্ভিদ বিজ্ঞানৰ ছাত্ৰ আছিল সি। সাধাৰণতে মহাবিদ্যালয় চাৰিবেৰৰ মাজত বিজ্ঞান আৰু কলা শাখাৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বিশেষ মিলা-মিছা নহৈছিল। হয়তো পাঠ্যক্ৰমৰ মিল নথকাৰ বাবে অথবা শ্ৰেণী কোঠাবোৰ দূৰে দূৰে বিভিন্ন বিল্ডিঙত হোৱাৰ বাবে। কিন্তু ৰাকেশ আৰু কৰিস্মা লগ লগাৰ এটা উমৈহতীয়া কাৰণ আছিল। সেয়া হ'ল — বেক পৰীক্ষা দিবলৈ সুবিধা দিব নোৱাৰে বুলি কোৱাত সকলো কলেজৰ বেক পোৱা ছাত্ৰ-ছাত্ৰীবোৰ লগ হৈ এই বিষয়ে কি কৰা যাব, কি কৰিব পাৰি এইসমূহ বিষয় লৈ আলোচনা হৈছিল। সেই আলোচনাত কি সিদ্ধান্ত হ'ল সেই বিষয়ে তাই কলা শাখাৰ ছাত্ৰ-ছাত্ৰীসমূহক বিষয়টো অৱগত কৰিব লাগে যাতে সময়ত সকলো ছাত্ৰ-ছাত্ৰী একান্ত সহযোগিতা লাভ কৰিব পাৰে। কৰিস্মা ঘৰৰ অলপ আঁতৰত এখন থিয়েটাৰ আহিছে। ঘৰৰ মানুহে খুব জোৰ কৰাত অনিচ্ছাকৃতভাৱে হ'লেও ডাঙৰৰ কথা পেলাব নোৱাৰি চাব যাব লগা হ'ল। নাটক আৰম্ভ হোৱাৰ কিছু সময়ৰ পাছত হঠাৎ ফোন বাজি উঠিল। হুলস্থূলৰ মাজতো তাই ফোন ৰিচিভ কৰিলে, সিফালৰ পৰা কোৱা একো কথা বুজি নোপোৱাত ফোনটো কাটি দিলে। পিছ মূহুৰ্ততে মেছেজ এটা আহিল ''মই ৰাকেশ, এমাৰজেন্সি কথা এটা আছে ক'ল এটা কৰা।'' কৰিস্মাই উচপ্ খাই উঠিল। ক'ত পালে সি তাইৰ নম্বৰ আৰু কি কথা থাকিব পাৰে। কৌতুহল আছিল কিন্তু সিহঁতৰ সম্পৰ্কটো এনেকুৱাও নাছিল যে এই কথা সুধি তাই তাৰ প্ৰতি কৌতুহল দেখুৱাব।

তাৰ পিছত প্ৰায়েই দুয়ো ফোনত কথা পাতে, পঢ়াৰ কথা, কলেজৰ কথা ইত্যাদি। সিহঁতৰ মাজত বন্ধুত্বৰ সৈতে থাকিবলগা সৌহাৰ্দ্যপূৰ্ণ সম্পৰ্কতকৈ বেছি একো নাছিল। লাহে লাহে কৰিস্মাৰ মনত এটা আচৰিত ধৰণৰ কৌতুহল তথা হাবিয়াসে গা কৰি উঠিবলৈ ল'লে। ৰাকেশ আৰু তাইৰ সম্পৰ্কটোত তাই যেন এটি নতুন দিশৰ সন্ধান পাইছে।

চেলফোনটোৰ মিউজিকৰ শব্দই কৰিস্মাৰ নিৰৱ কোঠাতো সৰৱ কৰি তুলিলে। হয়, এইটো ৰাকেশৰে ফোন। হেল্ল'.... ''কৰিস্মা মোৰ আজি বহুত ভাগৰ লাগিছে কথা পাতিব নোৱাৰিম ছৰি হাঃ এতিয়া অলপ শুই লওঁ'' — বুলি কৈয়ে লগে লগে ফোনটো কাটি দিয়াত কৰিস্মাই একো ক'বলৈ সুবিধাই নাপালে। এদিন দেওবাৰে ৰাকেশ আহি ওলাইছিল কৰিস্মাহঁতৰ ঘৰত। সি অৰ্কিডৰ ওপৰত কিবা গৱেষণা কৰি আছে সেইবাবে তই ঘৰৰ ওচৰত অৰ্কিড বিচাৰি আহিছিল। বিধ্বস্ত চেহেৰা। ভাগি যোৱা স্বাস্থ্য, কিবা ডাঙৰ অসুখৰ পৰা উঠা যেন লাগিছে তোমাক'' কৰিস্মাই ক'লে। ''নাই নাই একো অসুখ হোৱা নাই।'' কেইদিনমান চুলি-দাৰি কটা নাই। সেইকাৰণে চাগৈ তুমি বেমাৰী যেন দেখিছো'' — ৰাকেশৰ স্বাভাৱিক উত্তৰ। ক'ৰবাত গৈছিলা নেকি? ''অ.... ফিল্ডৱৰ্ক''। কৰিস্মাই জানে উদ্ভিদৰ কিবা-কিবি প্ৰজাতি বিচাৰি, অৰ্কিড বিচাৰি ৰাকেশহঁত বহুত ভিতৰুৱা হাবিয়নিলৈ যাব লাগে। কেতিয়াবা দুদিন-তিনিদিনমানো ঘৰৰ পৰা আঁতৰি থাকিব লাগে। এইবিলাক বৰ কষ্ট সাধ্য কাম বুলি ৰাকেশৰ মুখতেই শুনি শুনি এটা ধাৰণা হৈছেগৈ তাইৰ।

আজি কৰিস্মাই নিজকে প্ৰশ্ন কৰিছে ৰাকেশে বাৰু তাইৰ ওপৰত কি কাৰণে অভিমান কৰিছে। এই অভিমানে সিহঁতৰ সম্বন্ধৰ মাজত ব্যৱধান আনিব নেকি? সি বাৰু তাইক এনেদৰে পাহৰি পেলাব নেকি? ইত্যাদি প্ৰশ্নই তাইক আমনি কৰিছে। এনেতে হঠাৎ তাইক কোনোবাই মতা শুনি বাহিৰলৈ ওলাই আহি দেখিলে ৰাকেশ বাহিৰত ৰৈ আছে। তাই ৰাকেশক হঠাৎ দেখা পাই ক'ব নোৱাৰাৰ দৰে হৈ দৌৰি আহি তাক হাতত ধৰিলে আৰু ভিতৰলৈ নি বহিবলৈ দিলে। তাইও ওচৰতে বহিলে আৰু প্ৰশ্ন কৰিলে, ''তুমি মোক ভাল পোৱানে?'' এই প্ৰশ্নটো আগতেও তাই বহুবাৰ কৰিছিল আৰু সি সদায় এৰাই চলিছিল। আজি তাই আকোৰগোজ।

ৰাকেশে বেলেগ কথা কৈ প্ৰশ্নটোৰ পৰা ফালৰি কাটিব খুজিছিল কিন্তু তাই নেৰে। শেষত ক'লে — 'ওহোঁ'....। মই তোমাৰ এই ভালপোৱাক সন্মান জনাইছোঁ। আচলতে এই বয়সত ল'ৰাবোৰে কেৱল টাইম পাছ কৰিব বিচাৰে মইও তেনেকুৱাই আছিলোঁ, কিন্তু এতিয়া তোমাক মই এৰিবও নোৱাৰোঁ। তোমাৰ ভালপোৱাই মোক কিছুমান কথা নতুনকৈ ভাবিবলৈ বাধ্য কৰিছে। ■

# জীৱনৰ ৰং



— অমিত বিশ্বকৰ্মা
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ, বাণিজ্য শাখা

চৰাইজনীৰ দৰে নাচি নাচি খোলা গে'টখনেৰে সোমাই আহিল তানিয়া। বতাহত তাইৰ সৰু ফুটফুটীয়া ফ্ৰকটো উৰি আছে, তাইৰ সৰু কান্ধলৈকে পৰা কেঁকুৰা-কেঁকুৰী সোণালী চুলিখিনি বতাহজাকৰ অত্যাচাৰত খেলি-মেলি হৈ আছে। বাৰে বাৰে অশান্ত বাতাহজাকে তাইৰ চুলিখিনি আনি গভীৰ ক'লা চকু, গোলাপী ৰঙৰ সৰু অকণমানি ওঁঠ দুটা আৰু অলপ চুটি নাকৰ মুখখনত পেলাইছেহি। যাৰ ফলত তাইৰ ধুনীয়া মুখখনে বিৰক্তি প্ৰকাশক এটা ভাঁজ লৈছে।

তানিয়া, এজনী প্ৰায় ছয় বছৰীয়া ছোৱালী। তাই ডিগবৈ চহৰৰ এজন পুলিচ হাবিলদাৰৰ একমাত্ৰ কন্যা। তাই মাক-দেউতাক আৰু ককাক আইতাকৰ লগত নাহৰণি গাঁৱতে বাস কৰে। পঢ়া-শুনাৰ চিন্তা নাই। দিনৰ দিনটো তাই মাত্ৰ জপিয়াই নাচি-বাগি ফুৰে। তাইৰ হাঁহিৰ খলকনিত বনৰ পক্ষীও স্তব্ধ হৈ যায়। পথাৰৰ শ্ৰমক্লান্ত খেতিয়কসকলে তাতে বিচাৰি পায় জীৱনৰ আনন্দ, কাম কৰাৰ উদ্যম।

তাই এতিয়া ওচৰৰে ৰুমাহঁতৰ ঘৰৰ পৰা আহি আছে। তাইৰ হাঁহিটোৰ সৈতে মৰম লগা মুখখন দেখিয়েই মাকে গম পালে তাই পুনৰ কাৰোবাৰ লগত কিবা ধেমালি কৰি মৰম মিহলি ধমক দুটামান খাই আহিছে। হয়তো ৰুমাৰ ককাক চিণ্টু ককাৰ পৰা। তাই দৌৰি আহি মাকৰ আঁচলতে ধৰি উশাহ নুঘূৰোৱাকৈয়ে ক'লেহি, 'অ', মা, জানা আজি ৰুমাহঁতৰ ঘৰত কি হ'ল?'' মাকে হাঁহি-হাঁহি তানিয়াৰ হাঁহিৰে উপচি পৰা লৱণু কোমল ওঁঠ দুটিত চুমা এটা খাই কপালত বিৰিঙি উঠা অকণ-অকণ ঘামৰ টোপালকেইটা হাতেৰে মচি দি ক'লে, ''কোৱাচোন তুমি নিশ্চয় পুনৰ ৰুমাৰ ককাকক আমনি দিছিলা?'' তাই মাকৰ কথালৈ কাণসাৰ নকৰি পুনৰ ক'লে, ''আজি চিণ্টু ককাই মোক এটা সাধু ক'বলৈ ক'লে। তেওঁৰ বোলে এইকেইদিন ৰাতি টোপনি অহা নাই। মই লগে লগে আৰম্ভ কৰিলোঁ ঘনচিৰিকাই ভঁড়ালৰ পৰা ধান নিয়া সাধুটো। মোৰ সাধুটো শেষ নহয়হে নহয়। ককাৰ টোপনি নাহেহে নাহে। এপাকত যেনিবা ককাৰ টোপনি আহিল। মই ৰুমাৰ ভায়েকৰ কাজলটো লৈ ককাৰ মুখখন আঁকি থৈ গুচি আহিলো। কাকো ন'কলোঁ। অ' মা তুমিও কাকো নকবা দেই। ককাক যে দেখিবলৈ কেনেকুৱা লাগিছে। যোৱাবাৰ

আমি কাৰ্মেল ফিল্ডত চাইছিলোঁ চাৰ্কাচখন তাত ওলোৱা 'জক্কৰ'টোৰ নিচিনা লাগিছিল।'' এইবুলি কৈ তানিয়াই তাইৰ চুলিখিনি লৰাই লৰাই ডাঙৰ চকু দুটা সৰু কৰি, গোলাপৰ পাপৰিৰ দৰে সৰু সৰু ওঁঠ দুখন বহল কৰি খিলখিলাই হাঁহি উঠিল। তাইৰ কথা শুনি যদিও মাকৰ হাঁহি উঠিল তথাপি তেওঁ হাঁহি সামৰি তানিয়াক কৃত্ৰিম ধমক এটা দি গা ধুৱাবলৈ লৈ গ'ল।

গা ধুই, ভাত খাই তানিয়া অলপ শুবলৈ যাওঁতে ''খটং'' শব্দটো শুনি গম পালে যে এয়া চিণ্টু ককা আহিছে। লগে লগে তাই দৌৰি গৈ পাছ চোতালৰ ভঁড়াল ঘৰটোত লুকাই থাকিলগৈ। অলপ পাছত বাহিৰত ককাক আৰু মাকৰ কথা-বতৰা শুনিবলৈ পালে। ককাকে মাকক কৈছে, ''এই মাতুৰে আজি দুপৰীয়া মোক কমখন নগুৰ নাকটি কৰিলেনে! তাইক আজি মই পালে ভালকৈ দুচাতমান দিম। বৰ উৎপাত হৈছে এইৰ। অলপ শাসন কৰিবা। ভৰ দুপৰীয়া ঘৰত নাথাকি গছ তলে বন তলে হাঁহি হাঁহি ফুৰিলে নহয়। কেইদিনমানৰ পাছত স্কুলত দিবা। আখৰ কেইটাকে চিনাই থ'বা। এনেকৈ থাকিলে কাৰোবাৰ দলি ফৰ্মূটি খায়েই মৰিব। মই অলপ মৰম কৰোঁ বাবে চল পাইছে। এইবাৰৰ পৰা আমাৰ ঘৰলৈ গ'লে তাইৰ ঠেং ভাঙিম। মই এতিয়া যাওঁ। কথাটো ইয়াকো মানে দেউতাককো ক'বা।'' লগে লগে তেওঁ গুচি গ'ল। মাক শিল পৰা কপৌৰ দৰে হ'ল। এজনী সৰু ছোৱালীয়ে কৰা কামৰ বাবে ইমান টান কথা শুনিব লগা হোৱাত তেওঁৰ খঙে মূৰৰ চুলিৰ আগ পালেগৈ আৰু ভঁড়ালৰ পৰা নামি অহা কণমানি নিষ্পাপ শিশুটিক চোঁচৰাই আনি সেৰাপাতি যোৱাকৈ কোবালে' ৰাতি অফিচৰ পৰা আহি দেউতাকেও খুউব কোবালে। আনকালে মাক-দেউতাকৰ মৰমত তৰণি নোপোৱা ছোৱালীজনীয়ে তেওঁলোকৰ এই ৰূপ দেখি ভয় আৰু বিস্ময়ত শুই থাকিলগৈ।

ৰাতিপুৱা দোকমোকালিতে উঠি মুখ-হাত ধুই কেতিয়াবাই আনি থোৱা বৰ্ণমালাৰ কিতাপখন পঢ়াত লাগিল। ঘৰৰ বাকীবোৰে শুই উঠি ঘৰখনত এক অস্বাভাৱিক নিৰৱতা অনুভৱ কৰিলে। তেওঁলোক তানিয়াৰ ওচৰলৈ গৈ দেখিলে তাইৰ ডাঙৰ ডাঙৰ সকলো সময়তে দুষ্টালি ভৰা চাৱনি লৈ থকা, চকু দুটা যেন বৰ অদ্ভুতভাৱে শান্ত তথা বিষণ্ণ হৈ আছে। ৰাতিয়ে মাক-দেউতাকে ঠিক কৰি থোৱা মতে ৰাতিপুৱা দহটামান বজাত দেউতাক আৰু তানিয়া গুৱাহাটী যাবলৈ ওলাল। উদ্দেশ্য মামাকৰ ঘৰত থাকি তানিয়াক চহৰৰ স্কুলত পঢ়ুৱা। তাইক মামাকৰ ঘৰত থৈ দেউতাক গুচি আহিল। এদিনো মাক-দেউতাকৰ অবিহনে থাকিব নোৱাৰা ছোৱালীজনীয়ে এটোপাল চকুপানীও নেপেলোৱাকৈ দেউতাকক বিদায় দিলে।

এদিন দুদিনকৈ তিনিবছৰ কাল বাগৰিল। এই তিনি বছৰত এনেকুৱা এটা দিনো অহা নাই, যিটো দিন তানিয়াৰ হাঁহিৰে চৌদিশ উজলি উঠিছে। তাই ঘৰলৈ আহে যদিও ঘৰখন নিজম পৰি থাকে। আজিকালি তাইৰ ফুলাম ফ্ৰকটো উৰুৱাবলৈ, সোণালী চুলিকোচা খেলি-মেলি কৰিবলৈ যেন বতাহজাকেও ভয় কৰে। আজিকালি তাই জুখি-মাখি কথা কয়। মুখ ফুটাই নক'লেও তাইৰ এই পৰিৱৰ্তন কোনেও ভাল পোৱা নাই। আগতে সকলোৰে পখিলী বুলি মতা ছোৱালীজনীৰ লগতো ওচৰ-চুবুৰীয়া মানুহে দূৰত্ব বজাই চলে।

এবাৰ মামাকৰ লগত প্ৰায় দুমাহ থকাকৈ তানিয়া ঘৰলৈ আহিল। ঘৰ সোমাওঁতেই সকলোৰে চকুত পৰিল তানিয়াৰ ডাঙৰ ডাঙৰ চকু দুটি যেন আৰু বেছি বিষণ্ণ হৈ পৰিছে। গভীৰ ক'লা চকু দুটা যেন অগভীৰ হৈ পৰিছে। গুলপীয়া ওঁঠ দুটি যেন শেঁতা পৰিছে আৰু গাৰ ৰঙা-বগা বৰণটোও যেন শেঁতা হালধীয়া হৈ পৰিছে। সেইদিনা ৰাতিয়ে তাইৰ তিৰ-কঁপে জ্বৰ উঠিল। গোটেই ৰাতি তাই জ্বৰত প্ৰলাপ বকিলে। তাই প্ৰলাপ বকোতে সকলোৰে ওচৰত ক্ষমা বিচাৰি তাইক নামাৰিবলৈ অনুৰোধ জনাইছিল।

তাইৰ বেমাৰৰ প্ৰায় এসপ্তাহ হওঁতে এদিন সিহঁতৰ ঘৰলৈ হঠাৎ চিণ্টু ককা আহিল। তেওঁ মাতুৰ ঠাইত এজনী ক্ষীণ, শুকান দেহৰ ছোৱালীহে দেখা পালে। চিণ্টু ককাই তাইৰ বিছনাৰ ওচৰতে বহি তাইৰ চুলিখিনি আলফুলে হাত বুলাই ক'লে, ''মাতু, মোক ক্ষমা কৰি দে। মই জানো তই মোৰ ওপৰত অভিমান কৰি আছ। সকলো অভিমান এৰি তই আমাৰ ওচৰলৈ পখিলীজনী হৈ ঘূৰি আহ। এইবাৰ তই আমাক কিবা কৰিলেও আমি তোক একো নকওঁ। তই মাত্ৰ আগৰ মাতুজনী হৈ পৰ।'' এইবুলি কৈ চিণ্টু ককাই তাইক সাৱটি ধৰি কান্দিবলৈ ধৰিলে। তাইও তেওঁৰ ডিঙিত ধৰি কান্দি পেলালে। ককা আৰু নাতিনীৰ এই অপূৰ্ব মিলন দৃশ্যই তাইৰ মাক-দেউতা প্ৰত্যেকৰে দুচকু ভৰাই পেলালে।

এসপ্তাহৰ পাছত এদিন ৰাতিপুৱা চিণ্টু ককাই ৰ'দ লৈ আছিল। তেনেতে পিছফালে কাৰোবাৰ ভৰিৰ খোজৰ শব্দ শুনি ঘূৰি চাই দেখে মাতু। আগৰ সেই মাতু, দুষ্টালি ভৰা চকুৰ চাৱনি, গুলপীয়া ওঁঠত সকলোৰে মন ভুলাব পৰা হাঁহি লৈ ৰৈ আছে। ককাকে তাইলৈ চোৱাৰ লগে লগে তাই ককাকৰ ডিঙিত ধৰি ওলমি দি বাহিৰলৈ দৌৰিলে। লগে লগে বতাহজাকে ও যেন তাইৰ খং উঠোৱাই ৰং চাবলৈকে চুলিখিনি খেলি-মেলি কৰি দিলে। এটি হাঁহিৰ খলকনিয়ে পুনৰ আগৰ জীৱনৰ ৰং ঘূৰাই আনিলে। ■

# শ্বিলং-চেৰাপুঞ্জীত এভুমুকি



বহুত দিনৰ আগৰ পৰাই মেঘালয়ৰ ৰাজধানী শ্বিলং চহৰখন এপাক ফুৰি অহাৰ হেঁপাহ আছিল। শ্বিলঙৰ প্ৰাকৃতিক সৌন্দৰ্য খুবেই মনোমোহা। মেঘালয় ৰাজ্যখন সাগৰ পৃষ্ঠৰ পৰা ১৪৯৬ মিটাৰ ওপৰত আছে। ১৮৭৪ চনৰ পৰা ১৯৭৪ চনৰ জানুৱাৰী মাহলৈ অসমৰ ৰাজধানী শ্বিলং আছিল। মেঘালয় ৰাজ্যখনত বহু ধৰণৰ জাতি-জনজাতিয়ে বসবাস কৰে। যেনে -- গাৰো, খাচিয়া, জয়ন্তীয়া আদি। মেঘালয়ৰ চেৰাপুঞ্জীত বছৰৰ বাৰ মাহেই কম-বেছি পৰিমাণে বৰষুণ হৈ থাকে। মেঘালয় ৰাজ্যখনক প্ৰকৃতিয়ে দান দিয়া অপৰূপ সৌন্দৰ্যৰ বিষয়ে বয়োজ্যেষ্ঠসকলৰ মুখতহে শুনিছিলোঁ। গতিকে মনত দুৰ্বাৰ আকৰ্ষণ শ্বিলং চহৰৰ প্ৰতি।

সৌভাগ্যবশতঃ এদিন এনেকুৱা এটা সুবিধা আহি পৰিল। মা-দেউতাৰ অনুমতি লৈ শ্বিলং অভিমুখে ৰাওনা হ'লো। আমাৰ এই যাত্ৰা আছিল অতি আনন্দদায়ক। কাৰণ ভৈয়ামৰপৰা পাহাৰীয়া ঠাই দৰ্শন কৰিবলৈ ওলাইছো, মনত অপাৰ আনন্দ। জুলাই মাহৰ শেষৰ সপ্তাহত ডিগবৈৰ পৰা আবেলি চাৰে পাঁচ বজাত গুৱাহাটীলৈ বুলি নৈশবাছত যাত্ৰা আৰম্ভ কৰিলোঁ। পুৱা সাত বজাত গুৱাহাটীত নামি হোটেলত সোমাই চাহ আৰু পৰঠা খাই লৈ খন্তেক জিৰণি ল'লো। তাৰ পাছত এখন টাটা চুমু ভাৰা লৈ শ্বিলং যাত্ৰা কৰিলো। গৈ থাকোঁতে ৰাস্তাত বহুতো ধুনীয়া গছ-গছনি পাহাৰীয়া শিলাময় ঠাই দেখা পাইছিলোঁ। শাৰী শাৰী পাইন গছবোৰে দৰ্শনাৰ্থীক যেন স্বাগতম জনাবলৈহে থিয় দি আছে। ৰাস্তাৰ কাষত থকা গহ্বৰবিলাক বৰ বিপদজনক। প্ৰায় তিনি ঘণ্টামান একেৰাহে গৈ থকাৰ পাছত আমি আমাৰ গন্তব্যস্থান পালোগৈ। গাড়ীৰপৰা নামিয়েই শ্বিলঙৰ মাটিত ভৰি থৈ এখন সপোনৰ ৰাজ্যত প্ৰৱেশ কৰা যেন অনুভৱ

— শান্তনু চেতিয়া
পঞ্চম ষাণ্মাসিক, বিজ্ঞান

কৰিলোঁ।

সময় তেতিয়া দিনৰ এক বাজিছে। গাড়ীৰপৰা নামি অলপ খোজকাঢ়ি ফুৰিলোঁ। শ্বিলঙৰ 'Night in Shillong' এখন পঞ্চতাৰকা যুক্ত হোটেলৰ এটা কোঠা চাৰিওজনৰ বাবে ঠিক কৰিলোঁ। সুন্দৰ আহল-বহল কোঠা, থকা-খোৱাৰ সকলো সু-ব্যৱস্থা আছে। কোঠাৰ খিৰিকীয়েদি পাহাৰীয়া সুন্দৰ দৃশ্য দেখা পোৱা গৈছিল। মোৰ যে কি আনন্দ ভাষাৰে বুজাব নোৱাৰিম। আমি থাকিবলৈ ঠিক কৰা হোটেলখনত ভাত-পানী খাই জিৰণি লৈ পুনৰ শ্বিলঙৰ মনোৰম দৃশ্য উপভোগ কৰিবলৈ ওলাই আহিলোঁ।

আমাৰ প্ৰথম উদ্দেশ্য আছিল শ্বিলঙৰ ' এলিফেন্ট ফল'ছ চোৱাৰ। টেক্সি এখন লৈ 'এলিফেন্ট ফল'ছৰ অভিমুখে ৰাওনা হ'লো, পাহাৰৰ পৰা বৈ অহা পানীৰ ঝৰ-ঝৰ শব্দই আমাৰ দেহ-মনত এটা ক'ব নোৱাৰা আনন্দৰ ভাব জগাই তুলিছিল। হঠাৎ তেতিয়াই কল্লোল বৰঠাকুৰৰ গান এটা মনলৈ আহিল।

*"শ্বিলঙৰে গধূলি*
*নামি আহে কুঁৱলি*
*দুয়ো হাততে ধৰি*
*কৰিছিলোঁ যেমালি*
*জুৰিটিৰে পাৰত বহি, নিজানতে।"*

এলিফেন্ট ফল'ছৰ চোৱাৰ পিছত মোৰ মনলৈ প্ৰশ্ন এটা আহিল। ঠাইখনৰ নাম কিয় এলিফেন্ট ফল'ছ দিয়া হ'ল। তাত এজন স্থানীয় খাচীয়া ভদ্ৰলোক দেখা পাইছিলোঁ। তেখেতক কথাটো সুধি জানিব পাৰিলোঁ যে খাচিয়া ভাষাত এই ঝৰ্ণাৰ নাম আছিল — " Ka Kshaid Lai Patong Khohsicw" (three steps water falls) তাৰ বহু বছৰৰ পিছত ইংৰাজসকলে আহি এই ঝৰ্ণাটো নিৰীক্ষণ কৰিছিল। তেতিয়া তেওঁলোকে ইয়াৰ নাম "Elephant Falls" ৰাখিছিল কিয়নো ঝৰ্ণাৰ কাষতে থকা শিলাময় খণ্ডটোৰ আকৃতি হাতীৰ দৰে আছিল। কিন্তু ১৮৯৭ চনত হোৱা ভূমিকম্পৰ ফলত এই শিলাময় কিছু খণ্ড-বিখণ্ড হৈ পৰিল। তাৰ পিছত আমি 'শ্বিলং পিক' অৰ্থাৎ শ্বিলঙৰ আটাইতকৈ ওখ পৰ্বতৰ চূড়ালৈ গ'লো। তাৰপৰা মেঘালয় ৰাজ্যখন দেখা পোৱা যায়, কিন্তু সম্পূৰ্ণ কুঁৱলীৰে আৱৰি ৰখা বাবে ভালদৰে চকুৰে মনিব পৰা নগ'ল। তাত আমি খাচিয়া মহিলাসকলৰ পৰা জুইত পুৰা গোমধান আৰু আনাৰস কাটি জলকীয়াৰ সৈতে মিহলাই লৈ মুখৰ তৃপ্তি মাৰিছিলোঁ। পৰ্বতৰ চূড়াত বলা শীতল বতাহজাকে মোৰ মন আনন্দিত কৰি তুলিছিল। গধূলিলৈ মনত এটা অপাৰ আনন্দ লৈ হোটেল অভিমুখে ঘূৰি আহিলোঁ।

হোটেলৰ ৰুমটোৰ আৰামদায়ক পৰিৱেশত ক'ব নোৱাৰাকৈ টোপনিত লালকাল দিলোঁ। পুৱা সাৰপাই খুব ভাল লাগিল। খিৰিকীয়েদি বহু সময় বাহিৰলৈ চাই আছিলোঁ। হঠাৎ মনত পৰিল আজি চেৰাপুঞ্জী যোৱাৰ কথা -- লগৰ কেইজনক জগাই দি মই গা ধুবলৈ গ'লো। তাৰ পাছত আটাইকেইজনে একেলগে পুৱাৰ আহাৰ গ্ৰহণ কৰি চেৰাপুঞ্জী অভিমুখে যাত্ৰা কৰিলোঁ। চেৰাপুঞ্জীলৈ যোৱা ৰাস্তা অকোৱা-পকোৱা, আঁতৰৰপৰা দেখিবলৈ এডাল বৃহৎ আকাৰৰ সৰীসৃপৰ দৰে লাগে। ৰাস্তাৰ দুয়োকাষে পাইন গছ, বৈ অহা জান-জুৰি কুঁৱলীৰে আৱৰি থকা শিলাময় পৰ্বত আৰু ডাঠ সেউজীয়া পাতৰ গছ-গছনিৰে ভৰি থকা দৃশ্যবোৰ চাই মোৰ নয়ন সাৰ্থক হৈছিল। চাৰিওফালে ঘূৰি চালে কেৱল সেউজীয়া আৰু সেউজীয়া, দেহ-মন শৰীৰ পুলকিত হোৱা সু-দৃশ্যমান প্ৰকৃতিৰ ৰম্য ভূমি।

চেৰাপুঞ্জী গৈ থাকোঁতে আমি ব্ৰাকবা ফল'ছ, লাটাৰ ফলছ'ৰ দৃশ্যবোৰ চাই আনন্দত আত্মহাৰা হৈ গ'লোঁ। মেঘযুক্ত নীলা আকাশৰ প্ৰতিবিম্ব নামি ঝৰ্ণাবোৰৰ পৰিপূৰ্ণ পানীত পৰি কেনেদৰে চিক-মিকনি উঠিছিল, যেন সৰগৰ পৰা মণি-মুকুতা পৰিহীতা এগৰাকী পৰীয়েহে জল-কেলি কৰি আছে। মাজে মাজে আহি থকা এচাটি শীতল বতাহে আমাৰ দেহা শাঁত পেলাইছিল। তাৰ পাছত আমি মেঘালয় ই'ক পাৰ্ক চাবলৈ গ'লো। তাৰপৰা বাংলাদেশৰ সীমা সুন্দৰকৈ দেখা পোৱা যায়। ইয়াৰ প্ৰাকৃতিক সৌন্দৰ্যও বৰ মনোৰম। বিস্তীৰ্ণ ঘাঁহনি-বননিৰ শ্যামলীয়ে, সূৰ্যোদয় আৰু সূৰ্যাস্তৰ ৰাঙলী মানুহৰ মন ৰঙাই তোলে। আকৌ চেৰাপুঞ্জীৰ 'Mawsmai Cave' চাবলৈ গ'লোঁ। গুহাটোৰ ভিতৰলৈ সোমাই গ'লো। কিছুমান ঠাইত লাইট সংযোগ কৰি থোৱা আছে। ইয়াৰ ভিতৰৰ অংশ বিভিন্ন আকৃতিৰ শিলাখণ্ডৰে পৰিপূৰ্ণ। অৱশেষত চেৰাপুঞ্জীৰ 'Seven sister falls' চাই আনন্দমনে হোটেললৈ উভতি আহিলোঁ।

বহু হেঁপাহৰ ফলত শ্বিলং পৰিদৰ্শনৰ সুযোগ পালোঁ। যি আনন্দ আৰু জ্ঞান-অভিজ্ঞতা লাভ কৰিছোঁ সেয়া অবৰ্ণনীয়, অমূল্য সম্পদ হৈ থাকিব মোৰ জীৱন অভিজ্ঞতাৰ পাতত। এইদৰে মেঘালয় ৰাজধানী শ্বিলঙৰ চাবলগীয়া প্ৰায়বোৰ মনোমোহা সৌন্দৰ্য চাই ৰং মনেৰে শ্বিলঙৰ পৰা বিদায় ল'লো। ■

# আঘোণ

— পূৰণ গুৰুং
পঞ্চম ষাণ্মাসিক (বাণিজ্য শাখা)



কুঁৱলিয়ে মনে মনে আহি জনাই দিলে
আঘোণ অহাৰ কথা
মোৰ গাঁৱৰ ধূলিয়ৰী বাটেৰে
গৰুজাকৰ উভতনি খোজত
খিৰিকিৰে সোমাই অহা বতাহজাকতো
আঘোণৰ বতৰা...

আঘোণৰ সোণোৱালী পথাৰত
তোমাক নিতৌ লগ পোৱাৰ হেঁপাহ জাগিছে
টুনী চৰাইজাকৰ মাজেৰে
চোকা ৰ'দতো
তোমাৰ সুহুৰিটো মোৰ কাণত পৰিবহি
মুঠি বন্ধাৰ অজুহাতত দূৰলৈ চাই পঠিয়াম
ছথৰীয়া ডাঙৰীৰ ভৰত হাউলি পৰা
তোমাৰ উকা কান্ধখন
আঘোণৰ ৰ'দত জিলিকি উঠিব। ■

# মই ভাল পাবলৈ ল'লো

—শ্যামল হাজৰিকা
প্ৰথম ষাণ্মাসিক (ক'লা শাখা)



মই মোৰ চকুকেইটাক
ভাল পাবলৈ ল'লো,
যেতিয়াৰ পৰা তুমি মোৰ চকুকেইটালৈ চাবলৈ ল'লা।
মই মোৰ নামটো
ভাল পাবলৈ ল'লো,
যেতিয়াৰ পৰা তুমি মোৰ নামটো আওৰাবলৈ ল'লা
মই মোৰ হৃদয়খনক
ভাল পাবলৈ ল'লো,
যেতিয়াৰ পৰা তুমি মোক ভাল পাবলৈ ল'লা।
মই মোৰ জীৱনটোক ভাল পাবলৈ ল'লো,
যেতিয়াৰ পৰা তুমি মোৰ
জীৱনটোৰ এটুকুৰা অংগ হৈ পৰিলা। ■



# বেক

—সুমিতা শৰ্মা
পঞ্চম ষাণ্মাসিক (বিজ্ঞান শাখা)

ইংৰাজী চাৰিটা আখৰৰ এটা শব্দ
ষ্টুডেণ্টক কৰে অতি সোনকালে জব্দ।
আহে যেতিয়া, লগত আনে চকুপানী,
ঠেলিলেও নাযায় বৰ অভিমানী।
ষ্টুডেণ্টৰ লগত লুকা-ভাকু খেলে,
পাছ কৰিলেহে পৰাজয় স্বীকাৰ কৰে।
প্ৰলয় আনে ষ্টুডেণ্টৰ গ্ৰেজুৱেশ্যনত
লগতে বিসংগতি কলেজ জীৱনত।
সেয়ে কয় গুৰুজনে,
বেকৰ মহিমা অদ্ভুত
পাৰ কৰিব জানিলেই হ'ব সকলো গুড। ■

# ডিগবৈ মহাবিদ্যালয় কবিতা

—ৰিতুপৰ্ণা চেতিয়া
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ (বিজ্ঞান শাখা)

নাচাওঁ বুলিও চোন চাওঁ বাৰে বাৰে তোমাক
দেখিছোঁ সুদূৰৰ পৰা জিলিকি থকা
তোমাৰ স্বপ্নময় নাম....
নাহৰৰ শাৰীৰে তোমাৰ দীঘল পদূলি
সেউজীয়া হাঁহিৰে আদৰি নিয়া
এখুজি দুখুজিকৈ অহা শিক্ষাৰ্থীৰ নিচিগা লানি
তুমিয়ে আলফুলকৈ ৰাখিছা ধৰি
শিক্ষাগুৰুৰ সীমাহীন জ্ঞান
আগবাঢ়িব খোজোঁ
তোমাৰ হাতত ধৰি কঢ়িয়াব খোজোঁ গৌৰৱ
ডিগবৈ মহাবিদ্যালয় বুলি !!! ■

# প্ৰীতিৰ উপহাৰ

—দিপশিখা বৰুৱা
স্নাতক প্ৰথম বৰ্ষ (বাণিজ্য শাখা)

ৰ'দে কঢ়িয়াই দেহৰ ছাঁ।
আমোলমোলায় দেহত
মাহ হালধি
উৰুলিত মুখৰিত ক্ষণ।
হৃদয়ত পোখা মেলে নতুন আশা
গছে ন কুঁহিপাত মেলে
সপোনে পোহাৰ মেলে
পৃথিৱীৰ ধূসৰতাত
তোমাৰ শিৰেদি বোৱাই দিলোঁ
বুকুৰ সেউজ আশীষ
আঁচলত গাঁঠি দিলোঁ
অলপ মৰম আৰু
এখন নীলা খামৰ চিঠি। ■



# আই

—স্বপ্নালী বড়া
তৃতীয় ষাণ্মাসিক (ৰাসায়ন বিজ্ঞান)

আই,
আমাৰ খং, অভিমানৰ সৈতে সহবাস কৰা
মাতৃত্বৰ কোমল ছায়াৰে ঢাকি ৰখা
এখনি শুভ্ৰ চাদৰ তই।
পিতাইৰ জোনাকত তোৰ সপোনবোৰ
হৈছিলনে দিঠক,
বাসন্তী পছোৱাই উকুৱাই নিছিলনে
তোৰ ৰিহাৰ আঁচল।
তোৰ উজাগৰী নিশাবোৰ কিয় বাঢ়ে
কিয় শেষ ৰাতি সেমেকে শিতান
এইবোৰ খবৰ আমি
কাহানিও নল'লো।
বুকুৰ অমৃত পি
আমি ৰচিছিলোঁ ভৱিষ্যত
প্ৰতিটো খোজতে জোনাকী বাট দেখুৱাই
তই পূৰাব খুজিছিলি আমাৰ সপোন
এতিয়া,
সপোন চূৰ্ণ-বিচ্ছূৰ্ণ হোৱাৰ বেদনাত
ছটফটাই কান্দে তোৰ বুকুৰ সখীয়তী চৰাই,
বিশ্বাসৰ সাগৰত ডুবি থকা
তোৰ চিৰকলীয়া মনটোত
খঙেৰে ঘৰ এটা বান্ধিব নোৱাৰানে
মোৰ মমতাময়ী, জন্মদাত্ৰী আই। ■



# 'মা'

—সূৰ্য্য বাহাদুৰ লিম্বু
স্নাতক প্ৰথম বৰ্ষ (কলা শাখা)

ধৰণী কোলাত চকুমেলি
তোমাকেই পালো 'মা',
জীৱনৰ প্ৰথমটো মাত
তুমিয়েই আছিলা 'মা'
জীৱনৰ প্ৰথমটো খোজত
তুমিয়েই আছিলা 'মা'
সকলো দুখক নেওচি সুখৰ যাত্ৰী
তুমিয়েই 'মা'
নিচলা পৃথিৱী অচলা জীৱনৰ
তুমিয়েই লাখুটি
নিজৰ সকলো দুখ-কষ্ট পাহৰি
সকলো সুখ মোৰ ওপৰত
উচৰ্গা কৰা তুমি।
জীৱনৰ শেষ ক্ষণলৈকে মোৰ
অন্তিম শব্দ হ'ব 'মা'
তুমিয়েই মোৰ সকলোতকৈ শ্ৰেষ্ঠ
মৰমৰ 'মা'। ■

# মহান দেশ আমাৰ

—পূৰ্ণিমা বড়া
তৃতীয় ষাণ্মাসিক (ৰসায়ন বিভাগ)



চোৰা সৌজাক পখীলৈ,
ডেউকা মেলি
উৰিছে কেনেকৈ সদলবলে;
এক নিৰ্দিষ্ট দিশত
এক নিৰ্দিষ্ট গতিত
মুক্ত আকাশৰ তলেৰে
মুক্ত বতাহৰ মাজেৰে।
নাই সিহঁতৰ মাজত হাই-কাজিয়া
নাই সিহঁতৰ কোনো হাই-উৰুমি,
মাথোঁ লক্ষ্যস্থানৰ দিশে
উৰিছে চোৰা পাখি মেলি।
হোৱা নাইনে মনত
প্ৰশ্নৰ উদয়
চাই সৌজাক পখীলৈ
কৰিছোনে কিবা প্ৰয়াস আমি
নিজ ৰাজ্য, দেশক
আগুৱাই নিবলৈ।
ভাই-ভাইৰ মাজত কাজিয়া কৰি,
একেখন দেশতে
পৃথক জাতিৰ দেশ বিচাৰি,
কি পাম বাৰু আমি,
দেখিছানে আজি তাৰ বাবেই
ঘৰে ঘৰে কেৱল সকলোৰে মুখত
হত্যা-হিংসা, লুণ্ঠনৰ কাহিনী।
আজি
চুবুৰীয়া ৰাজ্যই
চুবুৰীয়া ৰাজ্যক
কৰে আক্ৰমণ,
সকলো দিশে কেৱল
চুৰি, ডকাইতি, হত্যাকাণ্ড
আৰু ধৰ্ষণ।
নিজ মানুহৰ লগতেই
কাজিয়া লগাৰ পৰিৱৰ্তে
হ'ব নোৱাৰোনে একত্ৰিত আমি,
ৰাজ্যখনত ধ্বংসযজ্ঞ চলোৱা অপৰাধীক
দিব নোৱাৰোনে শাস্তি।
অকলশবীয়া আন্দোলনত
জাহ যোৱাৰ ভয়ত
তুমিও চাগৈ লুকাইছা,
ৰাজ্যৰ অৰাজক অৱস্থা
আঁতৰাবলৈ
তুমিও চাগৈ বিচাৰিছা।
আহাঁ সকলোৰে মিলি লওঁ,
সেইজাক পখীৰ শিক্ষা,
সকলোৰে হাতে হাতে ধৰি
আগুৱাই কৰোঁ
আমাৰ দেশ ৰক্ষা।
ভয় নকৰিবা
আহাঁ আগুৱাই
গাওঁ আহাঁ দেশৰ জয়গান,
গৰ্বেৰে যেন ক'ব পাৰো আমি
আমাৰ ৰাজ্য মহান।
আমাৰ দেশ মহান।। ■

# সত্যানুসন্ধান

—বিপুল নাথ
তৃতীয় ষাণ্মাসিক (বাণিজ্য বিভাগ)



ঈশ্বৰ প্ৰদত্ত জীৱনত
থাকে দুটি পাৰ
দিছোঁ খোজ, অমৰ আত্মাৰ
এক নতুন অৱতাৰ।
দুষ্প্ৰাপ্য সত্যত
কৰোঁ আত্মানুসন্ধান
দিনকণাৰ এই সংসাৰ
ঘূণে ধৰা জীৱনৰ
এহাল চকুৰ বিষাদ
নাই মাথোঁ অন্ত
দুখৰ ছায়াৰ।
মৰীচিকাই নকৰে পূৰ্ণ
জীৱনৰ পিয়াহ
শুই থকা জীৱনৰ
সোপান দীঘল
নাই বিষাদৰ চিন
আছে মাথোঁ অনুভৱ
দিয়ে সহানুভূতি
স্যৰ পালে হয়
ধাৰাসাৰ বৃষ্টিয়ে গোৱা
চকুলোৰ গান।
ধোঁৱাৰ আৱৰণৰ ফাঁকেৰে
সৰি পৰে বিষাদৰ টোপাল।
মূধচহীন জীৱনত নামে
বাৰিষাৰ বান
সহজ-সৰল মায়াপুৰী
হয় জঞ্জাল
গাঁঠিব পাৰি মালা
জীৱন বুটলি
যিদৰে অন্ত নহয়
শৰত আৰু শেৱালী।
সৰি পৰা শেৱালী
সুখৰ সৌৰভ বিলায়
তোমাৰ জীৱনৰ ফুলপাহ
কোনো ভৰসা নাই।
অব্যাহত ৰাখিবা
জীৱন অনুসন্ধান
নিশ্চয় পূৰ্ণ হ'ব
পাবা প্ৰতিদান।
দিনৰ পিছত ৰাতি
এয়া প্ৰকৃতিৰ অৱদান
সুখ-দুখ জীৱনৰ
বিশ্ব অভিধান। ■

# পৃথিৱী

—খেমৰাজ বাছক'টা
তৃতীয় ষাণ্মাসিক (কলা শাখা)

হিংসাৰ পথ পৰিহাৰ কৰোঁ আহাঁ
আজিৰ এই পবিত্ৰ দিনত,
সকলোৰে হিতৰ কাৰণে আগবাঢ়ি যাওঁ আহাঁ —
এই সংসাৰ যাত্ৰাত।

আমি সকলোৰে ল'ব লাগিব
এক দৃঢ় প্ৰতিজ্ঞা,
নহ'লে আমাৰ জীৱন অন্ধকাৰ...।

ওলাই আহাঁ এই দেশৰ মানুহ
প্ৰকৃতিৰ ভাৰসাম্য ৰক্ষা কৰি,
সেউজী কৰি তোলোঁ এই পৃথিৱীক,
নহ'লে আমাৰ বিপদ নিশ্চিত।

এনেদৰে বাঢ়ি থাকে যেতিয়া জনসংখ্যা
উলিয়াব লাগিব তাৰ সমাধানৰ পৰিসংখ্যা,
নহ'লে এদিন এই পৃথিৱী
ডুব যাব
মানুহৰ মাৰণাস্ত্ৰত।

এই পৃথিৱী কি যে সহনশীল...?
ইয়াতে আছে লক্ষলক্ষ প্ৰজাতিৰ
জীৱ আৰু হাবি-বননি।

হাজাৰ হাজাৰ উদ্ভিদ গছ-গছনি
ধ্বংস কৰি মানুহে
বিকলাংগ কৰি পেলাইছে
তথাপি ধৰা স্থিৰ অমাত...।
কিন্তু ! ভুগিব লাগিব —
এদিন
মানুহে তাৰ পূৰ্ণ প্ৰতিফল। ■



# এতিয়া তোমাৰো প্ৰিয় শব্দ

—নলিনী মৰাণ
প্ৰথম বৰ্ষ (বাণিজ্য বিভাগ)

এদিন তুমি মোক সুধিছিলা
আপোনাৰ প্ৰিয় শব্দ দুটা কি?
মই একেষাৰে কৈছিলো 'মা' আৰু 'মানৱতা'
আকৌ সুধিছিলা অপ্ৰিয় শব্দ দুটা কি?
মই কৈছিলো 'সংঘৰ্ষ' আৰু 'সাম্প্ৰদায়িকতা'
মোৰ উত্তৰত তুমি থমকি ৰ'লা।
লাহে লাহে তুমি বুজি পালা
এতিয়া যে সমস্ত পৃথিৱী ৰক্তহীন
নৈখনৰ সৈতে কথা পাতি পাতি
ৰক্তদান কৰিবলৈ তুমি সাহসেৰে
আগবাঢ়ি আহিছা, তেজৰ কথা, মানুহৰ কথা
মনত অলপো দ্বিধা, সংকোচ নাই...
মুক্ত মনেৰে অকণিহঁত ঘৰলৈ উভতিছে
অলপ পাছতে সিহঁতৰ আঠুৰ ধূলি ধুব
আৰু প্ৰাৰ্থনা গাব ''তুমি চিত্ত বৃত্তি মোৰ...''
দূৰৈৰ গীৰ্জাত ঘণ্টাধ্বনি বাজিব
বতাহত ভাঁহি আহিব মগৰীৱৰ আজান
লাহে লাহে সকলো নিস্তব্ধ হ'ল
এতিয়া আমি সকলো নীৰৱে আছোঁ।
মলয়াৰ তালে তালে তুমি লাহেঁকৈ ক'লা
এতিয়া তোমাৰো হেনো প্ৰিয় শব্দ
'মা' আৰু 'মানৱতা'
আৰু অপ্ৰিয় শব্দ দুটা
'সংঘৰ্ষ' আৰু 'সাম্প্ৰদায়িকতা'। ■

# মন যায়

—দুষ্যন্ত বড়া
পঞ্চম ষাণ্মাসিক (একাওণ্টিং এণ্ড ফাইনেঞ্চ)

মন যায় সন্যাসী হ'বলৈ
কৰিবলৈ অগাধ তপস্যা
কৰো প্ৰয়াস হৈ উন্মনা
অযথা, অযথা......
দশোদিশে ছানি আছে বাবেকুৰি জটিল অৱস্থা।
কল্পনাপ্ৰৱণ মনত আছে জুই একুৰা,
নাজানো নিজেই জ্বলি শেষ হৈছোঁ
নে মোৰ বুকুত জ্বলিব কাৰোবাৰ চৌকা।

মন যায় মহাত্মা হ'বলৈ
বিচাৰো মুক্তি আৰু স্বাধীনতা
কণ্ঠত আছে শান্তিৰ পিপাশা
ব্যস্ততা, ব্যস্ততা.....
বঞ্চিত নিজৰ ঘৰতেই, কেৱল ভৰ্ৎসনা।
অঘৰী মই মোৰ জীৱন বাটত, মই ভগনীয়া,
কি ল'ম, কি দিম, কি থ'ম?
নিজকেই আৱৰি দপ্‌দপাই আছোঁ, এইয়াই সভ্যতা।

মন যায় সৰ্বশক্তিমান হ'বলৈ
বোৱাই দিম যেন শান্তিৰ নিজৰা
নাথাকিব কেতিয়াও এই অমানিশা
অসম্ভৱ, অসম্ভৱ.....
পৃথিৱী পোৱাৰ আগেয়ে পাঁও পাপৰ টোপোলা।
বীৰ পূজা কৰা, গাখীৰেৰে পাথৰ ধোৱা,
প্ৰশংসাপত্ৰ কিনা, মূল্য দান কৰা
কি অদ্ভুত, স্বাৰ্থই লৈছে জীৱনৰ ঠিকা।

মন যায় মোহাৰি দিবলৈ
মা, তোমাৰ তপত চকুলো
মই তোমাৰ দুৰ্ভগীয়া পো
অসহায়, অসহায়.....
কেনেকৈ সান্ত্বনা দিম মা তোমাক, মই যে পঙ্গু।
মই সহিব নোৱাৰো তোমাৰ পিঠিৰ শেল,
মা মোক শক্তি দিয়া, নোৱাৰো চাব মই তোমাৰ কান্দোনৰ ৰোল
মোৰ কোঙা হাত-ভৰি তোমাৰ বেদনাৰ একমাত্ৰ মূল। ■



# স্বপ্ন আৰু বাস্তৱ

— প্ৰিয়ংকা হাজৰিকা
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ (বিজ্ঞান শাখা)

ক্ৰমশ ঃ
আগুৱাই নিছোঁ আজি
মোৰ জীৱনৰ চলন্ত দুভৰি
দুডাল অচিনাকি জীৱন ট্ৰেকৰ বুকুৰেদি
স্বপ্নময় বাস্তৱ খেদি,

আঁকি পেলাইছোঁ
মোৰ কণ্টকাকীৰ্ণ জীৱনৰ
স্বপ্ন সমলৰ চিত্ৰ আৰু এমুঠি পোহৰ
সীমাহীনতাৰে,
মোৰ বুকুৰ কোনোবাখিনিত নিৰৱচ্ছিন্নভাৱে,

বাস্তৱ বৰ কঠিন
যদিও তাক সপোনৰ তুলিকাই সজোৱা হয়
আৰু গঢ়া হয় ভাবনাৰে

অৱশ্যে
বাস্তৱটো বাস্তৱেই
তাৰ নিশ্চয়তা আছে
আৰু
সপোনৰ ভৱিষ্যৎ... বাস্তৱ নতুবা অনিশ্চয়তা।। ■

# এটা প্ৰশ্ন ঃ তোমাৰ বাবে

—গিতুমণি চেতিয়া
তৃতীয় ষাণ্মাসিক



সেউজীয়া ধৰণীৰ সোণবৰণীয়া সৌন্দৰ্যক
তুমি উপলব্ধি কৰিছানে?
এনে এক পবিত্ৰ মুহূৰ্তত আকাশৰ
জিক-মিক তৰাবোৰক
তুমি সুধিব পাৰিছানে?
হেৰাই যোৱা প্ৰেমৰ সেই
আকঁলুৱা মৰমবোৰৰ কথা
অনুভৱ কৰিছানে মৰমবোৰ?
বোঁৱতি নৈ যেন সময়ৰ গভীৰত
তুমি আৰু মই হেৰাই গ'লো
এক নেদেখা, নুবুজা, অলংঘনীয় মুহূৰ্তত
তথাপিও নাজানিলো আমিবোৰ কোন?
আজি মাথোঁ মোৰ এটাই প্ৰশ্ন
''তুমি কোন'' আৰু ''মই কোন''
ইয়াৰ উত্তৰত,....
  আকাশে-বতাহে, পাহাৰে ভৈয়ামে কয়
  তুমি এখন বিশাল সাগৰ,
  আৰু মই এটি মাথোঁ জুৰি
কিন্তু,
  গছে-বনে, ফুলে-পাতে কয়
  তুমি এটি মহান গীত আৰু মই
  মই কি জানা?
মই বোলে এমুঠি কবিতা,
হ'ব পাৰে জানো
এয়া সম্ভৱ?
যদি মই প্ৰশ্ন কৰোঁ আজি
''তুমি কোন বুলি''
কি কবা তাৰ উত্তৰত
আৰু যদি মই নিজকে সুধোঁ
''মই কোন?''
মই জানো
তাৰ উত্তৰ দিব তুমি আৰু মই নোৱাৰো।। ■

# The Rains

—Sweata Dey
H.S. 2nd yr. (arts)

The sky invites the clouds,
The thunder roars aloud and
Drops of rain fall.
Staring at the raindrops from my windowpane,
Some thoughts arise,
Thoughts about the rain.
To some,
The rains bring back pain,
To some,
The rains mean fun,
To some
The rains mean love,
To some
The rains mean success and joy.
How kind of you dear rain,
You fall
On the grass
On the flowers,
On the plants and the trees.
Thanks to you
For coming into our hearts,
And making us recall the past. ■



# The Marks of an Enemy

—Dayal Biksh Chakma
B.com. 2nd sem.

"He smiles not when you see him,
No welcome will he show,
He will not turn his eyes that ways,
And answer you with 'No."

"Your enemies he hoaowrs,
He care not for your friends,
Those who would praise your worth,
He stays, your slanderers Commends.

"No secret tells he to you,
Your secrets he betrays,
Speaks never well of what you do,
Your wisdom he won't praise."

"He joys not at your welfare,
But your eirt fame,
Should he receive some dainty,
He thinks not of your name,
Nor pities you, nor cries aloud
O, bad my friend the same." ■

# Journey of College Life

—Rituparna Chetia
H.S. 1st year (Science stream)

It is the first day of College
It's a 'new' begining,
College is full of unknown rules.
That makes my head start spinning,
I am learning, what I want to learn
A step forward, towards my dreams,
A future that I can discern.
Its just across that river streams,
The years I will spend here
For the future I have planned,
For my future career
My knowledge, I'll expand,
And when my time here is done
I will look back here with
Pride,
I'll remember the day it has began
As I move forward with a heart untried. ■



# The Old Photograph

—Divyashree Sedai
B.Sc 3rd Semester

It hangs there on the wall since 20 years,
The old photograph of a smiling baby;
Bright and content eyes she flaunts with
Milky skin and well-fed happy tummy.

Rested in a bamboo sofa, with red cushions,
She shows her tummy and giggles away;
I guess her mother placed her there,
To shoot the baby's memorable day.

Look at the power of this six months old,
Her half-giggle-half-smile leaves visitors dazed.
All the pain and grief they forget
Jaw-dropped, and in bliss, they still stand amazed.

Her face glows with happiness of mother's care
Eyes gleam with contentment, thinks she has it all
Parents-and her world starts and ends here
She cares not about the rest of the world.

Father's love, Mother's Arms reflect in her eyes
Her smile or giggle says "I love my life and its way";
She is happy and fully content and it is twenty years back,
And, now I truly wish I were the same today ! ■

# All alone

—Manuj Chetri
3rd sem (B.com)



Idon't know whom to miss
And Whom to remember,
Because in this World
No one has ever mine.
In this hour of darkness,
I think I am alone, still alone.
Its only me and my shadow now
I have to walk on, live on and at least
Go on with this unending
And regretful life.
Just walk on, live on and go on,
Untill I have been told to stop. ■

# What is love?

—Mala Sharma
B.com 5th sem.

Have you ever wondered what love is?
Is it just a word that touches our life?
Or it's a gentle wound of a sharp knife?
Maybe it's on aura that connects people,
Or maybe it's just a sweet smile's dimple.
Is love a date on a beautiful evening?
Or is it uncontrollable like thunder and lightning?
Maybe its like a dance in the rain.
Is love a nice warm hug?
Or it's holding hands together and taking a walk?
Maybe love is a much needed sacrifies and letting someone go,
But for me, o care and happiness ! you are my love !■

# অসীমত

## যাৰ হেৰাল সীমা



— ডম্বৰু শইকীয়া
প্ৰথম তথা প্ৰাক্তন আলোচনী সম্পাদক, ১৯৭২

কাঞ্চন বৰুৱাৰ অতি সাৱলীল ভাষাৰ উপন্যাসখনৰ কাহিনীবাজি মনত পৰিল। পিছে হৃদয় চুই যোৱা সেই গ্ৰন্থখনৰ শিৰোনাম গ্ৰহণ কৰি গল্প-উপন্যাস লিখাৰ প্ৰয়াস কৰা নাই, মাথোঁ স্মৃতিপটত সজীৱ হৈ থকা কলেজৰ দিনৰ মধুময় জীৱন সোঁৱৰণ কৰিব যাওঁতে তেতিয়া দিনতে সংকল্প লোৱা জীৱনৰ স্বপ্নবোৰ এতিয়াও বুকুত বান্ধি সাঁচি থৈছোঁ... আলফুলে, আৰু এতিয়াও সেই সপোনৰ ঘৰখন ভাগি-উৰঁলি যোৱাৰ পিছতো আকৌ কিজানি সজীৱ কৰিব পাৰোঁ নেকি... যিদৰে নিৰদ চি চৌধুৰী ৮০ বছৰ বয়সতহে লিখিবলৈ আৰম্ভ কৰিছিল।

আজিকালি এনেবোৰ কথা এতিয়া ভাল নালাগে — যেনে ধৰা হওঁক কলেজৰ দিনৰ ৰোমাণ্টিকতা। — মই তোমাক ভাল পাওঁ। আকাশত যিমান তৰা আছে সাগৰত সিমান পানী আছে, পাহাৰ-পৰ্বতবোৰ যিমান ওখ — তিমান। ওহো নহয় তাতোকৈ বেছি...'' চান্দনি চান্দসে হী হোতী হ্যায়, সিতাঁৰো চে নহী... মোহব্বত একসে হী হোতা হ্যায়, হাজাৰোসে নহী... আনে লিখি যোৱা কথাবোৰ নিজৰ ভাষা। হৃদয়ৰ ভাষা বুলি নষ্টালজিক হ'ব নোৱাৰোঁ... যিদৰে — ''মৰে অসম জীয়ে কোন? তেজ দিম

তেল নিদিওঁ ! আমাৰ দাবী মানিবই লাগিব। 'গ' বেক বাংলাদেশী ! হুচিয়াৰ ! হুচিয়াৰ ! ১৯৬৯ ৰ তেল শোধনাগাৰ, ১৯৭২ চনৰ ভাষা আন্দোলন (অসমীয়া) আৰু ১৯৮০ ৰ বিখ্যাত বিদেশী বিতাৰণ আন্দোলন। আটাইবোৰ আন্দোলন কৰি কৰি যি পালোঁ.... পিঠিত CRP-ৰ কোব, গ্ৰেপ্তাৰৰ নামত স্মৃতি... আৰু এজাক প্ৰতাৰক ঘোচখোৰ, ৰাজপাট লাভ কৰাৰ কুসিৎ কৌশল, জনসাধাৰণৰ তেজ পি খোৱা এজাক দেশদ্ৰোহী নেতা... লাভৰ ঘৰত বিদেশী বিদ্বেষী হৈ থাকিল স্বদেশীবোৰ হ'ল জাতিদ্ৰোহী একোটাহঁত জনসাধাৰণৰ ৰক্ত পিপাসু... যিবোৰে মোৰ Pscizophrenia (a kind of disease, during the period effected person talks with stars to planet) ৰোগ সৃষ্টিত প্ৰতিদিন ইন্ধন যোগালে। সুদীৰ্ঘ জীৱন এক মানসিক যন্ত্ৰণাত ভুগিছোঁ। গুণী-জ্ঞানী আত্মভিমানী গৃহশত্ৰুবোৰৰ দোষত সোণৰ অসমত বিদেশী সন্ত্ৰাসবাদী, বিচ্ছিন্নতাবাদীবোৰৰ সৈতে যুদ্ধ কৰাৰ কৌশল আয়ত্ব কৰিবলৈ মহাভাৰতৰ শ্ৰীকৃষ্ণক সাৰথিৰ কল্পনাত জীৱন পাত কৰিম। এদিন এজন মহাৰথী লগ পাইছিলোঁ। ২০০৫ চনৰ ৮ আগষ্টত তেওঁ ইহ সংসাৰ ত্যাগ কৰি অনন্ত ধামলৈ গতি কৰিলে। কোন হ'ব পাৰে তেওঁ? তেখেতৰ মৃত্যুৰ শোকসভাত বকুল বনৰ কবি আনন্দ চন্দ্ৰ বৰুৱাৰ সুযোগ্য পুত্ৰ পৰজ বকুল বৰুৱাই দুলীয়াজান সাহিত্য সভাৰ প্ৰেক্ষাগৃহত কৈছিল ঃ চন্দ্ৰপ্ৰসাদ শইকীয়া এনে এজন ব্যক্তি আছিল — যিজনাক অসমৰ বৌদ্ধিক সমাজত যদি কোনো অতি গুৰুতৰ সমস্যাৰ উদ্ভৱ হয়, তাৰ সমাধান সূত্ৰ চন্দ্ৰ প্ৰসাদ শইকীয়াই আগবঢ়ালে নিৰ্বিবাদে সকলোৱে মানি চলিছিল।'' — কিন্তু অতি দুৰ্ভাগ্য, চন্দ্ৰপ্ৰসাদ শইকীয়াৰ শেষ উপদেশ, দুবাৰকৈ অসমৰ মাননীয় মুখ্যমন্ত্ৰী তৰুণ গগৈদেৱে ঘোষণা কৰা স্বত্বেও অসম সাহিত্য সন্মিলনী কিংবা অসমৰ বৌদ্ধিক সমাজে গ্ৰহণতো নকৰিলেই বৰং অসমৰ ১৩৯ জন দেশ-বিদেশত থকা বৌদ্ধিক ব্যক্তিয়ে প্ৰতিবাদ টোকা লিখি মূখ্যমন্ত্ৰী ডাঙৰীয়াৰ হাতত অৰ্পণ কৰিলে। মনত পৰিছেনে ঘটনাটো কি?

২০০৫ বৰ্ষৰ ফেব্ৰুৱাৰী সংখ্যাৰ গৰীয়সী ''আলোচনীৰ'' দৃষ্টিকোণত প্ৰয়াত মহাৰথী তথা অসমৰ ১৯৯৯-০১ বৰ্ষৰ অসম সাহিত্য সভাৰ ''হাজো'' অধিৱেশনৰ সভাপতি চন্দ্ৰপ্ৰসাদ শইকীয়াদেৱে ASSAM অৰ পৰিৱৰ্তে ASOM আৰু ASSAMESE ৰ পৰিৱৰ্তে ASOMIYA লিখিবলৈ পৰামৰ্শ আগবঢ়াইছিল। এই পৰামৰ্শ লগে লগে অসমৰ মুখ্যমন্ত্ৰী তৰুণ গগৈয়ে গ্ৰহণ কৰি কাৰ্যকৰী কৰিবলৈ ঘোষণা কৰিছিল। — কিন্তু ওপৰত ইতিমধ্যে উল্লেখ কৰি আহিছোঁ যে শইকীয়াদেৱৰ ২০০৫ বৰ্ষৰ ৮ আগষ্টত দেহাৱসান হয়। অসমৰ ১৩৯ জন ব্যক্তিৰ তালিকাত ৫ জন প্ৰাক্তন অসম সাহিত্য সভাৰ সভাপতিৰ স্বাক্ষৰো আছিল। তেখেতসকলে উল্লেখ কৰে যে — ১৬৬১ শতিকাত এজন ওলন্দাজ চিত্ৰকৰে এখন মানচিত্ৰত ASSAM লিখিছিল — যাৰ নাম 'জন ড'ন লীনেন' আৰু একে সময়তে ঔৰংজেৱৰ গভৰ্নৰ 'জ'ন মেটুচ্‌কাৰে' ঔৰংজেৱলৈ এখন পত্ৰ লিখিছিল য'ত দুবাৰ 'ASSAM' শব্দৰ উল্লেখ আছে। এয়া হেনো ঐতিহাসিক প্ৰমাণ। হায় চেলুকাচ। ১৬৬১ শতিকাৰ দুজন বিদেশী (যি অসমীয়া নহয়) লোকৰ কথা মতে অসমৰ নাম ASSAM ! কি আচৰিত। লোকে গুৱাহাটীক — গৌহাটি, সন্দিকৈক — হেণ্ডিক, ভূপেনদাক 'ভূপিনদা' বুলি ক'লে আমি মানি ল'ব লাগে নেকি? তাকো ১৬৬১ শতিকাৰ। কিয় ১৪০০-১৫০০ শতিকাৰ আমাৰ দুজনা গুৰু শঙ্কৰ-মাধৱৰ কীৰ্ত্তন ও নামঘোষাক উদাহৰণ স্বৰূপে গ্ৰহণ কৰিব নোৱাৰি নেকি? তাতোকৈ আচৰিত কথা এয়ে যে নিজে প্ৰতিবাদ কৰি নিজে কিয় আমাৰ অসম কাকতখনত — "AMAR ASOM'' লিখে এই ৰহস্যহে বুজি নাপালোঁ।

অসমীয়াত এটি প্ৰবচন আছে ৰামায়ণ পঢ়ি শেষ, ৰাম মতানে মাইকী ক'বই নোৱাৰে।' ভগৱান ৰামৰ গুৰু বিশ্বামিত্ৰ। বিশ্বামিত্ৰক গুৰু বা ঋষিৰ মৰ্যাদা কোনো দেৱ-দেৱীয়ে গ্ৰহণ কৰা নাছিল তেৰাৰ অহং ও কিছু অপকৰ্মৰ বাবে। বশিষ্ঠৰ শত পুত্ৰক বধ কৰাৰ পিছতো নিজ পত্নী অৰুন্ধতীৰ আগত বশিষ্ঠই বিশ্বামিত্ৰৰ গুণ-গৰিমা বখানি থকা নিজ কানে শুনিলত নিজৰ ভুল উপলব্ধি কৰি বশিষ্ঠৰ শিষ্যত্ব গ্ৰহণ কৰিলতহে বিশ্বামিত্ৰই ঋষিৰ মৰ্যাদা লাভ কৰি ভগৱান ৰামৰ গুৰু হ'ব পাৰিছিল। পিছে বশিষ্ঠই বশিষ্ঠাশ্ৰম তথা নৱগ্ৰহত কি কৰিছিল? ইয়াত অসমত তেৰাই যি কৰ্ম কৰিছিল তাৰ কাৰণেই অসমৰ প্ৰাচীন নাম ''প্ৰাগজ্যোতিষপুৰ''। কালক্ৰমত কামদেৱে শাপমুক্ত হৈ নিজ ৰূপ ঘূৰাই পোৱাৰ কাৰণে 'কামৰূপ' কালক্ৰমত আহোম ৰাজত্বত 'অহম' ইংৰাজ সকলে পাই ASSAM আৰু (ইংৰাজী অসমীয়া দুয়ো ভাষাত) ১৯৪৪ চনত ''আসাম সাহিত্য সভাৰ'' ঠাইত ''অসম সাহিত্য সভা'' কৰা হয় আৰু ইংৰাজীত "ASAM SAHITYA SABHA" ৰূপে খ্যাত। সেই সময়ত অসম সাহিত্য সভাৰ সভাপতি আছিল বাগ্মীবৰ নীলমণি ফুকন (১৯৪২-৪৪)।

ওপৰত বশিষ্ঠ মুনিৰ কথা উল্লেখ কৰা হৈছে — যিহেতু ভৌগোলিকভাৱে বিশ্বব্ৰহ্মাণ্ডক ৩৬০° ডিগ্ৰীকৈ ধৰি পুনৰ ১২ ভাগকৈ বিভক্ত কৰা হৈছে। প্ৰাচ্য আৰু পাশ্চাত্য সকলোৱে গ্ৰহণ কৰা এই

ভাগবোৰ — ০-৩০°, ৩১-৬০°, ৬১-৯০ আৰু ৯১-১২০° কৈ অৱশেষত ৩৩০°-৩৬০° ডিগ্ৰীকৈ মেষ -- ARIES ..... মীন — PISCES কৈ বাৰটা ৰাশি গ্ৰহণ কৰা হয়। এখন মানচিত্ৰ চালেই দেখিব উত্তৰ-পূৰ্বাঞ্চল ৯০°-৯৬° ডিগ্ৰীৰ ভিতৰত। এই কাৰণেই অসমৰ কৰ্কট ৰাশি। কৰ্কট ৰাশিৰ ভাগ্যস্থান বা নৱম ৰাশি মীন (৩৩২-৩৬০°) ৯০°-১২০° অংশৰ অধিপতি চন্দ্ৰ আৰু ৩৩১°-৩৬০° অংশৰ অধিপতি গুৰু বৃহস্পতি। সংখ্যাতত্ত্ব মতে চন্দ্ৰৰ সংখ্যা ২ আৰু বৃহস্পতিৰ ৩। আক্ষৰিক ভাৱে ASOM কৰিলে সংখ্যা ৩ হয় অৰ্থাৎ গুৰু বৃহস্পতি যি অসমৰ ভাগ্যধিপতি। আনহাতে ASSAM-ক সংখ্যাতত্ত্ব মতে সংখ্যা হয় ৮। সংখ্যা ৮ ৰ অধিপতি শনি। শনি এটা অতি চেঁচা গ্ৰহ, যাৰ পৰিভ্ৰমণ কাৰ্যকাল ৩০ বছৰ। শনি অসমৰ ৰোগ-ব্যাধি ও মৰণ স্থানৰ অধিপতি। এতিয়া সকলোৱে মন কৰক ১৯৫০ ৰ কথা, যাৰ পৰিণতিত অসমৰ মানুহ অসমতে গৃহহাৰা আৰু চৰ অঞ্চলত অবৈধ প্ৰবজন। এই প্ৰবজনক কেন্দ্ৰ কৰিয়েই ১৯৮০ চনৰ বিখ্যাত আন্দোলন। পুনৰ ২০১০ ৰ পৰা অৰুণাচল, মেঘালয়, নাগালেণ্ড... এই ভাতৃঘাতী কূটকাৰ্য। ক্ৰমশ ঃ অসম সাহিত্য সভা গুচি লাহেকৈ দুফাল। অসম সাহিত্য সভাইও অসমীয়াৰ সংজ্ঞা কেন্দ্ৰক দিব লগা হৈছে। কিন্তু, কেন্দ্ৰ পতিয়ন যোৱা নাই। — অসমীয়াই ''আমি অসমীয়া নহওঁ দুখীয়া'' বা ... 'বুলি শান্ত্বনা লভিলে নহ'ব'' বুলি গাই থাকিলেও লাভ নাই। মূলতঃ BIG BANG আৰু অওঁম শব্দ একে, যাক আমি ভকতীয়া ভাষাত কওঁ ''যেই নাম সেই হৰি জানা নিষ্ঠ কৰি।'' অওঁম্ শব্দৰ পৰাই ধ্বনি বিজ্ঞান বা শব্দ ব্ৰহ্মৰ সৃষ্টি। এই শব্দ বিজ্ঞানৰ তৰঙ্গৰ পৰাই অঁনাতাৰ, দূৰদৰ্শন, ভ্ৰাম্যভাষ ইত্যাদি সকলো আধুনিক যন্ত্ৰৰ উদ্ভাৱন সম্ভৱ হৈছে। এই অভাজন ডম্বৰুৱে এটি কথা নিশ্চিতভাৱে ক'লোঁ ঃ যেতিয়া পৰ্যন্ত 'ASOM', অসম বুলি বিশ্বদৰবাৰত দেশখনৰ নাম প্ৰচাৰিত কৰি প্ৰতিষ্ঠা নকৰে হাজাৰ আন্দোলন — প্ৰফুল্ল, সৰ্বানন্দ বা সমুজ্জ্বল আহক কোনো ফল লাভ নহ'ব। ডিগবৈ মহাবিদ্যালয়ৰ সোণালী বৰ্ষৰ আলোচনী এই ভৱিষ্যত বাণীৰ সাক্ষী হৈ ৰ'ব। অন্যথা অসমত সাতভনীৰ ঠাইত পুনৰ দ্বিখণ্ডিত, ত্ৰিখণ্ডিত, হৈ খণ্ড-বিখণ্ড হৈ যিদৰে আহোম ৰাজত্বলৈ, ইংৰাজৰ ৰাজত্বলৈ গৈছিল সেইদৰে কোনো মুজাহিদীন, আলকাইদাৰ হাতলৈ গুচি যাব পাৰে। বদনে মান অনাৰ প্ৰায়শ্চিত্ব পিয়লি ফুকনে ফাঁচী কাঠত ওলমি দিব লগা হোৱা কথা আমি পাহৰিলে নহ'ব। ■



'You cannot believe in God
until you believe in yourself'

— *Swami Vivekananda*

পবিত্ৰ কোৰাণত আল্লাই এইদৰে উল্লেখ কৰিছে ঃ ''হে মুছলমানসকল ! কোৰাঁ আমি বিশ্বাস কৰিছোঁ আল্লাহৰ প্ৰতি আৰু আমাৰ বাবে যি জীৱন ব্যৱস্থা প্ৰেৰণ হৈছে তাৰ প্ৰতি, যিসমূহ ইব্ৰাহীম (আব্ৰাহাম), ইছমাইল, ইচহাক, ইয়াকুব আৰু ইয়াকুবৰ বংশধৰ (ইহুদী) সকলৰ প্ৰতি অৱতীৰ্ণ হৈছিল, যিসমূহ মুছা (মোজেছ) আৰু ইছা (যীশুখ্ৰীষ্ট)ৰ আৰু আন আন (অন্য জাতিসমূহৰ) ঈশ্বৰ প্ৰেৰিত মহাপুৰুষ সকলৰ প্ৰতি তেওঁলোকৰ প্ৰভুৰ পক্ষৰ পৰা প্ৰেৰণ হৈছিল। আমি তেওঁলোকৰ মাজত কোনো ভেদাভেদ নকৰোঁ আৰু আমি তেওঁলোক সকলোৰে প্ৰতি অনুগত।''

ভাৰতবৰ্ষৰ হিন্দু-মুছলমানৰ সম্প্ৰীতি হ'ল বিশ্ববাসীৰ বাবে এক উজ্জ্বল দৃষ্টান্ত আৰু ধৰ্মীয় সন্ত্ৰাসবাদী সকলৰ বাবে এক সময়োচিত শিক্ষা।

অসমত হিন্দু-মছলমানৰ মাজত সম্প্ৰীতি স্থাপনৰ বাবে আজীৱন ব্ৰতী হোৱা মহাপুৰুষ দুজন আছিল শ্ৰীমন্ত মহাপুৰুষ শংকৰদেৱ আৰু আজান ফকীৰ।

মহাপুৰুষ শ্ৰীশ্ৰী শংকৰদেৱে অসমত একেশ্বৰবাদী বৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰিবলৈ আৰম্ভ কৰি, অসমত বাস কৰা বিভিন্ন জাতি-উপজাতি আৰু সম্প্ৰদায়ৰ মাজত থকা ভেদাভেদ ভাব আঁতৰাই, ধৰ্মৰ মাধ্যমেৰে সম্প্ৰীতিৰ এক নতুন দিশ মুকলি কৰি দিলে। শংকৰদেৱে মানুহৰ মাজত থকা জাত-পাত আৰু উচ্চ-নীচৰ মনোভাব, একেশ্বৰবাদী বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ যোগেদি শেষ কৰি পেলাইছিল। শংকৰদেৱে কৈছে —

''কিৰাত কছাৰী খাচী গাৰো মিৰি
যৱন কংক গোৱাল
অসম মুলুক ধুবা যে তুৰক
কুবাচ মলেছে চাণ্ডাল।''

হৰি ভকতিত এই সকলো জাতিৰ সম অধিকাৰ আছে। হৰি উপাসনাৰ স্থান নামঘৰত প্ৰৱেশ কৰিবলৈ সকলো জাতিৰ, সকলো সম্প্ৰদায়ৰ সকলো লোকৰে সমান অধিকাৰ আছে।

চৰিত পুথিৰ মতে শংকৰদেৱৰ পাটবাউসীত থকাৰ সময়ত শংকৰদেৱৰ এনে উদাৰ ধৰ্মীয় মনোভাৱ দেখি, চান্দসাই নামৰ এজন মুছলমান দৰ্জী লোক শংকৰদেৱৰ প্ৰতি আকৃষ্ট হৈ পৰিছিল।



# মোৰ মনত ভিন- পৰ নাই ঔ আল্লা

— হাছান আখতাৰ ফৰিদ
প্ৰাক্তন ছাত্ৰ

শংকৰদেৱে চান্দসাই দৰ্জীক নিজৰ সান্নিধ্যলৈ আনি ভকতৰ শাৰীত স্থান দিলে। দিনে দিনে শংকৰদেৱৰ আৰু চান্দসাইৰ সম্বন্ধ ওচৰ চাপি যাবলৈ আৰম্ভ কৰিছিল। দিনটোৰ কাম-কাজ সামৰি গধূলিৰ লগে লগে চান্দসাই নামঘৰলৈ গৈ আন আন ভকতৰ শাৰীতে শাৰী পুৰাই বহি শংকৰদেৱৰ মুখৰ পৰা ধৰ্মৰ ব্যাখ্যা শুনিছিলগৈ।

শংকৰদেৱে তেওঁৰ প্ৰিয় ভকত চান্দসাইকহে নিজৰ আচল ৰূপ দেখুৱাইছিল। এবাৰ শংকৰদেৱে চান্দসাই দৰ্জীক এটা দগলা (চোলা) চিলাই দিবলৈ ক'লে। চান্দসায়ে সেই সময়ত বোলে শংকৰদেৱৰ চতুৰ্ভূজ মূৰ্তি দেখা পাই দগলাটোত চাৰিখন হাত দিলে। যথা সময়ত শংকৰদেৱক দগলাটো দিলে। শংকৰদেৱে তাত চাৰিখন হাত দেখি কাৰণ সুধিলে। চান্দসায়ে তেতিয়া ক'লে — ''যি মতে দেখিলোঁ সেই মতেহে চাৰি হাত দিলোঁ।'' শংকৰদেৱে তেতিয়া কথাটো আনক ক'বলৈ মানা কৰি চোলাটোৰ দুখন হাত কাটি দিবলৈ চান্দসাইক নিৰ্দেশ দিলে। এই বৰ্ণনা অতিৰঞ্জিত যদিও ভকতসকলৰ মুখে মুখে এই ঘটনাৰ কথা চলি

অহাটোৱেই প্ৰমাণ কৰে শংকৰদেৱৰ প্ৰতি চান্দসাইৰ প্ৰগাঢ় ভক্তি আছিল আৰু চান্দসাইৰ প্ৰতিও শংকৰদেৱৰ অন্তৰত এক এৰাব নোৱাৰা প্ৰীতিভাব আছিল।

শংকৰদেৱৰ পাছত হিন্দু-মুছলমানৰ মাজত সম্প্ৰীতি স্থাপনৰ বাবে ব্ৰতী হোৱা এজন মুছলমান লোক আছিল আজান ফকীৰ নামেৰে খ্যাত পীৰ সাধকজনা। এওঁৰ আচল নাম আছিল ছাহ মীলান। ইৰাকৰ বাগদাদ চহৰত ১৬১০ চনত ছাহ মীলানৰ জন্ম হৈছিল। আনুমানিক ১৬৩৫ চনত ভায়েক নবীৰৰ সৈতে ছাহ মীলান অসমলৈ আহি হাজোৰ প্ৰখ্যাত গিয়াচুদ্দিন আউলিয়াৰ দৰগাহত থাকিবলৈ লৈছিল। হাজোত থকাৰ সময়তে মীলানে অসমীয়া মাত-কথা, অসমীয়াৰ আচাৰ-ব্যৱহাৰ ভালকৈ আয়ত্ব কৰি লৈছিল। হাজোৰ পৰা আহি মীলানে আহোম ৰজাৰ ৰাজধানী গড়গাঁৱৰ কাষতে থকা চুনপোৰা নামৰ ঠাইত স্থায়ীভাৱে বাস কৰিবলৈ লৈছিল। সেই সময়তে চূণপোৰাত ভালে সংখ্যক মুচলমান লোক বাস কৰিছিল যদিও নামাজ পঢ়িবৰ কাৰণে তেওঁলোকৰ মাজত মছজিদ নাছিল। ছাহ মীলানে নিজে আজান দিছিল কাৰণে শেষত তেওঁ আজান ফকীৰ নামেৰে খ্যাত হৈ পৰিছিল। ইয়াত বাস কৰাৰ সময়ত তেওঁ অসমীয়া সমাজত প্ৰচলিত আইনাম, বিয়ানাম, দেহবিচাৰৰ গীত আৰু ভকতসকলৰ মাজত প্ৰচলিত গুৰু দুজনাৰ বৰগীত, ঘোষা-কীৰ্ত্তন আদিৰ সুৰ, ছন্দ আয়ত্ব কৰি লৈছিল।

শংকৰদেৱৰ দ্বাৰা প্ৰচলিত একশৰণীয়া ভাগৱতী বৈষ্ণৱ ধৰ্মৰ 'এক দেৱ, এক সেৱ, এক বিনে নাই কেৱ' — বাণীত আজান ফকীৰ মুগ্ধ হৈছিল। ইয়াত তেওঁ ইছলাম ধৰ্মৰ একেশ্বৰবাদৰ সাদৃশ্য উপলব্ধি কৰিব পাৰিছিল। সেইবাবে শংকৰী দৰ্শনৰ প্ৰতি আজান ফকীৰ অধিক আকৃষ্ট হৈ পৰিছিল। শংকৰী ধৰ্মৰ উদাৰতাই তেওঁৰ মন-প্ৰাণ মুহি পেলাইছিল। আজান ফকীৰে শংকৰদেৱ আৰু মাধৱদেৱৰ দৰে ভক্তি মাৰ্গৰ ওপৰত বেছি গুৰুত্ব দিছিল। তেওঁৰ মানত সকলো মানুহ সমান। এনে উদাৰ মনোভাৱৰ কাৰণে (হিন্দু-মুছলমান উভয়ৰে কাৰণে আজান ফকীৰ এজন জনপ্ৰিয় ধৰ্মগুৰু, পৰমবন্ধু, পথ প্ৰদৰ্শক আৰু পৰামৰ্শদাতা হৈ পৰিছিল।

আজান ফকীৰে সেই সময়ত অসমত প্ৰধানকৈ মাত্ৰ দুটা সম্প্ৰদায় দেখা পাইছিল। এটা হ'ল হিন্দু সম্প্ৰদায় আৰু আনটো হ'ল মুছলমান সম্প্ৰদায়। এই দুটা সম্প্ৰদায়ৰ মাজত সম্প্ৰীতি স্থাপনৰ কাৰণে তেওঁ আজীৱন ব্ৰতী হৈ আছিল। হিন্দু-মুছলমান ধৰ্ম বেলেগ হ'লেও দুয়ো এক ঈশ্বৰৰ সন্তান। জিকিৰৰ যোগেদি এই মনোভাৱ গঢ়ি তুলিবলৈ তেওঁ প্ৰয়াস কৰিছিল।

''মোৰ মনত আন ভাব
নাই ঔ আল্লা,
মোৰ মনত ভিন-পৰ
নাই ঔ আল্লা।
হিন্দু কি মুছলমান, একে আল্লাৰ ফৰমান
মোৰ মনত একেটি ভাব।''

হিন্দুৰ মাহ-প্ৰসাদ আৰু মুছলমানৰ ৰুটি দুয়ো একেই। নামঘৰত হিন্দুৱে নামৰ অন্তত মাহ-প্ৰসাদ খায়। নামাজৰ অন্তত মছজিদত মুছলমানে ৰুটি খায়।

''এ হিন্দুৱে বিলালে, হয় চাহাব হয়,
মাহে পৰসাদে, হয় চাহাব হয়।
হায় হায় ঐ, মুছলমানে বিলালে ৰুটি
আল্লাৰ ৰহমৰ গিৰিহঁত,
তুমি আল্লা চাহাব ঐ
যদি কৰা দৰিয়াৰ পাৰ।''

আজান ফকীৰৰ মতে কোৰাণ, পুৰাণ আদি ইছলাম আৰু হিন্দুধৰ্মৰ ধৰ্ম গ্ৰন্থবোৰে একে কথাকে কৈ গৈছে। জ্ঞানীসকলে ধৰ্মৰ মূল কথা একেদৰেই বুজে।

''কোৰাণে-পুৰাণে এককে কৈছে
বুজিবা গিয়ানৰ লোকে,
সন্ত-মহন্ত আউলীয়া সকলে
একেটি নামতে খাটে।''

শংকৰদেৱ আৰু মাধৱদেৱৰ আদৰ্শত আজান ফকীৰ বিশেষ ভাৱে আকৰ্ষিত হৈছিল। তেওঁলোক দুজনৰ নীতিকে সাৰোগত কৰি আজান ফকীৰে মানুহৰ মাজত প্ৰকৃত পথ দেখুৱাবৰ কাৰণে প্ৰয়াস কৰিছিল।

''কাৰ ঘৰৰ জীয়াৰী কাৰ ঘৰৰ বোৱাৰী
ভাঙি কথাষাৰি কোৱা।
ভাঙি কথাষাৰি ক'বকে নোৱাৰি
হাততে ৰগৰে বাটি।
শংকৰদেৱৰ জীয়াৰী মাধৱৰ বোৱাৰী
ৰহেপুৰ নগৰৰ ৰসক নমাই আনি দিলে সকলোকে বাটি।''

আজান ফকীৰে শংকৰদেৱ আৰু মাধৱদেৱৰ প্ৰভাৱেৰে প্ৰভাৱান্বিত হৈ গুৰু দুজনাৰ বৈশিষ্ট্যক সন্মান জনাই এইদৰে লিখিছিল —

''এজনা হকিকত এজন ছৰিয়ত
দুজনাক মানি যাওঁ গুৰু
পূবে আয়ু পশ্চিমে বায়ু
মধ্য আমৰু জীউ।।''

কু-সংস্কাৰ, ধৰ্মান্ধতা, অৰ্থনৈতিকতা আৰু সামাজিক বিভেদৰ অশুভ পৰিণতিৰ বিৰুদ্ধে তেখেতে গাইছে —

''মোৰ মনত ভেদ-ভাব নাই ঔ আল্লা
মোৰ মনত আন ভাব নাই
হিন্দু কি মুছলমান একে আল্লাৰ ফৰমান
আখেৰত এক আল্লাৰ নাম লয়।''

অসমৰ হিন্দু মুছলমান সম্প্ৰীতিৰ সেতু বন্ধন হিচাপে মহাপুৰুষ শংকৰদেৱ আৰু আজান ফকীৰৰ বিৰচিত জিকিৰৰ নাম ল'বই লাগিব। ■



# ভাৰতীয় নৃত্য সমাজ

—সীমা বৰুৱা, প্ৰাক্তন ছাত্ৰী

নৃত্যৰ ক্ষেত্ৰত ভাৰতীয় ঐতিহ্য অতি পুৰণি। সম্ভৱতঃ প্ৰাগ-ঐতিহাসিক যুগৰে পৰা ভাৰতত নৃত্যৰ প্ৰচলন আছিল। বিভিন্ন প্ৰাচীন স্থানত আৱিস্কৃত নৃত্যৰত ভংগিমাৰ মূৰ্তিবোৰেই তাৰ সাক্ষ্য দিয়ে।

ভাৰতীয় শাস্ত্ৰীয় পৰম্পৰা নৃত্য অন্ততঃ দুহেজাৰ বছৰ পুৰণি। ভাৰতত এক বৈশিষ্ট্যময় নৃত্য-নাটৰ প্ৰচলন আছিল য'ত মুদ্ৰা, ভঙ্গিমা, চলন, গায়ন, সংগীত, পৰিচ্ছদ আদিৰ সমাহাৰ ঘটিছিল। এই নৃত্য-নাচত বিভিন্ন ধৰ্মীয় কাহিনীবোৰ বৰ্ণনা কৰি নৃত্যাভিনয়ৰ সহায়ত সেইবোৰ সৰ্বসাধাৰণে বুজি পোৱাকৈ, অথচ মনোমোহাকৈ প্ৰদৰ্শন কৰা হৈছিল। পাছত অৱশ্যে বিভিন্ন নৃত্য-বিশাৰদসকলে সেইবোৰ নৃত্যৰ কিছু বিকাশ ঘটায়। মুদ্ৰা-ভঙ্গিমা-অভিনয়ৰ এক বৈশিষ্ট্যময় নিৰ্দিষ্ট ৰূপ দিয়ে। বৰ্তমান ভাৰতীয় শাস্ত্ৰীয় নৃত্যধাৰাবোৰৰ ভিতৰত ভাৰত নাট্যম, কথক, কথাকলি, ওড়িছি, সত্ৰীয়া আদি ধাৰাবোৰেই অন্যতম। ভাৰতমুনিৰ 'নাট্যশাস্ত্ৰ'ই ভাৰতীয় নৃত্য বৈশিষ্ট্যৰ কথা লিপিবদ্ধ কৰিছে আৰু এই নাট্যশাস্ত্ৰৰ পৰাই নৃত্যৰ বহু মুদ্ৰা গ্ৰহণ কৰা হৈছে। ভাৰতীয় নৃত্য-পৰম্পৰাত গুৰুৰ এক বিশিষ্ট স্থান আছে।

ইংৰাজ শাসনৰ সময়ছোৱাত শাস্ত্ৰীয় নৃত্যই বিশেষ উদ্গনি পোৱা নাছিল যদিও গুণীসকলে ইয়াৰ চৰ্চা অব্যাহত ৰাখিছিল। কিছুমান অপভ্ৰংশ নৃত্যৰো অৱশ্যে প্ৰচলন হৈছিল।

স্বাধীনতাৰ পাচত ভাৰতৰ লোক-নৃত্যসমূহৰ বিকাশৰ বাবে প্ৰচেষ্টা চলোৱা হয়। এই বিভিন্ন লোক-নৃত্যবোৰেও ভাৰতীয় নৃত্য জগতত এক বিশেষ স্থান লাভ কৰিছে। বৰ্তমান চলচিত্ৰ জনিত কিছু নৃত্যৰ প্ৰচলন হ'লেও সেয়া পাশ্চাত্যৰ অনুকৰণত সৃষ্টি হোৱা নৃত্যহে। অৱশ্যে ভাৰতীয় শৈলীৰ নাচো চলচ্চিত্ৰত দেখা যায়।

ভাৰত নাট্যমঃ দক্ষিণ ভাৰতৰ প্ৰধান শাস্ত্ৰীয় নৃত্য। ভাৰত নাট্যমৰ ভাব, ৰাগ আৰু তালৰ অপূৰ্ব সমন্বয় ঘটিছে। অনেকৰ মতে এই তিনিটা শব্দৰ প্ৰথম বৰ্ণকেইটাক

লৈ ভাৰত নাট্যম শব্দটোৰ সৃষ্টি হৈছে। আন কিছু লোকে কয় যে ভৰত মুনিয়ে প্ৰৱৰ্তন কৰিছিল বাবেই ইয়াৰ নাম ভাৰত নাট্যম। অন্যান্য ভাৰতীয় নৃত্যধাৰাৰ দৰে ভাৰত নাট্যমৰো মূল ভাবধাৰা ধৰ্ম ভিত্তিক আৰু দেৱতা কেন্দ্ৰিক। ভাৰত মুনিয়ে তৃতীয় শতিকাত ৰচনা কৰা 'নাট্যশাস্ত্ৰ'ৰ পৰা ভাৰত নাট্যমৰ কিছুমান কৌশল, মুদ্ৰা আৰু সংজ্ঞা লোৱা হৈছে।

ভাৰত নাট্যম আগতে মন্দিৰত দেৱদাসীবোৰে নাচিছিল। ষষ্ঠদশ শতিকাত দেৱদাসী প্ৰথা হ্ৰাস পোৱাৰ পাছত ভাৰত নাট্যমৰ চৰ্চাও কমি আহে। ঊনবিংশ শতিকাৰ দ্বিতীয়াৰ্ধত চিন্নায়া, পিন্নিয়া, ভাদিভেলু আৰু শেৱনন্দম নামৰ চাৰিজন প্ৰতিভাৱান নৰ্তক ভ্ৰাতৃয়ে অনেক অনুসন্ধান তথা গৱেষণাৰ অন্তত 'দাসী আট্ৰম' নামেৰেও পৰিচিত এই নৃত্যক পাহৰণিৰ গৰ্ভৰ পৰা উদ্ধাৰ কৰে। তেওঁলোকে জনপ্ৰিয় কৰি তোলা এই নৃত্যই ভাৰত নাট্যম নামেৰে জনপ্ৰিয় হয়।

এই নৃত্যৰ ছটা ভাগ আছে। সেইবোৰ হ'ল -- আল্লাৰিপ্পু (Allarippu) মতিস্বৰম, শব্দম, স্বৰ্ণম, অভিনয়ম আৰু তিল্লানা।

**ওড়িছি ঃ** ভাৰতৰ প্ৰাচীন নৃত্যকলা ওড়িছি (orissi) বুলিও কোৱা হয়। মুলতঃ উৰিষ্যাত উৎপত্তি আৰু বিকাশ লাভ কৰা এই নৃত্য আদিতে মন্দিৰৰ দেৱদাসীসকলে পৰিৱেশন কৰিছিল। পাছলৈ ই ৰাজসভাতো ঠাই পায়। এই নৃত্যত ১০৮ বিধ মূল নৃত্যশৈলী পোৱা যায়। উৰি□ষ্যাৰ ভুৱনেশ্বৰ কোৰ্নাক আৰু পুৰীৰ মন্দিৰৰ বেৰত এই নৃত্যৰ বহু ভংগিমা খোদিত কৰা হৈছে।

ভাৰত নাট্যম আৰু কুচিপুড়ি নৃত্যৰ লগত ওড়িছি নৃত্যৰ মূল ভংগিমাৰ সাদৃশ্য দেখা যায়। এই নৃত্য ভূমি প্ৰণামেৰে আৰম্ভ কৰি বিঘ্নৰাজ পূজা, বুট নৃত্য, ইষ্টদেৱ বন্দনা, স্বৰ পল্লৱী নৃত্য, মাভিনয় নৃত্য আৰু শেষত দ্ৰুত লয়ত ডাৱিঝম অংশ কৰি সমাপ্ত কৰা হয়। মূল স্থায়ী ভংগিমা হ'ল ত্ৰিভঙ্গ।

আধুনিক ভাৰতীয় নৃত্যকলাত উড়িছি নৃত্যৰ বিশিষ্ট স্থান আছে। এই নৃত্যত কেইখনমান বিশেষ নাট্যশাস্ত্ৰ যেনে -- 'নাট্যমনোৰমা', 'সংগীত নাৰায়ণ', 'অভিনয় দৰ্পন', 'গীতি প্ৰকাশ' আদিত বৰ্ণিত প্ৰয়োগৰীতিৰ অনুকৰণ পৰিলক্ষিত হয়।

**কথক ঃ** ভাৰতৰ অন্য এক শাস্ত্ৰীয় নৃত্যকলা। উত্তৰ ভাৰতত জন্ম আৰু বিকাশ লাভ কৰা এই নৃত্যত হিন্দু আৰু মুছলমান উভয় সংস্কৃতিৰে প্ৰভাৱ পৰিছে। এনে নৃত্য যে ষোড়শ শতিকাৰ আগৰ, সেই কথা প্ৰামাণিক তথ্যৰ আধাৰত ইতিমধ্যে স্বীকৃত হৈ গৈছে। 'কথক' শব্দটো সংস্কৃত ভাষাৰ, অৰ্থ কথাৰ বৰ্ণনা দিয়া। আদিতে ঘাইকৈ মন্দিৰতে সীমাবদ্ধ থকা এই নৃত্য মোগলসকলৰ ৰাজত্ব কালত আধ্যাত্মিক দিশৰ পৰা আহি মনোৰঞ্জনৰো আহিলা হৈ পৰে। কথকৰ তিনিটা ঘৰানা (সংগীত নৃত্যৰ পৰম্পৰা, বংশগতভাৱে চলি অহা নৃত্য পৰম্পৰা) সৰ্বাধিক ভাৱে প্ৰচলিত। সেইকেইটা হ'ল — লক্ষ্ণৌ ঘৰানা, জয়পুৰ ঘৰানা আৰু বাৰাণসী ঘৰানা।

**কথাকলি ঃ** ই ভাৰতৰ অন্যতম শাস্ত্ৰীয় নৃত্যকলা। এই নৃত্যৰ জন্মস্থান কেৰেলা। 'কথা' বা 'কথ' শব্দৰ অৰ্থ কাহিনী 'কলি' শব্দৰ অৰ্থ 'অভিনয়', সামগ্ৰিকভাৱে 'কথাকলি' শব্দৰ অভিধানিক অৰ্থ অভিনয় বা নাটক। এই নৃত্যৰ উদ্ভৱ হয় কেৰেলাত সপ্তদশ শতিকাত। তৎকালীন কেৰেলাৰ কোট্ৰাৰাক্কাৰাৰ (Kottarakkara) ৰজা কেৰল বৰ্মাই কাষৰীয়া ছামুৰি ৰাজ্যত প্ৰচলিত 'কৃষ্ণনাট্যম' নৃত্য প্ৰদৰ্শনৰ বাবে সেই নৃত্যৰ প্ৰতিষ্ঠাতা ছামুৰিৰাজ মানবেদ ৰাজক নিমন্ত্ৰণ কৰিছিল। কিন্তু সমগ্ৰ দক্ষিণ ভাৰততে তেওঁৰ নৃত্যৰ মোল বুজা লোক নাই বুলি ছামুৰিৰাজে কেৰল বৰ্মা নিমন্ত্ৰণ প্ৰত্যাখান কৰে। ইয়াতে অপমানিত হৈ কেৰল বৰ্মাই নিজাকৈ 'ৰামঅট্যম' নামে এক নৃত্যৰ প্ৰচলন কৰে।

কথাকলি মুক অভিনয়। নৃত্যশিল্পীসকলে গীত নাগায়, কথাও নকয়। মঞ্চৰ আঁৰত থকা গায়কে গীতৰ জৰিয়তে ঘণ্টা আৰু কৰতাল সংগত কৰি কাহিনী বিবৃত কৰে। নৃত্যশিল্পীয়ে সংলাপৰ সলনি নানান অংগি-ভংগি আৰু মুখভংগিমাৰ দ্বাৰাই মনৰ ভাব প্ৰকাশ কৰে।

### অসমৰ কেতবোৰ নৃত্য

**অসমৰ পুতলা নাচ ঃ** পুতলাক সূতাৰে নচুৱাই কৰা নাট্যাভিনয়। অসমত পুতলা নাচৰ ইতিহাস অতি প্ৰাচীন। ই এক লোক অনুষ্ঠান। ইয়াৰ মঞ্চ অতি সৰু হয়। নাটকৰ কাহিনী পুৰাণ বা মহাকাব্যৰ পৰা লোৱা হয়। সংলাপবোৰ পৰ্দাৰ আঁৰৰ পৰা সূত্ৰধাৰে আওৰাই যায়। সুত্ৰধাৰে পুতলা নচোৱা কামো কৰে। এসময়ত পুতলা নাচ অতি জনপ্ৰিয় আছিল আৰু লোকৰ মনোৰঞ্জনৰ কাম কৰিছিল। ই এতিয়া লুপ্তপ্ৰায়।

**দেওধনী নৃত্য ঃ** প্ৰাচীন অসমৰ নৃত্য। এই নৃত্য শাক্ত ধৰ্মৰ উপাসনাৰ মাধ্যম আছিল। উপাস্য দেৱীৰ সন্তুষ্টিৰ অৰ্থে এই নৃত্যত এগৰাকী নাচনীয়ে দেৱীলৈ উচৰ্গা কৰা জীৱৰ কেঁচা তেজ আৰু মাংস খাই অবিৰাম নাচি থাকে। নাচনীগৰাকীয়ে দেৱীৰ সৈতে একাত্ম হ'বলৈ অনুকৰণ, ৰূপ ধাৰণ আৰু একীভূত অৱস্থা — এই তিনিটা পৰ্যায়

দেখা যায়।

**দেৱদাসী নৃত্য ঃ** অসমৰ প্ৰাচীন দেৱালয়ত দেৱতাৰ সন্তুষ্টিৰ উদ্দেশ্যে কুমাৰীয়ে নচা নৃত্য। নৰ্তকীসকলক দেৱদাসী নামেৰে জনা যায়। সম্প্ৰতি এই নৃত্য লুপ্ত। কৌটিল্যৰ অৰ্থশাস্ত্ৰ, কালিকা-পুৰাণ যোগিনীতন্ত্ৰ আদিৰ উপৰিও কামৰূপৰ ৰজাসকলৰ তাম্ৰ ফলিত দেৱদাসীসকলক নৰ্তকী বেশ্যা আদি শব্দেৰে বুজোৱা হৈছিল।

**চালি নৃত্য ঃ** চালি নৃত্য এবিধ সত্ৰীয়া নৃত্য। চালি নৃত্যৰ সন্দৰ্ভত পণ্ডিতসকলৰ মতানৈক্য আছে। এচাম পণ্ডিতৰ মতে এই নৃত্য নাচিলে ম'ৰাই চালি (ম'ৰাই নেজৰ পাখি থিয় কৰি বহলাই খেলা কাৰ্য) ধৰা যেন দেখি। সেয়েহে ইয়াৰ নাম চালি নৃত্য।

□**ঝুমুৰা নৃত্য ঃ** ইয়ো এবিধ সত্ৰীয়া নৃত্য। মহাপুৰুষ মাধৱদেৱৰ ঝুমুৰাত থকা নৃত্যখিনিকে ঝুমুৰা নৃত্য বা ঝুমুৰা নাচ বোলা হয়।

**ঝুমুৰ নৃত্য ঃ** অসমৰ চাহ জনজাতিসকলৰ নৃত্য। ভাদ মাহৰ শুক্লা একাদশী তিথিত উদ্‌যাপিত চাহ জনজাতিসকলৰ কৰমপূজাৰ অংশৰূপে ঝুমুৰ নৃত্য পৰিৱেশন কৰে। মুলতঃ স্ত্ৰী প্ৰধান হ'লেও এই নৃত্যত পুৰুষেও অংশ লয়।

**ভোৰতাল নৃত্য ঃ** সত্ৰীয়া সংস্কৃতিৰ অন্তৰ্ভূক্ত ই থলুৱা নৃত্য। ৫০ বছৰৰ আগতে এই নৃত্য বৰপেটাৰ সত্ৰীয়া ভকত নৰহৰি বুঢ়া ভকতে সু-সংহত আৰু সংগঠিত ৰূপত গঢ়ি তোলে। থিয় নামৰ লয়লাসৰ লগতে সত্ৰীয়া নৃত্যৰ মুদ্ৰাৰ সমন্বয়ত গঢ়ি তোলা ভোৰতাল নৃত্য কীৰ্ত্তন-ঘোষাৰ পদ অথবা মহাপুৰুষ দুজনাৰ বৰগীতৰ জৰিয়তে প্ৰদৰ্শিত হয়।

**দশাৱতাৰ নৃত্য ঃ** ই এবিধ নৃত্য। হিন্দুৰ শাস্ত্ৰমতে ভগৱান বিষ্ণুৰ দহটা অৱতাৰ মৎস, কুৰ্ম, নৰসিংহ, বামন, পৰশুৰাম, হলিৰাম, বৰাহ, শ্ৰীৰাম, বুদ্ধ আৰু কল্কিৰ ৰূপ ভংগীমাৰে সত্ৰীয়া নৃত্যৰ মুদ্ৰাৰে প্ৰদৰ্শন কৰা হয়।

**থিয় নাম বা বীৰ নাম ঃ** অসমৰ এবিধ ধৰ্মীয় প্ৰাচীন নৃত্যকলা। জনশ্ৰুতি অনুসৰি দ্বাপৰ যুগত বলি ৰজাই দৈত্যসকলক কায়িক শ্ৰমৰ জৰিয়তে হৰিনাম ল'বলৈ যি বিধান দিছিল, সেয়ে বীৰ নাম বা থিয় নাম বোলে।

**ঢুলীয়া নৃত্য ঃ** এইবিধ লোক নৃত্য শংকৰদেৱৰ বহু আগৰ পৰাই অসমত চলি আহিছে। ২০/২৫ জন মানুহেৰে গঠিত ঢুলীয়া দলত প্ৰায় ১৪/১৫ টামান সৰু-ডাঙৰ ঢোল আৰু ৪/৫ যোৰ তাল থাকে। যি সভাৰ খোলত ঢুলীয়া উঠে, তাৰ মাজত পুতলে ১০/১২ ফুট আৰু দীঘলে ৩০/৩৫ ফুটমান ঠাই এৰি তাৰ তিনিও ফালে মানুহ বহে। মাজৰ খালী ঠাইখিনিত ঢুলীয়া উঠে — দুটা সমান আকৃতিৰ বৃহৎ ঢোল কান্ধত ওলোমাই লৈ আপেক্ষিকভাৱে বয়সস্থ শক্তিশালী দুজন মানুহ গুৰিত থিয় দিয়ে। এই দুজন হ'ল ঘাই ঢুলীয়া আৰু তেওঁলোকে বজোৱা ঢোল দুটা ঘাই ঢোল।

**বাগৰুম্বা ঃ** বড়োসকলৰ বসন্তকালীন লোক নৃত্য 'বাগৰুম্বা'ত বড়ো গাভৰুৱে নৈসৰ্গিক নিৰিবিলি ঠাইত চৰাই-চিৰিকটি বা পখিলা আদি উৰি ফুৰা ভংগীমা অনুকৰণ কৰি নাচে। এই নৃত্য মূলতঃ নাৰী কেন্দ্ৰিক। পুৰুষে বাদ্যযন্ত্ৰ খান-চিফুং, জথা-ছেৰেন্দা আদি লোকবাদ্য সংগত কৰে।

**খেৰাই নৃত্য ঃ** ই বড়োসকলৰ ধৰ্মীয় নৃত্য। বড়োসকলে বছৰত দুবাৰ খেৰাই পূজা পাতে যদিও খেতি তোলাৰ পাছত পুহ-মাঘত কৰা পূজাই প্ৰধান আৰু সাৰ্বজনীন। 'খেৰাই' শব্দৰ 'খে' মানে আঁঠু লোৱা আৰু 'ৰা' প্ৰাৰ্থনা কৰা আৰু 'ই' ঈশ্বৰ।

এই পূজাত গাঁৱৰ মানুহে মিলিত হৈ খেতি পথাৰত বা মুকলি ঠাইত গোটেই ৰাতি পূজা-অৰ্চনা কৰে। থাপনাৰ সমুখত দৌদিনী (দেউধানী) বহে আৰু ওচৰত দৌৰী (দেউৰী বা পূজাৰী) য়ে মন্ত্ৰ মাতে। দৌৰীৰ মন্ত্ৰত সন্তুষ্ট হ'লে দৌদিনীৰ গাত দেৱতাই লম্ভে আৰু ঘূৰি ঘূৰি নৃত্য কৰিবলৈ লয়। দৌদিনীৰ পাছে পাছে সমজুৱাসকলেও নৃত্যত অংশ লয়। এয়াই বড়োসকলৰ খেৰাই নৃত্য।

তদুপৰি, অসমত অন্যান্য কিছুমান লোকনৃত্যও প্ৰচলিত। সেইবোৰৰ ভিতৰত ম'হ খেদাওঁতে 'ভালুকা', গোৱাল পাৰাৰ কানখুচৰী গীতৰ লগত নচা নাচ , বাঁশীপুৰাণ, কুশানচান আদি উল্লেখনীয়।

সেয়ে ক'ব পাৰি যে, আমাৰ সভ্যতা-সংস্কৃতিক আগবঢ়াই নিয়াত এই নৃত্যসমূহে বহুগুণে সহায় কৰিব। আমি সকলোৱে ভাৰতত প্ৰচলিত এই নৃত্যসমূহক সন্মান কৰাৰ লগতে পুনৰ উজ্জীৱিত কৰাৰ বাবে চেষ্টা কৰিব লাগে। ■

# সখিয়তী অ' মোৰ বুকুৰ চৰাই

উৎসৰ্গ — যাৰ জীৱনচৰ্যা কবিতাৰ উৎস তেওঁলৈ

— গুণেশ্বৰ শইকীয়া
প্ৰাক্তন ছাত্ৰ

তুমিযে ভুলৰ সমাধিত
এপাহি সুগন্ধি ফুল
সেই কথা গছবোৰে মোক
চিঞৰি চিঞৰি কৈ থাকে
বিশ্বাস আৰু সংশয়ৰ দোমোজাত মই
উদ্বিগ্ন নিৰ্বাক হৈ পৰিছোঁ

তোমাৰ কথা মই আকাশক সুধিলোঁ
বতাহক আঙুলিয়াই দি আকাশে
নীলা আঁচলেৰে মুখ ঢাকি
উচুপি উচুপি কান্দিলে
আৰু মৌনতাৰ ওখ পাহাৰ এটা দেখুৱালে

উন্মাদ হৈ মই প্ৰতিপল পঢ়িছোঁ
আৰু পাহৰি পেলাইছোঁ
তোমাৰ চকু মুখ আৰু ওঁঠৰ
পাহৰিব নোৱাৰা বৰষুণ

অথচ পাহৰোঁ বুলিতো পাহৰিব নোৱাৰি

তোমাৰ কথা সেয়ে মই তোমাকে সুধিছোঁ
সখিয়তী অ' মোৰ বুকুৰ চৰাই
সঁচানে বাৰু সেই কথা
যি কথা গছবোৰে মোক
চিঞৰি চিঞৰি কৈ থাকে। ■

মাৰ্ঘেৰিটাৰ সেউজী কবিচক্ৰৰ দ্বাৰা আয়োজিত কবি সন্মিলনত পঠিত আৰু সঞ্চালকৰ দ্বাৰা পুৰস্কৃত।

# শৰত আৰু শেৱালী

—তৰুণ শইকীয়া
চতুৰ্থ শ্ৰেণী কৰ্মচাৰী

বৰষাৰ অন্তত
নামি আহে শৰত,
শৰত আগমনৰ বাতৰি পাই
আনন্দত মতলীয়া হয়
শেৱালী —
শৰত আহিল
শেৱালীয়ে উচপ খাই মাতিলে
অ শৰত, তুমি আহিলা?
অত দিনে মই
তোমাৰ বাবেই
কিমান যে বাট চাই ৰৈ আছোঁ
তুমি জানো নাজানা
মই যে তোমাক
কিমান ভাল পাওঁ....???
জানা শৰত, তুমি আহিবা বুলিয়েই
প্ৰতি নিশাতে মই
কিমান যে তোমাৰ
স্বপ্ন দেখোঁ।
আহা শৰত,
তুমি আহিলেই মই
সন্ধিয়াৰ ভাগতে ফুলি
নিৰিবিলি জোনাক নিশা
তোমাৰ সতে লুকা-ভাকু খেলি
সৰি পৰো পুৱতি নিশাত
সেউজীয়া দলিচাত।
পুৱাৰ ৰক্তিম সূৰুযৰ আভাত
নিয়ঁৰৰ টোপালবোৰ
বাষ্প হৈ উৰি যায়, আৰু
আৰু মইও শৰতৰ পৰা
বিদায় মাগি মৰহি যাওঁ।। ■



# ডিগবৈ মহাবিদ্যালয়ৰ অন্যতম প্ৰাক্তন অধ্যক্ষ শ্ৰীযুত ৰফিক হুছেইনদেৱৰ লগত হোৱা সাক্ষাৎকাৰ

সাক্ষাৎ গ্ৰহণকাৰী ঃ ড° বিকাশ কুমাৰ বৰুৱা

সহযোগী ঃ ৰিদিপ বৰুৱা, সম্পাদক, আলোচনী বিভাগ

শ্ৰীযুত ৰফিক হুছেইনদেৱৰ চমু পৰিচয় ঃ

ডিগবৈ মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ শ্ৰীযুত ৰফিক হুছেইনদেৱৰ জন্ম ৩০/৩/৩৭ চনত শিৱসাগৰ নগৰৰ ৰংঘৰ চাৰিআলিত। তেখেতৰ দেউতাক স্বৰ্গীয় মফজল হুছেইন আৰু মাক স্বৰ্গীয় চাহিদা হুছেইন। তেখেতৰ শিক্ষা জীৱন আৰম্ভ হয় শিৱসাগৰত আৰু শিৱসাগৰ গৰৰ্ণমেণ্ট হাইস্কুলৰ পৰা প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈ গুৱাহাটী কটন কলেজৰ পৰা ১৯৫৮ চনত বি.এচ.চি ডিগ্ৰী লাভ কৰে। হুছেইনদেৱে গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা ১৯৬২ চনত এম.এচ.চি ডিগ্ৰী লাভ কৰে।

১৯৬২ চনত হুছেইনদেৱে তেজপুৰ গৰ্ৰনমেণ্ট হাইস্কুলত শিক্ষক হিচাপে কৰ্মজীৱন আৰম্ভ কৰে। ১৯৬৩ চনৰ পৰা ১৯৯২ চনলৈকে ডিগবৈ মহাবিদ্যালয়ত উদ্ভিদ বিদ্যা বিভাগত অধ্যাপক হিচাপে কাৰ্যনিৰ্বাহ কৰে। ১৯৯৩ চনৰ পৰা ১৯৯৭ চনলৈকে ডিগবৈ মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষৰূপে কাৰ্যনিৰ্বাহ কৰি অৱসৰ গ্ৰহণ কৰে। বৰ্তমান তেখেতে নিগাজিকৈ শিৱসাগৰ ৰংঘৰ চাৰিআলিত বাস কৰি আছে।

১। প্ৰশ্ন ঃ ঘাটি মঞ্জুৰী পোৱাৰ আগতেই এজন অধ্যাপক হিচাপে আৰু পিছৰ জীৱনত এজন অধ্যক্ষ হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰোঁতে আপোনাৰ অনুভৱ কেনে আছিল আমাক জনাবনে?

উত্তৰ ঃ মহাবিদ্যালয়ত অধ্যাপক হিচাপে যোগদান কৰা সময়ত মই তেনেই ওচৰৰ পৰা ড০ মহেন্দ্ৰ নাথ গগৈ, স্বৰ্ণলতা গগৈ, স্বৰ্গীয় দ্বিজেশ দেৱ শৰ্মা, কৃষ্ণ প্ৰসাদ বৰুৱাৰ লগতে ড০ প্ৰফুল্ল কুমাৰ ভূঞাদেৱক

লগ পাই নিজৰ ঘৰত থাকি কাম কৰাৰ দৰে অনুভৱ হৈছিল, যদিও সেই সময়ত স্থায়ী ভৱন বা অন্য সা-সুবিধাসমূহৰ অভাৱ আছিল। কিন্তু এটা কথা ক'বই লাগিব যে, সেই সময়ত সকলো শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীসমূহৰ মাজত সময়বোৰ বন্ধুত্বসুলভভাৱে পাৰ হৈ গৈছিল। কাম আৰু কামৰ সময়ৰ কোনো পৰিধি নাছিল।

২। প্ৰশ্ন ঃ ঘাটি মঞ্জুৰী পোৱাৰ আগত আৰু পাছৰ কালছোৱাত মহাবিদ্যালয়ত বিত্তীয় দিশত আপোনাৰ অভিজ্ঞতাৰ বিষয়ে কওকচোন?

উত্তৰ ঃ প্ৰথম অৱস্থাত মহাবিদ্যালয়খন নৈশ মহাবিদ্যালয় আছিল। নিজাববীয়া এটি ভৱনৰ ব্যৱস্থা হোৱাৰ পাছত স্বৰ্গীয় দ্বিজেশ দেৰশৰ্মা আৰু বহু কেইজন উদ্যোগী লোকৰ সহযোগ আৰু নেৰানেপেৰা প্ৰচেষ্টাত দিবা শাখালৈ আহে। ৰাইজৰ দান-বৰঙণি, মাজে মাজে মহাবিদ্যালয়ৰ হৈ থিয়েটাৰ আৰু লটাৰী খেলৰ যোগেদি টকা-পইচা সংগ্ৰহ কৰি আৰ্থিক দিশটো উন্নত কৰা হৈছিল।

৩। প্ৰশ্ন ঃ ১৯৯৩ চনত আপুনি অধ্যক্ষৰূপে যোগদান কৰাৰ সময়ত মহাবিদ্যালয়ৰ শৈক্ষিক বাতাৱৰণ কেনেকুৱা আছিল জনাওচোন?

উত্তৰ ঃ মই বৰ ভাগ্যবান। অধ্যক্ষৰূপে যোগদান কৰাৰ পাছত দুজনকৈ উপযুক্ত ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক পাইছিলোঁ। তেওঁলোক হ'ল শ্ৰীমান কুমুদ গগৈ আৰু শ্ৰীমান জীতেন দত্ত। ইফালে বহু চেষ্টাৰ ফলত পৰৱৰ্তী পৰ্যায়ত মহাবিদ্যালয়ৰ পৰীক্ষা সমূহৰ ফলাফলো উন্নত মানদণ্ডৰ হৈছিল। সেই সময়তে অসমৰ মাননীয় মুখ্যমন্ত্ৰী স্বৰ্গীয় হিতেশ্বৰ শইকীয়াদেৰক মহাবিদ্যালয়লৈ নিমন্ত্ৰণ জনাই দহ লাখ টকাৰ অনুদানেৰে বাণিজ্য ভৱনটো নিৰ্মাণ কৰা হৈছিল। ইয়াৰ পৰৱৰ্তী কালত অসমৰ অন্য এজন মাননীয় মুখ্যমন্ত্ৰী শ্ৰীযুত তৰুণ গগৈদেৱৰ দ্বাৰা অসম চৰকাৰৰ অনুদান দহ লাখ টকাৰে ছাত্ৰাবাস নিৰ্মাণ কৰি উদ্বোধন কৰা হয়। বহু অনুনয় বিনয় কৰি ভাৰতীয় তেল নিগম (অসম তেল সংমণ্ডল) অনুদানেৰে ছাত্ৰী নিবাসটো সাজি ছাত্ৰীসকলৰ বাবে মুকলি কৰি দিয়া হয়। ইয়াৰ উপৰি থিয়েটাৰ আৰু লটাৰী আদিৰে টকা সংগ্ৰহ কৰি আৰ্থিক দিশটো টনকীয়াল কৰা হৈছিল। এই ক্ষেত্ৰত সমূহ শিক্ষক-শিক্ষয়িত্ৰী আৰু কৰ্মচাৰীসকলৰ সহায়-সহযোগ উল্লেখযোগ্য আছিল।

৪। প্ৰশ্ন ঃ আপোনাৰ অধ্যক্ষতাৰ কালচোৱাত ডিগবৈ মহাবিদ্যালয় গৌৰৱ আৰু কৃতিত্ব সম্পৰ্কে কিছু কথা কওকচোন?

উত্তৰ ঃ অধ্যক্ষ হিচাপে কাৰ্যনিবাহ কৰা সময়তে মোৰ দিনত তিনিটা কৈ ডাঙৰ উৎসৱ অনুষ্ঠিত হৈছিল। মহাবিদ্যালয়ৰ ২৫ বছৰীয়া ৰূপালী জয়ন্তী উৎসৱ, সদৌ অসম কলেজ শিক্ষক সন্থাৰ বছৰেকীয়া অধিৱেশন আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ যুৱ মহোৎসৱৰ সাংস্কৃতিক অনুষ্ঠান। ডিগবৈ মহাবিদ্যালৰ কাৰণে এইবিলাক অনুষ্ঠান অনুষ্ঠিত কৰিব পৰাতো এটা ডাঙৰ গৌৰৱ। টকা-পইচাৰ নাটনিৰ দিনতো মহাবিদ্যালয়ৰ সমূহ শিক্ষক-শিক্ষয়িত্ৰীসকলৰ অক্লান্ত পৰিশ্ৰম আৰু বৰঙণি আৰু ৰাইজৰ সহযোগত এনে বৃহৎ অনুষ্ঠানসমূহ অনুষ্ঠিত কৰিবলৈ সক্ষম হৈছিলোঁ। সদৌ অসম কলেজ শিক্ষক সন্থাৰ দৰে অনুষ্ঠানলৈ সন্মানীয় সভাপতিৰ দৰে আসন আমাৰ মহাবিদ্যালয়ৰ শ্ৰীযুত হিতেন শৰ্মাদেৱে দুবছৰৰ বাবে শুৱনি কৰিছিল।

ডিগবৈ মহাবিদ্যালয়ৰ কলা, বাণিজ্য আৰু বিজ্ঞান এই তিনিওটা শাখাতে ঔদ্যোগিক নগৰখন আৰু ইয়াৰ দাঁতিকাষৰীয়া অঞ্চলৰ সামাজিক জীৱনৰ বৌদ্ধিক আৰু শৈক্ষিক দিশত আগবঢ়াই নিয়াৰ লগতে কৰ্ম সংস্থাপনৰ চাহিদা পূৰণ কৰিব পাৰিছে। ইয়াৰ একমাত্ৰ কাৰণ হ'ল ডিগবৈ মহাবিদ্যালয়ে সদায় ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ

ভিতৰতে সকলো পৰীক্ষাতে উন্নত মানদণ্ডৰ ফলাফল দেখুৱাত সক্ষম হৈছে।

৫। প্ৰশ্ন ঃ এখন মহাবিদ্যালয়ৰ প্ৰয়োজনীয় আন্তঃগাঁথনি উন্নয়নৰ ক্ষেত্ৰত চৰকাৰ বা প্ৰশাসনিক কৰ্তৃপক্ষৰ উদাসীনতা সম্পৰ্কে আপোনাৰ অভিমত কি?

উত্তৰ ঃ অসমৰ উচ্চ শিক্ষা জগতখনক আগবঢ়াই নিয়াৰ ক্ষেত্ৰত শিক্ষকসকলক উৎসাহিত কৰিব পৰাকৈ বিশ্ববিদ্যালয় অনুদান আয়োগে অতিসম্প্ৰতি যি বেতন ক্ৰম আগবঢ়াইছে সেয়া সময় উচিত হৈছে। প্ৰাদেশিকৃত মহাবিদ্যালয়সমূহৰ প্ৰায়বোৰৰে আন্তঃগাঁথনি নিশকতীয়া। প্ৰয়োজনীয় বিষয় শিক্ষক, পুথিভঁৰাল, পাঠ্যপুথি, ঘৰ-দুৱাৰ, শ্ৰেণীকোঠা প্ৰায়বোৰ মহাবিদ্যালয় দুৰৱস্থাৰে আৰু ভাৰাক্ৰান্ত। ৰাজ্য চৰকাৰে বচা বচা মহাবিদ্যালয়লৈ আন্তঃ গাঁথনি উন্নয়নৰ বাবে ১ কোটি পুঁজি আগবঢ়াইছে। ইয়াতো বৈষম্যৰ গোন্ধ পোৱা গৈছে। এক সুস্থ আৰু নিকা ব্যৱস্থা প্ৰৱৰ্তন কৰিলেহে মহাবিদ্যালয়সমূহৰ আন্তগাঁথনি টনকিয়াল হ'ব।

৬। প্ৰশ্ন ঃ মহাবিদ্যালয় প্ৰশাসনৰ মুৰব্বী হিচাপে বহু ক্ষেত্ৰত অধ্যক্ষসকলে সময়োচিত পদক্ষেপ গ্ৰহণৰ অভাৱত শিক্ষক-কৰ্মচাৰীয়ে নানান অসুবিধাৰ সন্মুখীন হয়। আপোনাৰ দিনতো তেনে হৈছিল নেকি? বা কেনেকুৱা হোৱা উচিত। আপোনাৰ মতামত কি?

উত্তৰ ঃ হয় এইটো সত্য। কলেজৰ অধ্যক্ষসকলে সময়মতে বিভিন্ন নথিপত্ৰ যোগান নধৰাৰ ফলত শিক্ষক-কৰ্মচাৰীসকলে বা কলেজসমূহে সময়ে সময়ে বহুতো ক্ষেত্ৰত বঞ্চিত হোৱাটো অপ্ৰিয় হ'লেও সত্য। মোৰ ক্ষেত্ৰত তেনে কোনো অসুবিধা হোৱা নাছিল। এই সকলোবোৰ ঘটিবলৈ পায় ৰঙা ফিটাৰ মেৰপাক আৰু সময় উচিত তৎপৰতাৰ অভাৱৰ বাবেই।

প্ৰশ্ন ঃ অৱসৰ গ্ৰহণৰ পিছত আজিলৈকে প্ৰায় ১৭ বছৰ কাল মাজে সময়ে মহাবিদ্যালয়লৈ আহি সামাগ্ৰিকভাৱে কিবা পৰিবৰ্তন লক্ষ্য কৰিছেনে?

উত্তৰ ঃ মোৰ অৱসৰৰ পাছত মহাবিদ্যালয়খনে পৰীক্ষাৰ ফলাফল অধিক ভাললৈ অহাত মনত সুখ অনুভৱ কৰিছোঁ লগতে মহাবিদ্যালয়খনে বহুতো ক্ষেত্ৰতে উল্লেখযোগ্যভাৱে অগ্ৰগতি লাভ কৰিছে। মহাবিদ্যালয়খন উপযুক্ত মানুহৰ হাতত পৰা বাবে মানসিকভাৱে যথেষ্ট সকাহ পাইছোঁ।

প্ৰশ্ন ঃ নতুন প্ৰজন্মৰ প্ৰতি আপোনাৰ উপদেশমূলক বাৰ্তা কিবা দিব নেকি?

উত্তৰ ঃ উঠি অহা নতুন প্ৰজন্মৰ প্ৰতি মোৰ এটা অনুৰোধ -- সু-শিক্ষিত হৈ দেশৰ সু-নাগৰিক হওক আৰু অনুষ্ঠানৰ প্ৰতি আনুগত্য হওক।

প্ৰশ্ন ঃ আপোনাৰ সু-স্বাস্থ্য আৰু দীৰ্ঘ জীৱন কামনা কৰিলোঁ।

উত্তৰ ঃ ধন্যবাদ, জয়তু ডিগবৈ মহাবিদ্যালয়। ■



'Two things are infinite: the universe and human stupidity. And i'm not sure about the universe.'

— *Albert Einstein*

# মোৰ দৃষ্টিত আধুনিক নাৰী



—পাৰ্থ প্ৰতিম গগৈ
স্নাতক দ্বিতীয় ষান্মাসিক, পদাৰ্থ বিজ্ঞান

আৰম্ভণিঃ

সামাজিক আৰু মানৱীয় দৃষ্টিত নাৰী বুলি ক'লে স্বাভাৱিকতেই মমতা সহনশীলতা, ধৈৰ্য, সহ্য, নম্ৰতা, দায়িত্বশীলতা, পতিব্ৰতা আদিৰ সমহাৰ ঘটা প্ৰতিচ্ছবিখনেই আমাৰ মনত ভাঁহি আহে। কিন্তু সময়ৰ পৰিৱৰ্তন তথা অগ্ৰগতিৰ লগে লগে সামাজৰ অন্য ক্ষেত্ৰসমূহত পৰিলক্ষিত হোৱা পৰিৱৰ্তনৰ দৰে পূৰ্বৰ নাৰীৰ ধাৰণাটোও সলনি হৈছে। এই পৰিৱৰ্তনৰ ঢৌৰে নাৰী সমাজৰ মানসিক, বৌদ্ধিক, শৈক্ষিক তথা নৈতিক ক্ষেত্ৰৰ পৰিৱৰ্তন সাধন কৰি বৰ্তমানৰ 'আধুনিক নাৰী'ৰ ধাৰণাটো প্ৰাসঙ্গিক কৰি তুলিছে।

আধুনিক নাৰী মানে কি?

আচলতে আধুনিক নাৰীৰ প্ৰকৃত অৰ্থনো কি? ইয়াৰ শুদ্ধ সংজ্ঞা কি হ'ব? আভিধানিক ভাষাত যদি আমি ইয়াক বিচাৰ কৰিবলৈ যাওঁ তেন্তে ক'ব লাগিব যে যিসকল নাৰী আৱেগ-অনুভূতিৰে পৰিপূৰ্ণ হৈও বাস্তৱবাদী আৰু নিজৰ যুক্তিৰ ওপৰত প্ৰতিষ্ঠিত তথা সকলোধৰণৰ কু-সংস্কাৰ, অন্ধবিশ্বাসৰ পৰা মুক্ত তেনে নাৰীকে আধুনিক নাৰী হিচাপে গণ্য কৰিব পাৰি। অৰ্থাৎ সকলো ধৰণৰ সৎ মানৱীয় গুণৰ অধিকাৰী হোৱাৰ উপৰিও তেওঁলোক হ'ব লাগিব সময়ৰ তাগিদাক গুৰুত্ব দি সমাজৰ সৈতে খাপ-খুৱাই চলিব পৰা বিধৰ।

কিন্তু বৰ্তমান সময়ত আমাৰ সমাজলৈ ঘটা পশ্চিমীয়া সংস্কৃতিৰ আগমন আৰু তাৰ অন্ধ অনুকৰণৰ ফলত আমাৰ সমাজত এনে প্ৰৱণতা বহুতো নাৰীৰ মাজত দেখা গৈছে যে নিজকে আধুনিক সজাবলৈ গৈ তেওঁলোকে ভাবি লৈছে যে যিসকল নাৰীয়ে অৰ্ধনগ্ন হৈ সমাজৰ আগত নিজকে প্ৰদৰ্শিত কৰিব পাৰে ডিস্ক'বাৰত গৈ নৈশ পাৰ্টিত অংশগ্ৰহণ কৰি উদ্দাম নৃত্যত মতলীয়া হৈ পৰিব পাৰে — তেনে নাৰীহে যেন আধুনিক নাৰী। এনেধৰণৰ ভুল ধাৰণাৰ বশৱতী হৈ তাক অনুকৰণ কৰিবলৈ যোৱাৰ ফলতহেই সমাজত উচ্ছৃংখলতা, অনৈতিকতা আদিৰ সৃষ্টি হৈছে। এনে এচাম ভোগবাদত লিপ্ত নাৰীৰ বাবেই — সমস্ত নাৰীৰ সতীত্ব, পৱিত্ৰতাৰ প্ৰতি সকলোৱে এটা সন্দেহৰ দৃষ্টিৰে চাবলৈ বাধ্য হৈছে। নাৰী নামৰ এই পবিত্ৰময়ী, ঐশ্বৰ্যময়ী শক্তি — যি শক্তিৰ আগত সকলোৱেই মূৰ দোঁৱাই সেই নাৰী আজি যেন কেৱল যৌনতাৰ প্ৰতীক, জৈৱিক ক্ষুধা পূৰ কৰিব পৰা এবিধ আহিলাহে হৈ পৰিছে। যি নাৰী শক্তিক মন্দিৰত স্থান দিয়া হয়, সেয়া কিন্তু আজিৰ সময়ত হোটেলৰ বন্ধ কোঠালৈ পৰ্যবসিত হৈছে। অভিসাৰৰ দৃশ্য সকলোৱে আগত প্ৰদৰ্শিত কৰি নিজকে চেলিব্ৰেটীৰ শাৰীত স্থাপিত কৰিবলৈ কাৰ্পণ্য কৰা নাই আজিৰ তথাকথিত নাৰীয়ে।

গতিকে এনেধৰণৰ অত্যাধুনিকতাৰ মুখা পিন্ধি, পশ্চিমীয়া দেশৰ বতাহত উৰি ফুৰি নিজৰ স্বাধীনতাৰ অপব্যৱহাৰ কৰা এনে কিছুমান নাৰীৰ বাবেই কিন্তু সমস্ত নাৰী সমাজেই আজি বদনামৰ সমভাগী হ'বলগীয়া হৈছে। যিটো সকলোৱে বাবে এটা চিন্তনীয় বিষয়।

**বৰ্তমান সময়ত সমাজত নাৰীৰ মৰ্যাদা ঃ**

কোনো এখন সমাজৰ উন্নয়ন, প্ৰগতিশীলতা তথা সেই সমাজৰ মানুহৰ মানসিক উন্নয়নৰ পৰ্যায় নিৰূপণ কৰিব পাৰি সেই সমাজে নাৰীক দিয়া স্বাধীনতা, অধিকাৰ আৰু সন্মানৰ ওপৰত ভিত্তি কৰি।

ভাৰতবৰ্ষৰ দৰে এখন পুৰুষ প্ৰধান দেশত নাৰীসকল অতীতৰ পৰা পুৰুষৰ দ্বাৰা লাঞ্চিত আৰু শোষিত হৈ আহিছে আৰু সেই ধাৰা বৰ্তমানেও অব্যাহত আছে। কৌৰৱৰ ৰাজসভাত দ্ৰোপদীৰ বস্ত্ৰহৰণ কৰা কাৰ্য পঞ্চ পাণ্ডৱে নীৰৱ দৰ্শক হিচাপে প্ৰত্যক্ষ কৰিছিল। গতিকে নাৰীসকলক বিভিন্ন ধৰ্ম-আচৰণ আৰু নৈতিকতাৰ ভীতি প্ৰদৰ্শন কৰি তেওঁলোকৰ শিৰ নত কৰি ৰাখিব বিচৰা হৈছে। তেওঁলোকক নিজৰ স্বাৰ্থ পূৰণৰ আহিলা ৰূপে ব্যৱহাৰ কৰিব খোজা হৈছে।

বৰ্তমান সময়ত শিক্ষাৰ বিকাশ আৰু তাৰ পৰিসৰ বৃদ্ধি হোৱাৰ বাবে বহুতো নাৰী নিজৰ ৰাজনৈতিক, অৰ্থনৈতিক আৰু সামাজিক অধিকাৰৰ প্ৰতি সচেতন হৈছে। তেওঁলোক যে কোনো ক্ষেত্ৰতেই পুৰুষতকৈ কম নহয় সেয়া ইতিমধ্যে তেওঁলোকে প্ৰমাণ কৰিছে। নিজৰ অধিকাৰ আৰু প্ৰাপ্যৰ হেতু ঘৰৰ চাৰিবেৰৰ পৰা ওলাই মুক্ত আকাশৰ তলত একগোট হ'ব পাৰিছে। কিন্তু অতি পৰিতাপ আৰু লজ্জাজনক কথা যে -- যিমানেই নাৰীসকলে নাৰী অধিকাৰ, নাৰী সবলীকৰণৰ কথা কৈ আকাশ-পাতাল একাকাৰ নকৰক লাগিলে বৰ্তমান সময়তো কিন্তু নাৰীসকল পুৰুষৰ দ্বাৰা নিৰ্যাতিতা হৈ থাকিবলগীয়া হৈছে। বে-আইনী হ'লেও ছোৱালীৰ ভ্ৰূণ হত্যাৰ হাৰ হ্ৰাস পোৱা নাই। হ্ৰাস পোৱা নাই ধৰ্ষণৰ সংখ্যা। যৌতুকৰ বাবে আজিও বোৱাৰী হত্যাৰ দৰে ঘৃণনীয় আৰু মানৱতাক তাচ্ছিল্য কৰা কামসমূহ আমাৰ সমাজতে চলি আছে। আনহে নালাগে শিক্ষাদানৰ দৰে মহৎ কাৰ্যত নিজকে অৰ্পণ কৰা শিক্ষয়িত্ৰী সকলো নৰপিশাচ ৰূপী দানৱৰ ক্ষুধাৰ বলি হ'বলগীয়া হৈছে। পিতৃৰ দ্বাৰা কন্যা, শিক্ষকৰ দ্বাৰা ছাত্ৰী ধৰ্ষিতা হোৱাৰ দৰে ঘটনাৰ খবৰ বাতৰি কাকতৰ প্ৰথম পৃষ্ঠাত বৰ বৰ হৰফেৰে প্ৰকাশ পাইছে।

এনেবোৰ ঘটনা আৰু তাৰ পৰিসংখ্যাই আমাক সোঁৱৰাই দিয়ে আমাৰ সমাজত আমি নাৰীক দিয়া সন্মান আৰু মৰ্যাদাৰ কথা।

**আধুনিক নাৰীৰ কৰ্তব্য আৰু দায়িত্ব ঃ**

''এগৰাকী মাতৃ এশগৰাকী শিক্ষকৰ সমান'' এই আপ্তবাক্য শাৰীৰ জৰিয়তেই এটা পৰিয়াল তথা এখন সমাজত নাৰীৰ গুৰুত্ব আৰু কৰণীয় কি সেয়া আমি সহজেই অনুমান কৰিব পাৰোঁ। প্ৰতিজন মহৎ পুৰুষৰ আত্মজীৱনী পঢ়ি চালে দেখা যায় যে প্ৰত্যেকৰে জীৱনৰ সফলতাৰ আঁৰত একোগৰাকী নাৰী আছে। হ'ব পাৰে এই নাৰীগৰাকী কাৰোবাৰ আইতাক, মাতৃ, প্ৰেয়সী, পত্নী অথবা বান্ধৱী। কিন্তু সকলোৰেই সেই ব্যক্তিসকলৰ জীৱন গঢ়াত প্ৰেৰণাৰ উৎস হিচাপে পৰিগণিত হৈছে।

বৰ্তমান সময়ৰ পৰিপ্ৰেক্ষিতত য'ত নেকি চাৰিওফালে মানৱতা ভূ-লুণ্ঠিত হৈছে, মানৱীয় গুণবোৰৰ অকাল মৃত্যু ঘটিছে, মানুহে মানৱীয় প্ৰমূল্যবোধতকৈ যান্ত্ৰিকতাকহে অধিক মূল্য দিব খুজিছে সেই সময়ত নাৰীসকলে প্ৰকৃত আধুনিক দৃষ্টিভংগীৰে এখন সুস্থ-সবল সমাজ গঢ়াত নিজৰ অৱদান আগবঢ়াই তাৰ অংশীদাৰ হোৱাৰ প্ৰয়োজনীয়তা আহি পৰিছে।

কেৱল বাহ্যিকতাৰ ক্ষেত্ৰত আধুনিকতাক প্ৰকাশ কৰাতকৈ আভ্যন্তৰীণ গুণসমূহ বিকশিত কৰাৰহে প্ৰয়োজনীয়তা আহি পৰিছে।

'বাহিৰে ৰঙচঙীয়া ভিতৰি কোৱা-ভাতুৰী' তেনে ধৰণৰ নাৰীৰ বিপৰীতে আমাৰ সমাজত সেইসকল আধুনিক নাৰীৰহে প্ৰয়োজনীয়তা আছে যি নেকি সবল নেতৃত্বৰ দ্বাৰা নিজৰ লগতে সমাজৰ পিছপৰা নাৰীসকলকো আগুৱাই লৈ যাব পাৰে। বৰ্তমান সময়ত আমাৰ মাজত প্ৰয়োজন আছে আন এগৰাকী মামণি ৰয়ছম, ৰীতা চৌধুৰীৰ দৰে নাৰীৰ। চানী লিঅ'নিৰ দৰে নাৰীৰ নহয়।

**সামৰণি ঃ**

নাৰী শক্তি এক বিৰাট শক্তি। এই শক্তিক আমি সঠিক পথ আৰু মাৰ্গেৰে আগবঢ়াই লৈ যোৱাৰ প্ৰয়োজনীয়তা আছে ইয়াৰ বাবে প্ৰয়োজন সঠিক কাৰ্যপন্থা আৰু তাৰ সঠিক ৰূপায়ণৰ।

নাৰী সবলীকৰণ, নাৰী অধিকাৰৰ ধাৰণাবোৰ কেৱল আলোচনা চক্ৰ অথবা কৰ্মশালাৰ মাজত আৱদ্ধ ৰাখিলেই নহ'ব এই বাৰ্তাসমূহ আমি সেইসকল নাৰীৰ ওচৰলৈও লৈ যাব পাৰিব লাগিব যি সকল বৰ্তমানেও ঘৰৰ চাৰিবেৰৰ বাহিৰৰ সমাজখনৰ বিষয়ে অৱগত নহয়। কেৱল শিক্ষিত চামৰ মাজতেই নহয় যিসকল বৰ্তমানেও জ্ঞানৰ পোহৰৰ পৰা বঞ্চিত সেইসকলোকো আমি একেখন মঞ্চতেই উপৱিষ্ট কৰিব পাৰিব লাগিব। আমি এনে এখন মঞ্চ গঢ়ি তুলিব লাগিব যি মঞ্চ ব্যৱহাৰ কৰি নাৰীসকলে নিজক সবল ৰূপত সমাজত প্ৰতিষ্ঠিত কৰিব পাৰে আৰু মূৰ দাঙি সমাজত জীয়াই থাকিব পাৰে। ■

# Moral Degradation of present time and the Youth

—Rajdeep Ghosh
B.A 2nd Sem.

India is the most ancient civilization. Vedas were written in India. Buddha got divine knowledge here. We are proud of our rich cultural heritage but today we have forgotten those ideals, values and principles which were so dear to our ancestors. The moral deterioration of society and youth in India is at present a burning issue. The root of this issue is not a recent phenomena, its trace can be indented in the society of the part, the magnitude of which has spread over largely in recent days. The expression of this sort of degradation is being reflected in different undersirable aspects of the society. Although it is considered that youth power is the driving force of a nation, the instances of which may be cited from vigorous movement of the past. But the youth of now-a-days are advertly diverted which doesn't only influence the Indian society but also it stimulates the coming generation of our civilization. Consequently, we have to face an alarming and more violent situation in the coming decades. Therefore, it is very much essential and duty of everybody to find out the solution of this tyranny to establish India in the world of Peace and Harmony.

Patriotism, Punctuality, very high civic sense and professionalism are values which Indian youth have failed to learn-from their Western counterparts. Western Education has made Indian youth dismiss all Indian sources of knowledge from our motherland as worthless and impractical. In the name of freedom the youngsters appear to have got a licence to do a lot of things that are socially unacceptable and therefore do not result in social good. Most teenager's don't have any goals and don't contribute to our society in any way, actually they do quite the opposite : ruin it by behaving badly. Indians aspire their country to be large, rapidly growing economy, and also to be respected as a great nation. In India, 480 million are less 19 years old. India has 20% of the world's children. But the recent years have seen an unprecedented increase in youth violence, often lethal violence, all around the nation. Unreliable evidence of increase in violence by young people against women and old people, of road rage, of violence in schools, and other violent action to get whatever they want is alarming. This "Epedemic" cause serious concern to both parents and experts who believed

their communities were no longer safe. This has shaken the very roots of the notion of building a peaceful society where the youth became the torch-bearer for progress of the nation. Besides, the personal losses due to the violent acts are immense. It is impossible to put a price tag on youth violence that accounts for all the damage done to Individuals, families, and communities. There is no way to measure the emotional pain, the lost opportunities. There is growing fear that our institutions are unable to maintain social order. Violence and the fear of violence have changed the way people live and eroded the under pinnings of healthy growth and developement of children and youth. Another element of Moral degradation of youth is alcohol. Alcohol is the drug of choice among youth. Many young people are experiencing the consequences of drinking too much, at too early an age. As a result, underage drinking is a leading public health problem in this country. Each year, approximately 5,000 young people under the age of 21 die as a result of underage drinking; this includes 1900 deaths from motor vehicle crashes, 1600 as a result of homicides, 300 from suicide, as well as hundreds from other injuries such as falls, burns and drownings.

Moral and values have never degraded from our soceity but we are lacking in expressing them. The most common reason is lack of humanity, yes we have to accept that there are some people in between us who shouldn't called to be human. Now, the time has come to re-generate our morals and values among them and if not possible then they shouldn't be a part of our society. We are Indians and even today also we live in a era where we treat our guest as God so the only thing we need to do is to keep our culture and ethics alive. Our thoughts and emotions should be more modern and true than our cloths and livelihood. I think this "moral-value degradation" phenomenon is considered as one of the major problems faced all over the world of course, the degree or intensity may vary but with the availability of the modern means of communication, entertainment, travel and such thrill seeking amenities we can hardly do anything to protect our culture from the invasion of morally degrading trends those we used to abhor in the recent past. If we consider the smoking habit of youngsters while still in high school or colleges and universities which were totally absent few years back. Another thing considered degrading is ear and body piercing and wearing ornaments by young males which were non-existent even a decade ago. I personally feel in our society, its not the lack of morals, its because there is no reward for being strictly akin to the morals. Forget about the reward still worse is when cheats, thugs and plunderers get away with all the crime that they do to our society. Like someone said before, you can't teach morals without examples or the consequences of being immoral. Because Human brain only care about the logic, the reward and the punishment. It always looks for shortcuts and when rewards gets bigger than punishment, our brain gives a go, throwing the so called morals out of the window. Its our system that needs to be changed, the corrupt politicians, sloppy judiciary, politically biased media, and above all the poor under educated class who are exploited by others on daily basis. Until then those who strictly follows morals-values will always be on handfull of people. Today, "Moral" is a word which is just limited to the moral books of some primary classes. It is no longer a valid word for an Indian, just as it has lost its meaning in the western world, several years ago. People no longer believe in paths that are shown by experienced ancestors. We have started believing that, we are the masters of our lives and no one else is responsible for its make up and break up, forgetting the fact that we can learn a lot from the experience of other also, especially from those elderly people, who lived a life of simplicity and contentnent with

a generous, kind and compassionate mind. This generation is the generation of "performance". Now a days even babies know the meaning of 'performance'. They are told to perform well in pre-primary classes, "perform" well in primary classes, "perform their best in their board exams, 'perform' the most in their graduation and keep performing utmost for the best of their life. Such children, who are born and brought up with such a mindset and attitude just learn to concentrate on improving their performance, no matter in what way they get it, at the expense of self-interest and of course at the sheer expense of humanistic attitude and moral values. Youths learn to smoke, believing that it is just another habit like eating, they learn to drink convincing themselves that it is mere an item of fun, they learn to cheat, thinking that they can bring about great 'performance' at the end. They have started believing that humans are polygamous by nature.

But they are not the only who I have to blame. From where can they see something good? Parents are snowed under duties with no time to spend with their own children, which is very bad. Who will raise them up as valuable people? My generation is the future but what kind of future will that be !! With no values, education and wrong points of view. People won't be interested in global problems and will ruin everything without even realizing it only with their inactivity or warped vision of life.

It is the duty of parents to ensure that their wards are morally upright. Parents appear to be helpless with peer pressure, media and internet exerting a greater influence than their own directives. Moreover, the modern adolescent is not very happy receiving advice or instruction from parents. It also needs to be pointed out that parents themselves have ceased to be role models and late realization of things going wrong has not helped at all. The media is out to make money and don't seem to realize their role in this regard. While educational institutions can play a major role in helping students imbibe values they seem to be failing due to various reason. Any effort to set things right would mean swimming aginst the tide of forces that is taking the youth in the wrong path. However, all efforts in the right direction need to be applied. Youth are likely to accept role models among fellow members. Thus, youth leader who can serve as role models can help fellow friends to imitate correct behaviour. Spiritual leaders in India are doing a great job by urging the youth to change and it is positive that they are reaching out to schools and colleges as well. The wave of reforms in education should also include changes in the syllabus to incorporate lessons on morality so that children develope as discerning mind to Identify the right from wrong. Children must be acquainted with traditions and the wealth of knowledge. Last but not the least parents must be role models for children to emulate. ■

## College week 1st prize

### Artical Competition

# সাম্প্ৰতিক সময়ৰ নৈতিকতাৰ অৱক্ষয় আৰু যুৱ সমাজৰ ভূমিকা

— ৰিম্পী সোণোৱাল
ষষ্ঠ ষাণ্মাসিক

মানৱ সমাজ পৰিৱৰ্তনশীল। ইতিহাসৰ স্তৰে স্তৰে ই পৰিৱৰ্তন হৈ আহিছে। ইয়াৰ লগে লগে সমাজত নৈতিকতাৰো অৱক্ষয় হৈছে। মানুহৰ মাজত হিংসা, বিদ্ৰোহ দিনক দিনে বাঢ়ি আহিছে। এজন মানুহ কেৱল উচ্চ শিক্ষিত হ'লেই নৈতিকতা গুণসম্পন্ন বুলি ক'ব নোৱাৰি। মানুহৰ সৰ্বতোপ্ৰকাৰৰ বিকাশ সাধনৰ বাবে নৈতিক শিক্ষা অতি প্ৰয়োজনীয়। বৰ্তমান যুগত নৈতিকতাৰ অৱক্ষয় দিনক দিনে বাঢ়ি গৈছে। কোনেও কাৰো সুখ-দুখৰ সমভাগী হোৱাটো নিবিচাৰে। খুব কম সংখ্যক লোকেহে সমাজৰ, মানৱতাৰ স্বাৰ্থত দুৰ্নীতিৰ বিৰোধে মাত মাতে। এনে নৈতিক শিক্ষা অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীসকলক দিয়াটো অতি প্ৰয়োজনীয় হৈ পৰিছে।

যুৱ শক্তি দেশ তথা জাতিৰ এক বৃহৎ শক্তি। দেশৰ ভৱিষ্যত প্ৰগতি নিৰ্ভৰ কৰে যুৱ শক্তিৰ ওপৰত। কিন্তু গুৰুত্বপূৰ্ণ কথাটো হৈছে এনে যুৱ শক্তিক যুক্তিসংগত গতিশীল বিচাৰ ধাৰাৰে সুৰক্ষিত ভৱিষ্যতৰ দিশত নিয়ন্ত্ৰণ কৰিব পৰাটোহে। ইয়াৰ সৈতে এক নিৰৱচ্ছিন্ন প্ৰক্ৰিয়া জড়িত হৈ থাকে। শিক্ষা-দীক্ষা, পৰিৱেশ, সমাজ ব্যৱস্থা আৰু আধ্যাত্মিক চিন্তা-চৰ্চাৰে পৰিপুষ্ট যুৱক-যুৱতীসকলে দেশৰ উন্নতিত সক্ৰিয় ভূমিকা ল'ব পাৰে। শিক্ষাই হৈছে মানুহৰ সহজাত জ্ঞানৰ পূৰ্ণতাৰ বহিঃপ্ৰকাশ। শিক্ষা গ্ৰহণৰ দ্বাৰা যুৱ সমাজে জ্ঞান, দক্ষতা, স্বভাৱ, মূল্যবোধ, সাংস্কৃতিক বিনিময় আৰু ব্যক্তিত্ব আহৰণ কৰে। জ্ঞানে মূল্যবোধ জগাই মানসিকতাত প্ৰভাৱ বিস্তাৰ কৰে সত্য, পৱিত্ৰতা, বিনম্ৰতা, সহিষ্ণুতা, দয়া, ক্ষমা, শ্ৰদ্ধা, ভক্তি আৰু বিশ্ব ভ্ৰাতৃত্ব আদি মানৱীয় মূল্যবোধ গঢ়ি তোলে। সেয়েহে শিক্ষাৰ দ্বাৰা জ্ঞান লাভ এক নিৰৱচ্ছিন্ন প্ৰক্ৰিয়া বুলিব পাৰি। জ্ঞান লাভৰ প্ৰথম আহিলাই হ'ল মন আৰু ইন্দ্ৰিয়। আমি নিজকে চিনি পাবলৈ আৰু বিশ্বৰ বিষয়বস্তু জানিবলৈ আমাৰ মন জাগ্ৰত হ'ব লাগিব, চেষ্টাও কৰিব লাগিব। পঞ্চ ইন্দ্ৰিয় — চকু, কাণ, নাক, জিভা, ছাল উপযুক্তভাৱে ব্যৱহাৰ কৰিব পৰা হ'ব লাগিব। নিজক চিনি পোৱাকে আধ্যত্ম বুলি কোৱা হয়। নিজক চিনি নাপালে আনক চিনি পাবলৈ টান আৰু তেনে ব্যক্তিত্বৰপৰা বিশৃংখলতা হোৱাৰ সম্ভাৱনাও থাকে। এই কথাবোৰ দেশৰ শিক্ষা ব্যৱস্থাৰ লগত জড়িত বিষয়। আমি দেখিছোঁ বৰ্তমান শিক্ষা জগতত সৃজনী শক্তি আৰু বুদ্ধিমত্তাৰ প্ৰাচুৰ্য বাঢ়িছে। বহুতো মেধাৱী ছাত্ৰ-ছাত্ৰীয়ে সুন্দৰ নম্বৰ লৈ পাছ কৰিছে, উন্নত মহাবিদ্যালয়, বিশ্ববিদ্যালয়ত পঢ়া-শুনা কৰিছে। আনকি কোনোবাই পূৰ্বৰ অভিলেখ ভংগ কৰি গীনিজ বুকত ৰেকৰ্ড কৰিছে। তেওঁলোকে দেশ তথা বিশ্বত নিজৰ সুকীয়া পৰিচয় গঢ়ি তুলিবলৈ সক্ষম হৈছে। কিন্তু তাৰ বিপৰীতে যুৱ সমাজৰ আকৌ এচামে চৰম হতাশাত ভুগি সমাজলৈ কলংকও আনিছে। তেওঁলোকৰ ভাল-বেয়াৰ বিচাৰ-বুদ্ধি লুপ্ত হৈ আহিছে আৰু নিজৰ শক্তিক চিনিব নোৱাৰি বিপথে পৰিচালিত হৈ আনৰ অহিত সাধন কৰিবলৈ কুণ্ঠাবোধ নকৰা হৈছে। কাৰণ তেওঁলোকৰ জ্ঞানৰ পৰিসীমা তেনেই সীমিত আৰু নিজৰ বিবেক-বুদ্ধি সৎ পথত পৰিচালনা কৰাত অপাৰগ।

আজিৰ দিনত ভাৰতবৰ্ষ বিশ্বৰ ভিতৰতে সৰ্বাধিক যুৱক-যুৱতী সম্পন্ন দেশ বুলি চিনাক্ত হৈছে। এনে এক বৃহৎ শক্তিক উপযুক্ত দিশত ব্যৱহাৰ কৰি ভাৰতবৰ্ষক আগশাৰীৰ এখন উন্নত ৰাষ্ট্ৰ হিচাপে চিহ্নিত কৰিবলৈ চৰকাৰী আঁচনি গ্ৰহণ কৰা হৈছে। তেনে ক্ষেত্ৰত বৰ্তমান যুৱচামৰ মাজত থকা প্ৰচুৰ সম্ভাৱনীয়তাক উৎসাহিত কৰি দেশৰ উন্নয়নত জড়িত কৰাটো অতি গুৰুত্বপূৰ্ণ বিষয়। উন্নত পৰ্যায়ৰ শিক্ষা ব্যৱস্থা কৰ্মসংস্থাপন আৰু

জ্ঞান গৱেষণাৰ কামত যুৱচামক জড়িত কৰাৰ চেষ্টা কৰা হৈছে। বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ অগ্ৰগতিয়ে সমাজখনক বহুদূৰ আগুৱাই লৈ গৈছে। এই গতিশীলতাত সকলো ভাৰসাম্য ৰক্ষা কৰি যুৱকসকল আগবাঢ়ি যাব লাগিব। উদ্ভাৱন হ'বলৈ ধৰা নিত্য নতুন কৌশল আমি নজনাকৈয়ে গ্ৰহণ কৰিছোঁ। বিজ্ঞানৰ সেই নতুন আৱিষ্কাৰ সময়ৰ পৰিৱৰ্তনৰ লগে লগে আমাৰ সমাজ ব্যৱস্থাকো পৰিৱৰ্তন কৰিছে। সমাজৰ মংগল আৰু মানৱ কল্যাণৰ বাবেই আধুনিক যন্ত্ৰপাতি, ঔষধ, অস্ত্ৰ-শস্ত্ৰ, সাজ-সজ্জা আদিৰ প্ৰয়োগ হৈছে। কিন্তু অজ্ঞানী আৰু মূৰ্খৰ হাতত তেনে বহু আৱিষ্কাৰৰ অপপ্ৰয়োগ হ'বলৈ ধৰিছে। তাৰ অন্যতম কাৰণ হ'ল সমাজক নেতৃত্ব দিব পৰা সৎ ব্যক্তিৰ অভাৱ। কাৰণ যাক লৈ আমি আমাৰ গাঁও অথবা নগৰ-চহৰত বাস কৰোঁ তাৰে সৰ্বাধিক যুৱক আশা-নিৰাশাৰ দোমোজাত। বছৰি উত্তৰ পূব ভাৰতবৰ্ষৰপৰা গড়ে ৬৬ শতাংশ ছাত্ৰ-ছাত্ৰী বিভিন্ন মহানগৰত পঢ়িবলৈ ওলাই যায়। তাৰে ৩৫ শতাংশই চাকৰি বিচাৰি যায় য'ত ১৫ শতাংশই চৰকাৰী চাকৰি পায় আৰু ৮৫ শতাংশই ব্যক্তিগত খণ্ডৰ চাকৰি কৰে। এই সমীক্ষা এই বাবেই প্ৰণিধানযোগ্য যে, যুৱ সমাজৰ মাজত প্ৰতিযোগিতাৰ প্ৰত্যাহ্বান আহি পৰিছে। প্ৰতিযোগিতাত বাছনি পাবলৈ উচ্চ আকাংক্ষাক বাস্তৱায়িত কৰিবলৈ প্ৰগতিশীল চিন্তা-চৰ্চা, অধ্যয়ন আৰু অধ্যৱসায় থাকিব লাগিব। বৰ্তমানৰ বস্তুবাদী আৰু ভোগবাদী সমাজখনত আমি বস্তুৰ পিছত ইমান ধাৱমান হৈছোঁ যে নিজৰ স্থিতি প্ৰকাশ কৰিবলৈ গৈ ডাঙৰ ডাঙৰ অট্টালিকা, দামী গাড়ীহে আমাৰ আভিজাত্যৰ পৰিচয় হৈছে। তাৰ বাবেও যেন প্ৰতিযোগিতা, কোনে কিমান দামী কিনিব পাৰে। কিন্তু প্ৰকৃত মানৱ সম্পদ হিচাপে আমাৰ নিজৰ জ্ঞান আৰু আধ্যাত্মিকতাৰ দামনো কিমান এবাৰ ভাবি চাবলৈ অৱকাশ হৈছে নে বাৰু? জ্ঞানীজনৰ মূল্যতকৈ ধনীৰ মূল্যৰ প্ৰাধান্যই সমাজখনক পৰিৱৰ্তনমুখী কৰিব; কিন্তু সেই পৰিৱৰ্তন সুদূৰপ্ৰসাৰী কেতিয়াও হ'ব নোৱাৰে। ইতিহাসৰ বিপ্লৱবোৰেই তাৰ সাক্ষী। ধন হ'লেই নহ'ব তাৰ সৎ ব্যৱহাৰ হ'ব লাগিব, তাৰ বাবেই প্ৰগতিশীল চিন্তা-চৰ্চা লাগিব। কাৰণ ধন মানুহৰ কল্যাণৰ বাবে ব্যৱহৃত বস্তুহে, মানুহৰ অন্যায়-অবিচাৰৰ বাবে ব্যৱহাৰ কৰা বস্তু নহয়। কম কষ্টতে অধিক ধন ঘটা আৰু ৰাতিৰ ভিতৰতে ধনী হোৱাৰ প্ৰৱণতা বৰ্তমান এচাম যুৱকৰ মাজত বিৰাজ কৰা দেখা যায়। যাৰ বাবে তেওঁলোকৰ মানৱীয় মূল্যবোধৰ অৱক্ষয় আৰু সূক্ষ্ম বিবেচনাৰ পংগুত্ব বৃদ্ধি পাইছে। যি সময়ত দেশৰ তথা সমাজৰ উন্নয়নত নিজৰ বুদ্ধি-বৃত্তি আৰু সৃজনী শক্তি ব্যৱহাৰ কৰিব লাগে সেই সময়তে যুৱ শক্তি হত্যা, অপহৰণ, ধন দাবী, ভীতি প্ৰদৰ্শন, মাফিয়া আদি অপকৰ্মত জড়িত হৈ থকাটো চৰম দুৰ্ভাগ্যৰ কথা। জ্ঞানৰ যুগত মগজুৰ বিকাশ প্ৰক্ৰিয়াত ইমান গুৰুত্ব দিয়া হৈছে যে মানুহৰ পৰিচালনা বুদ্ধিমত্তাৰে আনে আনক পৰিচালিত কৰিব পৰা হৈছে। অৰ্থাৎ নিজস্বতা বজাই ৰাখিবলৈকো জ্ঞানৰ প্ৰয়োজন। নিজৰ ঘৰখনৰ সংস্কাৰ, সামাজিক ৰীতি-নীতি, ঐতিহ্য-পৰম্পৰা, নিজস্ব বিবেক-বিবেচনাৰ ভেটিত থকা ব্যক্তি এজন সততে বিচলিত হ'ব নোৱাৰে। কিন্তু যিসকলৰ শৈশৱ তেনেই বিশৃংখল, সমাজৰ পৰা কোনো সংস্কাৰ বা ৰীতি-নীতি নমনাকৈ যুৱ অৱস্থা পায়, তেনে যুৱক-যুৱতীসকল প্ৰায় আনৰ ইচ্ছা আৰু কামনাৰ বলিৰ পঠা হ'ব লগা হয়, তেওঁলোকে কি কৰিব, কিয় কৰিব, কৰিলে তাৰ পৰা কি হ'ব আদি কথা ভাবি নাচায়। তেওঁলোকৰ স্বাস্থ্য সবল হ'ব পাৰে কিন্তু মগজু অতি দুৰ্বল। দুৰ্বল মগজুৰ দ্বাৰা কোনো কথা বিশ্লেষণ কৰি নিজাকৈ সঠিক সিদ্ধান্তত আহিব নোৱাৰে বাবেই বেয়া কাম কৰে আৰু আনৰ দ্বাৰা পৰিচালিত হয়। তেওঁলোক প্ৰায়ে সন্মোহনীৰ দ্বাৰা প্ৰভাৱিত হয়। ধৈৰ্য আৰু বিশ্বাস কম হোৱা বাবে নিজৰ ওপৰত নিজে বিশ্বাস কৰাতকৈ আনৰ দ্বাৰা পৰিচালিত হৈ ভাল পায়। সেই পৰিচালনা কৰা ব্যক্তিগৰাকী ভাল হ'লেতো কথা নাই; কিন্তু স্বাৰ্থপৰ আৰু লুভীয়া হ'লে তাৰ পৰিণাম বেয়া হয়। বৰ্তমান যুৱ সমাজক এনে কিছু স্বাৰ্থলোভী অসৎ ব্যক্তিৰ আক্ৰোশৰ পৰা সৎ পথত উলিয়াই অনাটো গুৰুত্বপূৰ্ণ বিষয় হিচাপে বিবেচিত হৈছে। কাৰণ অপৰাধ প্ৰৱণতা সামাজিক ব্যাধি। ইয়াক নিৰ্মূল কৰাটো সহজ নহয়, নিয়ন্ত্ৰণহে কৰিব পাৰি। সেই নিয়ন্ত্ৰণ বৈজ্ঞানিক দৃষ্টিভংগীৰে হোৱা উচিত। অপৰাধীক পুলিচ লগাই জে'লত ভৰাই থ'লেই অপৰাধ বন্ধ হৈ নাযায়। তাৰ উৎস বিচাৰি উৎখাত কৰিব লাগিব আৰু সামাজিক বাতাৱৰণত সুস্থ চিন্তাৰ বিকাশ ঘটাব লাগিব। তাৰ দায়বদ্ধতা কেৱল পুলিচী ব্যৱস্থা আৰু ন্যায়ালয়ৰ সিদ্ধান্ততেই শেষ বুলি ধৰিলে ভুল হ'ব। সমাজৰ দায়িত্বহে অধিক। ঘৰ আৰু সমাজৰ প্ৰতিজনে দায়িত্ব বুলি গ্ৰহণ কৰিব লাগিব। বৰ্তমান এই বিষয়তো এক ব্যৱধান লাভ কৰা বাবেই অপৰাধীয়ে অপৰাধ কৰাৰ পুনৰ সুযোগ গ্ৰহণ কৰিছে আৰু অপৰাধ প্ৰৱণতা বাঢ়িছে। কঠোৰ পৰিশ্ৰমৰ সীৰলুত সৃষ্টিৰ পুলিয়েই পাহি মেলে। তাৰ বাবে সমাজৰ তথা দেশৰ উন্নতিৰ বাবে যুৱচাম কঠোৰ পৰিশ্ৰমী হোৱাৰ লগতে তিনিটা বিষয়ত মনোযোগ দিব লাগিব সময়, ব্যৱস্থা আৰু শক্তি। সময়ৰ কাম সময়ত কৰিব লাগিব, সময়ক জুখি-মাখি পৰিকল্পিতভাৱে সময় নিয়ন্ত্ৰণ কৰিব লাগিব। কৰ্মেৰে শক্তি আৰু সামৰ্থ্য বৃদ্ধি কৰি লক্ষ্যৰ পথত অগ্ৰসৰ হওঁতে বাস্তৱতাক সতৰ্ক দৃষ্টিৰে অনুধাৱন কৰিব লাগিব। সাফল্যৰ বাবে ইচ্ছা শক্তি জাগ্ৰত কৰি উৎকৰ্ষৰ সন্ধানত প্ৰচুৰ জ্ঞান সংগ্ৰহ কৰিব লাগিব। ■



মহাবিদ্যালয়ৰ ক্ৰীড়া সপ্তাহত প্ৰবন্ধ প্ৰতিযোগিতাত দ্বিতীয় স্থান প্ৰাপ্ত

# নকলৰ কাগজ

—নিৰ্মালী বসুমতাৰী
একাদশ শ্ৰেণী, কলা শাখা

চাওঁতে চাওঁতে পৰীক্ষা আহি পালেই। মেট্ৰিকৰ ফাইনেল পৰীক্ষা ওচৰ চাপিলে। তাহানিৰ পৰা সকলো ছাত্ৰ-ছাত্ৰীয়ে ভয় কৰে। ভাল ছাত্ৰই বহুত আগৰে পৰা পঢ়া-শুনা কৰি থাকে। মাধ্যমীয়া ছাত্ৰসকলে পৰীক্ষাৰ এমাহ আগৰে পৰা পঢ়ে আৰু কম বুদ্ধিৰ ছাত্ৰসকলে পৰীক্ষাৰ তিনি দিনমান আগৰ পৰাই কিতাপ পঢ়া ভাও ধৰে। বিজুৱো মাধ্যম ধৰণৰে ছাত্ৰ। দেউতাক শিক্ষক। দেউতাক যিখন স্কুলৰ শিক্ষক, পুতেক বিজুৱো সেইখন স্কুলতে পঢ়ে। স্কুলখনো পুৰণিল, বিজুৰ দেউতাকো পুৰণি হৈছে। গতিকে পুত্ৰ ধন বিজুৱো বিনা কষ্টই আহি দশম শ্ৰেণী পাইছে। এইবাৰ মেট্ৰিকৰ ফাইনেল দিব। অৱশ্য শিক্ষকে মানে ছাৰে মাজে মাজে কি প্ৰশ্ন, কেনে প্ৰশ্ন আহিব পাৰে ছাৰে পুত্ৰধনক কৈ থাকে। বুজি নাপালে, মুখস্থ মাৰিব কয়। মাকেও মানে মাষ্টৰণীও এইমাহ ধৰি পুতেকৰ লগতে খাটিছে। মাকে দশম শ্ৰেণীৰ ছাত্ৰক শিকাব নাজানে কিন্তু সি যি পঢ়ে সেয়ে সঁচা বুলি ভাৱে। সেইবোৰেই পৰীক্ষাত আহিব বুলি মাকক পতিয়ন নিয়ায়।

ছাৰ সন্ধিয়া ১০ বজামানলৈ ঘৰত নাথাকে। তেওঁ দুই তিনিটা টিউচন কৰে। টিউচনৰ পৰা ওলাই সমাজৰ কামত ঘূৰে। বিহুৰ সময়। বিহুৰ মিটিঙত বহে। সেইদৰে পূজা আহিছে, পূজাৰ কমিটি, নামঘৰ কমিটিত অংশগ্ৰহণ কৰে। গতিকে ঘৰ পাওঁতে কেতিয়াবা ১১ মান বজাতে ঘৰ সোমায় তেতিয়ালৈ বিজু পঢ়িয়েই থাকে।

চাওঁতে চাওঁতে শেষ দৃশ্যত আহি উপনীত হ'ল। ৰাতি পুৱালেই মেট্ৰিক পৰীক্ষা। সিদিনা সন্ধিয়া মাটৈৰ কলৈকো নগ'ল আনকি টিউচনলৈও নগ'ল। টিউচনৰ ছাত্ৰক ইতিমধ্যে দিহা-পৰামৰ্শ দি আহিছে। গতিকে বিজুৰ ওচৰত বহি লৈ নিশা ১২ মানলৈ পৰীক্ষাত আহিব পৰা সম্ভাৱ্য প্ৰশ্নবিলাক কৈ আছে। মাষ্টৰে ক'লে, ''এইকেইটা প্ৰশ্ন আহিবই? তই খাই উঠি আকৌ এবাৰ পঢ়িবি।'' বিজুয়ে খাই উঠি পঢ়িব পৰা নাই। দেউতাকৰ ভয়ত কিতাপ খুলি লৈছে যদিও চকু টানি নিয়ে। মাষ্টৰ শুই পৰিল। মাকৰ মৰম। মাক কাষতে বহি থাকিল। কিন্তু চকু টানি নিয়ে। শেষত মাকে চকীতে শুলে। পুতেকে কিতাপৰ ওপৰত মূৰ পেলাই শুই থাকিল।

কাউৰীয়ে কা-কা কোৰাৰ লগে লগে মাক সাৰ পালে। বিজুকো জগাই দিলে। চকু-মুখ ধুবলৈ পানী দিলে। চাহ একাপ দিয়ে মাষ্টৰক মাতিলে। মাষ্টৰকো চাহ একাপ দি মাক গা ধুবলৈ গ'ল। পৰীক্ষা ৯ বজাৰ পৰা। মাষ্টৰে বিজুক ক'লে, ''তই লাহে লাহে আহি থাক। মই আগেয়ে যাব লাগিব। পৰীক্ষাৰ ডিউটী আছে।''

সেইমতে বিজুয়ে নামঘৰত মাকক সেৱা কৰি ৮-৩০ বজাত ঘৰৰ পৰা ওলাই গ'ল। বাপেকে ছীট বিচাৰিয়ে থৈছে। গৈ ছীটত বহিল। পেপাৰ দিলে। বিজুয়ে পেপাৰখন পঢ়ি আচৰিত হ'ল। মাষ্টৰ মানে বাপেকে কালি ৰাতি কৈ দিয়া এটা প্ৰশ্নও নাহিল। লগতে মাষ্টৰৰো মূৰ ঘূৰি গৈছিল – হায়! হায়! কি ঘটনা হ'ল। ফজিৰ মাষ্টৰে ঠগালে। বিজুয়ে কিন্তু আগেয়ে লিখা প্ৰশ্নবিলাক মনত পেলাই কিবা-কিবি লিখি থৈ আহিল।

ৰাতি বিজুৰ ঘৰত কন্দা-কটা। মাকে-বিজুৰে মাষ্টৰক কিছু গালিও পাৰিলে বোলে কোনে দিছিল তোমাক এইখন প্ৰশ্ন। পেপাৰ আউট কৰি আনিছে। একো চিন্তা নাই। অন্ততঃ ৮০ পাব। মাষ্টৰৰো দুখ নলগা নহয়। শোকে-তাপে তিনিও শুই থাকিল। পাছদিনা পৰীক্ষা নাই। সিদিনা অংকৰ পৰীক্ষা। মাষ্টৰে ক'লে, ''শুন বিজু, আজি তোক মই নকল পঠিয়াম। তই যেনে তেনে পৰীক্ষাত পাছ কৰিবই লাগিব। তাতে মাষ্টৰৰ পুতেক। মই কোঠাত নাথাকো আজি তহঁতৰ। দধি মাষ্টৰৰ হাতত মই নগলখন পঠিয়াম। তেওঁ তহঁতৰ কোঠাত ডিউটী আছে। এই পুৰা বহুৱাই দিবি। এটাও এৰি নাহিবি। প্ৰশ্নৰ উত্তৰবোৰ টুকি আনিবি।

পিছদিনা মাষ্টৰ সোনকালে গুচি গ'ল। অলপ পাছত পুতেকো গ'ল। চৌহদৰ বাহিৰতে এক টান চিগাৰেট খায়। মুখখন মচি পৰীক্ষা হলত সোমাল। পেপাৰ দিলে। বৰ টান অংক। এটাও কৰিব পৰা নাই। দধি মাষ্টৰেও নকলৰ কাগজখন দিব পৰা নাই। ইফালে-সিফালে অহা-যোৱা কৰি আছে। টেবুলত আৰু এজন নিৰীক্ষক বহি আছে। তথাপি এটা মুহূৰ্ত্তত ধোপ খেলৰ গুটিটো দিয়াৰ দৰে নকলৰ কাগজখন বিজুৰ হাতত দি দিলে। দি উঠি এটা স্বস্তিৰ নিশ্বাস পেলালে আৰু এটা ছেগ বুজি বিজুৰ বাপেক, মাষ্টৰক কৈ আহিল, 'দিছো'।

বিজুয়ে নকলৰ কাগজখন পাই মূৰ নোতোলাকৈয়ে সেইখন যেনে ধৰণে দেউতাকে লিখি দিছিল, হুবহু বহুৱাই দিলে। দুটা পৃষ্ঠাতে অংককেইটা শেষ হয় যদিও সি ডাঙৰ ডাঙৰকৈ আৰু বহল বহলকৈ ৩ পৃষ্ঠা কৰি সামৰিলে। তাৰপাছত বেল পৰাৰ লগে লগে ওলাই আহিল। বাহিৰত বাপকলৈ অপেক্ষা কৰিলে। সেই সুযোগতে এক পেকেট শিখৰো মুখত ঢালিলে।

অলপ পাছত কাম আজৰি দুই মাষ্টৰ ওলাই আহিল। বিজুয়ে বাপেকক ইংগিত দি মাতিলে। কিছু দূৰ গৈ তিনিও মানে মাষ্ট, বিজু আৰু দধি মাষ্টৰ এখন চাহ দোকানত সোমাল। টেবুল এখনত তিনিও বহিল। দুই মাষ্টৰে বিজুক একেলগে সুধিলে, ''ঠিকমতে বহুৱাই দিছতো চাঁত কাগজখন।'' বিজুয়ে দধি মাষ্টৰৰ দিয়া নকলখন দেউতাকৰ হাতত দিলে। মাষ্টৰৰ চকু কপালত উঠিল, ''এইখন কি?'' বিজুয়ে ক'লে, 'এইখন তুমি পঠাই দিয়া নকলখন আক'!'' মাষ্টৰে ক'লে, ''খালি খালি। কিহে দধি, তুমি এইখন তাক কি নকল দিলা? এইখনতো তোমাৰ দোকানৰ চেনি, গাখীৰ বাকী খোৱাৰ হিচাপৰ কাগজ।'' দধি মাষ্টৰে মূৰে-কপালে হাত দি ক'লে, ''অ! মোৰ ভুল হৈ গ'ল। এইখন বুলি সেইখন উলিয়াই দিলো।'' মাষ্টৰে পুতেকক সুধিলে, ''তই এইখনকে লিখি থৈ আহিছ নেকি?'' বিজুয়ে ক'লে, ''লিখিছোতো, তুমিয়েই দেখোন কৈছিলা, মই যি দিওঁ তাকেহে লিখিবি বুলি।'' মাষ্টৰে আকৌ ক'লে, ''তোৰ অলপো কাণ্ড-জ্ঞান নাইনে যে এইখন দোকানৰ বাকী হিচাপৰ কাগজ?'' বিজুয়ে সেমেনা-সেমেনি কৰি তলমূৰ কৰি থাকিল।

চাহ ঠাণ্ডা হৈ গ'ল। মিঠাইতো মাখি পৰিল। তিনিওজন ভেব গৰুৰ দৰে হ'ল। মাষ্টৰে অতি বেদনাযুক্ত কণ্ঠেৰে ক'লে, ''দধি, তুমি মোৰ ল'ৰাৰ মূৰটো খালা। সি এইবাৰো ফেইল।'' দধি মাষ্টৰে বৰ দুখ মনেৰে ক'লে, ''কি কৰিম, মোৰেই ভুল হৈ গ'ল। এইখন বুলি সেইখন দি পেলালো। চুৰি কৰাৰ অভ্যাস থাকিলে এনেকুৱাই হয়। ভয় লাগে নহয়, ইনচাৰ্জো বহি আছিল যে।'' ■

**মহাবিদ্যালয়ৰ ক্ৰীড়া সপ্তাহত গল্প প্ৰতিযোগিতাত**

**প্ৰথম স্থান প্ৰাপ্ত**

# শান্তিৰ স্বপ্নেৰে

— সুৰভী শইকীয়া
ষষ্ঠ ষাণ্মাসিক (কলা শাখা)

এয়া কঠিনতাৰ সন্ধিক্ষণ
কিদৰে লিখিম কবিতা
ভয় হয়
জানোচা চিঁয়াহীবোৰ তেজ হয়
বাক্যবোৰ প্ৰতিবাদী হয়
কিমান দিন কিমান নিশা
বাট চাইছোঁ
এটি শান্তিৰ কবিতা লিখিবলৈ
এটি প্ৰেমৰ কবিতা লিখিবলৈ
কিয় জানো
সময়ৰ নিৰ্মমতাই বাধা দিছে বাৰে বাৰে
নৃশংসতাত বান্ধ খাব খুজিছে সময়
এতিয়া মাথোঁ
অলপ আশা, অলপ নিৰাশাৰ দোমোজাত
প্ৰত্যয়দীপ্ত মোৰ কলমে
বিচাৰি পালে
প্ৰতিবাদ সিক্ত
এটি শান্তিৰ কবিতা। ■

**মহাবিদ্যালয়ৰ ক্ৰীড়া সপ্তাহত কবিতা প্ৰতিযোগিতাত প্ৰথম স্থান প্ৰাপ্ত**

# Cry of a Child labour

—Rajdeep Ghosh
B.A. 2nd Semester

Who is the most unlucky child?
You will think it's me.
When I will tell you my story, as sad as it could be
You will never wish to be like me.
I was born to be alone, and I haven't seen my parents face
Sad, dull and depressing were all my days.
I started to work at an early age,
They made me feel like my life was in a cage.
They made me break stones
And wash their dirty dishes,
Demolished and crumbled were all my lovely wishes.
They never give me proper food to eat,
All they did to me is to torture and beat
When I see other children so bright and happy lovely and sweet,
They learn and they play all the day
Showered in love are they everyday.
I always ask to God why could not I be like
But, I got no answer. I wish I could be like them.
Present Job of mine is worst I hate,
People say you poor boy this is your fate.
My greatest dream is to learn,
And get a Job by it and earn.
So someone please help me,
Help me to get a life of dignity. ■

**মহাবিদ্যালয়ৰ ক্ৰীড়া সপ্তাহত কবিতা প্ৰতিযোগিতাত দ্বিতীয় স্থান প্ৰাপ্ত**

# সেউজীয়া গছৰ ঠিকনা

— কৰবী ডেকা
ষষ্ঠ ষাণ্মাসিক (কলা শাখা)

ফাগুন আহিলেই গছ-গছনিবোৰ নাঙঠ হয়।
চ'ত আহিলেই সেউজীয়া কৰে দেহ
ডাল-মেলি আকাশলৈ চাই থাকে
বৰদৈছিলা অহা বতাহ বৰষুণৰ বাবে,
সকলো একেলগে বৰষুণৰ পানীত গা ধুৱে
এখন নিৰ্মল সেউজীয়া পৃথিৱীৰ সন্ধানত।
আকাশ চুই থকা গছ-গছনি, পথাৰখনে
দুবাহুৰে যেতিয়া আঁকোৱালি ধৰে
সেউজীয়া বহাগ হৈ হাঁহি মাৰে
তুমিতো জানাই?
সকলোৰে হেৰুৱাইছে নিজৰ ঠিকনা
দুঃসময় জীৱন গাঁথাত
জয় জয় ময় ময় আমি সকলো
আগত আমি কাৰোবাৰ বাবে অপেক্ষা
কৰিছিলোঁ আটাইতকৈ ডাঙৰ ওখ
এজোপা বটবৃক্ষৰ ছাঁত, বৰ্তমান
অপেক্ষা কৰিছোঁ এটা ছাতিৰ তলত বা
বাট চ'ৰাত।

সকলো হেৰুৱায়ো ইয়াত
গছবোৰে বিচাৰিছে নিজৰ ঠিকনা
জীৱনৰ মাজ মজিয়াতে
জয় জয় ময় ময় এতিয়া সিহঁতৰ
উমৈহতীয়া সেউজীয়া কেঁচা-ঠিকনা। ■



# বহাগ মোৰ বাবে

—নিৰ্মালী বসুমতাৰী
একাদশ শ্ৰেণী, কলা শাখা

বহাগ মোৰ বাবে
যেন জিলমিল বুটাবছা এডাল ৰঙীন ৰিবন।
বহাগ মোৰ বাবে
বিষন্ন লগনতো
জকমক্কৈ ফুলি উঠা
এপাহ খৰিকাজাই।

বহাগে মোৰ বাবে
প্ৰত্যহ কঢ়িয়াই আনে
প্ৰত্যয়ভৰা জীৱনৰ
জাগৃতি ছন্দ! ■



# সভাপতিৰ প্ৰতিবেদন



অংকুৰ বৰা
সভাপতি, ডিগবৈ মহাবিদ্যালয়
ছাত্ৰ একতা সভা ২০১৩-১৪ বৰ্ষ

প্ৰতিবেদনৰ আৰম্ভণিতে ডিগবৈ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী লৈ আন্তৰিক কৃতজ্ঞতাৰ শৰাই আগবঢ়াইছোঁ আৰু ডিগবৈ মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়, সন্মানীয় প্ৰবক্তামণ্ডলী আৰু অন্যান্য কৰ্মচাৰীবৃন্দলৈ মোৰ আন্তৰিক শ্ৰদ্ধা আৰু মৰম জ্ঞাপন কৰিলোঁ। ভাৰতবৰ্ষৰ উত্তৰ পূব দিশত আমাৰ সকলোৰে মৰমৰ ডিগবৈ মহাবিদ্যালয়খনি অৱস্থিত, য'ত মই প্ৰথম ভৰি দিবলৈ সোণালী সুযোগ পাইছিলো ২০০৯ চনত। ২০০৯ চনৰ পৰা ২০১৪ চনৰ লৈ কৰা অবিৰত যাত্ৰাত শিক্ষাৰ লগতে বহুতো মৰম আৰু অভিজ্ঞতা মই এই মহাবিদ্যালয়ৰ পৰা বুটলি নিবলৈ সক্ষম হ'লো যাৰ কাৰণে মহাবিদ্যালয়ৰ ওচৰত মই সদায়ে ঋণী। আজি ক'বলৈ পাই অতি সুখী যে আমাৰ মৰমৰ মহাবিদ্যালয়খনিয়ে বহুতো ঘাত-প্ৰতিঘাত অতিক্ৰম কৰি আজি ৫০ বছৰত ভৰি দিছেহি। মই নিজকে ভাগ্যৱান বুলি ভাবো যে মই ছাত্ৰ একতা সভাৰ সভাপতি হিচাপে দুআষাৰ এই সোণালী আলোচনীত ব্যক্ত কৰিব পাৰিছোঁ।

মই DCSU ৰ সভাপতিৰ পদ অলংকিত কৰিছিলো 2013-14 বৰ্ষত। কিন্তু এই গধুৰ দায়িত্ব ল'বলৈ প্ৰথম অৱস্থাত মান্তি হোৱা নাছিলো যদিও বন্ধু বৰ্গৰ সমৰ্থন আৰু সহযোগত এই গধুৰ দায়িত্ব তুলি ধৰিবলৈ সাজু হ'লো। আমাৰ কাৰ্যকালৰ সময়ত খেলপথাৰৰ মেৰামতিৰ কাম চলি থকাৰ কাৰণে মহাবিদ্যালয়ৰ ক্ৰীড়া সপ্তাহ কিছু পলমকৈ অনুষ্ঠিত হৈছিল যদিও আমাৰ কাৰ্যকালত প্ৰতিটো অনুষ্ঠান সুকলমে পালন কৰা হ'ল। প্ৰতিটো বিভাগৰ সম্পাদকে নিজৰ নিজৰ দায়িত্বসমূহ ভালদৰে পালন কৰাৰ লগতে তেওঁলোকৰ পুঁজিত থকা ধন নিয়াৰিকৈ খৰছ কৰিলে। এই ক্ষেত্ৰত অধ্যক্ষ মহোদয়ে আমাক যথেষ্ট সহায় কৰিলে। আমাৰ 2013-14 কাৰ্যকালতে IOC, (AOD) ৰ সহযোগত মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহ মেৰামতি কৰাৰ লগতে শৌচাগাৰ ব্যৱস্থা কৰা হয় আৰু DCSU ৰ অফিচ পুনৰ নিৰ্মাণ কৰা হয়। আমাৰ আৰু কিছুমান কাম কৰা হেঁপাহ আছিল যদিও পুঁজিৰ ধন আৰু সময় কম হোৱাৰ কাৰণে কৰিব পৰা নগ'ল। আমি অতি কম দিনৰ ভিতৰতে বিদ্যালয়ৰ হকে যিমান দিন পাৰিলো আমাৰ সামৰ্থ সহকাৰে কৰিলো।

শেষত মই ডিগবৈ মহাবিদ্যালয় অধ্যক্ষ মহোদয় ড° দীপ শইকীয়া ছাৰলৈ, আমাৰ কাৰ্যকালৰ সকলো সময়ত আমাক উৎসাহ আৰু কামৰ দিহা পৰামৰ্শ দিয়া ডিগবৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ 2013-14 বৰ্ষৰ মুখ্য উপদেষ্টাৰ লগতে মোৰ শ্ৰদ্ধাৰ ৰাজনীতি বিভাগৰ মূৰব্বী অধ্যাপক ড° অৰুণ চন্দ্ৰ দত্ত ছাৰ আৰু বনজিৎ দাস ছাৰ, জনাৰ্ডন বড়া ছাৰ, জিতু বৰা ছাৰলৈ ধন্যবাদ জ্ঞাপন কৰিছোঁ, যাৰ কাৰণে মই মোৰ সকলো দায়িত্ব পালন কৰি যোৱাৰ লগতে পঢ়া শুনাও ঠিকমতে কৰি স্নাতক মহলাৰ কঠিন দেওনাখন অতিক্ৰম কৰিবলৈ সক্ষম হ'লো। লগতে মহাবিদ্যালয়ত প্ৰতিটো অনুষ্ঠানত উপস্থিত থাকি সাফল্যমণ্ডিত কৰা তিনিওটা বিভাগৰ শিক্ষাগুৰু সকললৈ আৰু মোৰ মৰমৰ অনুজ প্ৰতীম সকললৈ হিয়াভৰা মৰম জ্ঞাপন কৰিলোঁ। আমাৰ কাৰ্যকালত আমাৰ ফালৰ পৰা অজানিতে যদি কোনো প্ৰকাৰৰ ভুল হৈছে যদি তেন্তে সকলোৰে ওচৰত আমি ক্ষমা প্ৰাৰ্থনা জনাইছো।

সদৌ শেষত নৱ নিৰ্বাচিত ছাত্ৰ একতা সভালৈ শুভেচ্ছা জনাইছোঁ আৰু মহাবিদ্যালয়ৰ বিকাশৰ দিশত কাম কৰি যাব বুলি আশা ৰাখিলোঁ। অৱশেষত ডিগবৈ মহাবিদ্যালয়ৰ উজ্বল ভৱিষ্যত কামনা কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিছোঁ।

*জয়তু ডিগবৈ মহাবিদ্যালয়*



—ৰামজানুল হক
উপ-সভাপতি, ডিগবৈ মহাবিদ্যালয়
ছাত্ৰ-একতা সভা



# উপ-সভাপতি সম্পাদকৰ প্ৰতিবেদন

নমস্কাৰ গ্ৰহণ কৰিব। জয় জয়তে ডিগবৈ মহাবিদ্যালয় সমূহ পৰিয়ালবৰ্গলৈ মোৰ আন্তৰিক শ্ৰদ্ধা আৰু মৰমৰ জ্ঞাপন কৰিছোঁ। লগতে সোণালী জয়ন্তীৰ শুভেচ্ছা যাচিছোঁ।

২০১৩-১৪ বৰ্ষত বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হৈছিলোঁ। যিহেতু আমাৰ সভাপতি থকাৰ বাবে মোৰ বিশেষ কৰিব লগা একো নাছিল। মই দায়িত্ব গ্ৰহণ কৰাৰ পাছতে প্ৰতিভা বিকাশ সপ্তাহ আৰম্ভ হৈছিল। বিভিন্ন পদত থকা সম্পাদক সকলে নিয়াৰিকৈ কাম কৰিছিল। মইয়ো যিমানখিনি সক্ষম কৰিবলৈ চেষ্টা কৰিছিলোঁ।

মোৰ এই প্ৰতিবেদনৰ জৰিয়তে জনাওঁ যে কেৱল ছাত্ৰ-একতা সভাৰ বিষয়ববীয়াসকলে সকলো কাম কৰিব বুলি ভাবিব নালাগে। কাৰণ এইখন আমাৰ ঘৰ নিজৰ ঘৰখন সুন্দৰকৈ ৰখা আমাৰ সকলোৰে কৰ্তব্য।

শেষত ২০১৩-১৪ বৰ্ষৰ ছাত্ৰ একতা সভাই কিমান কাম কৰিলে সেই বিচাৰ আপোনালোকৰ হাতলৈ এৰি দি মই মোৰ প্ৰতিবেদন সামৰিলোঁ।

।। জয়তু ডিগবৈ মহাবিদ্যালয়।।
।। জয়তু ডিগবৈ মহাবিদ্যালয় ছাত্ৰ-একতা সভা।।



# সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

—অমৰজ্যোতি গগৈ
সাধাৰণ সম্পাদক
ডিগবৈ মহাবিদ্যালয় ছাত্ৰএকতা সভা
২০১৩-২০১৪ বৰ্ষ

মই পোন প্ৰথমেই ডিগবৈ মহাবিদ্যালয়ৰ সমূহ পৰিয়ালবৰ্গলৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ। আপোনালোকৰ আশীষ আৰু মৰমৰ বাবেই মই এই মহান মহাবিদ্যালয়ৰ সাধাৰণ সম্পাদক হিচাপে নিৰ্বাচিত হৈছিলোঁ। অন্য সম্পাদক সকলৰ দৰে মইও দুচকুত বহুতো আশাৰে মহাবিদ্যালয়ৰ আলোক সন্ধানী যাত্ৰাত কিছু দায়িত্ব ল'বৰ বাবে আগবাঢ়ি আহিছিলোঁ। আপোনালোকৰ সকলোৰে সহযোগত যিমানবোৰ পাৰিলো মোৰ মহান শিক্ষা মন্দিৰৰ অগ্ৰগতিৰ হকে কৰিলোঁ আৰু যদি অজানিতে কিবা ভুল-ভ্ৰান্তি হৈছে আপোনালোকৰ পৰা ক্ষমা প্ৰাৰ্থনা কৰিলোঁ। আলোচনী সম্পাদকৰ অনুৰোধ মৰ্মে মই মোৰ কৰ্মৰাজিৰ চমু আভাস মহাবিদ্যালয়ৰ সমূহ পৰিয়ালবৰ্গৰ আগত দাঙি ধৰিলোঁ।

যোৱা ১৭ জানুৱাৰীৰ পৰা ২২ জানুৱাৰীলৈ ডিগবৈ মহাবিদ্যালয় পৰিয়ালবৰ্গৰ অতি আদৰৰ, প্ৰাণোচ্ছল, ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতিভা বিকাশৰ অনুষ্ঠান 'ডিগবৈ মহাবিদ্যালয় সপ্তাহ'ৰ ছদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে উদযাপন কৰিবলৈ লোৱা হ'ল। মহাবিদ্যালয় সপ্তাহ উপলক্ষে শ্বহীদ বেদীকে লৈ বিভিন্ন গছ-গছনি ফুলনিবাৰী আৰু খেলপথাৰ আদি চাফা কৰি সুন্দৰ কৰিলোঁ। বিশিষ্ট শিক্ষাবিদ হিতেন্দ্ৰনাথ শৰ্মা ছাৰ, মাননীয় অধ্যক্ষ ড° দীপ শইকীয়া ছাৰৰ সহযোগত ডিগবৈ মহাবিদ্যালয় সপ্তাহৰ শুভাৰম্ভ কৰা হয়। পতাকা উত্তোলন, শ্বহীদ তৰ্পন, অলিম্পিক শিখা প্ৰজ্জ্বলনকে ধৰি ডিগবৈ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাৰ্চ-পাছ আৰু কোৱাচেৰে প্ৰতিভা বিকাশ সপ্তাহৰ শুভ উদ্বোধন কৰা হ'ল। লগতে ডিগবৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ প্ৰাচীৰ পত্ৰিকা উন্মোচন আৰু বিভিন্ন বিভাগৰ প্ৰাচীৰ পত্ৰিকা উন্মোচন কৰা হ'ল। বিগত বছৰসমূহৰ তুলনাত কিছু নতুনত্ব প্ৰদান কৰা হয়। যেনে ক্ৰিকেট খেল আমি ডিউচ বলেৰে খেলোৱাৰ সিদ্ধান্ত ল'লো আৰু প্ৰায় এমাহ যোৱা কাৰ্যসূচীৰে ক্ৰিকেট খেলৰ সামৰণি মাৰিলোঁ। ২২ জানুৱাৰীত মহাবিদ্যালয় সপ্তাহৰ পুৰস্কাৰ বিতৰণী সভাত মাৰ্ঘেৰিটা মহকুমাধিপতি শ্ৰীযুত আদিল খান ছাৰৰ উপস্থিতিত মহাবিদ্যালয় সপ্তাহৰ অন্ত পৰে। মহাবিদ্যালয় সপ্তাহ যিমান ভালদৰে হ'ব বুলি ভাবিছিলোঁ আপোনালোকৰ উপস্থিতি আৰু সহযোগিতাত তাতোকৈও বহুগুণে সুন্দৰ ভাবে সমাপ্তি ঘটে।

২০ জানুৱাৰীৰ পৰা আন্তঃমহাবিদ্যালয় যুৱ মহোৎসৱৰ আৰম্ভণি হৈছিল। তালৈ ডিগবৈ মহাবিদ্যালয়ৰ পৰা প্ৰতিনিধিত্ব কৰিবলৈ দল পঠিওৱা হৈছিল। তাত সকলোৱে বৰ সুন্দৰভাবে প্ৰদৰ্শন কৰিলে আৰু ছয়টা (৬) পুৰস্কাৰ পাবলৈ সক্ষম হ'ল।

তেওঁলোকৰ সুন্দৰ প্ৰদৰ্শনে ডিগবৈ মহাবিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই আনিলে। তেওঁলোকক আমি ছাত্ৰ-একতা সভাৰ তৰফৰ পৰা আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিলোঁ।

৪ ফেব্ৰুৱাৰী ২০১৪ তাৰিখে ডিগবৈ মহাবিদ্যালয়ৰ ছাত্ৰ-একতা সভাৰ সৌজন্যত শ্ৰীশ্ৰীসৰস্বতী দেৱীৰ পূজা ভাগ পৰম্পৰাগত উৎসাহ উদ্দীপনাৰ মাজেৰে পালন কৰা হ'ল।

৮ মে' ২০১৪ তাৰিখে স্নাতক ষষ্ঠ ষাণ্মাসিক আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষৰ ছাত্ৰ-ছাত্ৰীসকলৰ উদ্দেশ্যে মনত কিছু দুখ আৰু তেওঁলোকৰ উজ্জ্বল ভৱিষ্যতৰ আশাৰে বিদায়ী সভা অনুষ্ঠিত কৰা হ'ল।

১৫ জুলাই ২০১৪ তাৰিখ আছিল ডিগবৈ মহাবিদ্যালয়ৰ আটাইতকৈ মহান দিন। এই দিনটোত আমাৰ মহাবিদ্যালয়খনে সোণালী বৰ্ষত ভৰি দিলেহি। এবছৰ যোৱা কাৰ্যসূচীৰে আমি ১৫ জুলাই দিনটো সামৰি দুদিনীয়া কাৰ্যসূচীৰে সোণালী জয়ন্তী বৰ্ষৰ উদ্বোধনী অনুষ্ঠান সফলতাৰে উদযাপন কৰা হ'ল।

২২ জুলাই ২০১৪ তাৰিখে আদৰণী সভা অনুষ্ঠিত কৰা হয়। নতুনক আদৰণি

জনোৱাৰ লগতে তেওঁলোকৰ অযুত স্বপ্ন দুচকুত আঁকি ভৱিষ্যত গঢ়াৰ মানসেৰে ন ছাত্ৰ-ছাত্ৰীসকলে পদাৰ্পণ কৰেহি। তেওঁলোকৰ সপোন আৰু ভৱিষ্যত উজ্জ্বল হওঁক। তেওঁলোকৰ উদ্দেশ্যে আমি মুখ্য অতিথি হিচাপে নিমন্ত্ৰণ জনাইছিলোঁ গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য শ্ৰীযুত মৃদুল হাজৰিকাদেৱক আৰু তিনিচুকীয়া জিলাৰ জিলাধিপতি শ্ৰীযুত পুৰু গুপ্তাদেৱক। তেওঁলোকে নৱাগত অনুজসকলৰ উদ্দেশ্যে সুন্দৰ বক্তব্য আগবঢ়ায়।

আমাৰ কাৰ্যকালত আমি মহাবিদ্যালয়ৰ হকে যথেষ্টখিনি কৰিবলৈ চেষ্টা কৰিছিলোঁ। তাত আমি কিমান সফলতা অৰ্জন কৰিলোঁ সেয়া আপোনালোকৰ বিচাৰ্য বিষয়। আমাৰ কাৰ্যভাৰ চলি থাকোঁতে আমি ছাত্ৰ-ছাত্ৰীৰ বিভিন্ন সমস্যাসমূহ বুজ ল'বলৈ ২২ আগষ্ট ২০১৪ তাৰিখে এখনি সাধাৰণ সভা আহ্বান কৰিছিলোঁ। উক্ত সভাখনত ডিগবৈ মহাবিদ্যালয়ৰ ছাত্ৰ-একতা সভাৰ সংবিধানখন ২০১১-২০১২ বৰ্ষতে সংশোধনৰ প্ৰস্তাৱ লোৱা সংবিধানখন সংশোধন কৰি গৃহীত কৰা হয়। উক্ত সভাত বিভিন্ন অভাৱ অভিযোগ দাঙি ধৰা হ'ল। এই সভাৰ জৰিয়তে আমাৰ অধ্যক্ষ মহোদয়ে বিভিন্ন সমস্যা সমূহৰ ওপৰত তেওঁৰ মতামত দিলে আৰু মহাবিদ্যালয়ৰ কতৃপক্ষই সমস্যাসমূহ অতি কম সময়ৰ ভিতৰত সমাধান কৰিম বুলি মত দিয়ে।

আমাৰ দাবীসমূহ আছিল —

১) ছাত্ৰ-ছাত্ৰীসকলৰ চাইকেল ৰাখিবৰ বাবে এটা ডাঙৰ ষ্টেণ্ড নিৰ্মাণ কৰা।

২) শিক্ষকসকলৰ আৰু কৰ্মচাৰীসকলৰ গাড়ী আৰু মটৰ চাইকেল ৰাখিবৰ বাবে ষ্টেণ্ড নিৰ্মাণ কৰা।

৩) পুথিভঁৰালত ছাত্ৰ-ছাত্ৰীৰ প্ৰয়োজনীয় পাঠ্যপুথিৰ পৰিমাণ বৃদ্ধি কৰা।

৪) খোৱা পানীৰ বাবে আৰু দুটা (Aqua Guard) ৰ ব্যৱস্থা কৰা।

৫) মহাবিদ্যালয়ৰ ছাত্ৰী জিৰণী চ'ৰাটো সুন্দৰকৈ মেৰামতি কৰা।

৬) মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ সুবিধাৰ বাবে কেনটিনৰ ভাল সুবিধা প্ৰদান কৰা।

৭) মহাবিদ্যালয়ৰ শৰীৰ চৰ্চা গৃহ নিৰ্মাণ কৰি ছাত্ৰ-ছাত্ৰীসকলৰ বাবে সুবিধা প্ৰদান কৰা।

৮) মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে সুকীয়াকৈ শৌচাগাৰ ব্যৱস্থা কৰা।

৯) ছাত্ৰ নিৱাসটো (Boys Hostel) ডাঙৰ কৰি নতুন ছাত্ৰৰ বাবে সুবিধা কৰি দিয়া।

১০) ছাত্ৰ-একতা সভাৰ গৃহত এটা কম্পিউটাৰ, এটা প্ৰিণ্টাৰ আৰু আলমাৰি আদিৰ যোগান ধৰা।

১১) ছাত্ৰ-ছাত্ৰীসকলৰ শাৰীৰিক আৰু সাংস্কৃতিক বিকাশৰ উন্নতিৰ বাবে শিক্ষক নিযুক্তি দিয়া।

আমাৰ পৰম সৌভাগ্য যে ডিগবৈ মহাবিদ্যালয়ৰ সোণালী জয়ন্তী বৰ্ষ উদযাপন উপলক্ষে যোৱা ইং ২৮-০৯-২০১৪ তাৰিখে ডিগবৈ মহাবিদ্যালয় প্ৰাক্তন ছাত্ৰৰ উদ্যোগত প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সন্মিলন অনুষ্ঠিত কৰে। উক্ত কাৰ্যসূচীৰ লগত সংগতি ৰাখি 'নিউজ লাইভ'ৰ 'দেওবৰীয়া আদ্দা'ৰ জড়িয়তে ডিগবৈ মহাবিদ্যালয়খন বিশ্ববাসীৰ লগত পৰিচয় কৰোৱাৰ প্ৰয়াস কৰিছিল। আমি ছাত্ৰ একতা সভাৰ তৰফৰ পৰা উক্ত অনুষ্ঠানত প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে অংশগ্ৰহণ কৰা সকলোকে অশেষ ধন্যবাদ জ্ঞাপন কৰিলোঁ।

এই প্ৰতিবেদনৰ জৰিয়তে মোৰ মৰমৰ বন্ধু-বান্ধৱী আৰু ভাইটি-ভণ্টীসকলক এষাৰ কথা ক'ব বিচাৰোঁ যে এই মহাবিদ্যালয়খন আমাৰ মহাবিদ্যালয়। মহাবিদ্যালয়খনৰ সৰ্বাঙ্গীন দিশত সুন্দৰ কৰাটো আৰু মহাবিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই অনাটো আমাৰ কৰ্তব্য। সেয়েহে আমি পাঠ্যপুথিৰ শিক্ষা গ্ৰহণ কৰাৰ উপৰিও মহাবিদ্যালয়ৰ প্ৰতিটো অনুষ্ঠানত পূৰ্ণ অংশগ্ৰহণ কৰিব লাগে। মহাবিদ্যালয়খনৰ সৰ্বাঙ্গীন উন্নয়নৰ কাৰণে আমি আমাৰ কৰণীয় কামসমূহ কৰি যাব লাগে।

